# চতুৰ্থ খণ্ড
## ঔপনিবেশিকতাবাদ আৰু আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণ

**প্ৰথম বিভাগ ঃ** ঔপনিবেশিকতাবাদ আৰু অসমীয়া ভাষা ঃ আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণ

**দ্বিতীয় বিভাগঃ** আধুনিক অসমীয়া ভাষা নিৰ্মাণত মিছনেৰীসকলৰ ভূমিকা

**তৃতীয় বিভাগ ঃ** আধুনিক অসমীয়া ভাষা নিৰ্মাণত অসমীয়া বুদ্ধিজীৱিসকলৰ ভূমিকা

**চতুৰ্থ বিভাগ ঃ** ছপা মাধ্যম আৰু অসমীয়া ভাষা

**পঞ্চম বিভাগ ঃ** অসমীয়া ভাষাৰ মান্যীকৰণ

## প্ৰথম বিভাগ
# ঔপনিবেশিকতাবাদ আৰু অসমীয়া ভাষা ঃ আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণ

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ঔপনিবেশিকতাবাদৰ সংজ্ঞা আৰু স্বৰূপ
১.৪ ঔপনিবেশিকতাবাদ আৰু ভাৰত
১.৫ অসমীয়া ভাষা ঃ ঔপনিবেশিক পৰিস্থিতি
১.৬ আধুনিক অসমীয়া ভাষা নিৰ্মাণ প্ৰক্ৰিয়া
১.৭ সাৰাংশ (Summing Up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

আধুনিক বিশ্ব নিৰ্মাণত ঔপনিবেশিকতা এক বিশ্বজনীন গুৰুত্বপূৰ্ণ ঘটনা। ঔপনিবেশিক সম্প্ৰসাৰণৰ জৰিয়তেই আফ্ৰিকা, এছিয়া আদি বিশাল ভৌগোলিক এলেকাত প্ৰচলিত আৰ্থ-সামাজিক ব্যৱস্থাৰ ব্যাপক সলনি হোৱাৰ সমান্তৰালভাৱে ইউৰোপীয় বহুবোৰ নতুন ধ্যান-ধাৰণাৰ আমদানিৰে ঔপনিবেশবোৰৰ শাসিত মানুহৰ ভাষা-সংস্কৃতিৰো তাৎপৰ্যপূৰ্ণ ৰূপান্তৰ সাধিত হৈছিল। ঊনবিংশ শতিকাৰ আদিভাগকে বৃটিছ সাম্ৰাজ্যৰ উপনিবেশত পৰিণত হোৱা ব্ৰহ্মপুত্ৰ উপত্যকা তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ঔপনিৰেশিক ব্যৱস্থাৰ অধীনতে পুৰণি সামাজিক-প্ৰশাসনিক, ৰাজনৈতিক আনকি বহুক্ষেত্ৰত সাংস্কৃতিক পৰম্পৰাৰ ঠাইত আধুনিকতাৰ সূচনা হৈছিল। এই পটভূমিতে পুৰণি অসমীয়া ভাষাৰ ভৌগোলিক আৰু সামাজিক ৰূপবৈচিত্ৰ্যৰ মাজৰ পৰাই আধুনিক অসমীয়া ভাষাই কিদৰে নিজস্ব ৰূপ পৰিগ্ৰহণ কৰিব পাৰিলে সেইখিনি কথাই এই বিভাগত আপোনালোকে জানিবলৈ পাব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচনাৰ মাজেদি আপোনালোকে—

- ঔপনিবেশিকতাবাদ কি, ভাৰত আৰু অসমৰ প্ৰেক্ষাপটত ঔপনিবেশিকতাবাদৰ ঐতিহাসিক তাৎপৰ্য অনুধাৱন কৰিব পাৰিব,
- আধুনিক অসমীয়া ভাষা বুলিলে কি বুজা যায় তাৰ এক ধাৰণা পাব,

- জাতীয় ভাষাৰূপে পুৰণি অসমীয়া ভাষাটোৰ আধুনিকতামুখী ৰূপান্তৰৰ আভাস লাভ পাব,
- আধুনিক অসমীয়া ভাষা নিৰ্মাণৰ প্ৰক্ৰিয়াটোত ঔপনিবেশিক পৰিস্থিতি, মিছনেৰীৰ ভূমিকা, দেশীয় মধ্যশ্ৰেণীৰ ভূমিকা আদি কথা বুজিব পাৰিব,
- মান্যতাপ্ৰাপ্তি প্ৰক্ৰিয়াৰ এটা ধাৰণা ল'ব পাৰিব।

## ১.৩ ঔপনিবেশিকতাবাদৰ সংজ্ঞা আৰু বৈশিষ্ট্য

আধুনিক বিশ্বৰ ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত সততে চৰ্চিত এটা বিষয় হ'ল ঔপনিবেশিকতাবাদ। ঔপনিবেশিকতাবাদ বিষয়টো বুজিবলৈ প্ৰথমে জানিব লাগিব 'উপনিবেশ'নো কি? ইংৰাজীত 'Colony' মানে উপনিবেশ আৰু 'Colony'ৰ পৰাই আহিছে 'Colonialism', ঔপনিবেশিকতাবাদ। সাধাৰণভাৱে বুজিবলৈ হ'লে, এঠাইৰ পৰা গৈ আন এখন ঠাইত সমাজ পাতি বসবাস কৰা প্ৰবাসী এলেকাকে 'Colony' বা উপনিবেশ বোলা হয়। কিন্তু 'Colonialism' শব্দটোৰ অৰ্থ ইয়াতকৈ ব্যাপক আৰু অধিক বিষয়-অনুষংগযুক্ত। খ্ৰীষ্টাব্দ পঞ্চদশ শতিকাৰ পৰা ইউৰোপৰ পৰ্টুগীজ, স্পেনীজ আদিসকলে পৃথিৱীৰ বিভিন্ন পিছপৰা অঞ্চলবোৰত নিজৰ ব্যৱসায়িক স্বাৰ্থত উপনিৱেশ প্ৰতিষ্ঠা কৰি ক্ৰমান্বয়ে সেই সেই অঞ্চলবোৰত নিজৰ ৰাজনৈতিক, অৰ্থনৈতিক আধিপত্য প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী সময়ত মূলত ফৰাছী, ব্ৰিটিছসকলে বিশ্বব্যাপী এনে উপনিবেশ প্ৰতিষ্ঠা কৰে। এইখিনিতে এটা কথা মনত ৰাখিব লাগিব যে, 'উপনিবেশ'ৰ ধাৰণাটোৰো বহু বিচিত্ৰ ৰূপ আছে। সেইবোৰ লক্ষ্য কৰি ক'ব পাৰি, পঞ্চদশ শতিকাৰ বহু আগৰে পৰাই উপনিবেশ স্থাপনৰ ধাৰা চলি আহিছে। বহল অৰ্থত শক, হুন, কুশান, মোগল, পাঠান আদি বহিৰ্শক্তিয়ে ভাৰত আক্ৰমণ কৰি ভাৰততো নিজৰ 'উপনিবেশ' প্ৰতিষ্ঠা কৰিছিল। কাৰণ, 'উপনিবেশ' ধাৰণাটোৰ লগত সংযুক্ত আছে দুটা মূল কথা— প্ৰথম, স্থায়ীভাৱে বসতি কৰিবলৈ মাতৃভূমিৰ বাহিৰত ঠাই দখল কৰা; দ্বিতীয়, সেই দখলীকৃত ঠাইৰ প্ৰাকৃতিক আৰু পাৰ্থিব সম্পদ লুণ্ঠন কৰি মাতৃভূমিলৈ অনা। সেই দুয়োটা কথাৰ উদাহৰণ পৃথিৱীৰ বুৰঞ্জীত পঞ্চদশ শতিকাৰ আগতেও আছিল। কিন্তু বিভিন্ন দিশৰ পৰা বিচাৰ কৰি সমাজতত্ত্ববিদ, ঐতিহাসিকসকলে কৈছে যে, উপনিবেশ বিষয়ক বুৰঞ্জীত আমি কেবাটাও পৰ্যায় লক্ষ্য কৰিব পাৰোঁ। সেই পৰ্যায়বোৰত ঔপনিবেশিক চৰিত্ৰ আৰু স্বৰূপ সুকীয়া সুকীয়া। পঞ্চদশ শতিকাৰ আগৰ সময়ছোৱাৰ লগত পিচৰ কালৰ উপনিবেশবোৰত স্বৰূপ একে নহয়। একেদৰে উনবিংশ শতিকাৰ পৰা এই স্বৰূপ আকৌ সুকীয়া ৰূপত প্ৰতিভাত হয়। তেনেহ'লে আপোনালোকে নিশ্চয় বুজিছে যে, 'উপনিবেশ' প্ৰতিষ্ঠাৰ জৰিয়তে শাসিত আৰু শাসকৰ সম্বন্ধৰে দুটা পৃথক মানৰ গোটৰ সম্পৰ্ক সাধিত হয়। তাৎপৰ্যপূৰ্ণভাৱে এই সম্পৰ্ক শাসন, শোষণ, অৱদমন আৰু আধিপত্য আদি অৱধাৰণাৰ লগত যুক্ত হৈ থাকে। আকৌ, এনেবোৰ দমনমূলক শাসন

আৰু আধিপত্য সত্বেও শাসিত লোকসকলে উপনিবেশিক পৰিৱেশত নিজৰ উত্তৰণৰ বাট বিচাৰি লয়। এই সামগ্ৰিক কথাখিনি সামৰিহে 'ঔপনিৱেশিকতাবাদ' বিষয়টো বুজিব লাগিব।

'Colonialism' (ঔপনিবেশিকতাবাদ) শব্দটো আহিছে লেটিন শব্দ 'Colonus'ৰ পৰা। লেটিন ভাষাত 'Colonus' মানে 'Farmer' (খেতিয়ক)। গতিকে, প্ৰাৰম্ভিকভাৱে উপনিবেশিকতাবাদ শব্দটোৱে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ গৈ সেই ভূমি দখল কৰি সেই ভূমিত কৃষিকাৰ্য সম্প্ৰসাৰণেৰে আনৰ ভূমিত অধিকাৰ সাব্যস্ত কৰা কথাকে বুজায়। স্কট কৃষকৰ দ্বাৰা উত্তৰ আয়াৰলেণ্ড (1609)ত স্থাপন কৰা উপনিবেশৰ কথা এই প্ৰসংগত ক'ব পাৰি। অন্যহাতে, উপনিবেশ স্থাপনৰ জৰিয়তে সাম্ৰাজ্য বিস্তাৰৰ বিষয়টো ঔপনিবেশিকতাবাদে সামৰি লয়। পঞ্চদশ শতিকাৰ শেষ ভাগত স্পেনীছ সাম্ৰাজ্যবাদ আমেৰিকাৰ একাংশ দখল কৰি তাত নিজৰ শক্তিৰ দ্বাৰা নিজস্ব প্ৰশাসন চলোৱাৰ উদাহৰণ এইক্ষেত্ৰত প্ৰযোজ্য।

পঞ্চদশ শতিকাৰ পৰা বিস্তাৰিত হোৱা ঔপনিবেশিকতাবাদক কোৱা হয় 'Age of Capital' বা 'Capitalocene'। অৰ্থাৎ, পঞ্চদশ শতিকাৰ পৰা হোৱা উপনিবেশিক বিস্তাৰৰ প্ৰধান ধৰ্ম হ'ল পূৰ্বৰ সামন্তব্যৱস্থা ভাঙি শাসিত অঞ্চলত নতুন আৰ্থ-সামাজিক প্ৰশাসনিক ব্যৱস্থাৰ প্ৰচলন আৰু ইয়াৰ দ্বাৰা ইউৰোপীয় শক্তিৰ মাজত পুঁজিবাদৰ উত্থান। প্ৰথম অৱস্থাত ইউৰোপীয়ান দেশবোৰে উপনিবেশ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বাণিজ্যমূলক নীতি (Mercentilism) লৈছিল, মূলত নিজৰ দেশৰ অৰ্থনীতি টনকিয়াল কৰিবৰ বাবে। ঊনবিংশ শতিকাৰ মাজভাগত ব্ৰিটিছ সাম্ৰাজ্যই এই নীতি ত্যাগ কৰি মুক্ত বাণিজ্য (Free Trade) নীতি গ্ৰহণ কৰে। লাহে লাহে সমগ্ৰ বিশ্বত আনবোৰ ইউৰোপীয়ান শক্তিৰ তুলনাত ব্ৰিটিছৰ উপনিবেশ বাঢ়ি আহে। এটা সমীক্ষা মতে, ১৮০০ চনত সমগ্ৰ বিশ্বৰ ৩৫% ইউৰোপীয়ানসকলৰ দখলত আছিল আৰু এই শতাংশ বাঢ়ি ১৯১৪ চনত হয়গৈ ৮৪%।

এইখিনি সাধাৰণ আভাস লোৱাৰ পাছত আমি 'Collins English Dictionary'ৰ এই সংজ্ঞাটো চাব পাৰোঁ— 'Colonialism' হ'ল— "The practice by which a powerful country directly controls less powerful country and used their resources to increase its own power and wealth"।

আন এটা সহজ সংজ্ঞা এনেদৰে দিয়া হৈছে—

"A phenomenon of setting up coleries and consequent economic, political, social and cultural conquest and control of various indegenous peoples in different times by major European. (Post-Colonialism by vishek Ganguly in "Critical Theory Textual Application, Edited by Shormishtha Panja, P. 281)

**জানি থওঁ আহা**

পূৰ্বৰ উপনিৱেশৰ তুলনাত পঞ্চদশ শতিকাৰ পৰা হোৱা ঔপনিৱেশতাবাদৰ মৌলিক বৈশিষ্ট্য ঃ

১। পুঁজিবাদৰ সূত্ৰপাত আৰু বিকাশ।

২। উপনিবেশবোৰৰ সম্পদ লুণ্ঠন আৰু তাৰ স্বাৰ্থত দমন-নীপিড়নেই নহয়, উপনিবেশবোৰৰ অৰ্থনীতি ভাঙি-ছিঙি নতুনকৈ গঢ়ি শাসক সাম্ৰাজ্যবাদী অৰ্থনীতিৰ লগত সম্পৰ্ক ঘটোৱা।

৩। ইউৰোপীয়ান দেশসমূহৰ উদ্যোগজাত সামগ্ৰীৰ বজাৰ প্ৰস্তুত।

উপনিবেশবোৰত ঔপনিবেশিকতাবাদৰ ফলত সৃষ্টি হোৱা কেইটামান প্ৰত্যক্ষ ঘটনা—

১। ইউৰোপীয় বেমাৰ-ব্যাধিৰ আমদানি।

২। অসাম্য সামাজিক সম্পৰ্ক।

৩। জনজাতি সমাজৰ ভাঙোন (গোষ্ঠীবন্ধন ভাঙোন)।

৪। অৰ্থনৈতিক আৰু শাৰীৰিক শোষণ।

৫। দাস বাণিজ্যৰ দ্বাৰা মানৱিকতাৰ অৱমাননা।

৬। শাসিত উপনিবেশবোৰত ইউৰোপীয় শিক্ষা-ধ্যান ধাৰণাৰ সম্প্ৰসাৰণ।

৭। চিকিৎসা বিষয়ক আধুনিক ব্যৱস্থা।

৮। যোগাযোগ মাধ্যমৰ উন্নীতকৰণ।

৯। প্ৰযুক্তিগত বিকাশ।

১০। শাসকবৰ্গৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সম্প্ৰসাৰণ।

১১। শাসিত উপনিবেশিক প্ৰজাৰ মাজত জাতীয়তাবাদৰ বিকাশ।

এই উপনিৱেশ প্ৰতিষ্ঠা আৰু আধিপত্য বিস্তাৰৰ প্ৰতিযোগিতাৰ বাবেই পৃথিৱীত যোৱাটো শতিকাত দুখনকৈ বিশ্বযুদ্ধৰ সূত্ৰপাত হয়। দ্বিতীয় বিশ্বযুদ্ধৰ ভয়ানক পৰিণতিৰ পাছত উপনিবেশবোৰৰ মাজত আত্মনিয়ন্ত্ৰণৰ চেতনা প্ৰবল হয় আৰু ক্ৰমান্বয়ে উপনিবেশবোৰক স্বাধীনতা দিবলৈ বাধ্য হয়।

**আত্মমূল্যায়ণ প্ৰশ্ন**

বহল অৰ্থত উপনিবেশ মানে কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...........................................................................................................

...........................................................................................................

...........................................................................................................

...........................................................................................................

**১.৪ ঔপনিবেশিকতাবাদ আৰু ভাৰত**

১৭০৭ চনত ঔৰঙ্গজেৱৰ মৃত্যুৰ পাছত তেওঁৰ বিশাল সাম্ৰাজ্যৰ পতন হয় আৰু লগে লগে ভাৰতত ঔপনিৱেশিক আধিপত্য বিস্তাৰৰ বাবে মূলত ফ্ৰান্স আৰু ব্ৰিটিছ কোম্পানীৰ মাজত প্ৰতিযোগিতা আৰম্ভ হয়। অৱশেষত ব্ৰিটিছ 'East India Company'-এ ভাৰতত এহতীয়াকৈ ব্যৱসায় চলাবলৈ সক্ষম হয়। লগে লগে ভাৰতৰ ইতিহাসত আধুনিক পৰ্বৰো সূচনা হয়।

A. R. Desai-এ তেখেতৰ বিখ্যাত গ্ৰন্থ 'Social Background of Indian Nationalism'ত কৈছে যে, 'পূৰ্বতেও বহুতে ভাৰত অধিকাৰ কৰিছিল, কিন্তু এই বিজয়ীসকলে মাথো ভাৰতৰ ৰাজনৈতিক অধিকাৰহে সাব্যস্ত কৰিব পাৰিছিল— ভাৰতৰ মূল অৰ্থনৈতিক গাঁথনিটো কোনো হীন-দেড়ি ঘটাব পৰা নাছিল' (পৃ-২৫)। কিন্তু ব্ৰিটিছসকলে ভাৰতৰ পুৰণি সামন্তীয় ব্যৱস্থা ভাঙি তাৰ ঠাইত পুঁজিবাদী অৰ্থনীতিৰ সূচনা কৰিলে। দৰাচলতে অষ্টাদশ-ঊনবিংশ শতিকা জুৰি সমগ্ৰ বিশ্বতে এনে অৰ্থনৈতিক গাঁথনিৰ পৰিৱৰ্তনৰ জৰিয়তে 'জাতি' (Nation) ৰাষ্ট্ৰ বিকাশৰ ধাৰণা গঢ় লৈছিল। সেয়ে কোৱা হয় অষ্টাদশ-ঊনবিংশ শতিকা দুটা হ'ল— 'Primarily the history of the formation of nations in enlarging zones of the human world'.

ব্ৰিটিছ ৰাজত্বকালত ভাৰতৰ প্ৰাচীন আত্মনিৰ্ভৰশীল গ্ৰাম্য সম্প্ৰদায়ৰ (Village Community) ভাঙোন আৰম্ভ হয়। পূৰ্বতে ভূমি কোনোকালে ব্যক্তিগত সম্পত্তি নাছিল, বৰং ভূমি আছিল 'Property of the Community'। গাঁৱৰ পৰাই যি কাৰিকৰ, তাঁতী, কমাৰ, কুমাৰ আদি ওলাইছিল, তেওঁলোকো সেই 'Village Community'ৰ প্ৰয়োজন পূৰণৰ বাহিৰে মুকলিলৈ ওলাব পৰা নাছিল। আত্মনিৰ্ভৰশীল গ্ৰাম্য সামন্তীয় অৰ্থনীতিত মানুহৰ যাতায়াত (Travelling)ৰ প্ৰয়োজনো সীমিত আছিল। তীৰ্থভ্ৰমণ আৰু বিয়া-বাৰুৰ বাহিৰে দূৰলৈ যোৱাৰ কোনো প্ৰয়োজন নাছিল। ফলত বাট-পথৰ সুচলতাৰো বৰ গুৰুত্ব নাছিল, নগৰ গঢ় লোৱা নাছিল। নগৰ বুলিলে মাথো ৰাষ্ট্ৰৰ ৰাজধানীখন, ধৰ্মীয় ক্ষেত্ৰ, যেনে— বাৰানসী, পুৰী, মথুৰা আৰু সৰু সৰু ব্যৱসায়ৰ বাবে নদীৰ পাৰত গঢ় লোৱা তুলনামূলকভাৱে জনবহুল ঠাইখিনিকে বুজা গৈছিল। জাতপাত আৰু পুৰাতন ধৰ্মকেন্দ্ৰিক বিশ্বাস আৰু আচাৰে সমাজ পৰিচালিত হৈছিল। কোম্পানী আমোলত দ্ৰুত গতিত ভাৰতীয় অৰ্থনীতিৰ এই মূল গাঁথনিৰ ভাঙোন আৰম্ভ হৈ ব্যক্তিগত সম্পত্তিৰ ধাৰণাৰ বিকাশৰ সমান্তৰালভাৱে পূৰ্বৰ তুলনাত অধিক গতিশীল, সক্ষম আৰু শক্তিশালী এটা মধ্যবিত্ত শ্ৰেণীৰ বিকাশ হ'বলৈ ধৰিলে। বহিৰ্বিশ্বৰ ধ্যান-ধাৰণা, ইউৰোপীয় শিক্ষা আৰু জীৱন প্ৰৱাহে চঞ্চল কৰি তোলা এই মধ্যবিত্ত শ্ৰেণীটোৱেই আধুনিক ভাৰত নিৰ্মাণৰ মূল হোতা।

এইখিনিতে এটা কথা মন কৰিবলগীয়া যে, জাতি (Nation), জাতিসত্বা (Nationality), জাতিৰাষ্ট্ৰ (Nationstate) আৰু নৃগোষ্ঠী (Ethnic Group) আদি ধাৰণাবোৰ ঊনবিংশ শতিকাৰ পৰাহে ইউৰোপৰ পৰা আন ঠাইলৈ বিয়পি পৰে। ফলত এই ধাৰণাবোৰৰ অন্তৰালত থকা সমস্যাবোৰো সমানে বিয়পে। ইউৰোপীয় ধাৰণামতে

এটা পূৰ্ণাংগ জাতিয়েহে এখন স্বাধীন ৰাষ্ট্ৰ গঢ়াৰ অধিকাৰ পায়। কিন্তু ভাৰততো বহু বিভিন্ন জাতি, ধৰ্ম, সম্প্ৰদায়েৰে বিভক্ত। এনে কাৰণতে 'বৈচিত্ৰ্যৰ মাজত ঐক্য'ৰে এটা বহুত্ববাদী চৰিত্ৰৰ ভাৰতীয়ত্বৰ চেতনা সচেতনভাৱে গঢ় দিয়া হৈছিল— মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত। এনেদৰেই ভাৰতীয় জাতীয়তাবাদৰ মাজত ক্ষুদ্ৰ ক্ষুদ্ৰ জনসমষ্টিবোৰ আৱেগিকভাৱে মিলি গৈছিল।

### ১.৫ অসমীয়া ভাষা ঃ ঔপনিৱেশিক প্ৰেক্ষাপট

১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে ব্ৰিটিছ কোম্পানীয়ে অসমত নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ লগে লগে অসমৰ প্ৰজাই দীৰ্ঘকালীন মানৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাই স্বস্তিৰ নিশ্বাস এৰিলে। মোৱামৰীয়া বিদ্ৰোহৰ পৰা মানৰ আক্ৰমণলৈ সুদীৰ্ঘকালীন ৰাজনৈতিক অস্থিৰতাৰ যৱনিকা পৰাত স্বাভাৱিকতে কোম্পানীৰাজৰ প্ৰতি ৰাইজ কৃতজ্ঞ হ'ল। কিন্তু আপোনালোকে মন কৰিলে দেখিব যে, ব্ৰিটিছে অসমীয়া প্ৰজাৰ স্বাৰ্থত ইয়াণ্ডাবু সন্ধি কৰা নাছিল, কৰিছিল নিজৰ ঔপনিবেশিক সাম্ৰাজ্য বিস্তাৰৰ স্বাৰ্থতহে। অসমীয়া ভাষাৰ প্ৰসংগলৈ অহাৰ আগতে এই বিষয়ে কিছু কথা অনুধাৱন কৰিব লাগিব।

গেইটে 'আসাম বুৰঞ্জী'ত দেখুৱাইছে যে, ইয়াণ্ডাবু সন্ধিৰ আগতেই ব্ৰিটিছ সৈন্যই কেবাবাৰো অসমলৈ আহি 'ফুৰিচাকি' গৈছিল। ব্ৰিটিছ কোম্পানীৰ ঔপনিৱেশিক লোলুপ দৃষ্টি আগৰে পৰাই অসমৰ ওপৰত আছিল। তেওঁলোকে বুজিছিল যে, আহোমৰাজৰ গৌৰৱময় অধ্যায় শেষ হোৱাৰ পথত। গতিকে মানৰ সৈতে সন্ধি কৰাৰ সুযোগ তেওঁলোকে নেহেৰুৱালে। ইয়াণ্ডাবু সন্ধিৰ পাছত ডেভিদ স্কট চাহাবে বুজিছিল যে, ৰাইজৰ আনুগত্য আদায়ৰ বাবে আহোম ৰাজশাসন কিছুদিন হ'লেও বৰ্তাই ৰাখিব লাগিব আৰু সেয়ে নামনি অসমৰ ক্ষমতা সম্পূৰ্ণৰূপে নিজৰ হাতত ৰাখি উজনিখণ্ড ৫০,০০০ টকাত লালবন্দী কৰি পুৰন্দৰ সিংহক শাসন কৰিবলৈ এৰি দিলে। কিন্তু ব'ব নোৱাৰা বোজা মূৰত তুলি পুৰন্দৰ সিংহই বছৰি ৫০,০০০ টকা পৰিশোধ কৰিব নোৱাৰাত ১৮৩৮ চনত ব্ৰিটিছে উজনিখণ্ডক নিজৰ অধীনলৈ আনে। মনকৰিব, এয়াও ঔপনিৱেশিক কাৰণ, যি সময়ত পুৰন্দৰ সিংহই বছৰি ৫০,০০০ টকা মানৰ আক্ৰমণত বিধ্বস্ত প্ৰজাৰ পৰা কৰ তুলি দিব লাগিছিল; সেই সময়ত চুবুৰীয়া কোচবিহাৰৰ ৰজাই কৰ দিছিল মাত্ৰ ১২,০০০ টকা।

পূৰ্বতে কোৱা হৈছে, ব্ৰিটিছ শাসনক অসম মুলুকৰ প্ৰজাই আদৰণি জনাইছিল, স্বাভাৱিক কাৰণতে। ব্ৰিটিছ শক্তিৰ প্ৰতি ৰাইজৰ প্ৰাৰম্ভিক এই সময়ত সমান্তৰালভাৱে পূৰ্বৰ আহোম ৰাজত্বকালত বিষয়বাব খোৱা এমুঠি স্বাৰ্থান্বেষীলোকে এইবাৰ ব্ৰিটিছৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিলে। পূৰ্বৰ আহোম ডা-ডাঙৰীয়া, ৰজা-মন্ত্ৰী আদি কোম্পানীৰ আমোলত অলাগতীয়া হৈ পৰিল। নতুন আইন, নতুন ৰাজহ-নীতি, নতুন প্ৰশাসনত পূৰ্বৰে ডাঙৰীয়া বোলাই থকা লোক অপ্ৰাসংগিক হৈ পৰিল। কিন্তু আহোমৰ দিনত লেখা-পঢ়া জনা 'কাকতী' শ্ৰেণীৰ মানুহৰ প্ৰাসংগিকতা নেহেৰাল। ব্ৰিটিছে প্ৰথমে

প্ৰজাৰ আনুগত্য পাবৰ বাবে ৰজা-মন্ত্ৰী, ডা-ডাঙৰীয়াসকলক পেঞ্চন আদি সা-সুবিধা দি ৰাখিছিল যদিও পিছলৈ এইবোৰ বন্ধ কৰে। একেদৰে ৰাইজৰ পৰম শ্ৰদ্ধা আদায় কৰা ডাঙৰ সত্ৰবিলাকলৈও নানা সুবিধা দিছিল একে উদ্দেশ্যৰে। গতিকে লিখা-পঢ়া জনা পুৰণি কাকতি শ্ৰেণীৰ লোকসকল আৰু বঙ্গৰ পৰা অনা এমুঠি বঙালী লোক (তেওঁলোক ইতিমধ্যে ব্ৰিটিছ প্ৰশাসনৰ লগত ভালকৈ পৰিচিত) আৰু নানা চাতুৰীৰে হাত কৰি লোৱা ডা-ডাঙৰীয়া, সত্ৰাধিকাৰ আদিৰ সহায়ত ব্ৰিটিছ কোম্পানীয়ে অসমত নতুন প্ৰশাসনৰ আৰম্ভণি কৰিলে ঔপনিৱেশিক উদ্দেশ্য পূৰণৰ বাবে।

পূৰ্বতে পাইক ব্যৱস্থাত অভ্যস্ত অসমৰ প্ৰজাই নগদ ধনেৰে ৰাজহ দিবলগীয়া নতুন পৰিস্থিতিত স্বাভাৱিকতে খাপ খাব পৰা নাছিল। নগদ ধন পাবলৈ বজাৰ লাগিব; বজাৰৰ বাবে পণ্য অৰ্থনীতি গঢ় ল'ব লাগিব। তাৰ বাবে যাতায়াত, যোগাযোগ ব্যৱস্থা থাকিব লাগিব। মূল কথা, পূৰ্বৰ আত্মনিৰ্ভৰশীল গ্ৰাম্য অৰ্থনীতিৰ মূল গাঁথনি ভাঙিব লাগিব। এইখিনি কামৰ বাবে সময় লাগিছিল আৰু ঔপনিৱেশিক চাতুৰ্যৰে ব্ৰিটিছে দেশীয় আনুগত্যশীল জনা-বুজা মানুহৰ সহায়ত প্ৰজাৰ ক্ষোভ প্ৰশমিত কৰি ৰাখিছিল। মনকৰিব, যিজন মণিৰাম দেৱানক ব্ৰিটিছে ফাঁচী দিছিল (১৮৫৮), তেওঁ কিন্তু অসমত ব্ৰিটিছৰাজৰ গঁজালি মেলা সময়ত ব্ৰিটিছৰ বাবে এজন বৰ প্ৰয়োজনীয় ব্যক্তি আছিল। ব্ৰিটিছ ঔপনিৱেশিক পুঁজিৰ লগত ফেৰ মাৰিবলৈ যোৱাৰ বাবেহে কৌশলেৰে তেওঁক ফাঁচী দি 'বাটৰ কাঁইট' আঁতৰাইছিল।

ব্ৰিটিছ ঔপনিৱেশিক শাসন আৰম্ভ হোৱা এই সময়খিনিৰ লেখত ল'বলগীয়া কেইটামান দিশ এনেধৰণৰ—

(১) বহিঃ আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ বাবে অসমৰ প্ৰজাই ব্ৰিটিছ ৰাজক আদৰণি জনালে।

(২) আহোম ৰজাঘৰক সমুলঞ্চে লাওলোৱা কৰি আভ্যন্তৰীণ বিদ্ৰোহৰ সম্ভাৱনা নোহোৱা কৰিলে।

(৩) নতুন সমাজ বিন্যাসত আঢ্যৱন্ত লোক আৰু উচ্চবৰ্ণৰ লোকসকলে ইতিহাসৰ নতুন গতি বুজি লৈ ব্ৰিটিছৰ লগ লাগিল।

(৪) অসমত খোপনি পুতি লাহে লাহে পৰ্বতীয়া ৰাজ্যসমূহো কোম্পানীৰ অধীনলৈ অনা হ'ল।

(৫) ব্ৰিটিছকৰ্মী হিচাপে বঙালী লোকৰ আগমন ঘটিল আৰু শিক্ষা আদিৰ বাবে কলিকতাৰ লগত অসমৰ আগবঢ়া শ্ৰেণীটোৰ সম্পৰ্ক বাঢ়িল। বঙালী হিন্দুৰ আচাৰ-ৰীতিয়ে এই শ্ৰেণীটোক প্ৰভাৱিত কৰিলে।

(৬) খ্ৰীষ্টধৰ্মৰ আগমন ঘটিল।

(৭) (পূৰ্বৰ পাইক ব্যৱস্থাৰ) পোনপতীয়া শ্ৰম শোষণৰ ঠাইত মজুৰিভিত্তিক শোষণৰ বাট মুকলি হ'ল।

(৮) এচাম ব্ৰিটিছ আনুগত্যশীল লোক সৃষ্টি কৰিলে। সামাজিক ব্যৱস্থাত কৌশলেৰে এওঁলোকৰ দ্বাৰাই প্ৰাচীন ঐতিহ্য, জাতপাত, সংৰক্ষণশীল নীতি, আচাৰ বৰ্তাই ৰাখিলে। প্ৰজাক সংঘবদ্ধ কৰিব পৰা সকলো পথ বন্ধ কৰিলে— কেতিয়াবা কূটনীতিৰে আৰু কেতিয়াবা অৱদমনেৰে। গোমধৰ কোঁৱৰ, পিয়লি বৰফুকনৰ পৰা আৰম্ভ কৰি ৬০ৰ দশকৰ কৃষক বিদ্ৰোহলৈ (ফুলগুৰি ধেৱা, পথৰু ঘাটৰ ৰণ আদি)।

(৯) অসমীয়া ভাষাক কেন্দ্ৰ কৰি অসমীয়া জাতীয়তাবাদৰ বিকাশ হ'ল।

(১০) আহোমৰ দিনত সংঘাত থাকিলেও চুবুৰীয়া ৰাজ্যবোৰৰ লগত এক আভ্যন্তৰীণ মিলামিচা আৰু সহযোগিতাৰ যি সম্পৰ্ক আছিল, ব্ৰিটিছৰ কূটকৌশলত সেই সম্পৰ্ক বিনষ্ট হ'ল। জনজাতীয় লোকৰ সংস্কৃতায়ন ৰোধ কৰিবলৈ আৰু খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাট সুচল কৰিবলৈ 'ইনাৰ লাইন' ভাষা-নীতি আদিৰ দ্বাৰা পৰ্বতীয়া জনগোষ্ঠীসমূহৰ লগত ভৈয়ামৰ সম্পৰ্ক ছিন্ন কৰি পেলোৱা হ'ল। (ড° দিলীপ বৰা, 'সমাজ সাহিত্য আৰু সংহতি', পৃ. ১৬০-১৬২)

ব্ৰিটিছৰাজৰ সূচনা পৰ্বত অসমৰ প্ৰশাসনিক কাম-কাজ অসমীয়া ভাষাতে চলোৱা হৈছিল। কাৰণ, যদিও অসমত অলেখ ভাষা, উপভাষা, প্ৰচলিত আছিল তথাপি ঐতিহাসিক প্ৰক্ৰিয়াৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কৃষক সমাজৰ মাজত গঢ় লৈ উঠা অসমীয়া ভাষাই সংযোগী ভাষা (Lingua Franca) হিচাপে সকলোৰে গ্ৰহণযোগ্যতা অৰ্জন কৰিছিল। নাগামিজ, নেফামিজ ভাষাৰ বিকাশে এই কথা সবলভাৱে প্ৰতিষ্ঠা কৰে। আনহাতে, আহোম ৰাজতন্ত্ৰইও এই ভাষাৰে এটা ঠাঁচ প্ৰশাসনিক কামত ব্যৱহাৰ কৰাৰ উদাহৰণ বুৰঞ্জীসমূহত ভৰি আছে। এফালে আহোম প্ৰশাসনৰ ভাষা নীতি তথা অসমীয়া ভাষা গ্ৰহণ আৰু মধ্যযুগৰ পৰা শংকৰী আন্দোলনৰ মাজেদি সাংস্কৃতিক ক্ষেত্ৰখনত অসমীয়া ভাষাৰ গ্ৰহণযোগ্যতাৰ সম্প্ৰসাৰণৰ বাবে সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, আহোম, চুতীয়া, মৰাণ, মটক, পাতি ৰাভা, শৰণীয়া কছাৰী আদি থলুৱা জনগোটবোৰেও নিজৰ ভাষা হেৰুৱাই অসমীয়া ভাষাকে মাতৃভাষা হিচাপে ল'লে আৰু সামগ্ৰিকভাৱে নিজৰ মাতৃভাষা থকা বা নথকা সকলোৰে বাবে সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ বিকল্প নোহোৱা হৈ পৰিল। সেইবাবে আৰম্ভণিতে ব্ৰিটিছৰাজে অসমীয়া ভাষাৰ প্ৰচলিত প্ৰশাসনিক ঠাঁচটোকে নিজৰ নতুন প্ৰশাসনত ব্যৱহাৰ কৰিলে। কিন্তু, এটা দশক চলাৰ পাছতে তেওঁলোকে অসমীয়া ভাষা আঁতৰাই ১৮৩৬ চনত বাংলা ভাষাকে প্ৰশাসনৰ ভাষা ৰূপে প্ৰচলন কৰিবলৈ ল'লে।

এটা কথা আপোনালোকে মন কৰিব, ১৮৩৬ চনত অসমৰ চৰকাৰী ক্ষেত্ৰৰ পৰা অসমীয়া ভাষাক নিৰ্বাসন দিয়াৰ পাচত কেনিও কোনো প্ৰতিবাদ অথবা আপত্তি কৰা দেখা নগ'ল। আজি এই কথা ভাবিবলৈকে আচৰিত লাগে; কিন্তু তৎকালীন পৰিস্থিতি অনুধাৱন কৰিলে দেখিব যে, ভাষাকেন্দ্ৰিক কোনো জাতীয়তাবোধ অথবা

সচেতনতা গঢ় ল'ব পৰাকৈ অসমীয়া সমাজখন প্ৰস্তুত হৈ উঠাই নাছিল। ব্ৰিটিছ ঔপনিৱেশিক শাসনত ইতিমধ্যে দহ বছৰ হৈ গৈছে; এই দহ বছৰত দেশীয় মানুহৰ উত্তৰণতকৈ ব্ৰিটিছৰ বাবে বেছি দৰকাৰী কথা আছিল অসমৰ প্ৰাকৃতিক সম্পদ, অসমৰ ভূমি আৰু অসমৰ মানুহৰ শ্ৰম শোষণৰ বাবে প্ৰয়োজনীয় আন্তগাঁথনি নিৰ্মাণ আৰু কৌশল উপায় উদ্ভাৱন। এয়ে হ'ল ঔপনিৱেশিক শাসকৰ সাধাৰণ চৰিত্ৰ। এই কথাখিনি বুজিব পাৰিলেই ঔপনিৱেশিকতাবাদ আৰু ভাষাৰ সম্পৰ্কটো বুজিব পাৰিব।

কথাখিনি পৰিস্কাৰ হ'বলৈ ভাষা প্ৰসংগৰ পৰা অকণমান আঁতৰি ঔপনিৱেশিক শাসনৰ সামান্য আভাস দিয়া হওক—

বিশিষ্ট ইতিহাসবিদ অমলেন্দু গুহই 'Planter Raj to Swaraj' গ্ৰন্থত লিখিছে—

> Its purpose was to turn Assam into an agricultural estate of the tea drinking Britons and to transform local traditional institutions in such a manner as to suit the colonial pattern of exploitation. (p.2)

অৰ্থাৎ মানক খেদাৰ মূল উদ্দেশ্য আছিল চাহ খাই ভাল পোৱা ব্ৰিটিছৰ বাবে অসমখনক এখন কৃষিক্ষেত্ৰলৈ ৰূপান্তৰ কৰা আৰু তাৰবাবে থলুৱা পৰম্পৰাগত অনুষ্ঠানবোৰ ঔপনিৱেশিক শোষণৰ উপযোগীকৈ সলনি কৰাত মনোযোগ দিয়া।

তাৰবাবে জেনকিন্সে ইউৰোপীয় বৃহৎ পুঁজিপতিক খেতি কৰিবলৈ বিশাল ভূমি দীঘলীয়া সময়ৰ বাবে অতি কম হাৰৰ ৰাজহত লীজত দিয়াৰ ব্যৱস্থা লৈছিল। ইউৰোপীয়, মূলত ব্ৰিটিছ পুঁজিৰ স্বাৰ্থত ভূমি আইনবোৰ এনেদৰে প্ৰস্তুত কৰা হৈছিল যাতে থলুৱা উদ্যোগীয়ে (যেনে- মণিৰাম দেৱান) ভূমি পাব নোৱাৰে। যেনে, ১০০ একৰ কম মাটিত খেতি কৰাৰ প্ৰকল্প ল'লে বা নূন্যতম প্ৰতি একৰত তিনি টকা মূলধন নিজাকৈ খটুৱাব নোৱাৰিলে কোনো লোকে চৰকাৰী পতিত মাটিৰ অনুমোদন পাব নোৱাৰে। ১৮৩৮ চনত এই নিয়ম সলাই নূন্যতম মাটিৰ পৰিমাণ ৫০০ একৰ আৰু নূন্যতম মূলধন পাঁচ টকা কৰা হ'ল। আকৌ চাওক, নগদ ধনেৰে খাজানা দিব নোৱৰা কৃষকে প্ৰব্ৰজন কৰি আন ঠাইলৈ উঠি যাবলগীয়া হোৱা বিষয়টোত জেনকিন্সে অলপো মূৰ ঘমোৱা নাছিল। ৰাজহ বেছি হ'লেহে থলুৱা মানুহে বৃহৎ ব্ৰিটিছ পুঁজিপতিৰ কৃষিফাৰ্মত কাম কৰিব— সেইটো কথাহে তেওঁৰ কূটনীতিত স্থান পাইছিল (Amalendu Guha, পূৰ্বগ্ৰন্থ, p.12)

১৮৩৪ চনতে 'Tea Committee' গঠন কৰি ১৮৩৬ চনতে পৰীক্ষামূলক চাহ বাগিচা পাতি ১৮৪০ চনত তিনিভাগৰ দুভাগ পৰীক্ষামূলক চাহ বাগিচা 'Assam Company'-ক হস্তান্তৰ কৰা হয়। যি সময়ত থলুৱা কৃষকে প্ৰতি একৰ ভূমিত ৩ টকা পৰ্যন্ত খাজনা দিব লাগিছিল সেই সময়ত 'Tea Planter' বিলাকে এটকাও নিদিয়াকৈ হাজাৰ হাজাৰ একৰ ভূমি দখল কৰি ৰাখিছিল। এই কৃষিফাৰ্ম, চাহ বাগিচাবোৰত কাম কৰিবৰ বাবেই বনুৱাৰ প্ৰয়োজন হৈছিল। থলুৱা মানুহৰ দ্বাৰা প্ৰয়োজনীয় বনুৱা সংগ্ৰহ কৰিব নোৱৰাত পূৰ্বৰ দাস শ্ৰমিক আইনৰ সংশোধন কৰি পুনৰ প্ৰচলন কৰা হৈছিল।

১৮৫৯ৰপৰা ১৮৬১লৈ ‘Assam Company’-এ ২,২৭২ জন বনুৱা বাহিৰৰ পৰা সংগ্ৰহ কৰিছিল আৰু তাৰে ২৫০ জনৰ বাটতে মৃত্যু ঘটিছিল। ১৮৬৩ চনৰ পৰা ১৮৬৬ চনলৈ মুঠ ৮৪,৯১৫ জন বনুৱা আনিছিল আৰু তাৰে ৩০,০০০ জন বাটতে মৰিছিল (গুহ, পৃঃ ১৮)। চাহশ্ৰমিক সংগ্ৰহৰ এই অমানৱিক ইতিহাস উমা শৰ্মাৰ ‘এজাক মানুহ এখন অৰণ্য’ উপন্যাসত জীৱন্ত হৈ আছে।

এনেবোৰ শোষণত জৰ্জৰিত ভাৰতীয় প্ৰজাৰ ক্ষোভ বাঢ়ি আহিছিল আৰু ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহত তাৰ প্ৰকাশ ঘটিছিল। ফলত ইংলেণ্ডৰ চৰকাৰে ১৮৫৭ চনৰ বিদ্ৰোহৰ পাছত ভাৰতৰ শাসন ‘East India Company’-ৰ পৰা নিজৰ হাতলৈ নিছিল। কিন্তু ঔপনিৱেশিক চৰিত্ৰৰ সলনি হোৱা নাছিল। হীৰেন গোহাঁইয়ে কৈছে— “কিন্তু ঔপনিৱেশৰ বাস্তৱ চৰিত্ৰ হৈছে শোষণ আৰু শোষণৰ সুবিধাৰ বাবে দমন।” (ভাৰতৰ স্বাধীনতা সংগ্ৰামত বিপ্লৱীসকলৰ অৱদান/পৃ.৩)।

ভাৰতীয় মানুহৰ ক্ষোভক গণসংগ্ৰামলৈ ৰূপান্তৰ হোৱাত বাধা দিবলৈ ঊনবিংশ শতিকাৰ মাজভাগৰ পৰাই ঔপনিৱেশিক চৰকাৰে নানা দমনমূলক আইন জাপি দিছিল, ‘Press’ বা প্ৰচাৰ মাধ্যমৰ মাত বন্ধ কৰিবলৈ ১৮৬৮ চনৰ পৰাই কঠোৰ ‘Vernacular Press Act’ বাৰে বাৰে সংশোধিত ৰূপত বলবৎ কৰিছিল। কাৰণ, জনমত গঠন, আধুনিক চিন্তাৰ প্ৰসাৰৰ বাবে সংবাদ মাধ্যমৰ গুৰুত্ব কি সেয়া ঔপনিৱেশিক শাসকে ভালকৈ জানে!

১৮৭৪ চনত অসমক বেংগল প্ৰেভিন্সৰ পৰা আঁতৰাই পৃথক প্ৰদেশ ৰূপে গঠন কৰাৰ আগলৈকে অসমৰ প্ৰশাসনিক কাম-কাজ চলিছিল বংগৰ পৰা (কলিকতাৰ পৰা)। গতিকে একেখন প্ৰদেশৰ ভাষা একেখন প্ৰশাসনত সুবিধাৰ বাবেই হয়তো অসমত বাংলা ভাষাৰ প্ৰচলন কৰা হৈছিল। তদুপৰি সেই সময়ত এনেধৰণে কোৱা হৈছিল যে, থলুৱা জনা শুনা মানুহখিনিয়েও বাংলা ভাষা ব্যৱহাৰ কৰিছিল।

**মিছনেৰীসকলঃ**

অসমীয়া ভাষা আৰু সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান শ্ৰদ্ধা সহকাৰে স্বীকাৰ কৰিও আমি এটা কথা পাহৰিলে নহ’ব যে, এওঁলোকো আছিল মূলত ঔপনিৱেশিক সাম্ৰাজ্যবাদ বিস্তাৰৰ সহযোগী। অসমৰ ক্ষেত্ৰত এই প্ৰসংগত আলোচনা কৰাৰ আগতে এটা কথা উল্লেখ কৰিব পাৰি যে, উপনিৱেশিক সাম্ৰাজ্যবাদৰ স্বাৰ্থত ঊনবিংশ শতিকাৰ আগৰে পৰা যি ‘Slave Trade’ (দাস ব্যৱসায়)-এ সমগ্ৰ ইউৰোপত এক লাভজনক ব্যৱসায় হিচাপে চলি আছিল, সেই মানুহ কিনা-বেচা দাস ব্যৱসায়ক স্পেনীছ গীৰ্জাই অনুমোদন জনাছিল এই বুলি যে, ‘The importation of blacks as an opportunity for converting them’– অৰ্থাৎ দাস হিচাপে অহা ক’লা মানুহবোৰক এতিয়া খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ ভাল সুবিধা হৈছে! ‘English Church’ মানে ইংলেণ্ডৰ খ্ৰীষ্টানধৰ্মৰ হৰ্তাকৰ্তাসকলেও আপত্তি কৰা নাছিল, মাত্ৰ কৈছিল— তেওঁলোকক ‘Kind Treatment’ কৰিব লাগে।

১৭৯৩ চনৰ পৰাই ব্ৰিটিছ শাসিত ভাৰতত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে মিছনেৰীসকলক সুবিধা দিয়া নিদিয়াকলৈ বিতৰ্ক হৈছিল। মিছনেৰীসকলেতো ভৰি দাঙিয়েই আছিল। কিন্তু শাসকবৰ্গই প্ৰথমে ভয় কৰিছিল— কাৰণ শাসিত মানুহৰ অতিশয় সংবেদনশীল বিষয় 'ধৰ্ম'ত হাত দিলে যদি তেওঁলোকৰ 'সান্দহখোৰা বাটি' তল যায়, কিন্তু লাহে ধীৰে সকলোবোৰ তলা নলা বুজি ১৮১৩ চনত ব্ৰিটিছ ভাৰতত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে অনুমতি প্ৰদান কৰা হয়। সেইবাবে ১৭৯৩ চনত কলিকতাত উপস্থিত হোৱা ব্ৰিটিছ মিছনেৰী উইলিয়াম কেৰিক ধৰ্ম প্ৰচাৰ কৰিবলৈ প্ৰথমে অনুমোদন দিয়া হোৱা নাছিল আৰু সেয়ে তেওঁ ডেনমাৰ্কৰ অধীনত থকা শ্ৰীৰামপুৰতে খোপনি পুতিছিল। শ্ৰীৰামপুৰৰ পৰা মিছনেৰীৰ কাম-কাজ চলি থকা সময়তে ১৮১৩ চনত আত্মৰাম শৰ্মাৰ হতুৱাই তেওঁলোকে বাইবেলখনৰ অসমীয়া অনুবাদ কৰাইছিল আৰু ১৮৩২ চনৰ ভিতৰত মুঠ ৪২টা ভাৰতীয় ভাষালৈ বাইবেলৰ অনুবাদ হৈছিল।

আধুনিক যুগৰ ছপাযন্ত্ৰৰ দ্বাৰা অসমীয়া বাইবেলৰ মুদ্ৰণ নিতান্তই এক গুৰুত্বপূৰ্ণ ঘটনা। কাৰণ, ভাষা একোটাৰ আধুনিক ৰূপত জাতীয় ভাষাৰূপে নিৰ্মাণ কৰাৰ বেলিকা ছপাযন্ত্ৰৰ ভূমিকা অত্যন্ত তাৎপৰ্যপূৰ্ণ।

১৮২৯ চনৰ পৰা অসমত মিছনেৰীসকলৰ কাম-কাজ আৰম্ভ হয়। তেওঁলোকৰ উদ্দেশ্য আছিল অসমৰ মাজেদি উত্তৰ বাৰ্মা আৰু দক্ষিণ চীনত ধৰ্মপ্ৰচাৰৰ বাট উলিওৱা। মনকৰিব, তেতিয়াৰ ৰেভিনিউ কমিছনাৰ জেনকিন্সে সততে বিদ্ৰোহী খামতি আৰু চিংফৌসকলৰ মাজত ধৰ্ম প্ৰচাৰৰ বাবে মিছনেৰীসকলক মাতি আনিছিল। কেৱল মাতি অনাই নহয় শদিয়াত যদি কোনো মিছনেৰীয়ে বাহৰ পাতে তেন্তে তেওঁক ১০০০ টকা দিবলৈও প্ৰস্তুত আছিল। এই কথাটোৱে মিছনেৰীসকলৰ লগত সাম্ৰাজ্যবাদী ব্ৰিটিছ শাসকসকলৰ সম্পৰ্কটো বুজাত নিশ্চয় সহায় কৰিব।

মিছনেৰীসকল শদিয়াত বিফল হৈ শিৱসাগৰলৈ আহিল। কিন্তু ভৈয়ামৰ মানুহৰ মাজতো খ্ৰীষ্টান ধৰ্ম প্ৰচাৰত সফল হ'ব নোৱাৰি ভৈয়ামক কেন্দ্ৰ কৰি পাহাৰীয়া জনগোষ্ঠীসমূহৰ মাজত ধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰিলে। ব্ৰিটিছ চৰকাৰৰ সাহায্যত এইবাৰ সফল হ'ল। এই উদ্দেশ্যৰ বাবেই ব্ৰিটিছ চৰকাৰে ইনাৰ লাইনৰ দৰে ব্যৱস্থা কৰি পাহাৰীয়া লোকসকলক ভৈয়ামৰ সংশ্ৰৱৰ পৰা আঁতৰাই ৰাখিলে, যাতে সংস্কৃতায়ন প্ৰক্ৰিয়া ৰোধ কৰি পাহাৰীয়া লোকসকলক খ্ৰীষ্টান কৰিব পাৰি।

এইখিনি সময়তে মিছনেৰীসকলে বুজিব পাৰিছিল যে, অসম তথা ইয়াৰ চৌপাশে থকা পাহাৰ অঞ্চল সামৰি প্ৰচলিত সাৰ্বজনীন ভাষাটো হ'ল অসমীয়াহে, বাংলা নহয়। মাতৃভাষাৰ মাধ্যমেদিহে ধৰ্ম প্ৰচাৰ সম্ভৱ— এইটো মিছনেৰীসকলে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ নীতি। সেয়েহে মিছনেৰী ডেনফোৰ্টে কৈছিল— 'If the missionaries should adopt Bengali as the means of communicating religious truth, every one would doubt them' — অৰ্থাৎ যদি মিছনেৰীসকলে বাংলা ভাষাৰে ধৰ্মপ্ৰচাৰ কৰিলেহেঁতেন সকলোৱে তেওঁলোকক সন্দেহ কৰিলেহেঁতেন।

উপৰিউক্ত প্ৰেক্ষাপটতে মিছনেৰীসকলে অসমীয়া ভাষা পুনৰ প্ৰচলনৰ বাবে প্ৰথমে মাত মাতিছিল। অৰ্থাৎ মিছনেৰী কাম-কাজৰ সম্প্ৰসাৰণৰ স্বাৰ্থত ইমান দিনৰ অভিজ্ঞতাৰ পৰা তেওঁলোকে বুজিছিল যে, অসমীয়া ভাষাৰ কোনো বিকল্প নাই। বাংলা ভাষাৰ ব্যৱহাৰ তেওঁলোকৰ উদ্দেশ্যৰ বাবে সঠিক পদক্ষেপ নহয়। অৱশ্যে পাছলৈ, অসমীয়া ভাষা পুনৰুদ্ধাৰ ৰণখনত ব্ৰন্সন, ব্ৰাউন আদিৰ ঐকান্তিক প্ৰযত্নৰ অন্য এক মহত্বপূৰ্ণ দিশো আছে। বিস্তৰ অধ্যয়ন আৰু গভীৰ পৰ্যবেক্ষণেৰে তেওঁলোকে উপলব্ধি কৰিছিল যে, অসমীয়া ভাষা আঁতৰাই দিয়া কাৰ্য যথাৰ্থতে অন্যায় হৈছে। অসমীয়া ভাষাৰ ঐতিহ্য আৰু সামগ্ৰিক গ্ৰহণযোগ্যতাই ভাষাটোৰ স্থিতি সবলভাৱে দাবী কৰে। আনহাতে, মিছনেৰীসুলভ ঐকান্তিকতাৰে তেওঁলোকে এবাৰ অসমীয়া ভাষাৰ পক্ষে মাত মাতি উভতিও যাব নোৱাৰিলে। সিয়ে অসমীয়া ভাষা পুনৰুদ্ধাৰৰ ক্ষেত্ৰত মহত্বপূৰ্ণ আশীৰ্বাদ হৈ পৰিল।

**আত্মমূল্যায়ণ প্ৰশ্ন**

খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ ব্ৰিটিছ ঔপনিবেশিকতাবাদৰ এক অংশ আছিল বুলি ভাবিব পাৰিনে? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ১.৬ আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণ প্ৰক্ৰিয়া

মূলত ধৰ্মপ্ৰচাৰেই উদ্দেশ্য যদিও মিছনেৰীসকলৰ কাৰ্যপদ্ধতিৰ মাজেদিয়েই আধুনিক অসমীয়া ভাষা নিৰ্মাণৰ প্ৰথম খোজটো আগবাঢ়িছিল। কাৰণ, মিছনেৰীসকলৰ মাজেদিয়েই অন্তত এটা পৰ্যায়লৈ আধুনিক ধৰণৰ শিক্ষাৰ ব্যৱস্থা আৰু ছপাশালৰ পৰিচয় অসমৰ মানুহে লাভ কৰিলে। ১৮৪৩ চনত নাথান ব্ৰাউন আৰু কট্টাৰ শিৱসাগৰত, বাৰ্কাৰ গুৱাহাটীত আৰু ব্ৰন্সনে নগাঁওত থিতাপি ল'লে আৰু একোখন বা ততোধিক স্কুল খুলিলে। ইয়াৰ ভিতৰত ব্ৰন্সনে নগাঁওত খোলা 'Orphan Institution' (অনাথ প্ৰতিষ্ঠান) খন গুৰুত্বপূৰ্ণ। দুখীয়া, নিচলা ল'ৰা-ছোৱালীক জাত-পাত নেওচি নতুন শিক্ষা দিয়াৰ মাধ্যমেদি নতুন জীৱন দিয়াৰ এক অনন্য প্ৰয়াস আছিল এইখন প্ৰতিষ্ঠান। অৱশ্যে, ইয়াৰ আগতেও, সদিয়াত থকা কালৰে পৰা মিছনে স্কুল প্ৰতিষ্ঠা কৰিছিল। ১৮৩৭ চনত শদিয়াত মিছেছ ব্ৰাউনে এখন ছোৱালী স্কুল পাতিছিল। হেৰম্বকান্ত বৰপূজাৰীয়ে দিয়া তথ্য অনুসৰি, ১৮৪৪-৪৫ চনত শিৱসাগৰ জিলাত মুঠতে চৈধ্যখন স্কুল আছিল। গুৱাহাটীত পাঁচখন চলি আছিল, ইয়াৰে দুখন আছিল নগৰত, বাকীকেইখন আছিল শুৱালকুছি, হিৰাপাৰা আৰু পলাশবাৰীত।

এই প্ৰসংগত হেৰম্বকান্ত বৰপূজাৰীয়ে লিখিছে ঃ "এই উদ্দেশ্যে জেনকিন্স চাহাবো উঠি-পৰি লাগিছিল আৰু সুযোগ-সুবিধাৰ আভাস দি মিছনৰ শক্তি বৃদ্ধি কৰি কাৰ্যকলাপ বিস্তাৰ কৰিবলৈ আমেৰিকান বোৰ্ডলৈ তেওঁ টানি লিখিছিল।" (আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম, পৃঃ৯)

১৮৫১ চনত মিছনে ল'ৰা-ছোৱালী উমৈহতীয়া শিক্ষাত গুৰুত্ব দিয়ে। ১৮৫০ চনত আৰম্ভ হোৱা শিৱসাগৰৰ আৱাসিক স্কুলত ঘাইকৈ সমাজচ্যুত ব্ৰাহ্মণ, মুছলমান আৰু নীহকুলীয়া হিন্দুৰ এঘাৰজন ছাত্ৰ আছিল।

এই বিদ্যালয়বোৰৰ সম্যক ইতিহাসে নিশ্চয় আপোনালোকক বুজাত সহায় কৰিব যে, মিছনেৰীসকলে ধৰ্মপ্ৰচাৰৰ বাবে গ্ৰহণ কৰা কৌশলৰ অন্যতম হ'লেও, এই বিদ্যালয়সমূহে অসমীয়া সমাজৰ পুৰাতন কিছু ধাৰণাক প্ৰত্যাহ্বান জনাইছিল। যেনে— ল'ৰা-ছোৱালীৰ উমৈহতীয়া শিক্ষা, উচ্চ-নীচ, সমাজচ্যুত মানুহৰ সন্তানৰো মানৱিক অধিকাৰ সৰ্বতোপৰি আধুনিক শিক্ষাৰ গুৰুত্ব। বিদ্যালয়সমূহৰ বাবে অসমীয়া আৰু ইংৰাজী ভাষাত গণিত, ভূগোল, সাধাৰণ জ্ঞান আদি বিষয়ৰ পাঠ্যপুথি ৰচনা কৰা হৈছিল। নক'লেও হ'ব, পাঠ্যপুথিবোৰত খ্ৰীষ্টানধৰ্মৰ মহত্ব তথা আচাৰ-ব্যৱস্থাকেই পৰোক্ষভাৱে আগস্থান দিয়া হৈছিল। এই বিষয়ে হেৰম্বকান্ত বৰপূজাৰীয়ে লিখিছে যে, স্কুল প্ৰতিষ্ঠাৰ মাজেদি হিন্দু ধৰ্মৰ অসাৰতাক কৌশলেৰে প্ৰত্যাহ্বান জনোৱা হয় আৰু মাতৃভাষাৰ মাধ্যমেদি। ঈশ্বৰৰ পৰম আশ্চৰ্যকৰ কাৰ্যৰ বিষয়ে পঢ়িব পৰা হ'ব। (ঐ/পৃ.৩২)

অসমীয়া ভাষাৰ দুৰ্যোগৰ প্ৰতি যি সময়ত থলুৱা মানুহৰ কোনো সচেতনতা নাছিল, তেনে সময়তে এগৰাকী ভাষাবিদ হিচাপে নাথান ব্ৰাউনে অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ বাবে মাত মাতিছিল। পৰৱৰ্তী সময়ত মাইলছ ব্ৰন্সনে আনন্দৰাম ঢেকিয়াল ফুকনক এই বিষয়ত যিদৰে সাহায্য কৰিছিল সেই আনন্দদায়ক ইতিহাস আপোনালোকে সাহিত্যৰ বুৰঞ্জীবোৰত পঢ়িবলৈ পাব। একোটা জনসমষ্টিৰ মাজত ভাষিক বা জাতিগত পৰিচয়ৰ ধাৰণা গঢ় লয় মূলতঃ মধ্যবিত্ত শ্ৰেণীৰ বিকাশৰ পাছতহে। ঊনবিংশ শতিকাৰ মাজভাগলৈ অসমীয়া মধ্যশ্ৰেণী এটা গঠনৰ কঁঠিয়াহে পৰা হৈছিল। আঙুলি মূৰত লেখিব পৰা কেইজনমান মানুহৰ মাজেদি নতুন সময়ৰ নৱচেতনাৰ মাত্ৰ ফেঁহুজালি দিছিল। মূলতঃ পশ্চিমীয়া শিক্ষাৰ পোহৰ পোৱা শিক্ষিত অসমীয়াসকলৰ পৰাহে ভাষিক বা স্বজাতীয় চেতনাৰ বিকাশ আশা কৰিব পাৰি। কিন্তু ঔপনিৱেশিক পৰিৱেশত গঢ় লোৱা প্ৰথম চাম শিক্ষিত মানুহেও নিজৰ সংস্কৃতিক, নিজৰ ঐতিহ্যক শ্ৰদ্ধা কৰাৰ সলনি ঘৃণা কৰিবলৈহে লৈছিল আৰু অসমতকৈ আগবঢ়া বঙালী ভদ্ৰ লোক বা ব্ৰিটিছ ভদ্ৰলোকৰ অনুসৰণত বস্তুগত জীৱনৰ সমৃদ্ধিকেই আচল কথা বুলি ভাবিবলৈ লৈছিল। ফলত জাতীয় ভাষা-সংস্কৃতিৰ ধাৰণা গঢ় লোৱাত লেহেম হৈ পৰিছিল। বস্তুনিষ্ঠ ইতিহাস চৰ্চাই সেয়ে আনন্দৰাম, হলিৰাম, গুণাভিৰাম, হেমচন্দ্ৰৰ মাজত এনেবোৰ যি দোষৰ কথা আলোচনা কৰিছে, সেয়া আছিল ঔপনিৱেশিক পৰিৱেশৰ স্বাভাৱিক ঘটনা। তৎসত্বেও আনন্দৰাম ঢেকিয়াল ফুকনৰ অনলস প্ৰচেষ্টা আৰু মিছনেৰীসকলৰ

প্ৰযত্নত অসমীয়া ভাষাই ১৮৭৩ চনত পুনৰ প্ৰশাসনীয় আৰু শিক্ষাৰ মাধ্যম হিচাপে পুনৰ প্ৰতিষ্ঠা পালে। অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰামত সাম্ৰাজ্যবাদী ব্ৰিটিছ চৰকাৰৰ  লগত বাদানুবাদ, যুক্তি-প্ৰযুক্তিৰে বিষয়টো উপস্থাপন কৰিব পৰা অসমীয়া লোক নাছিলেই। উচ্চপদস্থ চৰকাৰী চাকৰিকাল আনন্দৰামে কেতিয়াবা ছদ্মনামত (A Native) বা কেতিয়াবা সঠিক স্থানত নিজৰ নামতে যুক্তিৰে বিষয়টো উপস্থাপন কৰিছিল। মিছনেৰীসকলে সচেতন মানুহৰ স্বাক্ষৰ লৈ উচ্চপদস্থ অধিকৰ্তালৈ স্মাৰকপত্ৰ প্ৰেৰণৰ পৰা আৰম্ভ কৰি আনন্দৰামৰ সহযোগত অসমীয়া ভাষাৰ ঐতিহ্য আৰু স্বকীয়তা প্ৰতিপন্ন কৰিব পৰা সমলসহ যুক্তিপূৰ্ণ টোকা প্ৰস্তুত কৰালে অসমীয়া ভাষাৰ লগত বাংলা ভাষাৰ তুলনা কৰি পাৰ্থক্যবোৰ চিহ্নিত কৰা, অভিধান-ব্যাকৰণ, পাঠ্যপুথি ৰচনা কৰালৈ এক বিচিত্ৰ কাৰ্যপন্থা ল'বলগীয়া হৈছিল।

১৮৪৬ চনত 'অৰুণোদই' বাৰ্তালোচনী শিৱসাগৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ পায়। অসমীয়া ভাষাত আধুনিক জ্ঞান-বিজ্ঞান, যুক্তিবাদী চিন্তা-চৰ্চা, বিশ্বজগতৰ খবৰ, স্থানীয় বাতৰি, সৃষ্টিশীল লেখা, ঐতিহ্যৰ অনুসন্ধান, নৈতিক শিক্ষা, জীৱনী, ভূগোলৰ জ্ঞান, বৈজ্ঞানিক আৱিষ্কাৰ আদি বিচিত্ৰ বিষয় সামৰি, ছপাযন্ত্ৰৰে ছপা কৰি বিতৰণ কৰা নতুন ধৰণৰ এক কাৰ্য এই আলোচনীখনৰ মাজেদি সাধিত হয়। অসমীয়া ভাষাৰ আধুনিকতামুখী যাত্ৰাত ইও এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

**জানি থওঁ আহা**

ড° নাথান ব্ৰাউনৰ অৱদান—

- নিউ টেষ্টামেনৰ অসমীয়া ভাঙনি
- ১৮৪৮ খ্ৰীত 'অসমীয়া ভাষাৰ ব্যাকৰণ' প্ৰকাশ
- (Grammatical Notices of the Assamese Language)
- পাঠ্যপুথি প্ৰণয়ন।
- অৰুণোদই প্ৰকাশৰ মুখ্য ভূমিকা।

মাইলছ ব্ৰন্সনৰ অৱদান—

- নগাঁৱত অনাথ প্ৰতিষ্ঠান স্থাপন।
- 'অসমীয়া অভিধান' প্ৰণয়ন। অসমীয়া ভাষাৰ প্ৰতিষ্ঠাত এইখন এখন মাইলৰ খুঁটি স্বৰূপ।
- অসমীয়া ভাষা পুনৰুদ্ধাৰ কাৰ্যত অনৱদ্য অৱদান।

উপৰিউক্ত আলোচনাৰ পৰা আপোনালোকে নিশ্চয় কেইটামান কথা অনুধাৱন কৰিব পাৰিছে যে— ব্ৰিটিছ ঔপনিৱেশিক শক্তিয়ে অসম আৰু অসমীয়া মানুহৰ স্বাৰ্থৰ কথা ভাবি কোনো পদক্ষেপ লোৱা নাছিল। মিছনেৰীসকল আছিল সেই সাম্ৰাজ্যবাদী ঔপনিৱেশিক শক্তিৰে সহযোগী। ধৰ্মপ্ৰচাৰৰ মুখ্য উদ্দেশ্য আৰু ধৰ্মান্তৰকৰণৰ মাজেদি

থলুৱা মানুহৰ মন-মগজুত ঔপনিৱেশিক শাসকৰ প্ৰতি আনুগত্য সৃষ্টি কৰাই ইয়াৰ গোপন উদ্দেশ্য। তথাপি ঔপনিৱেশিক শাসন-শোষণৰ মাজেদিয়েই শাসকবৰ্গৰ নিজৰ স্বাৰ্থৰ বাবেই কৰিবলগীয়া হোৱা কিছু কামৰ মাজেদিয়েই দেশীয় মানুহৰ মাজতো এটা মধ্যশ্ৰেণীৰ বিকাশ হয়। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা— প্ৰথম পিৰিৰ থলুৱা শিক্ষিত লোকৰ উদাহৰণ।

ঔপনিৱেশিক পৰিৱেশতে ঊনবিংশ শতিকাৰ শেষৰফালে এটা শিক্ষিত মধ্যশ্ৰেণীৰ বিকাশ হ'ল। বিশেষতঃ ইংৰাজী শিক্ষা আৰু বংগীয় প্ৰভাৱত। ইতিমধ্যে কলিকতাত ৰাজা ৰামমোহন ৰায়, নৌৰজী, অৱনীন্দ্ৰনাথ ঠাকুৰ, বিদ্যাসাগৰ আদি এচাম নৱচেতনালব্ধ, প্ৰজ্ঞাৱান মানুহৰ নেতৃত্বত ভাৰতীয় পুৰাতন সমাজ-ব্যৱস্থাৰ সংস্কাৰ সাধন, আধুনিক শিক্ষা আৰু জ্ঞান-বিজ্ঞানৰ প্ৰতি প্ৰবল ধাউতি আৰু স্বদেশী মানুহৰ জাতীয়ত্ববোধত প্ৰকাশ কৰিছিল। ব্ৰিটিছ উপনিৱেশৰ পুৰণি চহৰৰূপে কলিকতাৰ ব্ৰিটিছ শাসকে নিজৰ স্বাৰ্থতে গঢ়ি তুলিছিল। নতুন শিক্ষিত অসমীয়াসকলে (সামৰ্থবানসকলেহে) এই কলিকতালৈকে যাবলগীয়া হৈছিল উচ্চ শিক্ষাৰ বাবে। ফলত নৱচেতনাৰে সমৃদ্ধ আৰু উৎসাহিত এই চাম শিক্ষিত ডেকাৰ মাজেদি অসমীয়া আৰু বঙালীৰ বস্তুগত-ভাৱগত উন্নতিৰ তুলনা প্ৰকট হ'ল। লগে লগে অসমীয়াৰ ঐতিহ্যৰ মাজেদি স্বকীয়তা প্ৰতিষ্ঠাৰ মানসিক তাড়নাও ক্ৰমশ প্ৰবল হৈ আছিল। এনে প্ৰেক্ষাপটকে আধুনিক যুগৰ বা-বতাহ, চিন্তা-চেতনাৰ লগতে খাপ খাব পৰা আধুনিক ভাষা এটাৰ প্ৰয়োজনীয়তা অনুভৱ হ'ল।

মনকৰিব, অসমীয়া সমাজখন বহু ভাষিক গোষ্ঠীৰে গঠিত। ইটো জনগোটৰ ভাষা সিটোৱে বুজি নাপায়। এই বুজি নোপোৱা কথাটোয়ে পাৰস্পৰিক মিলামিছাত অন্তৰায় হৈ পৰে। ইতিহাসৰ ধাৰাত বহু জনগোটৰ নিজৰ ভাষা হেৰাই অসমীয়া ভাষাৰ মাজত চামিল হৈ পৰিল। কিন্তু তাৰ পাছতো অসমীয়া ভাষাৰ আঞ্চলিক ৰূপৰ বৈচিত্ৰ্য; লোকভাষা, প্ৰশাসনিক ভাষা আদি নানা ভিন্নতা বৰ্তি থাকিল। কিন্তু নিজৰ ভাষিক ৰূপবোৰ প্ৰাত্যহিক জীৱনত বৰ্তাই ৰাখিও এটা জাতীয় ভাষা ৰূপ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পৰিৱেশ আৰু পৰিস্থিতি ঔপনিৱেশিক যুগৰ আগতে নাছিল। কথাটো সহজভাৱে এনেদৰে বুজিব পাৰি যে, ঔপনিৱেশিক যুগৰ আগতে যি আৰ্থ-সামাজিক গাঁথনিৰ মাজত ৰজাৰ শাসন চলিছিল তাত মানুহবোৰ গাঁও হিচাপে, সম্প্ৰদায় হিচাপে, পাইক হিচাপে, জাত হিচাপে বা সৰু সৰু ৰাজ্যৰ গোটত ভাগ হৈ আছিল। এক উমৈহতীয়া জীৱনৰ ছন্দ তাত নাছিল আৰু বস্তুগত জীৱন প্ৰৱাহতো নৈমিত্তিক সহযোগিতাৰ প্ৰয়োজন নাছিল। কিন্তু, ঔপনিৱেশিক শাসনৰ ফলত যি নতুন অৰ্থনৈতিক গাঁথনি নিৰ্মাণ হ'ল, তাত এইবোৰ বাধা নোহোৱা হ'ল। কাৰণ—

> "Capitalist based on a higher technique of production than feudalism, Fendal people physically separated, socially disunited and politically unamab zamated."

এনে পৰিস্থিতিত জাতীয় ভাষাৰূপে আধুনিক অসমীয়া ভাষা নিৰ্মাণৰ প্ৰক্ৰিয়াৰ বাট মুকলি হ'ল।

আধুনিক অসমীয়া ভাষা যথাৰ্থতে এক নিৰ্মাণ। অৰ্থাৎ, স্বাভাৱিকভাৱে বিকশিত ভাষা নহয়, তাক নিৰ্মাণ কৰা হৈছে। ই এটা জাতীয় ভাষাৰূপে নিৰ্মিত ভাষা। E. J. Hobsbawmৰ মতে 'Allmost all National languages are semi artificial constructions.' (Nation and Nationalism since 1780-programme, Muth and Reality, P.54)। এই ভাষা নিৰ্মাণ কৰে মধ্যশ্ৰেণীয়ে। আকৌ এই মধ্যশ্ৰেণীৰ জন্ম হৈছে ঔপনিৱেশিক পৰিৱেশ পৰিস্থিতিত।

এই জাতীয় ভাষানো কি? ড° ধ্ৰুৱজ্যোতি বৰাই সাৱলীলভাৱে ইয়াৰ ব্যাখ্যা দিছে— এই জাতীয় ভাষাবোৰ হ'ল এখন দেশত প্ৰচলিত বিভিন্ন কথ্য ভাষা, উপভাষা, মাতৃভাষাৰ জাৰণিৰ মাজত এক সুষম সাৰ্বজনীন ভাষাৰূপ যাৰ সহায়ত এক ঐতিহাসিক সাংস্কৃতিক ক্ষেত্ৰত বা এক নৃগোষ্ঠীয় মূলৰ মাজত (এইটো এটা গৌণ আৰু সীমাবদ্ধ দিশ) এক ভাষিক ঐক্য প্ৰতিষ্ঠা কৰিব পৰা যায়, এটা আধুনিক জাতিসত্বাৰ নিৰ্মাণ কৰিব পৰা যায় আৰু এই জাতিসত্বাৰ গঠনত আৰু তাৰ বাবে এক সুকীয়া ৰাজনৈতিক ভূমিক্ষেত্ৰ নিৰ্ণয় কৰি উলিওৱাত এই ভাষাক এক আহিলা বা অস্ত্ৰৰূপে ব্যৱহাৰ কৰিব পৰা যায়। (অ' মোৰ সুৰীয়া মাত, পৃ.১৫)

দৰাচলতে, ঊনবিংশ শতিকাৰ শেষৰফালে নতুন চেতনাৰে উৎসাৰিত হোৱা মধ্যশ্ৰেণীটোৱে আধুনিক চিন্তা-চেতনাৰ পোহৰত যেতিয়াই উপলব্ধি কৰিলে আত্মপৰিয়ৰ প্ৰয়োজনীয়তা, তেতিয়াই সেই আত্মপৰিচয়ৰ আধাৰৰূপে সমল অনুসন্ধান কৰিলে ঐতিহ্যৰ মাজত। এই সামগ্ৰিক ঘটনা ভাষা অবিহনে হ'ব নোৱাৰে। মাধৱ কন্দলিৰ ৰামায়ণ, শংকৰ-মাধৱৰ অবিস্মৰণীয় সাহিত্য, বুৰঞ্জী-চৰিতপুথি-ভট্টদেৱৰ গদ্য অথবা জনজীৱনৰ প্ৰচলিত কথ্য অসমীয়াৰ বিভিন্ন ৰূপৰ মাজৰ পৰা আধুনিক ভাৱ-চেতনাৰ লগত খাপ খাব পৰা ভাষাৰূপৰ সন্ধান হ'ল।

মনকৰিব লাগিব, ছপাযন্ত্ৰৰ ব্যৱহাৰ আৰু সাৰ্বজনীন প্ৰাথমিক শিক্ষা-ব্যৱস্থাৰ প্ৰচলনৰ অবিহনে জাতীয় ভাষা এটাৰ সৃষ্টি আৰু বিকাশ সম্ভৱপৰ নহয়। ইতিমধ্যে মিছনেৰী স্কুলসমূহৰ জৰিয়তে; ছপা পাঠ্যপুথি, অৰুণোদই আদি প্ৰকাশৰ মাজেদি এটা ভাষাৰূপৰ বিকাশ লক্ষণীয় হৈ আহিছিল। চৰকাৰে প্ৰতিষ্ঠা কৰা বঙালী মাধ্যমৰ ভাৰ্নেকুলাৰ স্কুলবোৰৰ প্ৰতি আঢ্যৱন্ত শ্ৰেণীৰ কোনো অনুৰাগ নথকাৰ বিষয়ে মিলচে নিজৰ ৰিপৰ্টত উল্লেখ কৰি গৈছে। কথাটো গুৰুত্বপূৰ্ণ।

মিছনেৰীসকলে স্কুলৰ পাঠ্যপুথিকেই হওক বা 'অৰুণোদই'য়েই হওক সকলোতে শিৱসাগৰীয়া অসমীয়া কথ্য ভাষাক আধাৰ কৰি ল'লে। সেই ভাষাৰে আধাৰত অসমীয়া ব্যাকৰণ, অভিধান প্ৰণয়ন কৰিলে। ইয়াৰে পৰৱৰ্তী সময়ত গুণাভিৰাম, হেমচন্দ্ৰ, কমলাকান্ত, ৰত্নেশ্বৰ মহন্ত, লক্ষ্যধৰ দাস আদিয়ে এই ভাষাকে স্বীকাৰ কৰি ল'লে— সাহিত্য সৃষ্টিৰ ভাষাৰূপে।

নামনি অসমত অসমীয়া ভাষাৰ যিমান ৰূপ, আঞ্চলিক বিভিন্নতা দেখা যায়, উজনি অসমত নাই। আহোমৰ এই কেন্দ্ৰীভূত শাসনত দীৰ্ঘকাল থকাৰ বাবেই হওক বা বুৰঞ্জী ৰচনা আৰু প্ৰশাসনিক কামত ব্যৱহাৰৰ বাবেই হওক, অসমীয়া ভাষাৰ এক উজ্জ্বল ধাৰাৰ অখণ্ড ৰূপৰ প্ৰবাহ মিছনেৰীসকলৰ সময়লৈ বৈ আছিল বুলিব পাৰি। কেৱল মিছনেৰীসকলে ব্যৱহাৰ কৰাৰ বাবেহে শিৱসাগৰীয়া ভাষা ৰূপটোৱে জাতীয় ভাষাৰূপে আধুনিক ৰূপ পৰিগ্ৰহ কৰিলে বুলিলে শুদ্ধ নহ'ব। আহোম শাসন কালত এই ভাষাৰূপটোৱে প্ৰশাসনিক কাম-কাজত ব্যৱহাৰ হৈছিল। যোগেন্দ্ৰ নাৰায়ণ ভূঞাই দেখুৱাইছে, ১৮৩৬ চনত অসমৰ স্কুল-কাছাৰীত বঙলা ভাষা প্ৰচলনৰ পিছতো এই প্ৰশাসনিক ভাষা ৰূপটো চৰকাৰী কামত ব্যৱহাৰ হৈ আছিল (ঊনবিংশ শতিকাৰ অসম সংবাদ, পৃঃ ১-১৩)।

পৰৱৰ্তী সময়ত হেমচন্দ্ৰ বৰুৱাই একক প্ৰচেষ্টাৰে এই ভাষা ৰূপটো সংস্কৃতীয়াকৰণ কৰিবলৈ সক্ষম হ'ল— 'হেমকোষ'ৰ জৰিয়তে। দৰাচলতে অসমীয়া ভাষা হ'ল অসমৰ মানুহে (আৰ্য-আৰ্যভিন্ন) নিজৰ প্ৰয়োজনত নিৰ্মাণ কৰি লোৱা ভাষাহে অৰ্থাৎ শিৱসাগৰীয় কথ্য ৰূপটোক ছপা আখৰৰ মাধ্যমেদি এনেদৰে পৰিমাৰ্জিত কৰা হ'ল, প্ৰয়োজনত দেশী-বিদেশী শব্দ বা প্ৰকাশভংগীকো কৃত্ৰিমভাৱে ৰখা হ'ল যে ই এক সাৰ্বজনীন ৰূপ লাভ কৰিলে। জাতীয় সাহিত্য, মাতৃভাষাৰ শিক্ষা জাতীয় কাম-কাজত এই ভাষাটোৱেই ব্যৱহাৰ হ'বলৈ ধৰিলে।

ডাঃ ধ্ৰুৱজ্যোত বৰাৰ কথাৰে— "কৃত্ৰিমভাৱে নিৰ্মিত জাতীয় ভাষাটো যেতিয়া ছপাত আখৰত ওলাব ধৰে তেতিয়া ই এক অভূতপূৰ্ব দৃঢ়তা আৰু সুস্থিৰ স্থিতি লাভ কৰে। তেতিয়া ভাষাটোক তাৰ প্ৰকৃত অৱস্থানতকৈ অনেক বেছি স্থায়ী যেন ধাৰণা হয়।" 'অৰুণোদই'ৰ থুনুক-থানাক অসমীয়া ভাষা পৰৱৰ্তী 'আসাম নিউজ', 'আসামবন্ধু', 'জোনাকী', 'উষা', 'বাঁহী' আদিৰ মাজেদি এনেদৰে পৰিশীলিত হ'ল আৰু আধুনিক বিশ্বৰ জ্ঞান-বিজ্ঞান, চিন্তা-চেতনা প্ৰকাশৰ নিৰলস প্ৰচেষ্টাৰে এনেদৰে সমৃদ্ধ হ'ল যে এই ভাষাটো সমগ্ৰ অসমৰ মানুহৰ সাহিত্যিক প্ৰকাশভংগীৰ জাতীয় ৰূপ হৈ পৰিল।

অন্য এটা কথা মনকৰিবলগীয়া, আধুনিক ভাষা ৰূপ এটা নিৰ্মাণৰ সূচনা পৰ্বত ই তেনেই মুষ্টিমেয় এমুঠি মানুহৰ মাজতহে আৰম্ভ হয়। আমি মনত পেলাব পাৰো, আনন্দৰাম, গুণাভিৰাম বা অন্যান্য থলুৱা আগশাৰীৰ ব্যক্তিৰ লগতে বিদ্বান ভাষাবিদ ব্ৰাউন আৰু ব্ৰন্সনে যিটো ভাষাৰূপ 'অৰুণোদই'ৰ মাজেদি দাঙি ধৰিছিল, তাক হেমচন্দ্ৰ বৰুৱাই অকলে প্ৰত্যাহ্বান জনাইছিল আৰু জয়ো হৈছিল। অৰ্থাৎ আধুনিক ভাষা নিৰ্মাণৰ প্ৰাৰম্ভিককালত ভাষাটো অতি কম সংখ্যক লোকৰ মাজত চৰ্চিত হৈ থাকিলেও, সেই কম সংখ্যক মানুহৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱ-প্ৰতিপত্তিত সেই ভাষাৰূপটোৱেই আন দহজনৰ মাজত বিস্তাৰ লাভ কৰে। বেজবৰুৱাৰ মৃত্যুপৰ্যন্ত প্ৰতিজন অসমীয়া সাহিত্যিকে বেজবৰুৱাৰ মতামতৰ বাবেই চাই ৰৈছিল। সেয়ে বিংশ শতিকাৰ ৮০ৰ দশকলৈ সময়খিনিক মহেশ্বৰ নেওগে বেজবৰুৱা যুগ বুলিছে।

১৮৭৩ চনত অসমীয়া ভাষা পুনৰুদ্ধাৰ হোৱাৰ পাছতো অসমীয়া ভাষাত পাঠ্যপুথিৰ প্ৰণয়ন এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছিল। এই সময়তো যিকেইজন মুষ্টিমেয় মানুহে এই প্ৰত্যাহ্বানৰ মুখামুখি হ'ল, তেওঁলোকে সেই পূৰ্বপ্ৰৱাহিত জাতীয় ভাষা নিৰ্মাণ প্ৰকল্পৰে লগৰীয়া। সমগ্ৰ অসমত শিক্ষাৰ বাবে ৰচিত হোৱা এই পাঠ্যপুথি বিলাকৰ নতুন ভাষাৰূপটোৰ লগত অসমৰ সকলো অঞ্চলৰ মানুহৰ নিশ্চয় বিশেষ পৰিচয় নাছিল; কিন্তু গ্ৰহণ কৰি লৈছিল। এই গ্ৰহণযোগ্যতাৰ আঁৰত আছিল ভাষাৰূপটোক আধাৰ কৰিয়েই অসমীয়া জাতিসত্ত্বাৰো বিকাশৰ এক অন্তঃসুঁতি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

(১) অসমীয়া ভাষা নিৰ্মাণত ছপাযন্ত্ৰৰ প্ৰভাৱ আছেনে? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................

..............................................................................................

..............................................................................................

(২) আধুনিক অসমীয়া ভাষা নিৰ্মাণত হেমচন্দ্ৰ বৰুৱাৰ অৱদান কি? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................

..............................................................................................

..............................................................................................

(৩) অসমীয়া সমাজৰ কোনটো শ্ৰেণীয়ে অসমীয়া ভাষা নিৰ্মাণত বিশেষ অৰিহণা যোগাইছিল? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................

..............................................................................................

..............................................................................................

## ১.৭ সাৰাংশ (Summing Up)

১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমৰ শিক্ষা আৰু প্ৰশাসনত বাংলা ভাষাহে চলিছিল। কিন্তু অসমীয়া ভাষাৰ চৰ্চাৰ ধাৰা ব্যাহত হোৱা নাছিল। আনন্দৰাম, গুণাভিৰাম, হেমচন্দ্ৰৰ উপৰিও 'অৰুণোদই' আলোচনীত অসমীয়া ভাষাৰ মাধ্যমেদিয়েই জ্ঞানচৰ্চা অব্যাহত আছিল। এই সময়তে, আধুনিক অসমীয়া ভাষা ৰূপটোৰ বুনিয়াদ নিৰ্মিত হৈছিল। অসমীয়া ভাষা পুনৰুদ্ধাৰ প্ৰচেষ্টাৰ মাজেদি কম পৰিসৰত হ'লেও ভাষাকেন্দ্ৰিক জাতীয় আৱেগ এটা ৭০ৰ দশকলৈ প্ৰৱাহিত হৈছিল আৰু এই আৱেগৰ প্ৰৰোচনাই পৰৱৰ্তী ভাষা-সাহিত্য বিষয়ক উত্তৰণমুখী চিন্তাক নিশ্চিতভাৱে আগবঢ়াই লৈ গৈছিল।

'জোনাকী' (১৮৮৮) আলোচনী প্ৰকাশলৈ আধুনিক অসমীয়া ভাষাৰূপটো পৰিপক্ক হৈ উঠিল। 'আৱাহন' আলোচনী নামনি-উজনিৰ ভাষাগত ভেদাভেদক বহুদূৰ মসৃণ কৰি দিয়াৰ পাছত বহুল ৰূপত সমৃদ্ধ হৈ পৰিল।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। ঔপনিৱেশিকতাবাদ বুলিকে কি বুজা যায়?

২। ঔপনিৱেশিকতাবাদৰ দ্বাৰা হোৱা গুৰুত্বপূৰ্ণ ৰূপান্তৰবোৰ কেনে ধৰণৰ?

৩। ঔপনিৱেশিক প্ৰেক্ষাপটত অসমীয়া ভাষাৰ দুৰাৱস্থাৰ বিষয়ে আলোচনা কৰক।

৪। মিছনেৰীসকলৰ কাম-কাজক অসমৰ প্ৰেক্ষাপটত বিচাৰ কৰক।

৫। জাতীয় ভাষা কি?

৬। আধুনিক অসমীয়া ভাষাক কিয় 'নিৰ্মাণ' বোলা হৈছে?

৭। ঊনবিংশ শতিকাৰ আদিভাগত অসমীয়া ভাষাৰ প্ৰতি শিক্ষিত অসমীয়াৰ মনোভাৱ কেনে আছিল? এই মনোভাৱৰ প্ৰেক্ষাপট বিচাৰ কৰক।

৮। ঔপনিৱেশিকতাবাদৰ লগত অসমীয়া ভাষাৰ আধুনিক ৰূপ নিৰ্মাণৰ সম্পৰ্ক বিচাৰ কৰক।

## ১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১। হেৰম্বকান্ত বৰপূজাৰী ঃ আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম, অঃ সাঃ সভা, ১৯৯৪।

২। কমল কুমাৰ তাঁতী ঃ নিম্নবৰ্গ সমাজ ঐতিহ্য, আখৰ প্ৰকাশন, ২০০৭।

৩। ডা° ধ্ৰুৱজ্যোতি বৰা ঃ অ' মোৰ সুৰীয়া মাত, জাতীয় ভাষা হিচাপে অসমীয়া ভাষাৰ বিকাশ, ষ্টুডেণ্টচ্ ষ্টʼৰচ্, ১৯৯৪।

৪। ড° দিলীপ বৰা ঃ সমাজ, সাহিত্য আৰু সংহতি, ভবানী, ২০০৮।

৫। A. R. Desai : Social Background of Indian Nationalism, Popular Prakashan, Mumbai, 2000.

৬। Edward W. Said : Culture Imperialism, Vintage, London, 1994

৭। Harry Magdoff : Imperialism without Colonies, Askar, Delhi, 2007

* * *

## দ্বিতীয় বিভাগ
# আধুনিক অসমীয়া ভাষা নিৰ্মাণত মিছনেৰীসকলৰ ভূমিকা

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ অসমীয়া ভাষাৰ সংকট আৰু মিছনেৰীসকলৰ ভূমিকা
২.৪ আধুনিক অসমীয়া ভাষা নিৰ্মাণত মিছনেৰীসকলৰ ভূমিকা
২.৫ অসমীয়া ভাষাৰ নতুন গঢ় আৰু 'অৰুনোদই' সংবাদ পত্ৰ
 ২.৫.১ অসমীয়া ভাষা আৰু ৰবিন্সন
 ২.৫.২ অসমীয়া ভাষা আৰু মাইল্‌ছ ব্ৰন্সন
 ২.৫.৩ অসমীয়া ভাষা আৰু নাথান ব্ৰাউন
২.৬ সাৰাংশ(Summing Up)
২.৭ আৰ্হি প্ৰশ্ন(Sample Questions)
২.৮ প্ৰসঙ্গ গ্ৰন্থ(References/Suggested Readings)

## ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত আধুনিক অসমীয়া ভাষা নিৰ্মাণৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হৈছে। এই বিভাগটিত ভাষাৰ সেই নিৰ্মাণত মিছনেৰীসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা হ'ব।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী। মান আৰু ইংৰাজৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধি অনুসৰি অসম দেশ মানৰ কৰলৰ পৰা ইংৰাজৰ হাতলৈ যায়। দীৰ্ঘদিনীয়া অত্যাচাৰ, অৰাজকতাৰ পৰা মুক্তি পোৱা বুলি ভাবি অসমীয়ায়ো স্বস্তিৰ নিশ্বাস এৰে। কিন্তু যি ইংৰাজক অসমীয়াই ত্ৰাণকৰ্তা হিচাপে বিশ্বাস কৰি নিৰাপদ হ'লো বুলি ভাবিছিল সেইসকলেই অসমীয়াৰ বুকুত মোক্ষম আঘাত কৰি ১৮৩৬ চনত অসমৰ আদালত, পঢ়াশালী আদিত অসমীয়া ভাষা উঠাই দি বঙলা ভাষাৰ প্ৰৱৰ্তন কৰে। ইংৰাজ শাসকৰ লগত অসমলৈ শাসনৰ সুবিধাৰ্থে আহে এচাম স্বাৰ্থান্বেষী বাঙালী কৰ্মচাৰী। সেইসকলৰ প্ৰৰোচনা, ভুল পথ নিৰ্দেশনা আদি অসমীয়া ভাষা অসমতে এলাগী হোৱাত শক্তিশালী কাৰক হৈ থিয় দিলে। এয়া আছিল অসমীয়া ভাষাৰ কাৰণে চৰম দুৰ্যোগ আৰু অন্ধকাৰৰ দিন। শক্তিশালী এক সাহিত্যিক ইতিহাস বহন কৰি আহিও অসমীয়া ভাষাই নিজৰ ঠাইতে অস্তিত্ব হেৰুৱালে। কিন্তু যি বিদেশী ইংৰাজৰ ভুল সিদ্ধান্তই অসমীয়া ভাষালৈ আন্ধাৰ নমালে সেই আন্ধাৰ আঁতৰাবৰ বাবে আন কেইজনমান বিদেশীয়েই শেষলৈকে যুজিঁলে। অসমীয়া ভাষাৰ হৃত সন্মান পুনৰুদ্ধাৰ নোহোৱালৈকে তেওঁলোক ক্ষান্ত নহ'ল। অসমীয়া ভাষাৰ এই ত্ৰাণকৰ্তাসকল আছিল আমেৰিকান মিছনেৰীসকল।

ভাষাটোৰ উদ্ধাৰ আৰু বিকাশৰ গুৰি ধৰা এই মিছনেৰীসকলৰ ভিতৰত প্ৰধান হ'ল মাইলছ ব্ৰন্সন আৰু নাথান ব্ৰাউন । অসমীয়া ভাষাৰ কাৰণে ঊনবিংশ শতিকাৰ এই সময়ছোৱা বিশেষভাৱে তাৎপৰ্যপূৰ্ণ।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰি আপুনি—

- ঊনবিংশ শতিকাত বৃটিছকালীন অসমত অসমীয়া ভাষাই কি সংকটৰ মুখামুখি হৈছিল উপলব্ধি কৰিব পাৰিব,
- অসমীয়া ভাষালৈ সংকট কোনে আনিছিল, ইয়াৰ উদ্দেশ্য আৰু পৰিণতি কি সেই সম্পৰ্কে অৱগত হ'ব পাৰিব,
- অসমীয়া ভাষাৰ সংকটকালত নাথান ব্ৰাউন, মাইল্‌ছ ব্ৰন্‌ছন, ৰবিনচন আদি মিছনেৰীসকলে লোৱা ভূমিকাৰ বিষয়ে জানিব পাৰিব,
- আমেৰিকান মিছনেৰী আৰু 'অৰুনোদই'ৰ জৰিয়তে কিদৰে অসমীয়া ভাষাৰ এটা আধুনিক ৰূপ নিৰ্মাণ হ'ল সেই বিষয়ে জানিব পাৰিব।

## ২.৩ অসমীয়া ভাষাৰ সংকট আৰু মিছনেৰীসকলৰ ভূমিকা

১৮২৬ চনত ইয়াণ্ডাবু সন্ধি অনুসৰি অসম বৃটিছৰ হাতলৈ যোৱাৰ পিছৰে পৰা অসমীয়া ভাষাৰ ক্ষেত্ৰত এক সুকীয়া দুৰ্যোগৰ সূচনা হয়। আত্মচেতনাহীন অসমীয়াক ভাষিক উদাসীনতা আৰু হীনমান্যতাই গ্ৰাস কৰে। ভাষা হেৰালেও মুখৰ মাত নোলোৱা অসমীয়াৰ নিৰ্লিপ্তিৰ সুযোগত মাতৃভাষাই নিজৰ ঠাইতে স্থান-মান সকলো হেৰুৱালে। ১৮৩৬ চনত অসমত আনুষ্ঠানিক ব্যৱহাৰৰ পৰা ভাষাটোক বিদায় দি অফিচ-পঢ়াশালী সকলোতে বঙলা প্ৰৱৰ্তনৰ কাৰণে চৰকাৰে আনুষ্ঠানিক নিৰ্দেশ দিয়ে। এনে এক অন্যায় আৰু আচহুৱা ঘটনা অসমীয়াসকলে বিনা প্ৰতিবাদে মানি লোৱাৰ লগে লগে ভাষাটোৰ কাৰণে গভীৰ অন্ধকাৰ যুগৰ আৰম্ভণি ঘটে। অসমীয়াৰ মাজত নিজ মাতৃভাষা এলাগী হ'ল আৰু বঙলা ভাষা দুৰ্মদ গতিৰে চলিল। কিন্তু বিদেশী শক্তিৰ হাতত অসমীয়া ভাষা এনেদৰে স্বদেশতে লাঞ্চিত হোৱাৰ পৰত ভাষাটোক এই বিপৰ্যয়ৰ পৰা ৰক্ষা কৰিবলৈ আন এক বিদেশী শক্তিয়ে দেৱদূত হৈ দেখা দিলে। তেওঁলোকেই আছিল আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল। যিসকলৰ অক্লান্ত নেৰানেপেৰা যত্নত অসমত অসমীয়া ভাষাই স্বমৰ্যাদা ঘূৰাই পাবলৈ সমৰ্থ হৈছিল। "এই ঘোপমৰা আন্ধাৰৰ মাজতে জানিবা, বিজুলীৰ দৰে উজ্বল, অথচ থিৰ, এছাতি পোহৰ আহিল; সি অৱশ্যে ঈশ্বৰ-প্ৰেৰিত-স্বৰূপ। সেয়া হৈছে আমেৰিকাৰ বেপ্টিষ্ট মিশ্যন সমাজৰ সমজুৱাসকলৰ অসমলৈ শুভাগমন।" যি বছৰতে অসমীয়া ভাষাক নিজৰ অধিকাৰৰ পৰা বঞ্চিত কৰি নিজ দেশতে নিঠৰুৱা কৰা হয় সেই বছৰতেই অসমলৈ এই মিছনেৰীসকলৰ আগমন ঘটে। অসমত বেপ্টিষ্টসকলৰ বিভিন্ন কাৰ্যকলাপৰ ভিতৰত দুটা প্ৰধান কাম আছিল—পঢ়াশালী স্থাপন আৰু পঢ়াশালীৰ পাঠ্যপুথি তথা

ধৰ্মগ্ৰন্থ প্ৰণয়ন তথা মুদ্ৰণ। এইকেউটা কামতে ভাষাৰ প্ৰশ্নটো আছিল অত্যন্ত গুৰুত্বপূৰ্ণ। জ্ঞানী আৰু দূৰদৰ্শী মিছনেৰীসকলে বুজিছিল যে, তেওঁলোকে যি কাম নিৰ্দিষ্ট উদ্দেশ্যৰে কৰিবলৈ লৈছে সেই কামত ফলৱতী হ'বলৈ হ'লে অসমীয়া ভাষাই হৈছে একমাত্ৰ উত্তম মাধ্যম। কিন্তু ইংৰাজ মিছনেৰী উইলিয়াম ৰবিন্সনৰ দৰে ব্যক্তিয়ে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা কোনোপধ্যেই স্বীকাৰ কৰা নাছিল আৰু আমেৰিকান মিছনেৰীসকলৰ সকলো যুক্তি আৰু যত্ন তেওঁ ওফৰাই পেলাই অসমীয়া ভাষাৰ অন্ধকাৰ দিনবোৰ দীঘলীয়া কৰি তুলিছিল। ১৮৩৯ চনত গৌহাটি চেমিনাৰিৰ পৰা তেওঁ লিখা 'Grammar of the Assamese Language' ওলায়। মিছনেৰী ৰবিন্সনে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা নাকচ কৰি লিখা কিতাপৰ প্ৰত্যুত্তৰ দিয়ে আন এজন মিছনেৰী নাথান ব্ৰাউনে। ব্ৰাউনে ৰবিনছনৰ কিতাপৰ ভুল তথ্যসমূহ খণ্ডন কৰি লিখি উলিয়ায় 'Grammatical Notices of the Assamese Language'। অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্য, নিজস্ব ৰূপ ব্ৰাউনে কিতাপখনৰ জৰিয়তে স্পষ্টকৈ প্ৰতিষ্ঠা কৰি দেখুৱায়। অসমীয়া ভাষা ৰক্ষাৰ এই যুঁজত পাদ্ৰীসকলে আনন্দৰাম ঢেকিয়াল ফুকনক আৰু ঢেকিয়াল ফুকনে পাদ্ৰীসকলক সহায় কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ বাহিৰে সকলো অসমীয়া তেতিয়া ঘোৰ নিদ্ৰাত। প্ৰথম অৱস্থাত ব্ৰাউন আৰু ব্ৰন্সনেই আছিল এই ভাষা যুজঁৰ একমাত্ৰ হোতা। এই দুজন ভাষাতাত্ত্বিক মিছনেৰী প্ৰথমৰে পৰাই ভাষা সম্পৰ্কে সজাগ সচেতন আছিল। অসমত বঙলা প্ৰৱৰ্তনৰ পিছত কিছুদিন সেই অন্যায় লক্ষ্য কৰি ব্ৰাউন আৰু ব্ৰনছনে কলিকতাৰ চৰদাৰ বাহাদুৰলৈ চিঠি লিখি অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ বিষয়ে অৱগত কৰে। কিন্তু এই দুজন মিছনেৰীৰ সেই আশাসুধীয়া যত্ন আৰু স্বাৰ্থহীন চেষ্টাই চৰকাৰৰ মন লৰাব নোৱাৰিলে। প্ৰশাসক আৰু এডুকেচন কাউঞ্চিল কৰ্তৃপক্ষই সেই আবেদনত কোনো গুৰুত্ব নিদি ওফৰাই পঠিয়ালে আৰু তেওঁলোক পূৰ্বৰ সেই যুক্তিহীন সিদ্ধান্ততে অলৰ-অচৰ হৈ লাগি থাকিল। অসমীয়া এটা স্বতন্ত্ৰ ভাষা নহয়, বঙলাৰ উপভাষাহে— এয়াই আছিল সেইসকলৰ স্পষ্ট মত। ১৮৫৩ চনত মফাট্ মিল্‌ছ চাহাব অসমলৈ আহে। অসমৰ প্ৰশাসন ব্যৱস্থা সম্পৰ্কে অনুসন্ধান কৰিবলৈ অহা খবৰ পাই অসমীয়া ভাষাৰ কাৰণে মৰি-পৰি লগা ব্ৰাউন আৰু ব্ৰন্সন তৎপৰ হৈ উঠে। অসমীয়াপ্ৰেমী মিছনেৰীকেইজনে এখন কাগজ প্ৰস্তুত কৰে । সেই কাগজত তেওঁলোকে অসমৰ পঢ়াশালীত অসমীয়া ভাষা মাধ্যম হিচাপে প্ৰচলন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। আনন্দৰাম ঢেকিয়াল ফুকনেও অসমত অসমীয়া ভাষা প্ৰচলনৰ সপক্ষে সকলো কথা বিতংভাৱে লিখি মিল্‌ছক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ফুকনে যুগুত কৰা এই স্মাৰক পত্ৰখন আছিল 'Observations on the Administration of the Province of Assam'। বিভিন্ন তথ্যপূৰ্ণ যুক্তিৰে ফুকনে পঢ়াশালী আৰু আদালতত অসমীয়া ভাষা পুনঃপ্ৰচলনৰ পোষকতা কৰে। মিছনেৰীসকলৰ পত্ৰ আৰু ফুকনৰ পুস্তিকা— এই সকলো বিতংভাৱে চাই মিল্‌ছ চাহাবে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কত অৱশেষত নিশ্চিত এটা মত গ্ৰহণ কৰে আৰু ইতিমধ্যে অসমীয়া ভাষাৰ ক্ষেত্ৰত হোৱা অন্যায়

আৰু ভুল উপলব্ধি কৰিবলৈ সক্ষম হয়। সেয়েহে তেওঁ আনন্দৰাম ঢেকিয়াল ফুকনৰ পুস্তিকাৰ প্ৰসংগ ব্যৱহাৰ কৰি অসমৰ পঢ়াশালীত অসমীয়া ভাষা মাধ্যম কৰাৰ সপক্ষে মত প্ৰকাশ কৰে। বঙলাৰ ঠাইত অসমৰ কাউঞ্চিল অব্ এডুকেচনে অসমীয়া চলাব লাগে বুলি মিল্‌ছ চাহাবে যুক্তিপূৰ্ণ প্ৰতিবেদন দাখিল কৰে। কিন্তু কলিকতাৰ প্ৰশাসন-যন্ত্ৰ আৰু অসমৰ কাউঞ্চিল অব্ এডুকেচনে কোনো ইতিবাচক ভূমিকা নল'লে। তেওঁলোক নিজৰ মতত আকোৰগোজ হৈ থাকিল। আনন্দৰামৰ সহযোগত ব্ৰন্সন আৰু ব্ৰাউনে কৰা চেষ্টা, মিল্‌ছ চাহাবৰ টোকা আদি অথলে গ'ল। অসমৰ স্কুলসমূহৰ পৰিদৰ্শক আৰু অসমৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱশালী কৰ্তৃত্বশালী ব্যক্তি উইলিয়াম ৰবিন্সনৰ ভূমিকা এইক্ষেত্ৰত প্ৰধান প্ৰতিবন্ধক হৈ উঠিল। তেওঁৰ নেতিবাচক স্থিতিৰ বাবেই মিল্‌ছৰ প্ৰতিবেদন কামত নাহিল আৰু অসমত পূৰ্ণোদ্যমে বঙলা চলি থাকিল।

হতাশা আহিলেও ভাষা উদ্ধাৰৰ সংগ্ৰামখন থমকি নৰ'ল। পৰৱৰ্তী সময়ত ব্ৰন্সনে আন মিছনেৰীসকলৰ সৈতে মিলি আন এক আন্দোলন আৰম্ভ কৰে। এইবাৰ তেওঁলোকে ভাষা উদ্ধাৰৰ যুঁজত স্থানীয় লোকসকলকো জড়িত কৰি লয়। অসমৰ বিভিন্ন ঠাইৰ পৰা বঙলাৰ ঠাইত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন দাবী কৰি চৰকাৰলৈ ৰাজহুৱা স্মাৰক-পত্ৰ পঠিওৱা হ'ল। ব্ৰন্সনে ইতিমধ্যেই বুজি উঠিছিল যে তেওঁলোকৰ সফলতাৰ প্ৰধান অন্তৰায় হৈছে ৰবিন্সন। তেওঁ হকাবাধা নকৰা হ'লে মিল্‌ছে ভাষাৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শ অথলে নগ'লহেঁতেন। সেয়েহে ব্ৰন্সনে ১৮৫৪ চনৰ মাজভাগত ৰবিন্সনক পোনে পোনে এটা অনুৰোধ কৰিলে। অনুৰোধটো হ'ল ৰবিন্সন যিহেতু অসমত বঙলা প্ৰৱৰ্তনৰ পক্ষপাতী, সেয়েহে তেওঁ যেন নিজৰ মতৰ সপক্ষে এটা টোকা প্ৰস্তুত কৰি দিয়ে। ব্ৰন্সনৰ কথামতেই ৰবিন্সনে 'Some defence of the use of Bengali in the Government schools in Assam' নামে টোকাটো যুগুত কৰি দিয়ে। ব্ৰন্সনে সেই টোকা শিৱসাগৰত থকা নাথান ব্ৰাউন, গুৱাহাটীত থকা ডেনফোৰ্থ আৰু উইলিয়াম ৱাৰ্ড আৰু নগাঁৱত থকা ইৰা জে. স্টোডাৰ্ডক দি সেইসকলক নিজৰ মন্তব্য লিখিতভাৱে দিবলৈ কয়। চাৰিওজন মিছনেৰিয়ে ৰবিন্সনৰ টোকাৰ প্ৰত্যুত্তৰ স্বৰূপে অসমীয়া ভাষাৰ সপক্ষে যুক্তি দি মত পোষণ কৰে। ব্ৰন্সনে নিজে এখন গোহাৰি লিখি সেই চনৰে ১৩ নৱেম্বৰত ৰবিন্সনৰ টোকাটো মিছনেৰীসকলৰ মন্তব্যৰে সৈতে বংগৰ লেফেটেনান্ট গৱৰ্ণৰ ফ্ৰেডাৰিক জেম্‌ছ হালিডেলৈ পঠিয়ায়। নিজৰ গোহাৰিত অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ সপক্ষে সৰ্ব প্ৰকাৰৰ যুক্তি আগবঢ়াই ব্ৰন্সনে অসমীয়া ভাষা প্ৰচলনৰ দাবী তুলিলে। বংগৰ লেজিছ্‌লেটিভ কাউন্সিলৰ সদস্য মিল্‌ছলৈও তেওঁ চিঠি পঠিয়ালে। কিন্তু ব্ৰন্সনৰ অঁতসমূহ যত্নৰো একো ফল পোৱা নগ'ল। ১৮৫৪ চনৰ এইখন যুঁজ ব্যৰ্থ হোৱাৰ পিছত আনন্দৰামে এইবাৰ লিখি উলিয়ালে 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam'। ১৮৫৫ চনত আমেৰিকান বেপ্তিষ্ট মিছন প্ৰেছত মুদ্ৰিত পুথিখন চৰকাৰ আৰু অন্যান্য মানুহৰ মাজত বিনামূলীয়াকৈ বিতৰণ কৰা হৈছিল। 'A Native' ছদ্মনামত

লিখা এইখন পুথিতো আনন্দৰামে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে অকাট্য যুক্তি আগবঢ়ালে। অসমীয়া ভাষাৰ স্বকীয়তা তেওঁ স্পষ্টকৈ আলোচনা কৰি দেখুৱালে। কিন্তু কলিকতাস্থিত প্ৰশাসকৰ এইবাৰো গা নলৰিল। নিজৰ স্থিতিৰ পৰা তেওঁলোক লৰচৰ নহ'ল। সেই সময়তে মিছনেৰীসকলে আন এক পদক্ষেপ হাতত ল'লে। তেওঁলোকে 'অৰুনোদই'ৰ পৃষ্ঠা অসমীয়া ভাষাৰ সপক্ষে দিয়া যুক্তিমূলক লিখাৰ বাবে মুকলি কৰি দিলে। বিভিন্নজনে এই বিষয়ত নিজৰ মতামত আগবঢ়ালে। সেইসকলৰ ভিতৰত গুণাভিৰাম বৰুৱা আছিল অন্যতম। তদুপৰি ব্ৰন্সনে কলিকতাৰ 'Friend of India' কাকতত অসমীয়া ভাষাৰ সপক্ষে যুক্তি দি এখন চিঠি লিখে। ব্ৰন্সনৰ চিঠিৰ সূত্ৰ ধৰি সেই কাককত ১৮৫৫ চনৰ ১০ মে' তাৰিখে 'Progress of the Education Scheme at this Presidency' শীৰ্ষক সম্পাদকীয় প্ৰবন্ধ প্ৰকাশ পায়। 'Friend of India'-ৰ সম্পাদকে ব্ৰন্সনৰ যুক্তিৰ আধাৰত স্পষ্টভাৱে অসমীয়া ভাষাৰ সপক্ষে স্থিতি লয়। ইমানবিলাক কৰাৰ পিছতো কিন্তু অসমীয়া ভাষাৰ দুৰ্গতিৰ অন্ত নপৰিল আৰু বৃটিছ প্ৰশাসকৰ চকু মুকলি নহ'ল। এই দুৰ্দিনৰ মাজতে আমেৰিকাৰ মিছনৰ সৈতে হোৱা মতানৈক্যৰ বাবে ১৮৫৬ চনত নাথান ব্ৰাউনে অসম এৰিব লগা হয়। ১৮৫৭ চনত ব্ৰন্সনো নিজৰ ঠাইলৈ যাব লগাত পৰে। অসমীয়া ভাষাৰ দুৰ্দশা আঁতৰ কৰিবলৈ অহোপুৰুষাৰ্থ যত্ন কৰি অনেক হেঁপাহ বুকুত লৈয়ে আনন্দৰামে ১৮৫৯ চনৰ ১৬ জুনত অকালতে মৃত্যু বৰণ কৰে। অসম হিতৈষী ভাষাতাত্ত্বিক মিছনেৰী দুজন আৰু আনন্দৰামৰ অবৰ্তমানত অসমীয়া ভাষা উদ্ধাৰৰ এই সংগ্ৰামাখনৰ গতি ইমানতে যেন স্তব্ধ হৈ পৰিল। এক অৰ্থত ভাষা উদ্ধাৰৰ প্ৰথম পৰ্যায়ৰ এই দীঘলীয়া ৰণখনত সকলো প্ৰকাৰৰ যত্ন কৰাৰ পিছতো তেওঁলোক বিফল হ'ল।

১৮৬১ চনত ব্ৰন্সন আকৌ অসমলৈ উলটি আহে। আহিয়েই তেওঁ নতুন উদ্যম আৰু শক্তিৰে পুৰণি আধৰুৱা কামত ধৰে। ১৮৬৭ চনত তেওঁ অনেক কষ্ট কৰি ৰচনা কৰা 'অচমিয়া আৰু ইংৰাজি অভিধান' প্ৰকাশ হয়। এই অভিধানখন প্ৰকাশৰ লগে লগে অসমীয়া ভাষাৰ সপক্ষে যেন শক্তিশালী এটা স্তম্ভ থিয় হয়। কিন্তু ইয়াতো চক্ৰান্তকাৰীয়ে হাত লগাই অভিধানখনত দেখুওৱা অসমীয়া ভাষাৰ শব্দসমূহক লৈ এটা ডাঙৰ সন্দেহ সৃষ্টি কৰে। অসমত বঙলা ভাষাৰ প্ৰচলনৰ সপক্ষে থকা এইসকল চক্ৰান্তকাৰীয়ে ক'ব বিচাৰে যে, অভিধানখনৰ প্ৰথম ৬৮৮ টা শব্দৰ ৫৯১ টাই বঙলা ভাষাৰ। বাৰ বছৰজোৰা কঠিন পৰিশ্ৰমেৰে বন্সনে যুগুতোৱা অভিধানখনক লৈ এনেকৈয়ে কু-অভিসন্ধিৰে কুৎসা ৰটনা হ'ল। অৱশেষত দক্ষ আই. চি. এছ. বিষয়া পণ্ডিত ৰমেশচন্দ্ৰ দত্তক অভিধানখন আৰু অভিযোগসমূহ জমা দিয়া হ'ল। তেওঁ তন্ন তন্নকৈ সকলো পৰীক্ষা কৰি সিদ্ধান্ত ঘোষণা কৰিলে যে, যিসমূহ শব্দ বঙলা ভাষাৰ বুলি তেওঁলোকে চিনাক্ত কৰিছে সেইসমূহ আচলতে সংস্কৃত শব্দহে। দত্তই অসমীয়া ভাষাৰ স্বকীয়তা সুন্দৰকৈ উপলব্ধি কৰিলে আৰু ভাষাটোৰ নিজস্ব ৰূপৰ কথা বৰ্ণাই চিঠি লিখিলে। দত্তৰ এই চিঠিখনে মিছনেৰীসকলে অতবছৰ ধৰি কৰি অহা ভাষাৰ ৰনখনক শক্তি

প্ৰদান কৰিলে।তেওঁলোকৰ মতৰ সপক্ষে এটা ডাঙৰ যুক্তি থিয় হ'ল। ব্ৰন্সনে এইবাৰ জনমত গঠনৰ প্ৰক্ৰিয়া অধিক শক্তিশালী কৰি তুলিলে। ১৮৭২ চনৰ ৯ মাৰ্চ তাৰিখে ব্ৰন্সনৰ নেতৃত্বত ২১৬ জন শিক্ষিত অসমীয়াই চহী কৰা এখন স্মাৰক পত্ৰ চৰকাৰক দিয়া হয়। এই স্মাৰক পত্ৰৰ লগত আনন্দৰাম ঢেকিয়াল ফুকনৰ 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam' পুথিখনো গাঁথি দিয়া হৈছিল। এনেধৰণৰ স্মাৰক পত্ৰ অসমৰ বিভিন্ন ঠাইৰ পৰা চৰকাৰলৈ যাবলৈ ধৰিলে। ইতিমধ্যে সেইখিনি সময়লৈকে অসমীয়া ভাষাৰ স্বকীয় ৰূপৰ ধ্বজাবাহী ভালেমান সাহিত্য সৃষ্টি হ'ল। হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ', 'কানীয়াৰ কীৰ্ত্তন', গুণাভিৰাম বৰুৱাৰ 'ৰাম নৱমী', ৰুদ্ৰৰাম বৰদলৈৰ 'বঙ্গাল বঙ্গালনী' আদিৰ উপৰি আউনিআটী সত্ৰৰ পৰা ১৮৭১ চনত 'আসাম-বিলাসিনী' কাকত ওলাল। এই গোটেই কথাবোৰে চৰকাৰক কিছু প্ৰভাৱিত কৰিলে। অৱশেষত লেফ্‌টেনেন্ট গৱৰ্ণৰে অসমৰ বিভিন্ন উচ্চপদস্থ কৰ্মচাৰীসকলৰ পৰা ভাষা প্ৰচলনৰ প্ৰশ্নটোক লৈ ৰিপৰ্ট বিচাৰিলে। অনভিজ্ঞ কমসংখ্যক কৰ্মচাৰীৰ বাদে সকলোৰে অসমীয়া ভাষা প্ৰচলনৰ সপক্ষে মত আগবঢ়ালে। সেয়েহে আয়ুক্ত কৰ্ণেল হপকিন্স বঙলাৰ পক্ষত থাকিলেও তেওঁৰ কথা নৰজিল। অৱশেষত ১৮৭৩ চনৰ ২৫ জুলাই তাৰিখে লেফ্‌টেনেন্ট গৱৰ্ণৰৰ নিৰ্দেশ অনুসৰি অসমৰ পঢ়াশালী, আদালত, অফিচ সকলোতে অসমীয়া ভাষা প্ৰচলনৰ নিৰ্দেশনা জাৰি কৰা হয়। ১৮৩৬ চনৰে পৰা নিজৰ ঠাইতে অপমানিত হৈ চুকত পৰি ৰোৱা অসমীয়া ভাষাই দীঘলীয়া সংগ্ৰামৰ অন্তত ন্যায় পালে আৰু পুনৰ প্ৰচলন হ'ল। ভাষাৰ এই মহাসংকট আৰু মিছনেৰীসকলৰ সুদূৰ প্ৰসাৰী ভূমিকা সোঁৱৰণ কৰি মহেশ্বৰ নেওগে লিখিছে—"আধুনিক অসমীয়া সাহিত্যৰ গুৰিত যি অনিষ্টৰ বিহ ঢলা হৈছিল, এওঁলোকে তাৰ জোখাৰেই চোকা ঔষধি দি সেই গচজোপা কথমপি জীয়ালে।"

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া ভাষাৰ হৃত মৰ্যাদা উদ্ধাৰৰ ক্ষেত্ৰত মিছনেৰীসকলৰ ভূমিকা কেনেধৰণৰ আছিল?

..........................................................................................

..........................................................................................

..........................................................................................

### ২.৪ আধুনিক অসমীয়া ভাষা নিৰ্মাণত মিছনেৰীসকলৰ ভূমিকা

১৮৩৬ চনত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল শদিয়াত আহি উপস্থিত হয়। মিছনেৰীসকলৰ নেতৃত্ব বহন কৰি আহিছিল নাথান ব্ৰাউন আৰু অ.টি. কটৰ। মিছনেৰীসকলে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য সমুখত লৈ শদিয়াত থিয় হ'লেও তেওঁলোকে শিক্ষা বিস্তাৰৰ বাবে অনেক প্ৰকাৰে যত্ন কৰে। ইলাইজা ব্ৰাউন আৰু শ্ৰীমতী কটৰে

পঢ়াশালী স্থাপন কৰি ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে যত্নবান হয়। ১৮৪০ চনত শ্ৰীমতী হেৰিয়ে কট্টাৰৰ 'Vocabulary and Phrases in English and Assamese' ওলায়। অৱশ্যে শদিয়াত শিক্ষা বিস্তাৰৰ কাম কৰিলেও খামটি বিদ্ৰোহকে ধৰি বিভিন্ন অশান্তি-অসুবিধাৰ বাবে তেওঁলোক জয়পুৰলৈ স্থানান্তৰ হয়। জয়পুৰতো তেওঁলোক বেছিদিন নাথাকি শিৱসাগৰলৈ আহে আৰু তাতেই শিৱসাগৰ মিছন প্ৰেছ প্ৰতিষ্ঠা কৰে। সেই প্ৰেছৰ পৰাই মিছনেৰীসকলে পঢ়াশলীয়া পুথি, খ্ৰীষ্ট ধৰ্মৰ বিভিন্ন গ্ৰন্থ আৰু অসমৰ পুৰণি বুৰঞ্জীৰ পুথি আদি প্ৰকাশ কৰে। অসমীয়া ভাষা আৰু সাহিত্যলৈ আধুনিক চেতনা প্ৰৱাহিত কৰি অনা 'অৰুনোদই' এই প্ৰেছৰ পৰাই ওলায়।।

শিৱসাগৰত প্ৰথমেই মিছনেৰীসকলে হাতত লয় পুৰণি অসমীয়া পুথি সংগ্ৰহৰ কাম । নাথান ব্ৰাউনৰ নেতৃত্বত হোৱা এই পুৰণি পুথিৰ সংগ্ৰহ অসমীয়া সাহিত্যলৈ এক মহৎ অৱদান।তেওঁলোকে ১৮৪৪ চনত শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰঞ্জি' প্ৰকাশ কৰিলে। আমেৰিকান মিছনেৰীসকলেই অসম আৰু অসমীয়া ভাষালৈ আধুনিক চেতনা প্ৰৱাহিত কৰি আনিলে। অসমীয়া ভাষাৰ কাৰণে মিছনেৰীসকলে কি কি কৰিলে সেই কথা বিশ্লেষণ কৰি মহেশ্বৰ নেওগে কৈছে—"বেপ্টিষ্টসকলে অসমীয়া ব্যাকৰণ, অভিধান, পঢ়াশলীয়া পুথি, জ্ঞান-বিজ্ঞানৰ পুথি লিখি আৰু প্ৰকাশ কৰি, আলোচনী তথা খবৰ-কাগজৰ উৎকৃষ্ট নিদৰ্শন 'অৰুণোদই' উলিয়াই পঢ়াশালি আদালতত অসমীয়া ভাষাৰ হেৰোৱা ঠাই পুনৰুদ্ধাৰৰ যুঁজত প্ৰথম আৰু শক্তিশালী যুঁজাৰু হৈ, অসমীয়া লোকক নতুন অসমীয়া ভাষা লিখাত কলম ধৰাই, অসমীয়া শব্দাৱলীত ইংৰাজী সম্ভাৰ আৰু অসমীয়া বাক্য-ৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে; আধুনিক সাহিত্য-সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচৰালে, আৰু আটাইতকৈ ডাঙৰ অসমীয়া মানুহক আত্মপ্ৰত্যয় শিকালে।" নেওগৰ এই কথাষাৰেই প্ৰমাণ কৰে যে মিছনেৰীসকলে অসমীয়া ভাষাৰ কাৰণে যি অৱদান আগবঢ়ালে সেয়া আছিল অসাধাৰণ আৰু বহুসুৰীয়া। অসমীয়া ভাষাৰ ক্ষেত্ৰত হোৱা অন্যায় ওফৰাবৰ কাৰণে প্ৰাণপণে যুঁজ কৰাৰ উপৰিও তেওঁলোকৰ হাততেই ভাষাটোৰ এটা আধুনিক ৰূপ নিৰ্মিত হৈছিল।

সেইসময়ত মিছনেৰীসকলে শিৱসাগৰকেন্দ্ৰিক অসমীয়া ভাষাটো শিকিছিল আৰু সেই ভাষাটোকেই লিখা মেলাত ব্যৱহাৰ কৰিছিল। বিশেষকৈ 'অৰুনোদই'ৰ ভাষা এই আঞ্চলিক ভাষিক ৰূপটোক কেন্দ্ৰ কৰিয়ে মূলতঃ গঢ় লৈছিল । শিৱসাগৰকেন্দ্ৰিক অসমীয়া ভাষাই বেপ্টিষ্ট মিছনেৰীসকলৰ হাতত পৰি তেনেকৈয়ে লিখিত সাহিত্য আৰু পঢ়াশলীয়া পাঠ্যপুথিৰ মাধ্যম হিচাপে প্ৰচলিত হয় আৰু মান্যভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰে। তদুপৰি এই 'অৰুণোদয় যুগ'তেই ভাষাটোত ইংৰাজী শব্দসম্ভাৰ, বাক্য গাঁথনিৰ ৰীতি আদি সোমাই পৰে। মিছনেৰীসকলে অসমীয়া ভাষা

লিখোঁতে আৱশ্যকবোধে বিভিন্ন শব্দ নতুনকৈ গঢ় দিয়ে। এনেদৰেই মিছনেৰীসকলৰ হাতত পৰি অসমীয়া ভাষাই আধুনিক গতিপথেৰে অগ্ৰসৰ হয় আৰু নতুন গঢ় লাভ কৰে। উপেন্দ্ৰনাথ গোস্বামীয়ে কৈছে—"অৰুণোদয়-যুগৰ অসমীয়া ভাষাই আধুনিক অসমীয়া ভাষাৰ সুদৃঢ় ভেটি স্থাপন কৰিলে।....অৰুণোদয় যুগৰ পাছত এই ৰূপটোৰ ওপৰত ভিত্তি কৰি আৰু মিছনেৰীসকলে দেখুওৱা পথ অনুসৰণ কৰি অসমীয়া ভাষাটো প্ৰগতিৰ পথত আগুৱাই গ'ল।" আধুনিক অসমীয়া ভাষাৰ আৰম্ভণিৰ এই গুৰুত্বপূৰ্ণ সময়ছোৱাক গোস্বামীয়ে দুটা ভাগত ভগাই শ্ৰেণীবদ্ধ কৰিছে—ক) ১৮৪৬-৭৩ চনলৈ অসমীয়া ভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ ৰণৰ কাল, (খ) ১৮৭৩-১৮৮৮ চনলৈ আধুনিক অসমীয়া ভাষাৰ সাহিত্যিক প্ৰতিষ্ঠাৰ কাল।

মিছনেৰীসকলে সদায়েই অসমীয়া ভাষাটো উচ্চাৰণ অনুযায়ী লিখিছিল। অৰ্থাৎ ভাষাটো কওঁতে যি মতে কৈছিল লিখোঁতেও সেই ৰীতিকে অনুসৰণ কৰিছিল। ১৮৩৯ চনত জাদুৰাম ডেকা বৰুৱাই এখন বঙলা-অসমীয়া অভিধান প্ৰস্তুত কৰি জেন্‌কিন্স চাহাবক দিয়ে ।বৰুৱাৰ 'বঙলা-অসমীয়া অভিধান'ত সৰলীকৃত বৰ্ণবিন্যাস ব্যৱহাৰ কৰিছিল। জেন্‌কিন্সে সেইখন শিৱসাগৰত থকা পাদুৰীসকলক দিয়ে। এই পুথিয়ে দেখুওৱা বৰ্ণবিন্যাসকে মিছনেৰীসকলে তেওঁলোকৰ লিখা-মেলাত অনুসৰণ কৰি আগবাঢ়ে। এই বৰ্ণবিন্যাসক 'জাদুৰাম-ব্ৰাউন বৰ্ণবিন্যাস' নামেৰে জনা যায়। মিছনেৰীসকলৰ এই বৰ্ণবিন্যাসৰীতি সকলোৰে সমৰ্থন কৰা নাছিল, সমালোচনা কৰিছিল। হেমচন্দ্ৰ বৰুৱা আছিল এই উচ্চাৰণ অনুগামী বৰ্ণবিন্যাসৰ বিৰোধী ।"জাদুৰাম-ব্ৰাউন" বৰ্ণবিন্যাসৰ ঘোৰ বিৰোধিতা কৰা বৰুৱাই পৰৱৰ্তী সময়ত অনেক যত্ন কৰি এই বৰ্ণবিন্যাস আঁতৰাই সংস্কৃত অনুগামী বৰ্ণবিন্যাসৰ প্ৰচলন কৰে। ১৮৬১ চনৰ পৰা 'অৰুনোদই'ত হেমচন্দ্ৰ বৰুৱাই দেখুৱাই দিয়া বৰ্ণবিন্যাস গ্ৰহণ কৰা হয়। ইয়াৰ আগলৈকে মিছনেৰীসকলে 'অৰুনোদই'ত সৰল আখৰ-জোঁটনি ব্যৱহাৰ কৰিছিল। হেমচন্দ্ৰ বৰুৱাই এই সৰলীকৃত বৰ্ণবিন্যাস ওফৰাবলৈ উঠি পৰি যত্ন কৰাৰ বিষয়ে তেওঁৰ 'আত্মজীৱন চৰিত'ত বিতংভাৱে লিখি থৈ গৈছে।

এনেদৰেই পঢ়াশালী-আদালতৰ পৰা বিতাৰিত অসমীয়াই মিছনেৰীৰ আমোলতে পুনৰ সংস্থাপন লাভ কৰি প্ৰতিষ্ঠা লভিলে, নতুন প্ৰভাৱেৰে পৰিপুষ্ট হৈ সুকীয়া গঢ় ল'লে আৰু সুনিৰ্দিষ্ট বৰ্ণবিন্যাসৰীতিৰে শৃংখলিত হৈ আধুনিকতাৰ পথেৰে গতি কৰিলে।

### ২.৫ অসমীয়া ভাষাৰ নতুন গঢ় আৰু 'অৰুনোদই' সংবাদ পত্ৰ

অসমীয়া ভাষাৰ ঐতিহাসিক গতিপথত সংবাদ-পত্ৰ আৰু কাকত-আলোচনীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, বিশেষত্বপূৰ্ণ। উনবিংশ শতিকাত অসমীয়া ভাষাই নিজৰ মাটিতে স্থানচ্যুত হৈ মৰ্যাদা হেৰুওৱাৰ দিনত ভাষাটোৰ উদ্ধাৰ আৰু বিকাশৰ ক্ষেত্ৰত 'অৰুনোদই' কাকতে যি ভূমিকা লৈছিল সেয়া অসামান্য। ১৮৪৬ চনৰ পৰা ১৮৮০

চনলৈকে সময়ছোৱাক "অৰুণোদয়-কাল" হিচাপেই অসমীয়া সাহিত্যত জনা যায়। ব্ৰন্সনৰ দৰে ভাষাতাত্ত্বিক মিছনেৰীয়ে অনেক যত্ন কৰিও কলিকতাৰ চৰকাৰক অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে যেতিয়া পতিয়ন নিয়াব পৰা নাছিল তেতিয়া তেওঁলোকে 'অৰুনোদই'ৰ পৃষ্ঠা ভাষা বিষয়ক লিখাৰ বাবে মুকলি কৰি দিছিল। অসমীয়া ভাষাৰ স্ববৈশিষ্ট্য, মাতৃভাষাৰ মহত্বৰ ব্যাখ্যা থকা অনেক ৰচনা 'অৰুনোদই'ত ওলাইছিল। অসমীয়া ভাষা বিষয়ক সেই লিখাসমূহ ব্ৰন্সনৰ ভাষা উদ্ধাৰৰ সংগ্ৰামৰ একোটা শক্তিশালী হাতিয়াৰ আছিল। 'অৰুনোদই' কাকতৰ বিশাল অতুলনীয় অৱদান সম্পৰ্কত নগেন শইকীয়াই 'আসাম বন্ধু'ৰ পাতনিত লিখিছে—"১৮৪৬ খ্ৰীঃত আৰম্ভ কৰা মাহেকীয়া কাকত 'অৰুনোদই সম্বাদপত্ৰ'ৰ যোগে আধুনিক অসমীয়া ভাষাক গঢ় দিয়াত আৰু অসমীয়া মানুহৰ মনত ভাষা-চেতনা গঢ়ি তোলাত যোগোৱা বৰঙনি কোনো মূল্যৰে জুখিব পৰা বিষয় নহয়। তদুপৰি এই কাকতেই বহিৰ্বিশ্বৰ লগত অসমীয়া মানুহৰ সম্পৰ্কৰ সেতু নিৰ্মাণ কৰি দিলে। অসমত সাংবাদিকতাৰ আৰম্ভণি, অসমীয়া ভাষাৰ নতুন গদ্যশৈলীৰ আৰম্ভণি, ধৰ্ম-নিৰপেক্ষ দৃষ্টিভংগীৰ প্ৰতিষ্ঠা, ভাষা-চেতনাৰ জাগৰণ, অসমবাসীৰ বুৰঞ্জী আৰু সংস্কৃতি অধ্যয়নৰ আৰম্ভণি, জ্ঞানৰ প্ৰসাৰণ, বিজ্ঞান বিষয় জনপ্ৰিয় কৰাৰ যত্ন, নতুন সাহিত্যিকৰ বাবে বীজৰোপণ, সামাজিক দায়িত্ব সম্পৰ্কে সজাগতা সৃষ্টি আৰু খ্ৰীষ্ট-ধৰ্মৰ প্ৰচাৰ—এই দহভাগত 'অৰুনোদই'ৰ বৰঙনিৰ কথা ভগাই ল'ব পাৰি।" উপেন্দ্ৰনাথ গোস্বামীয়ে লিখিছে—"আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীসকলৰ আগমনে অসমীয়াসকলক আশা দিলে, ভাষা দিলে আৰু 'নিজৰ ভাষা , সাহিত্য, সংস্কৃতি তথা জাতীয়তাৰ প্ৰতি গঢ়ি উঠা হীনমন্যতাবোধ আঁতৰাই অসমীয়া মানুহৰ মনত আত্ম-মৰ্যাদা প্ৰতিষ্ঠা কৰাত প্ৰধান ভূমিকা গ্ৰহণ কৰিলে। তেওঁলোকৰ এই কাম-কাজৰ বাবে 'অৰুনোদই' মুখপত্ৰ আছিল।" 'অৰুণোদয়ে' অসমীয়া ভাষাক পঢ়াশালী আৰু অফিচৰ ভাষা হিচাপে স্বস্থানলৈ ঘূৰাই আনি স্বমৰ্যাদাৰে ভাষাটোক নিজৰ বেদীত স্থাপন কৰাত গধুৰ দায়িত্ব পালন কৰিলে।

অসমীয়া ভাষাৰ হৃত মৰ্যাদা উদ্ধাৰত সক্ৰিয় ভূমিকা লোৱাৰ উপৰি 'অৰুনোদই' কাকতৰ বুকুতেই অসমীয়া ভাষাই আধুনিক ৰূপ পৰিগ্ৰহ কৰি প্ৰকাশি উঠিল। ইংৰাজসকলৰ অসমলৈ আগমনৰ লগে লগে অসমৰ সামাজিক জীৱনত অনেক নতুন ভাবনা, নতুন বস্তুৰ সংযোগ ঘটিল। ইয়াৰ সমানে সেই সকলোবোৰৰ লগত সংপৃক্ত হৈ থকা ইংৰাজী শব্দসমূহো অসমীয়া ভাষাত প্ৰৱেশ কৰিলে। খ্ৰীষ্ট ধৰ্মৰ সৈতে জড়িত। অনেক শব্দও অসমীয়া ভাষালৈ আহিল। তদুপৰি মিছনেৰীসকলে নতুন বিষয়, নতুন বস্তু আদিক বুজাবলৈ বহুসময়ত অসমীয়া ভাষাৰ কিছুমান শব্দক নতুনকৈ গঢ় দিলে। কিছুমান শব্দ তেওঁলোকে অনুবাদ কৰিও ব্যৱহাৰ কৰিলে। 'অৰুনোদই' আৰু আমেৰিকান মিছনেৰীসকলৰ জৰিয়তে অসমীয়া ভাষাৰ শব্দসম্ভাৰত প্ৰৱেশ কৰা এনেধৰণৰ কিছুমান শব্দৰ নিদৰ্শন হৈছে—

Society—মণ্ডলী

Coal—নাগমাটি

Grape—লতাপনিয়ল

Pope— পাপা অৰ্থাৎ ৰোমিয়া ৰজা

Gospel—সুভ বাত্ৰা

Baptist—বাপ্তিষ্ট অৰ্থাৎ বুৰ দিওৰা

Exhibition—মহাদৰ্সন

Doctor—ইংৰাজি বেজবৰুৰা

Gulf—গল্ফ অৰ্থাৎ মহাখাল

বৃটিছ চাহাবসকলৰ সৈতে তেওঁলোকৰ সহায়ৰ বাবে অহা উত্তৰ ভাৰতৰ চাংমাইসকলৰ জৰিয়তেও খাদ্যৰ সৈতে জড়িত বিভিন্ন শব্দ অসমীয়া ভাষাত সোমাই পৰে। আৰবী-ফাৰ্চী, হিন্দী, উৰ্দু আদি অনেক শব্দসম্ভাৰৰ প্ৰৱেশে অসমীয়া ভাষাৰ ৰূপ পুৰণি ৰীতিৰ পৰা ভালেখিনি দূৰলৈ টানি আনিলে। কদৰ, খাচ, আন্দাজ, খাঞ্চেমা, পনিৰ, চৌকিদাৰ, চাপ্ৰাচি, চিপাহি, হুকুম আদি শব্দ অসমীয়ালৈ আহিল।এনেকৈয়ে আধুনিক অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ অৱয়ব নিৰ্মাণ হ'ল । বাক্যৰীতিতো ইংৰাজী ঠাঁচ পোনপটীয়াকৈ সোমাই পৰিল। “মেজ লগাও”, “খানা লাও”, “দূধ পিয়ো” আদি ব্যক্যয়ো ‘অৰুনোদই’ত ঠাই পালে। এক কথাত অসমীয়া ভাষাৰ এই আধুনিক ৰূপটো মুখ্যতঃ ‘অৰুনোদই’ক কেন্দ্ৰ কৰিয়েই জন্ম হ'ল। এনেদৰেই আমেৰিকান মিছনেৰী আৰু ‘অৰুনোদই’ৰ জৰিয়তে গঠন আৰু আদৰ্শ সকলোফালৰে পৰা নতুন গঢ় লৈ অসমীয়া ভাষাৰ এক সুকীয়া পৰিৱৰ্তিত ৰূপ নিৰ্মিত হ'ল।

১৮৭৩ চনত ভাষাটো পুনৰ সংস্থাপিত হোৱাৰ পিছৰ সময়খিনিতো অসমীয়া ভাষাৰ নিৰ্দিষ্ট গঢ় নিৰ্মাণ আৰু বিকাশত কাকত-আলোচনীয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা ল'লে। ১৮৭১ চনত ‘আসাম-বিলাসিনী’, ১৮৮২ চনত ‘আসাম-নিউচ’, ১৮৮৫ চনত ‘আসাম-বন্ধু’, ১৮৮৬ চনত ‘মৌ’, ১৮৮৮ চনত ‘ল'ৰাবন্ধু’ প্ৰকাশ হয়। এই সময়খিনিৰ ভিতৰতে অসমীয়া ভাষাৰ “আধুনিক শৈলী”য়ে স্পষ্ট ৰূপত প্ৰতিষ্ঠা লাভ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

‘অৰুনোদই’ৰ বুকুতে আধুনিক অসমীয়া ভাষাৰ ভেটি নিৰ্মাণ হৈছিল বুলি কিয় কোৱা হয়?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

**২.৫.১ অসমীয়া ভাষা আৰু ৰবিন্সন**

অসমত বঙলা ভাষা প্ৰচলনৰ ক্ষেত্ৰত পৃষ্ঠপোষকৰ ভূমিকা লোৱা এজন বৃটিছ মিছনেৰী আছিল ৰবিন্সন। প্ৰথমে শিক্ষক আৰু পিছলৈ বৃটিছ প্ৰশাসনীয় বিষয়া হিচাপে কাম কৰা ৰবিন্সনে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা কোনোপধ্যে স্বীকাৰ নকৰিছিল। অসমীয়া হৈছে বঙলাৰ এটা উপভাষা—এয়াই আছিল তেওঁৰ সিদ্ধান্ত। নিজৰ সেই মতত আকোৰগোজ হৈ থাকি তেওঁ অসমীয়া ভাষাৰ অন্ধকাৰ দিনবোৰ দীঘলীয়া কৰি তুলিছিল। ১৮৩৯ চনত মিছনেৰী ৰবিন্সনে অসমত বেপাৰ কৰিবলৈ অহা বিদেশী ব্যৱসায়ীৰ সুবিধাৰ কাৰণে ব্যাকৰণ লিখিছিল। শ্ৰীৰামপুৰ প্ৰেছৰ পৰা ওলোৱা এই ব্যাকৰণখন আছিল 'Grammar of the Assamese Language'। হালেদ (Nathaniel Brassy Halhed) আৰু উইলিয়াম কেৰীৰ বঙলা ভাষাৰ ব্যাকৰণক আৰ্হি হিচাপে লৈ ৰচনা কৰা ৰবিন্সনৰ ব্যাকৰণত অসমীয়া ভাষাৰ উদাহৰণসমূহ ৰোমান আখৰেৰে লিখা হৈছিল। অসমীয়া ভাষাৰ প্ৰতি সদিচ্ছা আৰু হেঁপাহ ৰবিন্সনৰ ব্যাকৰণত নাই। ই সম্পূৰ্ণভাৱে উদ্দেশ্যপ্ৰণোদিত ৰচনা। ৰবিন্সনৰ মত হ'ল—"The characters of the Assamese language demand our first attention, they are for the most part the same as the characters used in Bengal"। বাঙালী ভাষাৰ প্ৰতি উচ্চ ধাৰণাৰে অসমীয়াক তেওঁ ব্যাকৰণখনত এক উপভাষা হিচাপে প্ৰতিপন্ন কৰিছে। কাৰণ অসমত বঙলা ভাষা প্ৰচলন কৰি ৰখাটো আছিল তেওঁৰ এক প্ৰধান লক্ষ্য। মহেশ্বৰ নেওগে কৈছে—"ৰবিন্সন হ'ল পোহৰ 'অৰুনোদই'ৰ আন্ধাৰ ফাল।" অৱশ্যে ৰবিন্সনৰ 'An Account of Assam' খনক নেওগে "ভাল গ্ৰন্থ" হিচাপে স্বীকৃতি দিছে।

**২.৫.২ অসমীয়া ভাষা আৰু মাইল্‌ছ ব্ৰন্সন**

পঢ়াশালী, অফিচ আদিৰ পৰা বিতাড়িত অসমীয়া ভাষাৰ পুনৰ সংস্থাপনৰ কাৰণে যিজন ব্যক্তিয়ে গোটেই দীঘলীয়া সংগ্ৰামখনৰ নেতৃত্ব লৈছিল তেৱেঁই আছিল মাইল্‌ছ ব্ৰন্সন। অসম হিতৈষী ব্ৰন্সনে অসমীয়া ভাষাৰ কাৰণে যিখিনি কৰিলে তাৰ কোনো তুলনা নাই। ব্ৰন্সনৰ নেৰানেপেৰা চেষ্টা, যুক্তি আৰু বুদ্ধি অবিহনে অসমীয়া ভাষাৰ অস্তিত্ব বিপন্ন হ'লহেতেন। (অসমীয়া ভাষা পুনৰুদ্ধাৰৰ সংগ্ৰামখনত ব্ৰন্সনে লোৱা নেতৃত্ব, তেওঁৰ নিৰৱচ্ছিন্ন যত্ন আৰু অতুলনীয় অৱদানৰ বিষয়ে ইতিপূৰ্বে বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে।)

কেৱল ভাষা উদ্ধাৰৰ মাজতে সীমাবদ্ধ নহৈ তেওঁ অসম আৰু অসমীয়াৰ উন্নতি আৰু পৰিপুষ্টিৰ বাবে অনেক কাম কৰিছিল। খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ এক মুখ্য উদ্দেশ্য হ'লেও ভাষাটোৰ কাৰণে ব্ৰন্সনে আগবঢ়োৱা অৱদান কৃতজ্ঞতাৰে স্বীকাৰ কৰিব লাগিব। ১৮৩৭ চনত শদিয়াত উপস্থিত হোৱা ব্ৰন্সনে ১৮৩৯ চনত 'Spelling Book and Vocabulary in English, Assamese, Singpho and Naga' নমেৰে এখন কিতাপ

লিখি প্ৰকাশ কৰিছিল। ইমান কম সময়তে তিনিটা ভাষা নতুনকৈ শিকি ৬৬ পৃষ্ঠাৰ এখন কিতাপ লিখা সহজ কাম নাছিল। তদুপৰি তেওঁ 'Phrases in English and Naga' নামে এখন সৰু পুস্তিকাও লিখিছিল। অসমীয়া ভাষালৈ ব্ৰন্সনৰ আটাইতকৈ ডাঙৰ অৱদান হ'ল বাৰ বছৰজোৰা কষ্টৰে লিখি উলিওৱা অভিধানখন। ১৮৬৭ চনত তেওঁৰ 'অচমিয়া-ইংৰাজি অভিধান' প্ৰকাশ হয়। অভিধানখনৰ 'আভাস'ত ব্ৰন্সনে লিখিছে—"উতম উতম পণ্ডিত, আৰু জনা লোকৰ সহায় লৈচিলো, আৰু অনেক বচৰৰ পৰা সব্দ গোটাই, তাৰ অৰ্থ লিখা হৈচে।" প্ৰতিভাশালী ব্ৰন্সনে অসমীয়া ভাষাত খ্ৰীষ্ট ধৰ্মৰ ভালেমান গীতো ৰচনা কৰিছিল। অসমীয়া ভাষাৰ কাৰণে তেওঁ যিখিনি কৰিলে সেইখিনিৰ কাৰণে সদায়েই আমি তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লাগিব। অসমীয়াই এইজন ভাষাতাত্ত্বিক মিছনেৰীক কেতিয়াও পাহৰিব নোৱাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

বুটিছ আমোলত অসমীয়া ভাষাক সংকটৰ পৰা উদ্ধাৰ কৰাৰ ক্ষেত্ৰত মাইল্‌ছ ব্ৰন্সনৰ অৱদান কেনেধৰণৰ আছিল?

..........................................................................................

..........................................................................................

..........................................................................................

**২.৫.৩ অসমীয়া ভাষা আৰু নাথান ব্ৰাউন**

নাথান ব্ৰাউন আছিল ব্ৰন্সনৰ দৰেই এজন অসমহিতৈষী ভাষাতাত্ত্বিক, পণ্ডিত। 'অৰুনোদই'ৰ তেওঁ আছিল ঘাই শক্তি। ধৰ্ম প্ৰচাৰৰ বাবে আহি শদিয়াত উপস্থিত হোৱা ব্ৰাউনে প্ৰথমে অসমীয়াক বঙলাৰ অপভ্ৰংশ বুলি ভ্ৰম বশতঃ ভাবিছিল। কিন্তু তেওঁৰ সেই ধাৰণা বেছি দিন নাথাকিল। অতি সোনকালে তেওঁ নিজৰ ভুল বুজি পালে আৰু নাথান ব্ৰাউন এজন অসমীয়া ভাষাৰ "সেৱক" হৈ পৰিল। অসমীয়া ভাষা পুনৰুদ্ধাৰৰ বাবে ব্ৰন্সনৰ লগত তেওঁ উঠি-পৰি লাগিছিল। অনুবাদ, পুৰণি অসমীয়া পুথি সংগ্ৰহ আৰু প্ৰকাশ, পঢ়াশালী স্থাপন আৰু পাঠ্যপুথি ৰচনা —এই কেউটা গুৰুত্বপূৰ্ণ কামৰ নেতৃত্ব লৈ ব্ৰাউনে অসমীয়া ভাষাৰ ভেটি শক্তিশালীকৈ বান্ধিলে। তেওঁ শদিয়াত থকা সময়ত কাম আৰম্ভ কৰিয়ে দেখিলে যে অসমীয়া ভাষাটো আয়ত্ব কৰাটো এক বাস্তৱিক প্ৰয়োজন। স্থানীয় ভাষা জানিলে ধৰ্ম বিস্তাৰেই হওক বা পঢ়াশালী স্থাপনেই হওক যিকোনো কামেই ফলপ্ৰসু কৰাত সুবিধা। সেয়েহে তেওঁ শদিয়াত থাকোঁতেই অসমীয়া ভাষা শিকি পেলালে। প্ৰথমেই ব্ৰাউনে অনুবাদৰ কামত হাত দিয়ে। খ্ৰীষ্ট ধৰ্মৰ নীতিমূলক কিছুমান পুথি তেওঁ অসমীয়ালৈ অনুবাদ কৰে।। ১৮৪৮ চনত ব্ৰাউনৰ 'য়িচু খ্ৰিষ্টৰ নতুন নিয়ম' প্ৰকাশ হয়। ১৮৫৪ চনত 'Gospel' অৰ অসমীয়া

ৰূপ শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰকাশ হয়। ‘Psalms of David’ অৰ কিছুমান গীতো তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল। অনুবাদৰ উপৰি অসমীয়া সাহিত্যৰ বিকাশৰ বাবে ব্ৰাউনে আন কেইবাটাও গুৰুত্বপূৰ্ণ কাম হাতত লৈছিল। নাথান ব্ৰাউন অসমত কেইবাটাও বিষয়ত বাটকটীয়া স্বৰূপ। মহেশ্বৰ নেওগে ব্ৰাউনৰ এই ভূমিকাক স্বীকৃতি দি লিখিছে—“পঢ়াশলীয়া পাঠ্যৰ বিষয়ত ব্ৰাউন আমাৰ বাটকটীয়া। তেওঁৰ ‘প্ৰথম গননা’(১৮৪৫), ‘দুতিয় গননা’(১৮৫৫), ‘ভূগোলৰ বিবৰন’(১৮৫১) সেই সময়ৰ বঙলা পুথিতকৈও উত্তম আছিল। ব্ৰাউন ছাহাবে পুৰণি অসমীয়া সাঁচিপতীয়া-তুলাপতীয়া পুথি সংগ্ৰহ-প্ৰকাশ আৰু অসমৰ অতীত অধ্যয়নৰ বিষয়তো পথ-প্ৰদৰ্শকৰ কাম কৰিছিল।”।

ৰবিন্সনৰ দৰে ব্যক্তিয়ে অসমীয়া ভাষাৰ স্বকীয়তাক সম্পূৰ্ণভাৱে আওকাণ কৰি স্বাৰ্থান্বেষী মনোবৃত্তিৰে অসমীয়া ভাষাৰ প্ৰতি যি অনিয়ম কৰিছিল সেই অনিয়মৰ প্ৰত্যুত্তৰ দিবলৈকে ব্ৰাউনে ১৮৪৮ চনত অসমীয়া ভাষাৰ ব্যাকৰণ লিখি উলিয়াইছিল। ধৰ্মপ্ৰচাৰক ব্ৰাউন যিহেতু আছিল এজন ভাষাতাত্ত্বিক, সেয়েহে ৰবিন্সনৰ উদ্দেশ্য প্ৰণোদিত ব্যাকৰণ দেখি তেওঁ ক্ষান্ত হৈ নাথাকিল। ব্ৰাউনে ৰচনা কৰা ‘Grammatical Notices of the Assamese Language’ শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰকাশ হৈছিল। তেওঁ ইয়াত স্পষ্টভাৱে দেখুৱাই দিয়ে যে, অসমীয়া ভাষাৰ নিজস্ব ভাষিক নিয়ম আছে, ঐতিহ্য আছে। ই বঙলাৰ অপভ্ৰংশ ৰূপ বা উপভাষা মাথোন নহয়। ব্ৰাউনৰ অভিমত হ'ল— “For beauty and softness the Assamese language is much superior to the Bengali......it is not inferior, in copiousness, to any of the Indian Language” তেওঁ লক্ষ্য কৰিছিল যে, মিছনেৰীসকলৰ অনেকেই অসমলৈ অহাৰ আগতে প্ৰথমে বঙলা ভাষাৰ লগত পৰিচয় হয় বাবে পিছত অসমীয়া ভাষাটোক বঙলাৰ অপভ্ৰংশ ৰূপ বুলি ভ্ৰমবশতঃ ভাবি লয়। যি ভুল ব্ৰাউনে নিজেও প্ৰথমে কৰিছিল। অসমীয়া আৰু বঙলাৰ মূল একে হোৱাৰ কাৰণেহে যে এই সাদৃশ্য গঢ় লৈছে সেয়া তেওঁলোকে নাজানিছিল। সেইবাবে ব্ৰাউনে যুক্তিসহকাৰে অসমীয়া ভাষাৰ মূল আৰু স্বতন্ত্ৰতা প্ৰতিষ্ঠা কৰি দেখুৱাবলৈ এই ব্যাকৰণখন লিখিছিল। ব্ৰাউনে তেওঁৰ ব্যাকৰণত লিখিছিল—“The opinion that the present language of Bengali is the parent of Assamese, is irreconcilable with facts”। এই মন্তব্যটোৰ জৰিয়তেই ব্ৰাউনৰ ব্যাকৰণৰ স্থিতি আৰু লক্ষ্য স্পষ্ট হৈ উঠিছে। তেওঁৰ ব্যাকৰণত অসমীয়া ভাষাৰ উদাহৰণসমূহ অসমীয়া আখৰেৰে লিখা হৈছিল। অসমীয়া আৰু বঙলা ভাষাৰ পাৰ্থক্যসূচক ধ্বনি ‘ৱ’ ব্ৰাউনে স্বীকাৰ কৰি লৈ তেওঁৰ ব্যাকৰণত ব্যৱহাৰ কৰিছিল। এই ব্যাকৰণখনত শিৱসাগৰকেন্দ্ৰিক কথিত অসমীয়া ভাষাৰ গঠন পদ্ধতিৰ এটা স্পষ্ট ৰূপ সংৰক্ষিত হৈ ৰ'ল। তেওঁ ব্যাকৰণ ৰচনাৰ ক্ষেত্ৰত ভাষাটোৰ উচ্চাৰণভিত্তিক ৰূপটোকে ভেটি কৰি লৈছিল।এই প্ৰসংগত ভাষাবিদ লীলাৱতী শইকীয়া বৰাই কৈছে—“ব্ৰাউনে অসমীয়া ভাষাৰ ঘৰুৱা ঠাঁচটোৰ ওপৰতহে গুৰুত্ব দিছিল। অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব

আৰু ৰূপতত্ত্বৰ সকলো উপাদানতে যে সংস্কৃতীয়া ৰূপ এটাও জড়িত হৈ আছে, সেই কথালৈ তেওঁ সমূলি মন দিয়া নাছিল।" ব্ৰাউনৰ মত হ'ল—"ভাসা লিখোঁতে আখৰৰ জিমান জাতি, তিমানহে লিখিব লাগে; একে জাতিৰে দুই তিনি প্ৰভেদৰ সকাম নাই।" সেইবাবে তেওঁ 'শ, ষ, স'ৰ ঠাইত কেৱল 'স', 'ন, ণ'ৰ ঠাইত কেৱল 'ন', 'জ, য'ৰ ঠাইত কেৱল 'জ' আদি লিখিছিল। বৰ্ণনাত্মক পদ্ধতিৰে ভাষাটোৰ গাঁঠনিক স্বকীয়তাৰ বিতং বিশ্লেষণ কৰা ব্ৰাউনৰ ব্যাকৰণখন সম্পৰ্কত প্ৰসিদ্ধ ভাষাবিজ্ঞানী গোলোকচন্দ্ৰ গোস্বামীয়ে লিখিছে— "ব্ৰাউন চাহাবৰ ব্যাকৰণত অসমীয়া ভাষাটোৰ বৈশিষ্ট্যপূৰ্ণ জতুৱা গঠনৰ যিমানখিনি বিতং আৰু শুদ্ধ আলোচনা পোৱা যায়, পৰৱৰ্তীকালৰ, কুৰি শতিকাৰ শেষাৰ্দ্ধত আমাৰ খাচ অসমীয়া লোকে, পণ্ডিতসকলে লিখা আৰু বৈজ্ঞানিক বুলি দাবী কৰিবলৈ যোৱা কোনো এখন ব্যাকৰণে তাক আজিলৈকে চেৰ পেলাব পৰা নাই।" ২০টা অধ্যায়ত বিভক্ত ব্যাকৰণখন সৰু হ'লেও অসমীয়া ভাষাৰ সেইসময়ৰ স্বকীয় গঠন পদ্ধতিৰ আলোচনাৰে তেওঁ ভাষাটোৰ এটা আৰ্হিক প্ৰতিষ্ঠা দিলে।

অসমলৈ প্ৰশাসনীয় বিষয়ৰ অনুসন্ধানৰ বাবে অহা মিল্‌ছ চাহাবে ব্ৰাউনক 'The best scholar in the Province' বুলি প্ৰশংসা কৰিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণৰ ক্ষেত্ৰত নাথান ব্ৰাউনে আগবঢ়োৱা অৱদানৰ বিষয়ে লিখক।

........................................................................................................

........................................................................................................

........................................................................................................

## ২.৬ সাৰাংশ (Summing Up)

অসমীয়া ভাষাৰ ইতিহাস প্ৰাচীন কালৰে পৰা চহকী। ইমান এক স্পষ্ট ইতিহাস আৰু নিদৰ্শন থকাৰ পিছতো অসমীয়া ভাষাৰ স্বতন্ত্ৰতাক লৈ প্ৰশ্ন সৃষ্টি হোৱাটো স্বাভাৱিকতেই অতি দুৰ্ভাগ্যৰ বিষয়। প্ৰাচীন যুগ, মধ্য যুগৰ শক্তিশালী সাহিত্যিক পৰম্পৰাই ভাষাটোক অপমান আৰু বিতাড়নৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। ঐতিহ্য আৰু সাহিত্যৰে সমৃদ্ধ অসমীয়া ভাষা ঘোৰ সংকটৰ মুখামুখি হ'ব লগাত পৰিল। নিজৰ ঠাইতে ভাষাটোৰ এনে দুৰ্গতিৰ মূল হোতা আছিল বিদেশী ইংৰাজ আৰু স্বাৰ্থান্বেষী বাঙালী। আনহাতে এই আপোনঘাতী কাৰ্য দেখিও আত্মচেতনাহীন অসমীয়াৰ কণ্ঠ নীৰৱে থাকিল। তেওঁলোকৰ এই আত্মমৰ্যাদাহীন মনোবৃত্তিৰ পূৰ্ণ সুযোগ লৈ অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে বঙলা প্ৰচলন কৰা হ'ল। অফিচ কাচাৰীতো বাদেই অসমৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ মাধ্যম হ'ল বাঙালী। অসমতে অসমীয়া এলাগী, অচিনাকি ভাষাত

পৰিণত হ'ল। স্বাৰ্থান্বেষীসকলে সজোৰে প্ৰতিষ্ঠা কৰিলে যে অসমীয়া এটা স্বতন্ত্ৰ ভাষা নহয়। ই বঙলাৰ এক অপভ্ৰংশ ৰূপহে। অসমীয়া ভাষাৰ বাবে এয়া চৰম দুৰ্যোগ। কিন্তু সেয়াই আছিল বাস্তৱ সত্য।

অসমীয়া ভাষাক এই দুৰ্দিন জাপি দিয়া বিদেশী ইংৰাজৰ মুখামুখি হৈ থিয় দিবলৈ ওলাল আন এক বিদেশী শক্তি আমেৰিকান মিছনেৰী। মিছনেৰীসকলে শদিয়াত উপস্থিত হৈ শিক্ষা আৰু ধৰ্ম বিস্তাৰৰ কামত ধৰে। এই দুয়োটা কামতে ভাষাৰ প্ৰশ্নটো আছিল গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাৰ ক্ষেত্ৰত হোৱা অন্যায় অসমহিতৈষী মিছনেৰীকেইজনে উপলব্ধি কৰে আৰু ভাষাটো উদ্ধাৰৰ কামত লাগে। ইতিমধ্যে তেওঁলোক শিৱসাগৰলৈ স্থানান্তৰ হ'ব লগাত পৰে আৰু তাতেই শিৱসাগৰ মিছন প্ৰেছ প্ৰতিষ্ঠা কৰে। মিছনেৰীসকলে এটাৰ পিছত এটাকৈ ধাৰাবাহিকভাৱে বিভিন্ন কৰ্মসূচী হাতত ল'লে। কিন্তু সফল নহ'ল। স্বাৰ্থান্বেষীসকলক বুজোৱাটো আৰু পতিয়ন নিওৱাটো ইমান সহজ নাছিল। কিন্তু মিছনেৰীসকল নাভাগৰিল। বৃটিছ চৰকাৰ অলৰ-অচৰ হৈ পূৰ্বৰ সিদ্ধান্তকে খামুচি থকাৰ সমানে মিছনেৰীসকলেও নিৰৱচ্ছিন্নভাৱে ভাষা উদ্ধাৰৰ সংগ্ৰামখনত লাগি থাকিল। এটাৰ পিছত এটাকৈ বিভিন্ন পন্থা তেওঁলোকে গ্ৰহণ কৰিলে। প্ৰায় ৩৭ বছৰ সময়ৰ যত্নৰ অন্তত অসমীয়া ভাষাই হৃত মৰ্যাদা ঘূৰাই পালে আৰু আধুনিক অসমীয়া ভাষাৰ এক স্বতন্ত্ৰ ৰূপ প্ৰতিষ্ঠিত হ'ল। সেই সুদীৰ্ঘ সময়ছোৱাতে নতুনকৈ শিকি অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ লোৱা মিছনেৰীসকলৰ হাতত পৰি ভাষাটোৱে এক নিৰ্দিষ্ট আধুনিক গঢ় লয়। পুৰণি ঐতিহ্য আৰু দেশী-বিদেশী প্ৰভাৱ এই দুয়োটাৰে পুষ্ট হৈ অসমীয়া ভাষাই নতুন ৰূপ অৰ্জন কৰি স্ব পথেৰে গতি ল'লে।

### ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ঊনবিংশ শতিকাত অসমীয়া ভাষাই যি সংকটৰ মুখামুখি হৈছিল সেই বিষয়ে বহলাই আলোচনা কৰক।

২) ঔপনিৱেশিক কালৰ অসমীয়া ভাষা সম্পৰ্কে এটা প্ৰবন্ধ লিখক।

৩) অসমীয়া ভাষা উদ্ধাৰৰ সংগ্ৰামলৈ মিছনেৰীসকলৰ অৱদান কেনেধৰণৰ?

৪) অসমীয়া ভাষাৰ ক্ষেত্ৰত উইলিয়াম ৰবিন্সনৰ ভূমিকা কেনেধৰণৰ আছিল?

৫) অসমীয়া ভাষালৈ মাইল্‌ছ ব্ৰন্সনৰ অৱদানৰ বিষয়ে লিখক।

৬) অসমীয়া ভাষালৈ নাথান ব্ৰাউনৰ অৱদান কেনেধৰণৰ?

৭) অসমীয়া ভাষাৰ পুনৰুত্থানত 'অৰুনোদই' সংবাদ পত্ৰৰ ভূমিকা কেনেধৰণৰ আছিল?

৮) "আধুনিক অসমীয়া সাহিত্যৰ গুৰিত যি অনিষ্টৰ বিহ ঢলা হৈছিল, এওঁলোকে তাৰ জোখাৰেই চোকা ঔষধি দি সেই গছজোপা কথমপি জীয়ালে।"—কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰক।

৯) অসমীয়া ভাষা উদ্ধাৰৰ সংগ্ৰামলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান কেনেধৰণৰ?

১০) মিছনেৰীসকলে বৰ্ণবিন্যাসৰ ক্ষেত্ৰত কি ৰীতি অনুসৰণ কৰিছিল? পৰৱৰ্তী সময়ত কিদৰে এই ৰীতিৰ পৰিৱৰ্তন কৰিব লগা হ'ল আলোচনা কৰক?

১১) অসমীয়া ভাষাৰ আধুনিক গঢ় নিৰ্মাণত 'অৰুনোদই'ৰ ভূমিকা কেনেধৰণৰ আলোচনা কৰক।

## ২.৮ প্ৰসঙ্গ গ্ৰন্থ (**References/Suggested Readings**)

১) উপেন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ

২)মহেশ্বৰ নেওগ(সম্পা) ঃ অৰুনোদই(১৮৪৬-১৮৫৪) (একত্ৰ সংকলন)

৩) বসন্ত কুমাৰ গোস্বামী(সম্পা) ঃ অৰুনোদই(১৮৫৫-১৮৬০) (একত্ৰ সংকলন)

৪) নগেন শইকীয়া (সম্পা) ঃ আসাম-বন্ধু

৫) যোগেন্দ্ৰনাৰায়ণ ভূঞা ঃ গুণাভিৰাম বৰুৱা

৬) বসন্ত কুমাৰ গোস্বামী(সম্পা) ঃ হেমকোষ-স্মৰণ

৭) আজিজুল হক ঃ মাইলছ্ ব্ৰন্‌ছন

৮) নন্দ তালুকদাৰ (সম্পা) ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্ৰহ

* * *

## তৃতীয় বিভাগ
# আধুনিক অসমীয়া ভাষা নিৰ্মাণত অসমীয়া বুদ্ধিজীৱিসকলৰ ভূমিকা

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ অসমীয়া ভাষাৰ সংকট, ভাষা উদ্ধাৰৰ সংগ্ৰাম আৰু আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণ
৩.৪ আধুনিক অসমীয়া ভাষা নিৰ্মাণত অসমীয়া বুদ্ধিজীৱিসকলৰ ভূমিকা
৩.৫ আনন্দৰাম ঢেকিয়াল ফুকন
৩.৬ নিধি লিবাই ফাৰোৱেল
৩.৭ গুণাভিৰাম বৰুৱা
৩.৮ হেমচন্দ্ৰ বৰুৱা
৩.৯ সাৰাংশ (Summing Up)
৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত আধুনিক অসমীয়া ভাষা নিৰ্মাণত আমেৰিকান মিছনেৰীসকলৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে। এই বিভাগটিত আধুনিক অসমীয়া ভাষা নিৰ্মাণত অসমীয়া বুদ্ধিজীৱিসকলৰ ভূমিকা সম্পৰ্কে ফঁহিয়াই চাবলৈ যত্ন কৰা হ'ব।

আমি সকলোৰে জ্ঞাত যে, ১৮৩৬ চনত অসমৰ পঢ়াশালী, আদালত আদিৰ পৰা অসমীয়া ভাষাক উঠাই দি বঙলা ভাষাৰ প্ৰচলন কৰা হৈছিল। অসমীয়া ভাষাৰ মৰ্যাদা ঘুৰাই অনাৰ বাবে অসমত খ্ৰীষ্টিয় ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা আমেৰিকান মিছনেৰীসকলে উদ্যোগ লৈছিল। সেই সময়ৰ অসমৰ কেইজনমান ব্যক্তিয়েও এই যুজত অংশ লৈছিল। এই বুদ্ধিজীৱিসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা আছিল অন্যতম। আৰম্ভনিৰে পৰাই আনন্দৰাম ঢেকিয়াল ফুকন এই যুজখনৰ অক্লান্ত যুঁজাৰু আছিল। পৰৱৰ্তীসময়ত এই যুজখনৰ প্ৰধান হোতা হৈছিল হেমচন্দ্ৰ বৰুৱা। তেওঁ দেখুওৱা উচ্চাৰণ আৰু বাক্যৰীতিয়ে আধুনিক অসমীয়া ভাষাক এক স্বকীয় ৰূপ প্ৰদান কৰিছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ সংকটৰ দিনত আনন্দৰাম ঢেকিয়াল ফুকন, নিধি লিবাই ফাৰোৱেল, হেমচন্দ্ৰ বৰুৱাৰ দৰে ব্যক্তিসকলৰ ভূমিকা কি আছিল সেই সম্পৰ্কে অৱগত হ'ব পাৰিব,
- 'অৰুনোদই'ৰ জৰিয়তে কিদৰে অসমীয়া বুদ্ধিজীৱিসকলে অসমীয়া ভাষাৰ এটা আধুনিক ৰূপ নিৰ্মাণত অংশগ্ৰহণ কৰিলে তাক জানিব পাৰিব,
- অসমীয়া ভাষাৰ বৰ্ণবিন্যাস ৰীতিৰ ইতিহাসৰ বিষয়ে জানিব পাৰিব।

## ৩.৩ অসমীয়া ভাষাৰ সংকট, ভাষা উদ্ধাৰৰ সংগ্ৰাম আৰু আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণ

বৃটিছ শাসনৰ আৰম্ভণিৰ সময়ছোৱাত অসমীয়া মানুহৰ মাজত ভাষাক লৈ এক ধৰণৰ হীনমান্যতাৰ ভাব সৃষ্টি হৈছিল। বঙলা ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু আকৰ্ষণ বৃদ্ধি পাইছিল। ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈকে এই সময়খিনি নগেন শইকীয়াৰ ভাষাত "অসমীয়া ভাষাৰ বাবে মৰ-আঁউসীস্বৰূপ।" ১৮৩৬ চনত ইংৰাজে যেতিয়া অসমৰ অফিচ, আদালত, পঢ়াশালীৰ পৰা অসমীয়া আঁতৰাই বঙলা প্ৰচলন কৰিলে অসমীয়া ভাষাৰ সেই বিপত্তি অসমীয়া প্ৰজায়ো নিৰ্বিবাদে মানি ল'লে আৰু অসমৰ অফিচ, আদালত, পঢ়াশালীত দুৰ্মদ গতিৰে বঙলা চলিল। নিজৰ ভাষা বিতাৰণৰ দৰে এটা বিষয় অসমীয়া মানুহে বিনা বাক্যই মানি লোৱাটো স্বাভাৱিকতে এক আশ্বৰ্য। 'অৰুনোদই'ৰ ভূমিকাত পণ্ডিত মহেশ্বৰ নেওগে আক্ষেপেৰে লিখিছে—"অসমীয়া প্ৰজাৰ তেতিয়া বুদ্ধিয়েই নাছিল নে কথা ক'ব পৰা শক্তিয়েই নাছিল, চৰকাৰৰ আদেশ নিৰ্বিৰোধে চলিল জগন্নাথৰ ৰথৰ দৰে ঘৰ্ঘৰ কৰি। অসমৰ বুদ্ধি আৰু জ্ঞানৰ প্ৰদেশলৈ যে আঁউসিৰ অন্ধকাৰ নামি আহিল" আনন্দৰাম ঢেকিয়াল ফুকনৰ বাহিৰে সকলো অসমীয়া তেতিয়া ঘোৰ নিদ্ৰাত। কিন্তু বিদেশী শক্তিৰ হাতত অসমীয়া ভাষা এনেদৰে স্বদেশতে লাঞ্চিত হোৱাৰ পৰত ভাষাটোক এই বিপৰ্যয়ৰ পৰা ৰক্ষা কৰিবলৈ উঠি-পৰি লাগিল আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল। যিসকলৰ অক্লান্ত নেৰানেপেৰা যত্নত অসমত অসমীয়া ভাষাই স্বমৰ্যাদা ঘূৰাই পাবলৈ সমৰ্থ হৈছিল। নাথান ব্ৰাউন আৰু মাইল্‌ছ ব্ৰন্সনেই আছিল এই ভাষা যুজঁৰ মুখ্য হোতা। সেই ভাষা উদ্ধাৰৰ যুঁজত তেওঁলোকক সহায় কৰিছিল আনন্দৰাম ঢেকিয়াল ফুকনে। মিলছ চাহাবৰ প্ৰতিবেদন, ব্ৰন্সনৰ আৰ্জি, নেৰানেপেৰা যত্ন আদি একোৱে কলিকতাৰ প্ৰশাসকৰ গা নলৰোৱা দেখি অৱশেষত দীঘলীয়া সময়ৰ অন্তত মিছনেৰীসকলে আন এক পদক্ষেপ হাতত ল'লে। তেওঁলোকে 'অৰুনোদই'ৰ পৃষ্ঠা অসমীয়া ভাষাৰ সপক্ষে দিয়া যুক্তিমূলক লিখাৰ বাবে মুকলি কৰি দিলে। বিভিন্নজনে এই বিষয়ত নিজৰ মতামত আগবঢ়ালে। সেইসকলৰ ভিতৰত গুণাভিৰাম বৰুৱা আছিল অন্যতম। অনেক স্মাৰক পত্ৰও অসমৰ

বিভিন্ন ঠাইৰ পৰা চৰকাৰলৈ যাবলৈ ধৰিলে। ইতিমধ্যে সেইখিনি সময়লৈকে অসমীয়া ভাষাৰ স্বকীয় ৰূপৰ ধ্বজাবাহী ভালেমান সাহিত্য সৃষ্টি হ'ল। হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ', 'কানীয়াৰ কীৰ্ত্তন', গুণাভিৰাম বৰুৱাৰ 'ৰাম নৱমী', ৰুদ্ৰৰাম বৰদলৈৰ 'বঙ্গাল বঙ্গালনী' আদিৰ উপৰি আউনিআটী সত্ৰৰ পৰা ১৮৭১ চনত 'আসাম-বিলাসিনী' কাকত ওলাল। এই গোটেই কথাবোৰে চৰকাৰক কিছু প্ৰভাৱিত কৰিলে। অৱশেষত ১৮৭৩ চনৰ ২৫ জুলাই তাৰিখে লেফ্‌টেনেন্ট গৱৰ্ণৰৰ নিৰ্দেশ অনুসৰি অসমৰ পঢ়াশালী, আদালত, অফিচ সকলোতে অসমীয়া ভাষা প্ৰচলনৰ নিৰ্দেশনা জাৰি কৰা হয়। ১৮৩৬ চনৰে পৰা নিজৰ ঠাইতে অপমানিত হৈ চুকত পৰি ৰোৱা অসমীয়া ভাষাই ৩৭ বছৰ সময়জোৰা দীঘলীয়া সংগ্ৰামৰ অন্তত ন্যায় পালে আৰু পুনৰ প্ৰচলন হ'ল।

(অসমীয়া ভাষাৰ বিতাৰণ আৰু পুনৰুদ্ধাৰৰ এই ইতিহাসৰ বিষয়ে দ্বিতীয় অধ্যায়ত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।)

স্বস্থানৰ পৰা বিতাৰিত অসমীয়া ভাষাৰ উদ্ধাৰ আৰু আধুনিক ৰূপ নিৰ্মাণত 'অৰুনোদই'ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, বিশেষত্বপূৰ্ণ। ঊনবিংশ শতিকাত 'অৰুনোদই' কাকতে ভিন্ন ধৰণৰ সাহিত্য সৃষ্টিৰে আধুনিক অসমীয়া ভাষাৰ বিকাশৰ পথ নিৰ্মাণ কৰিছিল। ১৮৪৬ চনৰ পৰা ১৮৮০ চনলৈকে সময়ছোৱাক "অৰুণোদয়-কাল" হিচাপেই অসমীয়া সাহিত্যত জনা যায়। ব্ৰন্সনৰ দৰে ভাষাতাত্বিক মিছনেৰীয়ে অনেক যত্ন কৰিও কলিকতাৰ চৰকাৰক অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে যেতিয়া পতিয়ন নিয়াব পৰা নাছিল তেতিয়া তেওঁলোকে 'অৰুনোদই'ৰ পৃষ্ঠা ভাষা বিষয়ক লিখাৰ বাবে মুকলি কৰি দিছিল। অসমীয়া ভাষাৰ স্ববৈশিষ্ট্য, মাতৃভাষাৰ মহত্বৰ ব্যাখ্যা থকা অনেক ৰচনা 'অৰুনোদই'ত ওলাইছিল। অসমীয়া ভাষা বিষয়ক সেই লিখাসমূহ ব্ৰন্সনৰ ভাষা উদ্ধাৰৰ সংগ্ৰামৰ একোটা শক্তিশালী হাতিয়াৰ আছিল। অসমীয়া ভাষাৰ উদ্ধাৰ আৰু নিৰ্মাণত কাকতখনৰ অতুলনীয় অৱদান সম্পৰ্কত নগেন শইকীয়াই 'আসাম বন্ধু'ৰ পাতনিত লিখিছে—"১৮৪৬ খ্ৰীঃত আৰম্ভ কৰা মাহেকীয়া কাকত 'অৰুনোদই সম্বাদপত্ৰ'ৰ যোগে আধুনিক অসমীয়া ভাষাক গঢ় দিয়াত আৰু অসমীয়া মানুহৰ মনত ভাষা-চেতনা গঢ়ি তোলাত যোগোৱা বৰঙনি কোনো মূল্যৰে জুখিব পৰা বিষয় নহয়।" 'অৰুণোদয়ে' অসমীয়া ভাষাক পঢ়াশালী আৰু অফিচৰ ভাষা হিচাপে স্বস্থানলৈ ঘূৰাই আনি স্বমৰ্যাদাৰে ভাষাটোক নিজৰ বেদীত স্থাপন কৰাত গধুৰ দায়িত্ব পালন কৰিলে। এইখন কাকতৰ বুকুতেই অসমীয়া ভাষাই আধুনিক ৰূপ পৰিগ্ৰহ কৰি প্ৰকাশি উঠিল। ইংৰাজসকলৰ অসমলৈ আগমনৰ লগে লগে অসমৰ সামাজিক জীৱনত অনেক নতুন ভাবনা, নতুন বস্তুৰ সংযোগ ঘটিল। ইয়াৰ সমানে সেই সকলোবোৰৰ লগত সংপৃক্ত হৈ থকা ইংৰাজী শব্দসমূহো অসমীয়া ভাষাত প্ৰৱেশ কৰিলে। তদুপৰি মিছনেৰীসকলে নতুন বিষয়, নতুন বস্তু আদিক বুজাবলৈ বহুসময়ত অসমীয়া ভাষাৰ কিছুমান শব্দক নতুনকৈ গঢ় দিলে। কিছুমান শব্দ তেওঁলোকে অনুবাদ কৰিও ব্যৱহাৰ কৰিলে। এনেকৈয়ে আধুনিক অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ অৱয়ব নিৰ্মাণ হ'ল। বাক্যৰীতিতো ইংৰাজী ঠাঁচ

পোনপটীয়াকৈ সোমাই পৰিল। অসমীয়া ভাষাৰ এই আধুনিক ৰূপটো 'অৰুনোদই'ক কেন্দ্ৰ কৰিয়েই জন্ম হ'ল। ১৮৭৩ চনত ভাষাটো পুনৰ সংস্থাপিত হোৱাৰ পিছৰ সময়খিনিত অসমীয়া ভাষাৰ নিৰ্দিষ্ট গঢ় নিৰ্মাণ আৰু বিকাশত 'অৰুনোদই'ৰ উপৰি আন আন কাকত-আলোচনীয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা ল'লে। ১৮৭১ চনত 'আসাম-বিলাসিনী', ১৮৮২ চনত 'আসাম-নিউচ', ১৮৮৫ চনত 'আসাম-বন্ধু', ১৮৮৬ চনত 'মৌ', ১৮৮৮ চনত 'ল'ৰাবন্ধু' প্ৰকাশ হয়।এই সময়খিনিৰ ভিতৰতে অসমীয়া ভাষাৰ "আধুনিক শৈলী"য়ে স্পষ্ট ৰূপত প্ৰতিষ্ঠা লাভ কৰে। এনেদৰেই পঢ়াশালী-আদালতৰ পৰা বিতাৰিত অসমীয়াই মিছনেৰীৰ আমোলতে পুনৰ সংস্থাপন লাভ কৰি প্ৰতিষ্ঠা লভিলে, নতুন প্ৰভাৱেৰে পৰিপুষ্ট হৈ সুকীয়া গঢ় ল'লে আৰু সুনিৰ্দিষ্ট বৰ্ণবিন্যাসৰীতিৰে শৃংখলিত হৈ আধুনিকতাৰ পথেৰে গতি কৰিলে।

**৩.৪ আধুনিক অসমীয়া ভাষা নিৰ্মাণত অসমীয়া বুদ্ধিজীৱিসকলৰ ভূমিকা**

স্বাৰ্থান্বেষী বৃটিছ চৰকাৰে অন্যায় অনিয়ম কৰি ১৮৩৬ চনত যেতিয়া অসমীয়া ভাষা অসমৰ আনুষ্ঠানিক ব্যৱহাৰৰ পৰা স্থানচ্যুত কৰিলে সেই সময়ত অসমৰ শিক্ষিত-অশিক্ষিত অসমীয়া সমাজ একপ্ৰকাৰ ঘোৰ নিদ্ৰাত। সকলোৱে বিনা বাক্যৰে নতশিৰে ইংৰাজৰ নিৰ্দেশনা মানি ল'লে। সেইসময়ত ভাষাক লৈ একধৰণৰ হীনমান্যতাই সকলোকে গ্ৰাস কৰিছিল। অসমীয়া ভাষা নিঃশেষ হৈ গ'লেও মাত মাতোতা কোনো নোহোৱা সেই দিনবোৰৰ বিষয়ে গুণাভিৰাম বৰুৱাই লিখিছে—"তেতিয়াও অসম দেশত স্কুল আৰু কাছাৰীত বঙ্গলা ভাষা চলিছিল। পাদ্ৰীসকলে অসমীয়া ভাষা চলাবলৈ বৰ যত্ন কৰিছিল। ব্ৰনচন পাদ্ৰী চাহাবে অসমীয়া ভাষা চলাবলৈ এক আবেদনপত্ৰ প্ৰস্তুত কৰে। ফুকনে সেই চাহাবক এই বিষয়ে অনেক সাহায্য কৰিছিল। ফুকন বিনে দেশীয় লোকৰ হৈ দুআষাৰ কথা কয় বা কোনো আলোচনা কৰে বা বুদ্ধি দিয়ে তেতিয়া এনে লোক নাছিল। .....ফুকনে পাদ্ৰী চাহাবসকলক আৰু পাদ্ৰী চাহাবসকলে ফুকনক দেশীয় ভাষা বিষয়ে সাহায্য কৰাত উভয়ে এই ভাষাৰ বিশেষ যত্ন কৰিবলৈ ধৰিলে।" সমসাময়িক অসমৰ ভাষিক দুৰ্গতিৰ বৰ্ণনা দি হেমচন্দ্ৰ বৰুৱাই লিখিছে—"অসমত বঙ্গালী ভাষাৰ বৰ আদৰ আছিল; মাতৃ-ভাষাক সকলোৱে ঘিনাইছিল—ইস্কুলত বঙ্গালী, ডেকাবিলাকৰ আলাপত বঙ্গালী আৰু তেওঁলোকৰ চিঠিতো বঙ্গালী ভাষাহে চলিছিল। ...অৱশ্যে মইয়ো এই নিয়মৰ বাহিৰা নাছিলোঁ।"

অসমৰ ভাষিক অৰাজকতা আৰু দুৰ্দিনৰ সময়ত অসমীয়া মানুহৰ কাৰ্যকলাপৰ স্পষ্ট প্ৰমাণ এই উক্তিসমূহে বহন কৰিছে। সুদীৰ্ঘ এক চহকী ঐতিহ্য বহন কৰি অহা ভাষা এটাই এনেদৰে অস্তিত্বক লৈ সন্দেহ সংকটৰ মুখামুখি হ'ব লগা হোৱাটো যিদৰে এক আচৰিত পৰিঘটনা সমানেই আশ্চৰ্যৰ কথা হৈছে, সেই অন্যায়ৰ প্ৰতি অসমীয়া বুদ্ধিজীৱি সমাজৰ নিৰ্লিপ্ত উদাসীন মনোবৃত্তি। অৱশ্যে পিছৰ সময়লৈ এই মানসিকতাৰ পৰিৱৰ্তন হৈছিল। সেয়েহে 'অৰুনোদই'ৰ পাতত নিজ মাতৃভাষাৰ মহত্ব, প্ৰয়োজনীয়তা আৰু গুৰুত্ব উপলব্ধি কৰি কেইবাজনেও লিখামেলা কৰিছিল। পূৰ্ণানন্দ ডেকা বৰুৱাই

১৮৫৫ চনৰ ডিচেম্বৰ সংখ্যা ‘অৰুনোদই’ত ‘দেস ভাসাৰ কথা’ শীর্ষক ৰচনাত লিখিছে— “আমাৰ দেসৰ প্ৰাই লোক সকলে দেসি ভাসাৰে লিখা পৰ্হা কৰিবলৈ ভাল নে পাই, কেৱল বিদেসি বঙ্গালি ভাসাৰেহে বৰ হাবিয়াহকৈ কথা কই আৰু লিখেও। ... দেস ভাসাটো নো কিমান উপকাৰি, আৰু আৱস্যকিয়, তাক তোমোলাকে এফেৰি কাল খতি হৈ ভাবি চালে বুজিব পাৰিবা।” বৰুৱাৰ এই কথাখিনিয়ে সেইসময়ৰ সচেতন মানুহৰ মনত ভাষা চিন্তাটো কেনেদৰে শিপাইছিল তাৰ উমান দিয়ে। নগেন শইকীয়াই ‘আসাম-বন্ধু’ৰ ভূমিকাত অসমীয়া মানুহৰ ভাষিক চেতনা গঢ় লোৱা বিষয়টোক গুৰুত্ব দি লিখিছে—“বেজবৰুৱাৰ সেই বিখ্যাত উক্তি ‘স্বদেশ আৰু স্বজাতিৰ মংগলৰ সিংহদুৱাৰ হ’ল মাতৃভাষা’ যেন মধ্য ঊনবিংশ শতিকাৰ পৰাই অসমীয়া প্ৰতিগৰাকী শিক্ষিত আৰু সচেতন লোকে অনুভৱ কৰি আহিছিল আৰু এই মাতৃভাষাৰ হকে কাম কৰাটো এটা ডাঙৰ লক্ষ্য স্বৰূপে তেওঁবিলাকৰ চকুৰ আগত থিয় দি আছিল।

সেই সময়ত অসমীয়া ভাষাৰ হিতৰ বাবে সকলো প্ৰকাৰে উঠি-পৰি লগা মিছনেৰীসকলে সদায়েই অসমীয়া ভাষাটো উচ্চাৰণ অনুযায়ী লিখিছিল। অৰ্থাৎ ভাষাটো কওঁতে যি মতে কৈছিল লিখোঁতেও সেই ৰীতিকে অনুসৰণ কৰিছিল। ১৮৩৯ চনত জাদুৰাম ডেকা বৰুৱাই এখন বঙলা-অসমীয়া অভিধান প্ৰস্তুত কৰি জেন্‌কিন্স চাহাবক দিয়ে। বৰুৱাৰ ‘বঙলা-অসমীয়া অভিধান’ত সৰলীকৃত বৰ্ণবিন্যাস ব্যৱহাৰ কৰিছিল। জেন্‌কিন্সে সেইখন শিৱসাগৰত থকা পাদুৰীসকলক দিয়ে। এই পুথিয়ে দেখুওৱা বৰ্ণবিন্যাসকে মিছনেৰীসকলে তেওঁলোকৰ লিখা-মেলাত অনুসৰণ কৰি আগবঢ়ে। এই বৰ্ণবিন্যাসক ‘জাদুৰাম-ব্ৰাউন বৰ্ণবিন্যাস’ নামেৰে জনা যায়। মিছনেৰীসকলৰ এই বৰ্ণবিন্যাসৰীতি সকলোৱে সমৰ্থন কৰা নাছিল, সমালোচনা কৰিছিল। কিন্তু আখৰ জোটনিৰ এই যি সৰল ৰীতি আৰু ভাষাৰ গঢ় মিছনেৰীসকলে ‘অৰুনোদই’ৰ জৰিয়তে প্ৰতিষ্ঠা কৰিছিল তাকে শিক্ষিত অসমীয়া সকলে আৰ্হি স্বৰূপে গ্ৰহণ কৰি অনুসৰণ কৰিলে। পৰৱৰ্তী সময় হেমচন্দ্ৰ বৰুৱাৰ যত্নত সুকীয়া এক কঠোৰ সংস্কৃতানুগ পদ্ধতি প্ৰতিষ্ঠা নোহোৱালৈকে এই সৰল গঢ়েৰেই “লেখক আৰু পাঠকৰ সম্পৰ্ক স্থাপিত হৈছিল।”

**আত্মমূল্যায়ন প্ৰশ্ন**

আধুনিক অসমীয়া ভাষাৰ ভেটি নিৰ্মাণত কোন কেইজন অসমীয়া জড়িত আছিল?

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ৩.৫ আনন্দৰাম ঢেকিয়াল ফুকন

মিছনেৰীসকলৰ নেতৃত্বত আৰম্ভ হোৱা ভাষা উদ্ধাৰৰ সংগ্ৰামত সহায় আৰু শক্তি যোগোৱা প্ৰথম অসমীয়া আছিল আনন্দৰাম ঢেকিয়াল ফুকন। ভাষিক অৰাজকতাৰ দিনত নাথান ব্ৰাউন আৰু মাইল্‌ছ ব্ৰন্সনৰ দৰে অসমীয়া ভাষাক ভাল পোৱা মিছনেৰীসকলৰ কাষত থিয় দি আনন্দৰামে অসমীয়া ভাষাৰ হৃত মৰ্যাদা পুনৰুদ্ধাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। ১৮৫৩ চনত মফাট্ মিল্‌ছ চাহাব যেতিয়া অসমলৈ আহে ঢেকিয়াল ফুকনে তেওঁক লগ কৰি কথা পাতি অসমৰ পঢ়াশালীত অসমীয়া ভাষা প্ৰচলনৰ বাবে দাবী জনাইছিল। তদুপৰি ফুকনে অসমত অসমীয়া ভাষা প্ৰচলনৰ সপক্ষে সকলো কথা বিতংভাৱে লিখি মিল্‌ছক এখন পুস্তিকাও প্ৰদান কৰে। ফুকনে যুগুত কৰা এই পুস্তিকাখন আছিল 'Observations on the Administration of the Province of Assam'। ইয়াৰ 'Education and Schools' আৰু 'Language of the Courts' শিতানদুটাত ফুকনে বিভিন্ন তথ্যপূৰ্ণ যুক্তিৰে পঢ়াশালী আৰু আদালতত অসমীয়া ভাষা পুনঃপ্ৰচলনৰ পোষকতা কৰে। আদালতত বঙলা ভাষা প্ৰচলন কৰাৰ কাৰণে বিচাৰকৰ পৰা সাধাৰণ মানুহলৈকে কেনেধৰণৰ অসুবিধাৰ সন্মুখীন হৈছিল সেইসমূহ ব্যাখ্যা কৰি তেওঁ অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ বাবে যুঁজিছিল। মিল্‌ছ চাহাবে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কত স্পষ্ট আৰু নিশ্চিত এটা মত গ্ৰহণ কৰাৰ ক্ষেত্ৰত ফুকনৰ এই পুস্তিকাখনে বিশেষভাৱে সহায় কৰিছিল। সেয়েহে অসমীয়া ভাষাৰ ক্ষেত্ৰত হোৱা অন্যায় মিল্‌ছে উপলব্ধি কৰিবলৈ সক্ষম হয় আৰু বঙলাৰ ঠাইত অসমৰ কাউঞ্চিল অব্ এডুকেচনে অসমীয়া চলাব লাগে বুলি যুক্তিপূৰ্ণ প্ৰতিবেদন দাখিল কৰে। মিল্‌ছ চাহাবে তেওঁৰ ৰিপৰ্টৰ সৈতে আনন্দৰামৰ পুস্তিকাখনো একেলগে ছপা কৰাই অসমীয়া ভাষাৰ সপক্ষে থিয় দিছিল। মিল্‌ছৰ দৰে ব্যক্তিয়ে আনন্দৰামৰ প্ৰসংগ তেওঁৰ ৰিপৰ্টত ব্যৱহাৰ কৰাটো নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ বিষয়।

ভাষা উদ্ধাৰৰ বাবে লোৱা বিভিন্ন পদক্ষেপ ব্যৰ্থ হোৱাৰ পিছত আনন্দৰামে লিখি উলিয়াইছিল 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam'। ইংৰাজ চৰকাৰক দিবলৈকে ব্ৰন্সনৰ সৈতে পৰামৰ্শ কৰি তেওঁ 'A Few Remarks on the Assamese Language and on Vernacular Education in Assam' পুস্তিকাখন লিখিছিল। ১৮৫৫ চনত আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত পুথিখন চৰকাৰ আৰু অন্যান্য মানুহৰ মাজত বিনামূলীয়াকৈ বিতৰণ কৰা হৈছিল। 'A Native' ছদ্মনামত লিখা এইখন পুথিতো আনন্দৰামে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে অকাট্য যুক্তি আগবঢ়ালে। অসমীয়া ভাষা যে বঙলাৰ ঠাল বা উপভাষা নহয় সেয়া প্ৰতিপন্ন কৰিবলৈ অসমীয়া আৰু বঙলা শব্দসম্ভাৰৰ মূল উৎস দেখুৱাই পাৰ্থক্যসমূহ দাঙি ধৰিলে। আকৃতিত সৰু হ'লেও ইয়াত তেওঁ দুয়োটা ভাষাৰ তুলনামূলক আলোচনাৰ জৰিয়তে অসমীয়া ভাষাৰ স্বকীয়তা সুন্দৰকৈ প্ৰমাণ কৰিলে। অসমত অসমীয়া ভাষা প্ৰচলনৰ প্ৰাসংগিকতাকো এই পুস্তিকাই সুন্দৰকৈ প্ৰতিষ্ঠা

কৰিছিল। অসমীয়া ভাষাৰ ঐতিহ্য দেখুৱাই ইয়াক বঙলাৰ পৰা পৃথক হিচাপে স্পষ্ট কৰিবলৈ গৈ তেওঁ লিখিছে—“আমি এইটো দঢ়াই কওঁ যে ১৮০০ খ্ৰীষ্টাব্দত অসমীয়া ভাষা বঙলাতকৈ বহুত গুণে প্ৰবল আছিল। কৃত্তিবাস আৰু কাশীৰামতকৈও বহুত কাল আগৰ ৰাম সৰস্বতী আৰু শ্ৰীশঙ্কৰদেৱে আজিৰ চাৰিশ বছৰ আগতে ৰামায়ণ মহাভাৰত অসমীয়া পদলৈ ভাঙে।” ফুকনৰ এনেবোৰ বক্তব্য, বিশ্লেষণ আৰু যুক্তিৰ বাবেই ‘A Few Remarks on the Assamese Language and on Vernacular Education in Assam’ পুস্তিকাখনৰ জৰিয়তে অসমীয়া ভাষাৰ মৌলকত্ব সুন্দৰভাৱে স্পষ্ট হৈ উঠে। ১৮৭২ চনৰ ৯ মাৰ্চ তাৰিখে যেতিয়া ব্ৰন্সনৰ নেতৃত্বত ২১৬ জন শিক্ষিত অসমীয়াই চহী কৰা এখন স্মাৰক পত্ৰ চৰকাৰক দিয়া হয় সেই স্মাৰক পত্ৰৰ লগত আনন্দৰাম ঢেকিয়াল ফুকনৰ ‘A Few Remarks on the Assamese Language and on Vernacular Education in Assam’ পুথিখনো গাঁথি দিয়া হৈছিল। অৱশ্যে তেতিয়ালৈ ফুকন জীয়াই থকা নাছিল।

ফুকনৰ দিনত অসমত মাতৃভাষা অসমীয়াত ৰচনা কৰা পঢ়াশলীয়া পুথিৰ অভাৱ, আইন-আদালত আৰু প্ৰশাসন সম্বন্ধীয় কিতাপৰ অভাৱ। এই অভাৱসমূহ দূৰ কৰিবৰ কাৰণেই তেওঁ ‘অসমীয়া ল’ৰাৰ মিত্ৰ’, ‘ফুকন দেৱান কায়দা বন্দী’, ‘সদৰ দেৱান নিস্পত্তি’, ‘আইন ও ব্যৱস্থা সংগ্ৰহ’ আদি ৰচনা আৰু অনুবাদ কৰিছিল। নিজৰ নামৰ পৰিৱৰ্তে ‘The Friend of Young Assam’ নাম দি ৰচনা কৰা ‘অসমীয়া লৰাৰ মিত্ৰ’ পুথিখনে সেই সময়ত অসমীয়া ভাষা আৰু সাহিত্যৰ ডাঙৰ এক অভাৱ পূৰণ কৰিছিল। কলিকতাৰ ‘সমাচাৰ চন্দ্ৰিকা’ যন্ত্ৰত ছপা কৰা এই পুথিখন আধুনিক ঠাঁচত ৰচনা কৰা পঢ়াশলীয়া পুথি।

অসমীয়া ভাষাত অভিধানৰ অভাৱ ফুকনে ভালকৈয়ে অনুভৱ কৰিছিল। সেইবাবে তেওঁ অসমীয়া -ইংৰাজী আৰু ইংৰাজী-অসমীয়া অভিধান ৰচনাতো হাত দিছিল। সেই ইংৰাজী-অসমীয়া অভিধানৰ আৰ্হি ‘অৰুনোদই’ত প্ৰকাশ পাইছিল। অৱশ্যে অভিধানখনে গ্ৰন্থবদ্ধ প্ৰকাশৰ ৰূপ নেদেখিলে।

‘অৰুনোদই’ত প্ৰকাশিত ঢেকিয়াল ফুকনৰ ‘ইংলণ্ডৰ বিবৰণ’ এটা গুৰুত্বপূৰ্ণ প্ৰবন্ধ। অসম আৰু অসমীয়াক সকলোপ্ৰকাৰে জ্ঞানৰ সম্ভেদ দি উন্নতিৰ বাট দেখুওৱাটো আছিল তেওঁৰ লক্ষ্য।

আনন্দৰাম ঢেকিয়াল ফুকনে ইংৰাজী, সংস্কৃত, বঙলা আৰু পাৰ্চি ভাষা জানিছিল। কিন্তু মাতৃভাষাৰ প্ৰতি আছিল তেওঁৰ আনুগত্য আৰু দায়বদ্ধতা। তেওঁৰ সমগ্ৰ ৰচনাৰ জৰিয়তে অসমীয়া ভাষাৰ এক আধুনিক গঢ় সম্পূৰ্ণভাৱে স্পষ্ট হৈ উঠে। ফুকনৰ ভাষা আছিল সহজ, পোনপটীয়া আৰু বৰ্ণবিন্যাস সৰল, উচ্চাৰণৰ আধাৰত গঢ় লোৱা। ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁৰ এটা নিজা ঠাঁচ পৰিলক্ষিত হয়। তদ্ভৱ আৰু থলুৱা শব্দৰে সমৃদ্ধ ফুকনৰ ৰচনাত ইংৰাজী ভাষাৰ শব্দ আৰু বাক্য গঠনৰীতিৰ প্ৰভাৱ স্পষ্ট।

অসমীয়া ভাষাৰ দুৰ্দশা আঁতৰ কৰিবলৈ অহোপুৰুষাৰ্থ যত্ন কৰি অনেক হেঁপাহ বুকুত লৈয়ে আনন্দৰামে ১৮৫৯ চনৰ ১৬ জুনত অকালতে মৃত্যু বৰণ কৰে। নিজৰ দেশতে ভগনীয়া হোৱা অসমীয়া ভাষা পুনৰ সংস্থাপনৰ কাৰণে ব্ৰন্‌ছনে কৰা সংগ্ৰামত সহায় সহযোগ কৰা প্ৰধান অসমীয়াজনেই আছিল আনন্দৰাম ঢেকিয়াল ফুকন। কিন্তু ফুকনৰ সেই হেঁপাহ অপূৰণ হৈয়ে ৰ'ল। অকালতে মত্যু হোৱা আনন্দৰামে অসমীয়া ভাষাৰ সুদিন দেখি যাবলৈ নেপালে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া ভাষা উদ্ধাৰৰ সংগ্ৰামখনক আনন্দৰাম ঢেকিয়াল ফুকনে কেনেদৰে ভূমিকা লৈছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৩.৬ নিধি লিবাই ফাৰোৱেল

মিছনেৰীসকলে অসমীয়া ভাষাৰ কাৰণে সংগ্ৰাম কৰা দিনবোৰত 'অৰুনোদই'ৰ জৰিয়তে সাহিত্যলৈ অৱদান যোগোৱা এজন অসমীয়া লিখক আছিল নিধি লিবাই ফাৰোৱেল। মহেশ্বৰ নেওগে অৰুনোদই-গোষ্ঠীৰ লিখক হিচাপে ব্ৰাউন আৰু ব্ৰন্সনৰ পিছতে তেওঁৰ স্থান বুলি ক'ব বিচাৰে। পৰিসৰৰ ফালৰ পৰা অসমীয়া খ্ৰীষ্টান সাহিত্যলৈ ফাৰোৱেলৰ অৱদান আটাইতকৈ বেছি। 'অৰুনোদই'ত তেওঁ ন.ল. আৰু ন.ল.ফ. নামেৰে বিপুলসংখ্যক পদ্য আৰু ৰচনা লিখিছিল। এতিয়ালৈকে প্ৰাপ্ত 'অৰুনোদই'ৰ ভিতৰত তেওঁৰ ৰচনাৰ সংখ্যাই আটাইতকৈ সৰহ বুলি মহেশ্বৰ নেওগে নিৰ্ণয় কৰিছে। ফাৰোৱেলৰ অৱদানৰ ভিতৰত ওল্ড টেষ্টামেন্টৰ 'Books of Samuel' আৰু 'Books of Kings'-অৰ অনুবাদ বিশেষভাৱে গুৰুত্বপূৰ্ণ। ৰচনাৰ বৈচিত্ৰ ফাৰোৱেলৰ সাহিত্যৰ এটা প্ৰধান দিশ। তুতি-গীত, পয়াৰ, ভ্ৰমণৰ বৰ্ণনা, জীৱন-কথা, ধৰ্মীয় ব্যাখ্যা, ইতিহাস আদি বিবিধ ধৰণৰ সাহিত্য ফাৰোৱেলে ৰচনা কৰিছিল। মিছন প্ৰেছৰ পৰা প্ৰকাশিত ফাৰোৱেলৰ "ভাৰতীয় দণ্ডবিধি আইন" আৰু "পদাৰ্থ বিদ্যাৰ সাৰ অৰ্থাৎ ঈশ্বৰে স্ৰজা বস্তুৰ কথাৰ শিক্ষক ছাত্ৰৰ কথোপকথন" (Natural Science in Familiar Dialogue) দুখন বিশেষ গুৰুত্বপূৰ্ণ পুথি। "তোমালোকৰ এজন অসমিয়াই কৈচোঁ" বুলি তেওঁ অসমীয়া মানুহৰ বাবে ধৰ্মশিক্ষাৰ পাঠ আগবঢ়াইছিল। খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰিলেও তেওঁ ব্যৱহাৰ কৰা "অসমিয়াই কৈচোঁ" শব্দ দুটাৰ জৰিয়তে ফাৰোৱেলৰ হৃদয়ত অসমীয়া হিচাপে সোমাই থকা আবেগ আৰু চেতনাৰ উমান পোৱা যায়। দেশৰ উন্নতি কৰাৰ হাবিয়াস এটাও তেওঁৰ মাজত নিহিত আছিল। সহজ অসমীয়া ভাষাত ব্ৰাউনে বাইবেল অনুবাদ কৰিবলৈ লওঁতে ফাৰোৱেলে যথেষ্ট সহায় কৰিছিল। অসমৰ খ্ৰীষ্টান সাহিত্যলৈ

বিপুল অৱদান আগবঢ়োৱা ফাৰোৱেলৰ অৱশ্যে অসমীয়া ভাষা পুনৰ সংস্থাপনৰ যুঁজত কোনো প্ৰত্যক্ষ ভূমিকা নাছিল। কিন্তু সেয়ে হ'লেও মৃতপ্ৰায় হোৱা অসমীয়া ভাষাৰ অন্ধকাৰ দিনত ৰচিত হোৱা এইসমূহ সাহিত্যয়ো ভাষাটোৰ ধাৰাবাহিকতাক সাহিত্যিকভাৱে বৰ্তাই ৰখাত অৰিহনা যোগাইছিল। সেইবাবে অসমীয়া ভাষাৰ আধুনিক ৰূপৰ নিৰ্মাণ আৰু প্ৰতিষ্ঠাত ফাৰোৱেলৰ অৱদানক আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। ঐতিহাসিক দৃষ্টিকোণেৰে বিচাৰ কৰি এইসমূহক আমি যথোচিত মূল্য দিব লাগিব। ঊনবিংশ শতিকাৰ অসমীয়া ভাষাক পৰিপুষ্টি যোগোৱা উপকৰণসমূহৰ ভিতৰত নিৰ্ধি লিবাই ফাৰোৱেলৰ ৰচনাসমূহৰ স্থানো নিঃসন্দেহে গুৰুত্বপূৰ্ণ।

অসমীয়া বৰ্ণবিন্যাসৰ ক্ষেত্ৰত তেওঁ উচ্চাৰণ অনুগামী ৰীতিৰ সমৰ্থক আছিল। সেয়েহে আখৰ-জোঁটনিত ফাৰোৱেলে 'জাদুৰাম-ব্ৰাউন' ৰীতি ব্যৱহাৰৰ পোষকতা কৰিছিল। তেওঁৰ এই মতাদৰ্শৰ বাবেই পৰৱৰ্তী সময়ত হেমচন্দ্ৰ বৰুৱাৰ সৈতে একপ্ৰকাৰ সমুখ সমৰত নামিছিল। হেমচন্দ্ৰ বৰুৱাই তেওঁৰ আত্মজীৱনীত বৰ্ণবিন্যাসৰ ক্ষেত্ৰত ফাৰোৱেলৰ স্থিতিৰ বাবে তেওঁৰ সৈতে হোৱা সংঘাতৰ কথা স্পষ্ট ভাষাৰে বৰ্ণনা কৰিছে। অৱশ্যে হেমচন্দ্ৰৰ সৈতে হোৱা সেই কঠোৰ যুঁজত ফাৰোৱেল সফল হ'ব নোৱাৰিলে।

### ৩.৭ গুণাভিৰাম বৰুৱা

অসমীয়া ভাষাৰ সংকটৰ প্ৰথমছোৱাত ভাষাটোৰ হৈ মাত মাতোতা অসমীয়া কোনো নাছিল যদিও 'অৰুনোদই' প্ৰকাশৰ পিছত এইক্ষেত্ৰত এটা পৰিৱৰ্তনৰ সূচনা হৈছিল। 'অৰুনোদই'ৰ জৰিয়তে অসমীয়া ভাষালৈ অৱদান আগবঢ়োৱা এজন উল্লেখযোগ্য অসমীয়া লিখক আছিল গুণাভিৰাম বৰুৱা। মহেশ্বৰ নেওগে তেওঁক "আনন্দৰামৰ আধ্যাত্মিক উত্তৰাধিকাৰী" আখ্যা দিছে। নগেন শইকীয়াৰ ভাষাত "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন আৰু কৰ্মই আছিল গুণাভিৰামৰ আদৰ্শ।" 'অৰুনোদই'ৰ পাততে গুণাভিৰাম বৰুৱাই 'অচমিয়া ভাসা', 'মাত্ৰি ভাসাৰ সক্তি' আদি ৰচনা লিখিছিল। অসমীয়া ভাষাৰ প্ৰতিষ্ঠা আৰু উন্নতি কামনা কৰি তেওঁ ১৮৫৭ চনৰ মাৰ্চৰ 'অৰুনোদই'ত লিখিছিল—"মাত্ৰি ভাসাৰ সক্তি বৰ আচৰিত, কিয়নো ইয়াক আমি কেতিয়াও নে পাহৰোঁ। ...আমাৰ দেসৰ বৰবিলাকক বঙ্গালি ভাসাক অচমিয়াতকৈ মান্য কৰা ৰোগৰ পৰা মুকুত কৰিব পাৰিলে, সাধাৰন লোক সকলক পৰা জাই, কিন্তু ই ৰোগৰ ঔসধ একো নাই সকলোএ আপোন আপোন গা আৰু মৰ্জতা চালেই কাৰ্জ আহে, আপোনাৰ ৰোগ আপুনি গুচাব লাগে"।

অসমীয়া ভাষাৰ প্ৰতি থকা বৰুৱাৰ মনোভংগী আৰু তেওঁ ভাষাটোৰ প্ৰতি পালন কৰা দায়িত্বৰ স্বাক্ষৰ উল্লিখিত লেখাসমূহে বহন কৰিছে। তদুপৰি গুণাভিৰাম বৰুৱাৰ ভাষাত অসমীয়া ভাষাৰ আধুনিক ঠাঁচ কেনেদৰে গঢ় লৈছিল সেয়াও এই কথাখিনিৰ জৰিয়তে বুজিব পৰা যায়। তেওঁৰ 'ৰাম-নৱমী'ও প্ৰথম 'অৰুনোদই' কাকতত

ওলাইছিল। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা চৰকাৰৰ ওচৰত সাব্যস্ত কৰিবৰ কাৰণে বাৰে বাৰে যত্ন কৰিও ব্ৰন্সন যেতিয়া বিফল হৈছিল তেতিয়া সংগ্ৰামখনৰ শেষৰ ফাললৈ তেওঁলোকে অসমীয়া ভাষাত প্ৰকাশ হোৱা বিভিন্ন সাহিত্যৰ তালিকাও চৰকাৰলৈ পঠিয়াইছিল। সেইক্ষেত্ৰত গুণাভিৰাম বৰুৱাৰ লিখাসমূহো অসমীয়া ভাষাৰ শক্তিশালী বিভিন্ন নিদৰ্শনৰ অন্যতম হে থিয় দিছিল। সেই সময়ৰ অসমীয়া মানুহৰ ভাষিক দুৰ্গতিৰ বাবে আক্ষেপ কৰি বৰুৱাই লিখিছে-"তেওঁলোকে নিজ ভাষা শিকা উচিত; তেওঁলোকে বিদেশী বঙলা শিকিব লগীয়া হৈছে অথচ তাৰপৰা লাভ কৰিব পৰা নাই; অসমীয়া ভাষা বঙলাতকৈও ওড়িয়াৰহে বেছি ওচৰ।" এনেদৰে নিজ মাতৃভাষাৰ গুৰুত্ব বৰ্ণোৱাৰ উপৰিও ব্ৰন্সনৰ নেতৃত্বত বৃটিছ চৰকাৰলৈ অসমীয়া ভাষাৰ পুনৰ প্ৰচলন বিচাৰি দিয়া স্মাৰক পত্ৰত গুণাভিৰামে চহী কৰিছিল। ভাষাটোৰ প্ৰতি দায়বদ্ধতা থাকিলেও এইক্ষেত্ৰত তেওঁ হেমচন্দ্ৰ বৰুৱাৰ দৰে কঠোৰ নীতিনিষ্ঠ নাছিল। গুণাভিৰাম বৰুৱাৰ ভাষাত "মিছনেৰীসকলৰ প্ৰকাশভংগীৰ সুৰ শুনিবলৈ পোৱা যায়" বুলি নগেন শইকীয়াই মন্তব্য আগবঢ়াইছে। কিন্তু ভাষাৰ বিশুদ্ধ ৰূপটোৰ প্ৰতি বৰুৱাও আগ্ৰহী আছিল। সেয়েহে হেমচন্দ্ৰ বৰুৱাই 'অসমীয়া ব্যাকৰণ' ৰচনা কৰাৰ ক্ষেত্ৰত গুণাভিৰাম বৰুৱাৰ পৰা লাভ কৰা পৰামৰ্শ আৰু প্ৰেৰণা সন্দৰ্ভত লিখিছিল যে—"সেই বিষয়ত তেওঁ মোৰ অকল উৎসাহদাতা আৰু উপদেশক আছিল।" গুণাভিৰাম বৰুৱা আৰু 'অৰুনোদই'ৰ সম্পৰ্ক আছিল অতি ঘনিষ্ঠ। 'অৰুনোদই'য়েই আছিল তেওঁৰ সাহিত্য ৰচনাৰ প্ৰধান মাধ্যম। সেইবাবেই বৰুৱাৰ ভাষাত মিছনেৰীসকলৰ প্ৰভাৱ গভীৰ আৰু স্পষ্ট।

**৩.৮ হেমচন্দ্ৰ বৰুৱা**

ঊনবিংশ শতিকাৰ আধুনিক অসমীয়া ভাষাৰ "এজন প্ৰধান দ্ৰষ্টা আৰু স্ৰষ্টা" হ'ল হেমচন্দ্ৰ বৰুৱা। 'অৰুনোদই'ৰ নীতিৰ লগত একমত হ'ব নোৱাৰা বাবে প্ৰথমে তেওঁ এই 'অৰুনোদই-গোষ্ঠী'ৰ মাজত সোমাব বিচৰা নাছিল। কিছু পিছলৈহে তেওঁ 'অৰুনোদই'ত লিখা-মেলা কৰিছিল। হেমচন্দ্ৰ বৰুৱাই ফুকনৰ পথকে অনুসৰণ কৰি অসমীয়া ভাষাৰ ভেটিটো নতুনকৈ বান্ধিলে। জীৱনী, অভিধান, ব্যাকৰণ, আদি ৰচনা কৰি তেওঁ ভাষাটোক স্বমৰ্যাদাৰে থিয় হ'বলৈ শক্তি দিলে। বিশেষকৈ আমেৰিকান মিছনেৰীসকলে প্ৰৱৰ্তন কৰা উচ্চাৰণ অনুগামী আচহুৱা বৰ্ণবিন্যাস ৰীতি আঁতৰাই হেমচন্দ্ৰই অসমীয়া ভাষাক সংস্কৃত অনুগামী বৰ্ণবিন্যাসেৰে শৃংখলাবদ্ধ কৰিলে, নতুন গঢ় দিলে। হেমচন্দ্ৰ বৰুৱা আছিল উচ্চাৰণ অনুগামী বৰ্ণবিন্যাসৰ ঘোৰ বিৰোধী। "জাদুৰাম-ব্ৰাউন" বৰ্ণবিন্যাসৰ ঘোৰ বিৰোধিতা কৰা বৰুৱাই অনেক যত্ন কৰি এই বৰ্ণবিন্যাস আঁতৰাই সংস্কৃত অনুগামী বৰ্ণবিন্যাসৰ প্ৰচলন কৰে। ১৮৬১ চনৰ পৰা 'অৰুনোদই'ত হেমচন্দ্ৰ বৰুৱাই দেখুৱাই দিয়া বৰ্ণবিন্যাস গ্ৰহণ কৰা হয়। পূৰ্বৰ উচ্চাৰণ অনুগামী বৰ্ণবিন্যাসৰ পথ নিৰ্দেশক আছিল জাদুৰাম ডেকাবৰুৱা। হেমচন্দ্ৰ বৰুৱাই এই

সৰলীকৃত বৰ্ণবিন্যাস ওফৰাবলৈ উঠি পৰি যত্ন কৰাৰ বিষয়ে 'আত্মজীৱন চৰিত'ত এনেদৰে লিখিছে—"যেতিয়া মিস্যনেৰী বিলাকৰ গুৰিলৈ নিতৌ যাবলৈ ধৰিলোঁ, তেতিয়াৰ পৰা অৰুণোদয়েৰে সৈতে মোৰ সম্বন্ধ আৰু দৃঢ় হ'ল। তাতে মই তাৰ বৰ্ণবিন্যাস সংশোধনৰ নিমিত্তে যত্ন কৰিবলৈ ধৰিলোঁ। মোৰ এই চেষ্টাত নিধিৰাম ফেয়াৰোৱেল নামেৰে এটা দেশী খ্ৰীষ্টিয়ানৰ পৰা বৰ বাধা পাইছিলোঁ। সি তাৰ গুৰু ব্ৰাউন চাহাবৰ বৰ্ণ-বিন্যাস প্ৰণালীৰ পৰা এক আঙ্গুলো লৰচৰ হোৱাকে মহাপাপ যেন ভাবিছিল। পৰিশেষত মোৰ যত্ন সফল হয়, তথাপি 'ৱ' আখৰটোৰ ব্যৱহাৰ চলোৱা অসম্ভৱ যেন বোধ হ'ল। ....পিছত পাদ্ৰী ডক্টৰ কম্পৰ্ট চাহাবৰ সহায়তাৰ দ্বাৰা এই বিষয়ৰ সকলো আপত্তিৰ খণ্ডন হ'ল আৰু 'ৱ'ৰ ব্যৱহাৰ চলিল।" অৰ্থাৎ বৰুৱাই উচ্চাৰণভিত্তিক সৰল বৰ্ণবিন্যাসৰ পৰিৱৰ্তে সংস্কৃত অনুগামী যি বৰ্ণবিন্যাসৰ পোষকতা কৰিছিল, নিজৰ সেই মতৰ সপক্ষে যুঁজি বৰ্ণবিন্যাসৰ সংশোধন নোহোৱালৈকে ক্ষান্ত হোৱা নাছিল। ভাষাৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱা আছিল কঠোৰপন্থী ব্যক্তি। তেওঁ ভাষাৰ যিটো ৰূপৰ প্ৰতিষ্ঠা লক্ষ্য কৰি লৈছিল সেয়া সম্পূৰ্ণ কৰিহে এৰিছিল। 'অৰুনোদই'ত লিখিলেও তেওঁ মিছনেৰীসকলৰ ভাষিক ৰূপৰ অনুগামী নহৈ ভাষাটোৰ এক মান্য ৰূপ প্ৰতিষ্ঠা কৰিলে। হেমচন্দ্ৰ বৰুৱাই নিজেই সেয়েহে অভিধান আৰু ব্যাকৰণ ৰচনা কৰি আধুনিক অসমীয়া ভাষাৰ কাৰণে এক পথ নিৰ্দেশনা প্ৰস্তুত কৰি দিছিল। বিতাৰিত অসমীয়া ভাষা পুনৰুদ্ধাৰৰ সংগ্ৰামখনত পোনপটীয়াকৈ বৰুৱাৰ কোনো সক্ৰিয় ভূমিকা নাই। কিন্তু শেষৰফালে মিছনেৰীসকলে অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ সপক্ষে যিসমূহ ৰচনা আৰু পুথিৰ নিদৰ্শন চৰকাৰক দিছিল তাৰ ভিতৰত হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ' আছিল অন্যতম। অসমীয়া ভাষাত লিখা এইখনেই আছিল প্ৰথম ব্যাকৰণ। সংস্কৃত, ইংৰাজী, হিন্দী আৰু বঙালী কেউটা ভাষাতে ব্যুৎপত্তি অৰ্জন কৰা বৰুৱাক এই বিভিন্ন ভাষাৰ জ্ঞানে ব্যাকৰণ ৰচনাত বিশেষভাৱে সহায় কৰিছিল। তদুপৰি তেওঁৰ মাতৃভাষা অসমীয়াতো অগাধ দখল আছিল। সেইবাবেই ভাষাটোৰ ক্ষেত্ৰত এটা স্পষ্ট কঠোৰ আদৰ্শ গ্ৰহণ কৰিব পাৰিছিল আৰু সেই আদৰ্শকে ভেটি কৰি ২৪ বছৰ বয়সতে ব্যাকৰণ লিখি উলিয়াইছিল। তেওঁৰ ব্যাকৰণখনৰ মূল আদৰ্শ আছিল সংস্কৃত, ইংৰাজী আৰু বঙলা ব্যাকৰণ। 'অসমীয়া ভাষাৰ ব্যাকৰণ'ত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ 'সমগ্ৰ ব্যাকৰণ কৌমুদী'ৰ প্ৰভাৱ স্পষ্ট। নিজৰ ভাষাৰ ক্ষেত্ৰত কঠোৰ ৰীতিৰ অনুগামী হ'লেও অন্য ভাষাৰ প্ৰতি হেমচন্দ্ৰ বৰুৱাই মৰ্যাদা ৰাখিছিল আৰু প্ৰয়োজনীয় সহায় ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল। অৰ্থাৎ ভাষিকভাৱে কঠোৰপন্থী হ'লেও তেওঁ আছিল উদাৰমনস্ক ব্যক্তি। প্ৰধানকৈ তিনিটা উদ্দেশ্য আগত লৈ তেওঁ সেই সময়ত ব্যকৰণখন ৰচনা কৰিছিল। অসমীয়া ব্যাকৰণৰ অভাৱ পূৰণ, সংস্কৃতৰ পৰা উদ্ভূত অসমীয়া ভাষাৰ নিজস্ব সংস্কৃতিয়া ৰূপটোৰ প্ৰতিষ্ঠা আৰু মাতৃভাষা অসমীয়াৰ গঠন পদ্ধতি সম্পৰ্কে অসমীয়া মানুহক অৱগত কৰোৱা। এই তিনিওটা উদ্দেশ্য পূৰণত ব্যাকৰণখন সফল হৈছিল। উচ্চাৰণভিত্তিক সৰল অসমীয়াৰ পোষকতা কৰা নাথান ব্ৰাউন, মাইল্‌ছ ব্ৰন্সনৰ দৰে মিছনেৰী আৰু এই

পন্থাৰ অনুগামী অসমীয়াসকলৰ মনোযোগ আকৰ্ষণ কৰি তেওঁ অসমীয়া ভাষাৰ সংস্কৃতমূলীয় দিশটো স্পষ্ট কৰি প্ৰতিষ্ঠা দিলে। কাৰণ তেওঁ বিশ্বাস কৰিছিল যে, ব্ৰাউন নিৰ্দেশিত সৰল অসমীয়া স্বীকাৰ কৰি ল'লে প্ৰাচীন কালৰে পৰা চলি অহা অসমীয়া ভাষাৰ চহকী সাহিত্যিক ঐতিহ্যৰ সৈতে সম্পৰ্ক হেৰাব। কাৰণ সেইসমূহ পুথিৰ আখৰ জোঁটনি উচ্চাৰণভিত্তিক নহয়। অসমীয়া ভাষাৰ সেই পুৰণি কালিকাক উপলব্ধি কৰিব পাৰিছিল কাৰণেই তেওঁ অহোপুৰুষাৰ্থ কৰি ভাষাটোৰ কাৰণে যুজিছিল। ভাষাবিদ লীলীৱতী শইকীয়া বৰাই বৰুৱাৰ এই অৱদান সম্পৰ্কত কৈছে—“হেমচন্দ্ৰ বৰুৱাই প্ৰথমগৰাকী অসমীয়া ভাষাবিদ, যি সূত্ৰভিত্তিক নিদানমূলক ‘অসমীয়া ভাষাৰ ব্যাকৰণ’ৰ জৰিয়তে অসমীয়া ভাষাটোৰ ধ্বনিগত, ৰূপগত আৰু বাক্যগত, এই কেউটা দিশৰ গাঁথনিক বিশ্লেষণ কৰি আধুনিক অসমীয়া ভাষাটোৰ সুদৃঢ় ভেটি প্ৰতিষ্ঠা কৰিলে।” অসমীয়া ভাষাৰ লিখিত ৰূপটোক ব্যাকৰণৰ জৰিয়তে পৰিশীলিত আৰু মাৰ্জিত কৰাটোৱেই আছিল হেমচন্দ্ৰ বৰুৱাৰ কঠোৰ লক্ষ্য আৰু আদৰ্শ।

হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাত পাঠ্যপুথি ৰচনা কৰিও মাতৃভাষা মাধ্যমেৰে বিদ্যালয়ত পাঠদানৰ কাৰণে সহায় আগবঢ়াইছিল। বৰুৱাৰ সমগ্ৰ ৰচনাৰ মাজেৰে আধুনিক অসমীয়া ভাষা আৰু বৰ্ণবিন্যাসৰ এক স্বকীয় কঠোৰ ৰীতি প্ৰতিষ্ঠা হ'ল। বিশ্বেশ্বৰ হাজৰিকাই আধুনিক অভিধানতত্ত্বৰ দৃষ্টিৰে বিচাৰ কৰি হেমচন্দ্ৰ বৰুৱাক সেইসময়ৰ “উত্তম আভিধানিক” বুলি অভিহিত কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া বৰ্ণবিন্যাসৰ কাৰণে নিধি লিবাই ফাৰোৱেল আৰু হেমচন্দ্ৰ বৰুৱাৰ মাজত কিয় সংঘাট হৈছিল?

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৩.৯ সাৰাংশ (Summing Up)

ঊনবিংশ শতিকাত অসমীয়া ভাষাই স্বমৰ্যাদা হেৰুৱাই অফিচ-আদালত, পঢ়াশালীৰ পৰা বিতাৰিত হৈ দুৰ্যোগৰ মুখামুখি হৈছিল। সেই দুৰ্যোগৰ পৰা ভাষাটোক ৰক্ষা কৰিবলৈ নিৰৱচ্ছিন্নভাৱে অহোপুৰুষাৰ্থ কৰা মিছনেৰীসকলৰ সহযোদ্ধা আছিল আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে সজাগ সচেতন অসমীয়া। মিছনেৰীসকলে ‘অৰুনোদই’ কাকত উলিয়াই তাৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধিৰ বাট মুকলি কৰিছিল। তেওঁলোকে প্ৰধান ঃ ভাষাটোৰ উচ্চাৰণভিত্তিক সৰল ৰূপটোক অনুসৰণ কৰি ভাষা ব্যৱহাৰ কৰিছিল। সকলোৱে সেই ৰূপটোক গ্ৰহণ কৰা নাছিল। কিন্তু দীৰ্ঘ সময় ধৰি

অসমীয়া ভাষাৰ এই সহজ ৰূপটোৰে প্ৰচলন চলিল। সেয়েহে 'অৰুনোদই'ৰ পাতত অসমীয়া ভাষাৰ এই সৰল আচহুৱা অসমীয়া ভাষাৰে আধিপত্য পৰিলক্ষিত হয়। অৱশেষত হেমচন্দ্ৰ বৰুৱাৰ যত্নত ভাষাটোৰ ক্ষেত্ৰত সংস্কৃত অনুগামী এক কঠোৰ বৰ্ণবিন্যাস ৰীতি প্ৰতিষ্ঠা কৰা হয়। হেমচন্দ্ৰই ক'লেও মিছনেৰীসকলে প্ৰথমে এই পদ্ধতি গ্ৰহণ কৰা নাছিল । অৱশ্যে পিছত হেমচন্দ্ৰ বৰুৱা নিৰ্দেশিত পথকে স্বীকাৰ কৰি লয় আৰু অসমীয়া ভাষাই এক সুনিৰ্দিষ্ট শৃংখলিত ৰূপ পৰিগ্ৰহ কৰে। ইফালে প্ৰায় ৩৭ বছৰ সময়ৰ যত্নৰ অন্তত বৃটিছ চৰকাৰৰ ওচৰত অসমীয়া ভাষাৰ স্বতন্ত্ৰতা স্বীকৃত হয় আৰু ভাষাটোৱে হৃত মৰ্যাদা লাভ কৰে। অসমীয়া ভাষা অফিচ-পঢ়াশালী আদিলৈ ঘূৰি আহিল আৰু ভাষাটোৰ এক আধুনিক ৰূপ প্ৰতিষ্ঠিত হ'ল। অসমীয়া ভাষাই নিৰ্দিষ্ট গঢ় আৰু মান্যতা অৰ্জন কৰি স্ব পথেৰে গতি ল'লে। ব্যাকৰণৰ ক্ষেত্ৰতো ভাষাটোৰ এটা শৃংখলিত ৰূপ নিৰ্দ্ধাৰিত হ'ল। এহাতে ইংৰাজ সংস্কৃতিৰ প্ৰভাৱত ভাষাটোত সোমাই পৰা নতুন শব্দ, বাক্য আনহাতে শিৱসাগৰকেন্দ্ৰিক কথ্য ভাষা, এহাতে পুৰণি অসমীয়া পুথি, বুৰঞ্জী আদিৰ ভাষাৰ প্ৰভাৱ আনহাতে সংস্কৃত অনুগামী বৰ্ণবিন্যাস—এই সকলোৰে সমাহাৰত অসমীয়া ভাষাৰ আধুনিক ৰূপ, আধুনিক গতিপথ নিৰ্মিত হ'ল।

## ৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ঊনবিংশ শতিকাত অসমীয়া ভাষাই যি সংকটৰ মুখামুখি হৈছিল সেই বিষয়ে বহলাই আলোচনা কৰক।

২) ঔপনিৱেশিক কালৰ অসমীয়া ভাষা সম্পৰ্কে এটা প্ৰবন্ধ লিখক।

৩) ঊনবিংশ শতিকাৰ অসমীয়া ভাষাৰ বিপত্তিৰ কালত অসমীয়া বুদ্ধিজীৱিৰ ভূমিকা কেনেধৰণৰ আছিল?

৭) অসমীয়া ভাষাৰ পুনৰুত্থানত 'অৰুনোদই' সংবাদ পত্ৰৰ ভূমিকা কেনেধৰণৰ আছিল?

৯) অসমীয়া ভাষা উদ্ধাৰৰ সংগ্ৰামলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান কেনেধৰণৰ?

১০) মিছনেৰীসকলে বৰ্ণবিন্যাসৰ ক্ষেত্ৰত কি ৰীতি অনুসৰণ কৰিছিল? পৰৱৰ্তী সময়ত কিদৰে এই ৰীতিৰ পৰিৱৰ্তন কৰিব লগা হ'ল আলোচনা কৰক।

১১) আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণত 'অৰুনোদই'ৰ ভূমিকা কেনেধৰণৰ আছিল?

## ৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

১) উপেন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ

২)মহেশ্বৰ নেওগ(সম্পা) ঃ অৰুনোদই(১৮৪৬-১৮৫৪) (একত্ৰ সংকলন)

৩) বসন্ত কুমাৰ গোস্বামী(সম্পা) ঃ অৰুনোদই(১৮৫৫-১৮৬০) (একত্র সংকলন)
৪) নগেন শইকীয়া (সম্পা) ঃ আসাম-বন্ধু
৫) যোগেন্দ্রনাৰায়ণ ভূঞা ঃ গুণাভিৰাম বৰুৱা
৬) বসন্ত কুমাৰ গোস্বামী(সম্পা) ঃ হেমকোষ-স্মৰণ
৭) আজিজুল হক ঃ মাইলছ্ ব্রন্‌ছন
৮) নন্দ তালুকদাৰ (সম্পা) ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সংগ্রহ
৯) Maheswar Neog: Nidhi Levi Farwel

* * *

## চতুৰ্থ বিভাগ
## ছপা মাধ্যম আৰু অসমীয়া ভাষা

**বিভাগৰ গঠন**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ মৌখিক ভাষা, লিখিত ভাষা আৰু ছপা ভাষা
৪.৪ ছপা মাধ্যম আৰু ভাষা
৪.৪.১ ভাৰতত ছপা মাধ্যম আৰু ভাষা
৪.৪.২ অসমত ছপা মাধ্যমৰ প্ৰৱেশ আৰু ভাষিক পটভূমি
৪.৪.৩ অসমত ছপা মাধ্যমত ছপা হোৱা সমল
৪.৪.৪ ছপা মাধ্যমত অসমীয়া ভাষাৰ বিৱৰ্তন
৪.৫ সাৰাংশ (Summing Up)
৪.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত আধুনিক অসমীয়া ভাষা নিৰ্মাণত অসমীয়া বুদ্ধিজীৱিসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া ভাষা ছপা মাধ্যমত কেনেদৰে প্ৰয়োগ হৈ আহিছে তাকে পৰ্যালোচনা কৰা হ'ব।

আপোনালোকে ইতিমধ্যে আগৰ বিভাগসমূহত আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণ আৰু এই নিৰ্মাণ কাৰ্যত অসমৰ মধ্যবিত্ত শ্ৰেণীৰ ভূমিকা সম্পৰ্কে অৱগত হৈছে। মধ্যবিত্ত শ্ৰেণীৰ সমান্তৰালভাৱে অসমীয়া ভাষাক প্ৰভাৱান্বিত কৰা আন এটা প্ৰধান কাৰক আছিল ছপা মাধ্যম। ছপা মাধ্যমৰ আৰম্ভণিয়ে আছিল বিশ্বৰ ইতিহাসৰ এক অন্যতম যুগান্তকাৰী ঘটনা। ছপা মাধ্যমে তথ্য আৰু জ্ঞানক অভূতপূৰ্বভাৱে ক্ষিপ্ৰ আৰু সুদূৰপ্ৰসাৰী কৰি তুলিলে। ছপা প্ৰযুক্তিয়ে ইউৰোপীয় নৱজাগৰণক প্ৰকৃত অৰ্থত গতি প্ৰদান কৰিছিল। একেদৰে বহু বৈজ্ঞানিক বিপ্লৱৰ আঁৰতো আছিল ছপা মাধ্যম। ছপা মাধ্যমে সৰ্বসাধাৰণৰ কণ্ঠস্বৰক মঞ্চ প্ৰদান কৰি বহু ৰাজনৈতিক বিপ্লৱৰ বাট মুকলি কৰি দিছিল। ১৪৪০ খ্ৰীষ্টাব্দত জোহান্স গুটেনবাৰ্গ নামৰ এগৰাকী জাৰ্মান সোণাৰীয়ে পোন প্ৰথমবাৰৰ বাবে ছপা প্ৰযুক্তিৰ সূচনা কৰিছিল বুলি কোৱা হয়। তাৰ পাছতেই প্ৰথমে ইউৰোপ আৰু তাৰ পৰৱৰ্তী সময়ত ইউৰোপীয় উপনিৱেশসমূহত ছপা প্ৰযুক্তিৰ সূচনা হ'বলৈ ধৰে। ভাৰতত প্ৰথম ছপাযন্ত্ৰ কঢ়িয়াই আনিছিলে পৰ্তুগীজ মিছনেৰীয়ে। ১৫৫৬ খ্ৰীষ্টাব্দত গোৱাৰ ছেইণ্ট পল কলেজত প্ৰতিষ্ঠা কৰা এই ছপাযন্ত্ৰটোত পোনতে কিতাপ ছপা নহ'লেও ভাৰতৰ ইতিহাসৰ ই আছিল একধৰণৰ মাইলৰ খুঁটি। তামিল, কোংকনী, মাৰাঠী, মালায়ালম আদি ভাৰতীয় ভাষাৰ

পৰা আৰম্ভ কৰি ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ ভাৰতৰ প্ৰায়বোৰ প্ৰাদেশিক ভাষাই ছপা মাধ্যমত প্ৰকাশ পাইছিল।

আপাতঃ দৃষ্টিত প্ৰাদেশিক ভাষাসমূহত গ্ৰন্থ, পুস্তিকা বা পত্ৰিকা ছপা হোৱাটো সাধাৰণ ঘটনা। কিন্তু আজিৰ পৰা প্ৰায় আঢ়ৈশ বছৰ আগতে আৰম্ভ হোৱা এই প্ৰক্ৰিয়াটোক সমসাময়িক প্ৰেক্ষাপটত বিচাৰ কৰিলেহে ছবিখন অধিক স্পষ্ট হয়। বিশেষকৈ মধ্য ভাৰতীয় আৰ্যভাষাৰ পৰা আঁতৰি আহি আহি অঞ্চলবিশেষে নতুন নতুন ৰূপ পৰিগ্ৰহণ কৰা ভাষাসমূহৰ বাবে এয়া আছিল একধৰণৰ নতুন অভিজ্ঞতা। লগে লগে প্ৰাদেশিক ভাষাসমূহৰ চিনাক্তকৰণ, নিৰ্বাচন আৰু মান্যীকৰণৰ প্ৰয়োজনীয়তা ভাৰতৰ সকলো প্ৰান্ততে উপলব্ধি হৈছিল। অসম স্বাভাৱিকভাৱে এই বাতাৱৰণৰ পৰা বৰ বিশেষ আঁতৰত নাছিল। ভৌগোলিকভাৱে বংগৰ নিকটৱৰ্তী হোৱাৰ সুবাদতে ছপা মাধ্যমৰ সৈতে অঞ্চলটোৰ প্ৰধান প্ৰাদেশিক ভাষাৰ সংস্পৰ্শ গঢ়ি উঠিবলৈ বৰ বেছি পৰ লগা নাছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়টো দশকৰ পৰা আৰম্ভ হোৱা এই নতুন অভিজ্ঞতাই অসমীয়া ভাষাটোৰ গতি-প্ৰকৃতি আৰু বিকাশক কিদৰে প্ৰভাৱান্বিত কৰিছিল, সেয়াই এই বিভাগটোৰ আলোচ্য বিষয়।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে-

- হাতে লিখা ভাষাৰ পৰা ছপা ভাষাৰ বিকাশ আৰু পৰিৱৰ্তন সম্পৰ্কে জানিব পাৰিব,
- ছপা মাধ্যম আৰু ভাষাৰ মাজৰ সম্পৰ্কটো জানিব পাৰিব,
- অসমীয়া ভাষাৰ উত্থান-পতনত ছপা মাধ্যমৰ ভূমিকা সম্পৰ্কে জানিব পাৰিব,
- অসমীয়া ভাষাৰ আধুনিকীকৰণত ছপা মাধ্যমৰ ভূমিকা সম্পৰ্কে জানিব পাৰিব।

## ৪.৩ মৌখিক ভাষা, লিখিত ভাষা আৰু ছপা ভাষা

যোগাযোগৰ বাবে ভাষাৰ উদ্ভাৱন আছিল মানৱ সভ্যতাৰ এক যুগান্তকাৰী ঘটনা। প্ৰত্নৰূপৰ পৰা ভাষাই হাজাৰ হাজাৰ বছৰৰ বিৱৰ্তনৰ মাজেৰে বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিছে। এই বিৱৰ্তনৰ আৰম্ভণিৰ বহু যোজন বাট ভাষাই মৌখিক ৰূপতে বুলিছিল। ভাষাৰ এই স্বাভাৱিক যাত্ৰাকালতে সৃষ্টি হৈছিল মৌখিক সাহিত্য (গীত-কাহিনী-সাঁথৰ)ৰ। মানৱ সভ্যতাই বহু হাজাৰ বছৰ ভাষাৰ মৌখিক ৰূপটোত ভাৱ-চিন্তা, আৱেগ আৰু সৃষ্টিশীলতা প্ৰকাশ কৰাৰ পাছত ইতিহাসৰ আন এটা বিন্দুত মানুহে ভাৱ-চিন্তা, আৱেগ আৰু সৃষ্টিশীলতাক লিখিত ৰূপ দিবলৈ আৰম্ভ কৰিলে। এই প্ৰক্ৰিয়াটো এদিনতে হৈ উঠা ধৰণৰ নহয়। একেদৰে সকলোবোৰ ভাষাৰ ক্ষেত্ৰতো এই প্ৰক্ৰিয়াটো সম্পন্ন হোৱা নাছিল। আনকি সাম্প্ৰতিক বিশ্বতো কিছু ভাষাই লিখিত ৰূপলৈ গতি কৰাই নাই, মৌখিক ৰূপতে বৰ্তি আছে।

সুদীৰ্ঘকালীন মৌখিক পৰম্পৰাৰ কোনটো কেঁকুৰিত এই পৰিঘটনাটো প্ৰথমে সংঘটিত হৈছিল স্পষ্টকৈ কোৱাটো সম্ভৱপৰ নহয়। কিন্তু এটা কথা স্পষ্ট যে, মৌখিক পৰম্পৰাৰ পৰা লিখিত পৰম্পৰালৈ অহাৰ লগে লগে দুয়োটা মাধ্যমত ব্যৱহৃত ভাষাটোত কিছু পৰিৱৰ্তন লাহে লাহে স্পষ্ট হ'বলৈ আৰম্ভ কৰিলে। মৌখিক যুগৰ ভাষাতকৈ লিখিত ৰূপ অধিক স্থায়ী। বিপৰীতে মৌখিক ভাষাৰ লগত বক্তাৰ শাৰীৰিক অংগী-ভংগী, কথনৰ সুৰ আদি আনুষংগিক দিশ জড়িত হৈ থাকি যোগাযোগ অধিক ফলপ্ৰসূ কৰি তোলে। এই আনুষংগিক দিশসমূহ লিখিত ভাষাত স্বাভাৱিকভাৱে অনুপস্থিত। এনে পৰিস্থিতিত মৌখিক ভাষাৰ পৰা লিখিত ভাষালৈ অহাৰ লগে লগে প্ৰকাশভংগীৰ দিশৰ পৰা সুসংগঠিত আৰু ৰীতিবদ্ধ হ'বলৈ বাধ্য হৈছিল। তদুপৰি মৌখিক পৰম্পৰাৰ সময়ত ভাষাৰ বিভিন্নতাৰ যি সমৃদ্ধি তাৰ পৰা আঁতৰি আহি লিখিত ৰূপত বিভিন্নতাসমূহৰ মাজৰ পৰা এটা ৰূপেহে গুৰুত্ব পাইছিল।

মৌখিক ভাষা আৰু লিখিত ভাষাৰ গতিশীল সম্পৰ্কটো কম-বেছি পৰিমাণে এতিয়াও বিদ্যমান। লিখিত ভাষাৰ সমান্তৰালভাৱে মৌখিক ভাষাৰ উত্থান-পতন- বিকাশ চলি আহিছে আৰু সময়ে সময়ে এই উত্থান-পতন আৰু বিকাশে লিখিত ভাষাৰ স্বৰূপ নিৰ্ণয় কৰি দিছে। এনেদৰে চলি আহি আহি খ্ৰীষ্টীয় পঞ্চদশ শতিকামানত ভাষাই আন এটা যুগান্তকাৰী পৰিৱৰ্তনৰ সন্মুখীন হয়। এইবাৰ হাতে লিখা ভাষাই ছপাযন্ত্ৰত উঠি নতুন ৰূপ এটা লাভ কৰিলে। মৌখিক ভাষা আৰু হাতে লিখা ভাষাৰ পৰা ছপা ভাষা বহু দিশৰ পৰা ভিন্নৰূপত আত্মপ্ৰকাশ কৰিছিল। হাতে লিখা ৰূপত এটা বিশেষ সময়ৰ এটা বিশেষ ভাষাৰূপ ভৱিষ্যতৰ বাবে সংৰক্ষিত হয়, কিন্তু ভাষাটোৰ প্ৰসাৰ সীমিত। ছপা ভাষা কম সময়ত কম খৰচত উৎপাদনশীল যাৰ বাবে ছপা ভাষাই হাতে লিখা ভাষাতকৈ আৰু এঢাপ আগুৱাই গৈ এটা বিশেষ সময়ৰ এটা বিশেষ ভাষাৰূপক ভৱিষ্যতৰ বাবে সংৰক্ষিত কৰাৰ লগতে ভাষাৰূপটোৰ ব্যাপক প্ৰসাৰতো অৰিহণা আগবঢ়ালে। লগতে মৌখিক যুগৰ ভাষাৰ ভিন্নতাসমূহ হাতে লিখা ভাষাৰ মাজেৰে কিছু সংশ্লেষিত হোৱাৰ দৰেই হাতে লিখা ভাষাত উপলব্ধ ভিন্নতাও ছপা মাধ্যমৰ ভাষাত আৰু অধিক সংশ্লেষিত হ'বলৈ বাধ্য হ'ল। একে কথা লিপিৰ ক্ষেত্ৰতো প্ৰযোজ্য। হাতে লিখা ভাষা ভিন্ন গঢ়ৰ লিপিৰ মাজেৰে আত্মপ্ৰকাশ কৰিছিল। কিন্তু ছপা মাধ্যমলৈ যোৱাৰ লগে লগে ভিন্ন গঢ়ৰ লিপিসমূহৰ মাজৰ পৰা এটা নিৰ্দিষ্ট গঢ় গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। মৌখিক যুগৰ পৰা হাতে লিখা পৰ্যায়লৈ অগ্ৰসৰ হওঁতেই ভাষাৰ স্বাভাৱিক পৰিৱৰ্তনসমূহ মন্থৰ হ'বলৈ আৰম্ভ কৰিছিল, ছপাভাষাৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য হ'ল।

ছপাভাষাই কেইটামান দিশত নতুনত্ব আনিলে তাৰ ভিতৰত প্ৰধান হ'ল ছপা মাধ্যমত ভাষাই আগতে কেতিয়াও নঘটা ধৰণে তথ্য আৰু জ্ঞানৰ প্ৰসাৰ কৰিলে। লগে লগে প্ৰসাৰ হ'ল ভাষাৰ। ফলশ্ৰুতিত ভৌগলিকভাৱে ওচৰা-ওচৰিকৈ নথকা ভাষাৰূপৰ মাজতো যোগাযোগ সম্ভৱ হ'ল। অৱশ্যে ভৌগোলিকভাৱে ওচৰা-ওচৰিকৈ নথকা ভাষাৰূপৰ মাজত যে আগতে যোগাযোগ একেবাৰে নহৈছিল এনে নহয়। প্ৰব্ৰজিত লোকৰ

মাধ্যমেৰে প্ৰায়ে ভৌগোলিকভাৱে আঁতৰত থকা ভাষাৰূপৰ মাজত সংযোগ হৈ আহিছিল। কিন্তু ছপাভাষাই এই সংযোগ অধিক ব্যাপক যে কৰিছিল তাত কোনো সন্দেহ নাই।

**আত্মমূল্যায়ন প্ৰশ্ন**

মৌখিক যুগৰ পৰা ছপা মাধ্যমলৈ আহোতে ভাষাই কেনেধৰণৰ পৰিৱৰ্তনৰ সন্মুখীন হৈছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৪.৪ ছপা মাধ্যম আৰু ভাষা**

১৪৪০ চনৰ কথা। জোহান্স গুটেনবাৰ্গ নামৰ জাৰ্মানীৰ এগৰাকী সোণাৰীয়ে ভ্ৰাম্যমান ছপাযন্ত্ৰৰ উদ্ভাৱন কৰে। পূৰ্বৰে পৰা থকা পেঁচযুক্ত ছপাযন্ত্ৰ (Screwed Press)ৰ আৰ্হিতে এই ভ্ৰাম্যমান ছপাযন্ত্ৰটো নিৰ্মিত হৈছিল। অৱশ্যে কাঠৰ ব্লকত চিয়াহী লগাই হাতেৰে চাপ দি ছপা কৰাৰ পৰম্পৰা চীন, জাপান, কোৰিয়াত সপ্তম-অষ্টম শতিকাৰ পৰাই আছিল। গুটেনবাৰ্গৰ ভ্ৰাম্যমান ছপাযন্ত্ৰৰ আৰ্হিৰ ছপাযন্ত্ৰই ১৬০০ শতিকামানত এটা দিনতে ৩২০০-৩৬০০ পৃষ্ঠালৈ ছপা কৰিব পাৰিছিল, বিপৰীতে হাতেৰে চাপ দিয়া ছপাযন্ত্ৰত ৪০ টা মান পৃষ্ঠাহে এদিনত ছপা হৈছিল। গতিকে স্বাভাৱিকভাৱে তুলনামূলকভাৱে উন্নত ছপাযন্ত্ৰৰ আগমনৰ লগে লগে পঞ্চদশ-ষষ্ঠদশ শতিকামানত ছপা কাৰ্যটো সহজলভ্য আৰু কম খৰচী হৈ পৰিছিল। লগে লগে সমাজৰ শিক্ষিত চামটোৰে অধ্যয়ন, চিন্তাৰ আৰু জ্ঞানচৰ্চাৰ অনেক সমল লাভ কৰিলে। ইয়ে ইউৰোপীয় নৱজাগৰণক ত্বৰান্বিত কৰিলে, শিল্প বিপ্লৱক উদ্‌গনি দিলে, বৈজ্ঞানিক চিন্তা আৰু আৱিস্কাৰৰ ভেটি ধৰিলে। তথ্য আৰু জ্ঞানৰ এই বৈপ্লৱিক জাগৰণৰ ধাৰক বাহক আছিল ভাষা। অৱশ্যে ছপাযন্ত্ৰলৈ অহাৰ সময়লৈ ইউৰোপত লেটিন ভাষাৰ আধিপত্য ক্ৰমে কমি কমি আঞ্চলিক ভাষাসমূহৰ গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিছিল। যোড়শ শতিকাতো বিদ্বৎ সমাজত লেটিনৰ আদৰ আছিল, কিন্তু ধৰ্মীয় গ্ৰন্থসমূহৰ পৰা আৰম্ভ কৰি জ্ঞান-বিজ্ঞানৰ কথাসমূহ আঞ্চলিক ভাষাত জনোৱাৰ আগ্ৰহো সমান্তৰালভাৱে বৃদ্ধি হৈছিল। উদাহৰণস্বৰূপে, যোড়শ শতিকাৰ নেডাৰলেণ্ডৰ কথা ক'ব পাৰি। সমসাময়িক নেডাৰলেণ্ডত লেটিন ভাষাৰ প্ৰচলন চলি থকাৰ লগে লগে ভিন ভিন সামাজিক শ্ৰেণীৰ প্ৰয়োজন পূৰ্তিৰ বাবে ফৰাচী ভাষা আৰু ডাচ্চ ভাষালৈও অনুবাদৰ কাম আৰম্ভ হৈছিল। একে ভাষিক পৰিঘটনা ইউৰোপৰ আন আন প্ৰান্ততো সংঘটিত হৈছিল। মাত্ৰ ছপাযন্ত্ৰই আঞ্চলিক ভাষাসমূহক অধিক মৰ্যাদাসম্পন্ন কৰি তুলিলে। সমান্তৰালভাৱে আঞ্চলিক ভাষাসমূহ পঢ়িব পৰাকৈ এচাম পাঠকৰ সৃষ্টি হ'ল। এনে পাঠকসমাজে ছপা আখৰত প্ৰকাশিত আঞ্চলিক ভাষাৰ চৰ্চা ত্বৰান্বিত কৰিলে।

**৪.৪.১ ভাৰতত ছপা মাধ্যম আৰু ভাষা**

ভাৰতত ছপা যন্ত্ৰৰ প্ৰথম প্ৰৱেশ ঘটে গোৱাত। পৰ্তুগীজ শাসনাধীন গোৱাৰ ছেইণ্ট প'ল কলেজত ১৫৫৬ চনত এটা ছপাযন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ কথা জানিব পৰা যায়। প্ৰকৃততে গোৱাত স্থাপন হোৱা ছপাযন্ত্ৰটোৰ লক্ষ্যস্থান আছিল সেইসময়ৰ আবেছিনিয়া আৰু বৰ্তমানৰ ইথোপিয়া। খ্ৰীষ্টধৰ্মৰ প্ৰচাৰৰ কামত সহায়ক হোৱাকৈ পৰ্তুগালৰ পৰা ভাৰতৰ গোৱাৰ কাযেৰে জাহাজ এখনত ছপাযন্ত্ৰটো প্ৰেৰণ কৰা হৈছিল। কিন্তু জাহাজখন গোৱা আহি পোৱাত খবৰ পোৱা গ'ল যে আবেছিনিয়াৰ ৰজাই মিছনেৰীসকলক আদৰিবলৈ সন্মত নহয়। একেসময়তে গোৱাৰ খ্ৰীষ্টধৰ্মৰ প্ৰচাৰকসকলে গৱৰ্ণৰ জেনেৰেললৈ ছপাযন্ত্ৰ এটা বিচাৰি আবেদন জনাইছিল। ফলশ্ৰুতিত জাহাজখন আবেছিনিয়ালৈ ৰাওনা নহ'ল আৰু ছপাযন্ত্ৰটো ভাৰততে থাকি গ'ল। এবছৰ পাছতে অৰ্থাৎ ১৫৫৭ চনত গোৱাৰ পৰাই প্ৰকাশ হয় 'Conclusiones Philosophica'। সমসাময়িকভাৱে ভাৰতত জোৱান বুস্তামান্তে (Juan Bustamante) নামৰ ছপাকাৰ্যত বিশেষজ্ঞ স্পেনিছ ব্যক্তি এগৰাকীয়ে ভাৰতৰ সহযোগী এগৰাকীৰ লগতে মিলি নতুন ছপাশাল এটা স্থাপন কৰি চাৰিখনকৈ গ্ৰন্থ প্ৰকাশ কৰিছিল। কিন্তু ইয়াৰে এখনো গ্ৰন্থ বৰ্তমান পাবলৈ নাই। বৰ্তমান উপলব্ধ আটাইতকৈ পুৰণি ছপাগ্ৰন্থ 'Compendio Spiritual Da Vide Christaa' খনো গোৱাস্থিত খ্ৰীষ্টান পৰ্তুগীজৰ পৃষ্ঠপোষকতাতে ১৫৬১ চনত প্ৰকাশ হৈছিল। মূলতঃ খ্ৰীষ্টধৰ্মৰ লগত সম্পৰ্কিত গ্ৰন্থসমূহৰ ভাষা আছিল লেটিন, স্পেনিছ আৰু ঘাইকৈ পৰ্তুগীজ। পৰ্তুগীজ ঔপনিৱেশিক শক্তিৰ নেতৃত্বত লেটিন, স্পেনিছ আৰু পৰ্তুগীজ ভাষাত প্ৰথম ছপাকাৰ্য আৰম্ভ কৰাৰ লেখীয়াকৈ আন আন ইউৰোপীয় ঔপনিৱেশিক শক্তিসমূহেও ভাৰতলৈ ছপাযন্ত্ৰ আনি প্ৰথমে লেটিন আৰু নিজ নিজ ইউৰোপীয় ভাষাসমূহতে গ্ৰন্থাদি ছপা কৰিছিল।

ভাৰতীয় ভাষাসমূহৰ ভিতৰত তামিল ভাষা প্ৰথমে ছপাশালত উঠিছিল। এইক্ষেত্ৰতো এগৰাকী স্পেনীয় ব্যক্তিয়ে আগভাগ লোৱাৰ কথা জনা যায়। Joao Gonsalves নামৰ ব্যক্তিগৰাকীয়ে প্ৰথমে তামিল আখৰ ছপাযন্ত্ৰৰ কাৰণে কাটিছিল। কিন্তু আখৰৰ গঢ়সমূহ পছন্দৰ নোহোৱাত নতুনকৈ আকৌ ফাডাৰ Joao da Faria-ই তামিলনাডুৰ কল্লোম চহৰত তামিল আখৰৰ নতুন গঢ় তৈয়াৰ কৰে। এই নতুন গঢ়ৰ আখৰসমূহক লৈয়ে ১৯৫৮ চনৰ ২০ অক্টোবৰত ভাৰতীয় ভাষাত প্ৰথমবাৰৰ কাৰণে কল্লোম চহৰৰ ছপাশালৰ পৰাই ছপা হৈ ওলায় Henrique Henriques ৰ *'Doctrina Christam en Lingua Malauar Tamul'* শীৰ্ষক গ্ৰন্থখন। একাদিক্ৰমে এনেকৈয়ে মিছনেৰীসকলৰ প্ৰচেষ্টাত আৰু বিশেষকৈ ভাৰতৰ দক্ষিণ আৰু পশ্চিম প্ৰান্তত এটাৰ পাছত আনটো ছপাশাল স্থাপন হ'বলৈ ধৰে।

সপ্তদশ শতিকামানলৈ ভাৰতত নতুনকৈ খ্ৰীষ্টধৰ্মত দীক্ষিত হোৱা লোকসকলৰ বাবে ছপা গ্ৰন্থৰ চাহিদাও বৃদ্ধি পাইছিল। লগে লগে গুৰুত্ব বৃদ্ধি পাইছিল আঞ্চলিক ভাষাৰ। সপ্তদশ শতিকাৰ প্ৰথমটো অৰ্দ্ধেকতে কোংকনী আৰু মাৰাঠী ভাষাক ছপাশালৰ

বাবে যথোপযুক্ত বুলি বিবেচনা কৰা হৈছিল। এইক্ষেত্ৰত আগভাগ লৈছিল ভাৰতীয় ভাষাসমূহৰ ভিতৰত প্ৰথমবাৰৰ কাৰণে কোংকনী ভাষাত ব্যাকৰণ ৰচয়িতা ফাডাৰ Thomas Stephens, লগতে ফাডাৰ Antonio Saldanha, ফাডাৰ Etienne do la Croix, ফাডাৰ Miguel do Almeida আৰু কোংকিনী ভাষাত ১৬৩২ চনত খ্ৰীষ্টধৰ্মৰ নীতিসম্বলিত গ্ৰন্থৰ ৰচয়িতা ফাডাৰ Diogo Ribeiro -এ। যদিওবা দেৱনাগৰী আখৰৰ সাঁচ ১৫৭৭ চনতে কটা হৈছিল কিন্তু দেৱনাগৰী আখৰৰ সাঁচৰ জটিলতাৰ বাবে মিছনেৰীসকলে কোংকনী ভাষাক ৰোমান লিপিৰেহে ছপা কৰে। তদুপৰি প্ৰশাসনিক সুবিধাৰ বাবেও পৰ্তুগীজসকলে হয়তো ৰোমান লিপি ব্যৱহাৰ কৰাটো বেছি গ্ৰহণযোগ্য বুলি বিবেচনা কৰিছিল। কোংকনী ভাষাৰ লগে লগে ফাডাৰ Thomas Stephens-এ মাৰাঠী ভাষাতো পুৰাণ-মহাকাব্যৰ পদ-গাঁথনিৰ আৰ্হিত 'খ্ৰীষ্ট পুৰাণ' নামৰ এখন গ্ৰন্থ ১৬১৬ চনত ৰাচল (Rachol) মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ কৰিছিল। এতিয়াও এইখন গ্ৰন্থ মাৰাঠী ভাষাৰ এক ধ্ৰুপদী সাহিত্য বুলি বিবেচিত হয়।

১৬৬৩ চনৰ পাছতহে তামিল আৰু মালয়লম ভাষা ছপাযন্ত্ৰত উঠিছিল বুলি জনা যায়। অম্বলাকাড় ছপাশালে সেইসময়ত খুব সক্ৰিয়ভাৱে গ্ৰন্থ ছপা কৰিছিল। এই বাতাৱৰণতে Ejnasi Aichamoni নামৰ ব্যক্তি এগৰাকীয়ে ১৬৭৯ চনতে মালয়লী ভাষাত অভিধান এখন প্ৰকাশ কৰিছিল। টিপু ছুলটানৰ কেৰালা অধিগ্ৰহণে ছপাশালৰ কাম-কাজ কিছু স্থবিৰ কৰিলেও অষ্টাদশ শতিকাৰ আদিতে ১৭০৬ চনত ছপাশালৰ কাম জনা Bartholomeus Zegenbel নামৰ ডেনিশ মিছনেৰী এগৰাকীৰ আগমনে ভাৰতত ছপাশালৰ কামক এক নতুন গতি প্ৰদান কৰে।

একেটা শতিকাতে ব্ৰিটিছ শাসিত ভাৰতৰ পূব প্ৰান্তৰ কলিকতা চহৰৰ আশে-পাশেও ছপাশাল প্ৰতিষ্ঠা হোৱাৰ খবৰ পোৱা যায়। ১৭০০-১৮০০ চনৰ ভিতৰত কলিকতাৰ আশে-পাশে ৪০ টা মান ছপাশাল আছিল আৰু ইয়াৰে সৰহভাগেই বাতৰি-কাকতৰ ছপাৰ লগত জড়িত হৈ আছিল। তদুপৰি আইনী আৰু বিজ্ঞাপনৰ সৈতে সম্পৰ্কিত কিছু কিছু বিষয়ো ছপা হৈ ওলাইছিল। এই সমস্ত ছপা কাৰ্যত ব্যৱহৃত হোৱা ভাষাটো আছিল ইংৰাজী। ১৭৭০ চনৰ পৰৱৰ্তী সময়ত কলিকতাকেন্দ্ৰিক পৰিৱেশত দুটা ঘটনাৰ সূচনা হৈছিল, প্ৰথম ১৭৭২ চনত কলিকতা চহৰ ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজধানী হোৱা আৰু দ্বিতীয় ১৮০০ চনত শ্ৰীৰামপুৰত ডেনিশ মূলৰ খ্ৰীষ্টান মিছন আৰু কলিকতাত ফৰ্ট উইলিয়াম কলেজ স্থাপন। প্ৰশাসনিক, সামৰিক আৰু ৰাজহ সম্পৰ্কিত বহু নথি-পত্ৰ ইংৰাজীতে ছপা হৈ ওলাইছিল। প্ৰথম অৱস্থাত কৰ্তৃপক্ষই ব্যক্তিগত মালিকানা ছপাশালসমূহক (যেনেঃ হিক্কীৰ ছপাশাল) এই কামৰ বাবে নিয়োজিত কৰিছিল যদিও পিছলৈ ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এইবোৰ কামৰ বাবে নিজাকৈ ছপাশাল স্থাপনৰ যো-জা কৰে। এই ছপাশালৰ প্ৰাৰম্ভিক পৰিকল্পনাকাৰী আছিল Charles Wilkins। তেঁৱে প্ৰথম ১৭৭৮ চনত গৱৰ্ণৰ জেনেৰেল Warren Hastings-ক বাংলা লিপিৰ আখৰৰ সাঁচ নিৰ্মাণ কৰাৰ বাবে প্ৰস্তাৱ জনাইছিল আৰু একেটা বছৰতে কলিকতাৰ মালদাত কোম্পানীৰ

ছপাশাল প্ৰতিষ্ঠা কৰিছিল। এই চৰকাৰী ছপাশালটোৱে ১৮৮১ চনত কলিকতালৈ স্থানান্তৰণ কৰা হয়। সমান্তৰালভাৱে ৰাজহ সমিতিৰ পাৰ্চী আৰু বাংলা অনুবাদকৰূপে নিয়োজিত হোৱা Wilkins -এ চৰকাৰী ছপাশালৰ পৰা ১৩ টা ছপা কৰ্ম সম্পাদন কৰিছিল। ছপা কামত তেওঁক সহায় কৰিবৰ বাবে আছিল Joseph Shepherd আৰু বঙালী কমাৰশিল্পী পঞ্চানন কৰ্মকাৰ।

শ্ৰীৰামপুৰত খ্ৰীষ্টান মিছন আৰু কলিকতাত ফৰ্ট উইলিয়াম কলেজ স্থাপনেও ঊনবিংশ শতিকাৰ উকমুকনিতে ছপাশালৰ কামক নতুন গতি প্ৰদান কৰিছিল। বিশেষকৈ আঞ্চলিক ভাষাসমূহে এই সময়ছোৱাত অধিক গুৰুত্ব পোৱা পৰিলক্ষিত হ'ল। খ্ৰীষ্টান মিছনৰ স্থানীয় ভাষাসমূহত ধৰ্মপ্ৰচাৰৰ আগ্ৰহে স্থানীয় ভাষাত ভিন্ন সমল ছপাৰ বাট মুকলি কৰি দিছিল। সমান্তৰালভাৱে সংস্কৃত ভাষাতো গ্ৰন্থ ছপা কৰাৰ প্ৰক্ৰিয়া ঊনবিংশ শতিকাৰ কলিকতাত আৰম্ভ হৈছিল। ১৮০৬-০৭ চনৰ আশে-পাশে বাবুৰাম নামৰ ব্যক্তি এগৰাকীয়ে দেৱনাগৰী লিপিত ছপা কৰিব পৰাকৈ এটা ছপাশাল কলিকতাৰ কিডেৰপুৰত স্থাপন কৰিছিল।

মিছনেৰীসকলৰ প্ৰচেষ্টাত আৰম্ভ হোৱা ইংৰাজী শিক্ষাৰ প্ৰতিষ্ঠানসমূহত স্থানীয় ভাষাৰ পাঠ্যপুথিৰ প্ৰয়োজন পূৰ্তিৰ বাবে ১৮১৭ চনত কলিকতাত আৰম্ভ হৈছিল 'কলিকতা স্কুল বুক ছোছাইটি'ৰ। জন্মলগ্নৰে পৰা এই সংস্থাটোৱে ইউৰোপত প্ৰকাশিত আৰু প্ৰচলিত বিজ্ঞানৰ ভালেমান পাঠ্যপুথি আঞ্চলিক ভাষালৈ ভাঙনি কৰিছিল। ১৯২১ চনলৈকে সংস্থাই প্ৰায় ১২৬৪৬৪ খন পাঠ্যপুথি ছপা কৰাৰ লগতে পাৰ্চী, আৰবী, উৰ্দু, বাংলা আৰু ইংৰাজী ভাষাত বিভিন্ন প্ৰচাৰ পত্ৰিকা ছপা কৰিছিল বুলি জনা যায়। একেদৰে ১৯২০ চনলৈকে বেপ্তিষ্ট মিছনেৰীসকলে কেৱল কলিকতাতে প্ৰায় ৭.১০ লাখ পুথি ছপা কৰি উলিয়াইছিল বুলি জনা যায়। শতিকাটোৰ মাজভাগলৈ ভাৰতৰ লক্ষ্ণৌ, এলাহাবাদ, দিল্লী, মুম্বাই আদি চহৰসমূহত আৰু শিৱসাগৰ, কটক, চুৰট আদি প্ৰান্তীয় অঞ্চলত ছপাশাল ব্যৱস্থা গঢ়ি উঠিছিল। লগে লগে সেই এলেকাটোৰ আঞ্চলিক ৰূপবোৰে ছপা আখৰৰ ৰূপ পৰিগ্ৰহণ কৰিলে। স্বাভাৱিকভাৱে চিপাহী বিদ্ৰোহৰ পাছত ব্ৰিটিছ শাসনে পশ্চিমীয়া শিক্ষাৰ অধিক প্ৰসাৰত গুৰুত্ব দিছিল। শিক্ষানুষ্ঠান বৃদ্ধিৰ লগে লগে স্বাভাৱিক জ্ঞানবিদ্যাৰ প্ৰতি আগ্ৰহ আৰু চাহিদাও বৃদ্ধি হৈছিল। এনে পৰিৱেশত ছপাশালসমূহে আঞ্চলিক ভাষাত তথ্য আৰু জ্ঞানৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ঊনবিংশ শতিকাৰ শেষলৈ প্ৰায়বোৰ প্ৰধান আঞ্চলিক ভাষাই ছপাশালত উঠি জাতীয় সাহিত্য সৃষ্টি কৰি ইতিমধ্যে সমৃদ্ধ হৈছিলেই, বিংশ শতিকাত সৰু সৰু আঞ্চলিক ভাষাসমূহেও এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। তদুপৰি বিংশ শতিকাৰ স্বদেশী-জাতীয়তাবাদী চিন্তায়ো আঞ্চলিক ভাষাসমূহৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

ছপা-ব্যৱস্থাৰ আৰম্ভণিয়ে ভাৰতৰ আঞ্চলিক ভাষাসমূহক কিধৰণে প্ৰভাৱান্বিত কৰিছিল ?

.............................................................................................................

.............................................................................................................

.............................................................................................................

**৪.৪.২ অসমত ছপা মাধ্যমৰ প্ৰৱেশ আৰু ভাষিক পটভূমি**

উনবিংশ শতিকাৰ আৰম্ভণি অসমৰ ৰাজনৈতিক, সামাজিক ইতিহাসৰ বাবে দুৰ্যোগপূৰ্ণ। আহোম শাসন ব্যৱস্থাৰ অন্তৰ্কন্দলে তিনিটাকৈ মান আক্ৰমণৰ পটভূমি তৈয়াৰ কৰি দিছিল। মানৰ আক্ৰমণে বিধ্বস্ত কৰা অঞ্চলটো শতিকাটোৰ তৃতীয়টো দশকৰ মাজভাগৰ পৰাহে সুস্থিৰ হ'বলৈ আৰম্ভ কৰিছিল যেতিয়া ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ব্ৰহ্মদেশৰ ৰজাৰ সৈতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইয়াণ্ডাবু নামৰ ঠাইত সন্ধি স্থাপন কৰে। তেতিয়াৰ পৰাই এই ভূখণ্ডৰ নামনি অংশ প্ৰত্যক্ষভাৱে আৰু উজনি অংশ পৰোক্ষভাৱে ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যায়। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন প্ৰতিষ্ঠা নোহোৱালৈকে এই ভূখণ্ডত মিছনেৰীসকলৰ প্ৰৱেশ ঘটা নাছিল। গতিকে স্বাভাৱিকভাৱে ইষ্ট ইণ্ডিয়া কোম্পানী আৰু খ্ৰীষ্টীয়ান মিছনেৰীসকলৰ অনুপস্থিতিত অসমত ছপাযন্ত্ৰও প্ৰৱেশ কৰা নাছিল।

অৱশ্যে অসমৰ একেবাৰে সীমান্তৰ শ্ৰীৰামপুৰত ব্ৰিটিছ মিছনেৰী ক্ৰমে William Carey আৰু William Bard -এ ১৮০০ চনৰ ১০ জানুৱাৰীতে এটা ছপাশাল কাৰ্যক্ষম কৰি তুলিছিল। 'শ্ৰীৰামপুৰ মিচন প্ৰেছ' বুলি পৰিচিত প্ৰেছটোৰ পৰাই William Carey-এ ভাৰতৰ প্ৰত্যেক ঘৰতে বাইবেল তুলি ধৰাৰ বৃহৎ পৰিকল্পনাৰে বহুকেইটা ভাৰতীয় আঞ্চলিক ভাষাত বাইবেলৰ অনুবাদৰ কাম আৰম্ভ কৰিছিল। তেওঁৰ দ্বাৰা অনুদিত-সম্পাদিত গ্ৰন্থৰ সংখ্যা ৩৬ খন। ইয়াৰে সংস্কৃত আৰু বাংলা অনুবাদ তেওঁ নিজেই কৰিছিল। হিন্দী, মাৰাঠী আৰু ওড়িয়া আদি ভাষাৰ ক্ষেত্ৰত আনৰ দ্বাৰা অনুবাদ কৰাই সম্পাদনা কৰিছিল। কেৰিয়ে নিৰ্বাচন কৰা ভাৰতীয় ভাষাসমূহৰ ভিতৰত আছিল খাছি, মেইতে-মণিপুৰী আৰু অসমীয়া ভাষা। ১৮১০ চনত শ্ৰীৰামপুৰ প্ৰেছে অসমীয়া ভাষাত বাইবেলৰ অনুবাদৰ কাম আৰম্ভ কৰিছিল। এই অনুবাদৰ খচৰা তৈয়াৰ কৰিছিল কলিকতাত থকা এগৰাকী অসমীয়া পণ্ডিত আত্মাৰাম শৰ্মাই। ১৮১৩ চনত অসমীয়া ভাষাত বাইবেলৰ অনুবাদ 'ধৰ্মপুস্তক' নামেৰে প্ৰকাশ পায়। অৱশ্যে ছপাশালৰ বাবে প্ৰয়োজনীয় অসমীয়া আখৰৰ হৰফ পুৰণি অসমীয়া লিপিৰ আৰ্হিত নতুনকৈ কটা হোৱা নাছিল। ইতিমধ্যে থকা বাংলা হৰফকে সামান্য সাল-সলনি কৰি ছপা কৰি উলিওৱা হৈছিল। এয়ে আছিল ছপা মাধ্যম আৰু অসমীয়া ভাষাৰ প্ৰথম সংস্পৰ্শ। অৱশ্যে এই অনুবাদে অসমৰ মূলভূমিৰ

লোকক আকৰ্ষণ কৰিব পৰা নাছিল যাৰ বাবে আমেৰিকান মিছনেৰীসকলে পুনৰাই বাইবেলৰ অসমীয়া অনুবাদৰ কামত নিজকে নিয়োজিত কৰিছিল।

আনপিনে, ১৭৯২ চনমানতে চিংফৌসকলৰ মাজত চাহৰ প্ৰচলন থকাৰ খবৰ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে লাভ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় চাহ বজাৰত চীনদেশৰ আধিপত্যক প্ৰত্যাহ্বান জনাবলৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বিকল্প ব্যৱস্থাৰ কথা চিন্তা কৰি আছিল। অসমত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন সুস্থিৰ হোৱাৰ পাছত এই দিশত অধিক কাম কৰাৰ প্ৰয়াস আৰম্ভ হৈছিল। এই কাৰ্যত পৰোক্ষভাৱে সহায় কৰিবলৈয়ে শদিয়াৰ কোম্পানীৰ এজেণ্ট চাৰ্লৰ্চ ব্ৰুচে আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলক আমন্ত্ৰণ জনাবলৈ জেনকিন্সক আহ্বান জনাইছিল। জেনকিন্সে বংগৰ চৰকাৰৰ সচিবলৈ আমেৰিকান মিছনেৰীসকলক আমন্ত্ৰণ জনাই চিঠি দি কৈছিল, যদি কোনোবা মিছনেৰী আহিবলৈ সন্মত হয় তেন্তে কোম্পানীয়ে মাহে এহাজাৰ টকা তেওঁলোকক ভাট্টা প্ৰদান কৰিব আৰু যদি কোনোবা মিছনে লগত ছপাশাল লৈ আহিব পাৰে তেন্তে এই ভাট্টা দুগুণ কৰি দিয়া হ'ব। ইয়ে ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন প্ৰণালীত ছপাশালৰ গুৰুত্বৰ কথা সূচায়। বংগৰ গৱৰ্ণৰৰ চিঠিৰ প্ৰত্যুত্তৰত আমেৰিকান মিছনে বাৰ্মাৰ ৰেংগুনৰ পৰা নাথান ব্ৰাউনক সপত্নী অসমলৈ প্ৰেৰণ কৰে। লগতে শদিয়াত কাম কৰিবলৈ হ'লে, ছপা পুথি উলিয়াবলৈ হ'লে ছপাশাল এটাৰ যে প্ৰয়োজন হ'ব সেই কথাৰ বিচাৰ কৰি আৰু জেনকিন্সৰ সহায়ৰ প্ৰতিশ্ৰুতিলৈ মন কৰি আমেৰিকাৰ মিছন বোৰ্ডে ব্ৰাউনৰ লগত এটা ছপাশাল আৰু ছপাশাল চলাবলৈ অভিজ্ঞ অলিভাৰ টি. কটৰক ব্ৰাউনৰ লগতে দিলে। ১৮৩৬ চনৰ ২৩ মাৰ্চত দুয়োটা পৰিয়াল শদিয়া পায়। ১৮৩৬ চনৰ ১৭ জুলাইত মাইল্‌ছ ব্ৰন্সন আহি এই মিছনত যোগদান কৰে। শদিয়াত মিছনে ঈপ্সিত লক্ষ্যক উপনীত হোৱাৰ আগতেই তেওঁলোক জয়পুৰলৈ নামি আহিব লগা হ'ল। জয়পুৰত থাকোতেই ব্ৰন্সনে নক্তে ভাষাত এখন স্পেলিংবুক আৰু কেটেকিজম লেখি উলিয়াইছিল বুলি জনা যায়। ইংৰাজী ভাষাত ৰচিত পুথি দুখন খুব সম্ভৱ মিছনৰ সৰু ছপাশালটোৰ পৰাই প্ৰকাশ কৰা হৈছিল। পৰৱৰ্তী সময়ত জয়পুৰৰ পৰা শিৱসাগৰলৈ মিছনেৰীসকল নামি আহিল। শিৱসাগৰত ইষ্ট ইণ্ডিয়া কোম্পানীৰ জেনকিন্সে ডাঙৰ ছপাশাল এটাৰ ব্যৱস্থা মিছনক কৰি দিয়াৰ লগতে আখৰৰ গঢ়ৰ বাবে অতিৰিক্ত পাঁচশ টকা আগবঢ়ায়। ১৮৩৯ চনৰ এপ্ৰিল মাহত কটৰে কলিকতাৰ পৰা আখৰৰ নতুন হৰফ লৈ অসমত উপস্থিত হৈছিল। সেই একেটা বছৰতে 'যিচু খ্ৰিষ্টৰ নতুন নিয়ম'ৰ অনুবাদ আৰু 'মাথি লিখিত সুভ বাত্ৰা'ৰ অনুবাদৰ কামো শেষ হৈ অসমীয়া আৰু খামতি ভাষাত ছপাৰ বাবে সাজু হৈছিল।

ইতিমধ্যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে শাসনভাৰ লৈয়ে প্ৰথম তিনি-চাৰি বছৰলৈ পাৰ্চী আৰু স্থানীয় অসমীয়া ভাষাতে প্ৰশাসনীয় কাম-কাজ কৰিছিল। অৱশ্যে কোম্পানীৰ ভাষা-নীতি সোনকালে পৰিৱৰ্তন হয়। ১৮৩৭ চনত কোম্পানীয়ে চনদ জাৰি কৰি স্থানীয় ভাষাত প্ৰশাসনিক-ন্যায়িক আৰু বিদ্যায়তনিক কাম-কাজ কৰাৰ নিৰ্দেশ দিয়াৰ এবছৰ আগেয়ে অসমত স্থানীয় ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাক প্ৰশাসনিক-ন্যায়িক

আৰু বিদ্যায়তনিক ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছিল। আনপিনে মিছনেৰীসকলে অসমলৈ আহি খুব সময়ৰ ভিতৰতে অসমৰ স্থানীয় ভাষা যে বাংলা ভাষাৰ এক ভ্ৰষ্টৰূপ বা উপভাষা মাথোন নহয়, তাৰ পৰিৱৰ্তে ই যে এক স্বতন্ত্ৰ ভাষাপ্ৰণালী সেই কথা অনুধাৱন কৰিছিল। স্থানীয় লোকসকলৰ সৈতে নিকট সম্পৰ্ক আৰু একে সময়তে মিছনেৰীসকলৰ ভিতৰত বিশেষকৈ ব্ৰাউন আৰু ব্ৰন্সন ভাষাতত্ত্ববিদ হোৱাৰ বাবে এই উপলব্ধি কম সময়তে হোৱা বুলি অনুমান কৰিব পাৰি। আমেৰিকান খ্ৰীষ্টান মিছনেৰী প্ৰমুখ্যে প্ৰায় সকলো মিছনেৰী বোৰ্ডে ধৰ্মপ্ৰচাৰৰ বাবে স্থানীয় ভাষাসমূহক অগ্ৰাধিকাৰ দিয়াৰ নিৰ্দেশ দি থৈছিলেই। ইয়াৰ বাবেই আমি দেখিছো ভাৰতৰ কোংকনী, তামিল, মালায়ালম, মাৰাঠী, হিন্দী আদিৰ দৰে আঞ্চলিক ভাষাক মিছনেৰীসকলে ধৰ্মপ্ৰচাৰৰ বাবে নিৰ্বাচন কৰা আৰু একে সময়তে ছপা ৰূপ দিয়া।

অসমত ভাষা-নীতিৰ প্ৰসংগত খ্ৰীষ্টান মিছনেৰীসকলে ঠিক ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিপৰীত স্থিতি গ্ৰহণ কৰিলে। অৱশ্যে ইতিমধ্যে কোৱাৰ দৰে এয়ে যিকোনো মিছনেৰীৰ সহজাত স্থিতি। অসমত তেওঁলোকে শদিয়াত থাকোতেই অসমীয়া শিকিছিল। মিছনে শদিয়া আৰু জয়পুৰত পতা সকলো পঢ়াশালিয়ে অসমীয়া মাধ্যমৰ আছিল। ১৮৪৩ চনৰ ১৫ নৱেম্বৰত কট্টৰ দম্পতীয়ে জয়পুৰত থকা ছপাশালখন শিৱসাগৰলৈ লৈ আনে। শিৱসাগৰত হান চাহাবে প্ৰদান কৰা দিখৌ-পাৰৰ পকী ঘৰৰ পৰাই হাজাৰৰ সংখ্যাত কিতাপ প্ৰকাশ হ'বলৈ ধৰিলে। ১৮৪৬ চনৰ জানুৱাৰী মাহত এই ছপাশালৰ পৰাই প্ৰকাশ পালে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ছপা আলোচনী 'অৰুণোদই'।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমত ছপা মাধ্যমৰ আৰম্ভণি আৰু অগ্ৰগতিত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ ভূমিকা কেনে আছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৪.৪.৩ অসমত ছপা মাধ্যমত ছপা হোৱা সমল**

অসমত মিছনেৰীসকলে সাধাৰণতে তিনি প্ৰকাৰৰ সমলে ছপাৰ বাবে বিবেচনা কৰিছিল। প্ৰথমতে, খ্ৰীষ্টধৰ্মৰ বাণী প্ৰকাশক গ্ৰন্থ বা পুস্তিকা বা কাহিনীপুথি, দ্বিতীয়তে, মিছনেৰীয়ে পাতি লোৱা বিদ্যালয়সমূহত পঢ়াৰৰ বাবে পঢ়াশলীয়া কিতাপ আৰু তৃতীয়তে, স্থানীয় ভাষাটো শিকিবলৈ প্ৰয়োজনীয় বুলি ভবা ব্যাকৰণ আৰু অভিধান। ইতিমধ্যে কৈ অহা হৈছে যে উইলিয়াম কেৰীৰ বাইবেলৰ অসমীয়া অনুবাদত সন্তুষ্ট নহয় নিজাববীয়াকৈ পুনৰাই 'যিচু খ্ৰিষ্টৰ নতুন নিয়ম'ৰ অনুবাদ আৰু 'মাথি লিখিত সুভ বাত্ৰা'ৰ অনুবাদ কৰাই প্ৰকাশ কৰিছিল। 'অৰুণোদই' আলোচনীৰ অন্তৰালতো খ্ৰীষ্টধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ

উদ্দেশ্য নিহিত হৈ আছিল। নাথান ব্ৰাউনে সদিয়া (শদিয়া)ত থাকোতেই আৰম্ভ কৰা চাৰিখন 'Gospel' ৰ অসমীয়া অনুবাদ ১৮৫৪ চনত শিৱসাগৰৰ মিছন ছপাশালৰ পৰা প্ৰকাশ পাইছিল। ব্ৰাউনে পঢ়াশলীয়া পাঠ্যৰূপে 'প্ৰথম গননা', 'দুতিয় গননা' আৰু 'ভুগোলৰ বিৱৰণ' ক্ৰমে ১৮৪৫, ১৮৫৫ আৰু ১৮৫১ চনত প্ৰকাশ কৰিছিল। একেদৰে ব্ৰাউনেই ১৮৩৯ চনত প্ৰকাশিত 'Grammar of the Assamese Language' শীৰ্ষক উইলিয়াম ৰবিন্সনৰ ব্যাকৰণখন ত্ৰুটিপূৰ্ণ দেখি সেইখন প্ৰকাশ হোৱাৰ ৯ বছৰ পাছতেই ১৮৪৮ চনত প্ৰকাশ কৰে 'Grammatical Notices of the Assamese Language'। ১৯ বছৰ পাছত অৰ্থাৎ ১৮৬৭ চনত প্ৰকাশ পায় অসমীয়া ভাষাৰ মাইলছ ব্ৰন্সনৰ 'অচমিয়া-ইংৰাজি অভিধান'। দুয়োখনেই আছিল অসমলৈ নতুনকৈ কাম কৰিবলৈ অহা মিছনেৰী বা ব্ৰিটিছ বিষয়াৰ বাবে হাতপুথিস্বৰূপ। এইসমূহৰ উপৰি স্থানীয় লোকৰ দ্বাৰা লিখিত গ্ৰন্থও মিছন ছপাশালে প্ৰকাশ কৰিছিল। কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰঞ্জী' ১৮৪৪ চনত শিৱসাগৰৰ মিছন ছপাশালৰ পৰাই প্ৰকাশ হৈ ওলাইছিল। একেদৰে ১৮৫৫ চনত শিৱসাগৰৰ মিছন ছপাশালৰ পৰাই 'A Native' নামেৰে প্ৰকাশ পায় আনন্দৰাম ঢেকিয়াল ফুকনৰ 'A Few Remarks on the Assamese Langauge and on Vernacular Education in Assam'। এনেদৰে শিৱসাগৰত মিছন প্ৰেছ প্ৰতিষ্ঠা হোৱাৰ প্ৰথম দহ বছৰতে মিছনেৰীসকলে ৫৫ খন গ্ৰন্থ অসমীয়া, বাংলা, ইংৰাজী, শ্যান আৰু নগা ভাষাত প্ৰকাশ কৰিছিল। ১৯৫২ চনত এই ছপাশালৰ পৰা 'বুৰঞ্জী বিয়োগ কথা' আৰু 'Report of Assam Mission Holy Incarnation', 'Relious Address', 'Memoir of Jun Harmaden', 'Harmony of 4 Gospels', 'Psalms of David' ৰ দৰে প্ৰতিবেদন আৰু পুস্তিকা প্ৰকাশ পাইছিল। ইয়াৰে 'Psalms of David' ৰ অসমীয়া অনুবাদৰ ২৫৭০ টা কপি ছপা হৈছিল বুলি জনা যায়।

শিৱসাগৰৰ মিছন ছপাশালেই অসমৰ প্ৰথম আৰু বহুদিনলৈ অসমৰ একমাত্ৰ ছপাশাল আছিল। মিছনেৰীসকলৰ লগত আনন্দৰাম ঢেকিয়াল ফুকনৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ কথা সৰ্বজনবিদিত। তেওঁৰ গ্ৰন্থও মিছন ছপাশালৰ পৰা প্ৰকাশ পাইছিল। তৎস্বত্বেও, ১৯৫২ চনত আনন্দৰাম ঢেকিয়াল ফুকনে কলিকতাত ছপাশাল এটা ক্ৰয় কৰাৰ কথা জানিব পৰা যায়। তাৰ পৰৱৰ্তী সময়ত ১৮৭১ চনত অসমত দ্বিতীয়টো ছপাযন্ত্ৰ মাজুলীৰ আউনীআটিত প্ৰতিষ্ঠা হয়। আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ নেতৃত্বত মাণিকচন্দ্ৰ বৰুৱা আৰু মাধৱচন্দ্ৰ বৰদলৈয়ে কলিকতাৰ পৰা ভাপ নাৱেৰে এই ছপাশালটো মাজুলী পোৱায়। 'ধৰ্মপ্ৰকাশ যন্ত্ৰ' নাম দিয়া এই ছপাশালটোৰ পৰাই প্ৰকাশ পায় অসমৰ দ্বিতীয়খন আলোচনী 'আসাম বিলাসিনী'। ইয়াৰ লগতে ছপাশালটোৰ পৰা ধৰ্মীয় আৰু অনা-ধৰ্মীয় গ্ৰন্থও প্ৰকাশ হৈছিল বুলি জনা যায়। অৱশ্যে পৰৱৰ্তী সময়ত ছপাশালটো কৃষ্ণচন্দ্ৰ ভট্টাচাৰ্য নামৰ ব্যক্তি এগৰাকীয়ে ক্ৰয় কৰি ১৯১২ চনত যোৰহাটত প্ৰতিষ্ঠা কৰে বুলি জানিব পৰা যায়। ক্ৰয় কৰা এই ছপাশালৰ পৰাই ১৯১৩ চনত 'আসাম বিলাসিনী'ৰ সংখ্যা প্ৰকাশ হৈছিল বুলিও জনা যায়। ঊনবিংশ

শতিকাত শেষলৈকে অসমত পাঁচটা ছপাশাল থকাৰ খবৰহে পোৱা যায়। শিৱসাগৰৰ মিছন প্ৰেছ আৰু মাজুলীৰ ধৰ্ম-প্ৰকাশ যন্ত্ৰৰ কথা বাদ দিলে বাকী কেইটা আছিল গোৱালপাৰা আৰু গুৱাহাটীত। ঊনবিংশ শতিকাৰ শেষলৈকে সেয়েহে অসমীয়া বিদ্বৎ সমাজৰ বাবে কলিকতা গ্ৰন্থ-আলোচনী মুদ্ৰণৰ এক প্ৰধান কেন্দ্ৰ আছিল। অৱশ্যে বিংশ শতিকাৰ অসমত এই পৰিৱেশৰ পৰিৱৰ্তন হৈ কেইবাটাও ছপাশাল অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতিষ্ঠা হৈছিল।

**৪.৪.৪ ছপা মাধ্যমত অসমীয়া ভাষাৰ বিৱৰ্তন**

চৰ্যাপদৰ দিনৰে পৰা অসমৰ ভূখণ্ডত মধ্য ভাৰতীয় আৰ্যভাষাৰ নব্যৰূপ এটাই সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছিল। ত্ৰয়োদশ-চতুৰ্দশ শতিকাত এই ভাষাটোত পুৰাণ, ৰামায়ণৰ কাহিনীৰ অনুসৃষ্টি কৰা হৈছিল। ষোড়শ শতিকাত এই ভাষাটোতে গদ্যসাহিত্যৰ সূচনা হৈছিল। সপ্তদশ-অষ্টাদশ শতিকাত এই ভাষাটোৱে বুৰঞ্জী, চৰিতপুথি আৰু ব্যৱহাৰিক বিভিন্ন পুথিৰ ধাৰক-বাহক আছিল। আনপিনে মধ্য ভাৰতীয় আৰ্যভাষাই অসমৰ আশে-পাশে থকা আৰ্যভিন্ন ভাষাসমূহৰ সংযোগত সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছিল। নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ বিকাশৰ পাছত অসমৰ আশে-পাশে থকা আন নব্য ভাৰতীয় আৰ্যভাষাৰ লগতো স্থানীয় ভাষাৰ সংযোগ ভালেখিনি বৃদ্ধি পাবলৈ আৰম্ভ কৰিছিল। বিশেষকৈ সপ্তদশ শতিকামানৰ পৰা অসমীয়া ভাষাৰ লগত বাংলা ভাষাৰ সংযোগ বৃদ্ধি পাবলৈ ধৰে। ৰুদ্ৰসিংহ (১৬৯৬-১৭১৪ খ্ৰীঃ) আৰু শিৱসিংহ (১৭১৪-১৭৪৪ খ্ৰীঃ)-ৰ দিনত এই সাংস্কৃতিক আৰু ভাষিক সংযোগৰ অনেক উদাহৰণ পোৱা যায়। স্বাভাৱিকভাৱে এনে সংযোগে দুয়োটা ভাষাৰ ক্ষেত্ৰতে প্ৰভাৱ পেলাইছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৭৬৫ চনৰ পৰাই গোৱালপাৰাৰ কোম্পানীৰ এজেণ্টক আহোম ৰাজ্যৰ লগত ধঁপাত, তামোল আৰু নিমখৰ ব্যৱসায় কৰিবলৈ নিৰ্দেশ দিছিল। তেতিয়াৰ পৰাই কেতিয়াবা মোৱামৰীয়া বিদ্ৰোহ দমনকাৰী দলৰ প্ৰতিনিধিস্বৰূপে আৰু কেতিয়াবা পৰিব্ৰাজকৰূপে ভিন ভিন ইংৰাজ বিষয়াই অসমলৈ আহি অসমৰ ৰাজনৈতিক, সামাজিক, ভাষিক, ভৌগোলিক, জৈৱিক দিশ সম্পৰ্কে তথ্য সংগ্ৰহ কৰিছিল। এওঁলোকৰ টোকা বা প্ৰতিবেদনসমূহত অসমীয়া আৰু বাংলা ভাষাৰ সংযোগৰ দিশটোক অগ্ৰাহ্য কৰি অসমীয়া ভাষাক কেতিয়াবা ভ্ৰষ্ট, কেতিয়াবা লুপ্ত আৰু কেতিয়াবা বাংলা ভাষাৰে অলপ ভিন্ন ৰূপ বুলি কৈছিল। স্বাভাৱিকভাৱে এই টোকাকাৰী বা প্ৰতিবেদনকাৰীসকলৰ ভাষাতাত্ত্বিক জ্ঞান আৰু একেসময়তে তথ্য সংগ্ৰহ পদ্ধতিত যথেষ্ট সীমাবদ্ধতা আছিল। কিন্তু একেসময়তে ৰাজঘৰ আৰু ৰাজঘৰীয়া শ্ৰেণীটোৰ যে অসমীয়াৰ লগতে বাংলা ভাষাৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল সেয়া সহজে অনুমান কৰিব পাৰি। ইয়াৰ প্ৰতিফলনৰূপে দেখা যায় যে, ১৮২৯ চনত অসমীয়া লোকৰ দ্বাৰা প্ৰকাশিত প্ৰথমখন ছপাগ্ৰন্থৰ ভাষা আছিল বাংলা। হলিৰাম ঢেকিয়াল ফুকনৰ পাছতে মণিৰাম দেৱানৰ 'বুৰঞ্জী বিবেকৰত্ন' ৰ ভাষা আছিল অসমীয়া বাংলা মিশ্ৰিত। একেদৰে কাশীনাথ তামুলী ফুকনৰ 'অসম বুৰঞ্জী'ৰ ভাষা আছিল বাংলা।

ঊনবিংশ শতিকাত বৃটিছৰ আগমনৰ লগে লগে অসমলৈ আগমন ঘটিছিল ছপাযন্ত্ৰৰ। ছপাযন্ত্ৰ অহাৰ লগে লগে প্ৰশাসনিক আৰু শৈক্ষিক মাধ্যমৰ ভাষাটো ছপাযন্ত্ৰৰ বাবে উপযোগী হোৱাটোও প্ৰয়োজনীয় হৈ পৰিছিল। স্বাভাৱিকভাৱে ঊনবিংশ শতিকাৰ আদি ভাগৰ অসমীয়া ভাষাটোক ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ছপাৰ বাবে সাজু বা উপযোগী বুলি গণ্য কৰা নাছিল। ইয়াৰ বিপৰীতে বাংলা ভাষাৰ ইতিমধ্যে নিৰ্মিত ভাষিক পৰিকাঠামোটোকে অসম প্ৰদেশতো ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ব্যৱহাৰ কৰিলে। গতিকে ইষ্ট ইণ্ডিয়া কোম্পানীৰ দৃষ্টিত ছপাশালৰ বাবে প্ৰায়োগিক নোহোৱাৰ বাবেও অসমীয়া ভাষাই কোম্পানীৰ আমোলত (১৮৩৬-১৮৭১) প্ৰশাসনিক, ন্যায়িক আৰু বিদ্যালয়ৰ ভাষা হোৱাৰ মৰ্যাদা হেৰুৱালে।

অসমত বাংলা ভাষা চৰকাৰী ভাষা হোৱাৰ বছৰতে আমেৰিকান মিছনেৰীসকল শদিয়াত প্ৰতিষ্ঠিত হ'ল। তেওঁলোকৰ হাততো ছপাশাল এটা মজুত আছিল। কিন্তু এওঁলোকৰ হাতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ দৰে বিকল্প নাছিল। যিসকল লোকৰ মাজত এওঁলোকে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ কাম কৰিব তেওঁলোকৰ স্থানীয় ভাষা শিকি সেই ভাষাৰ মাধ্যমতে বিদ্যালয়ত শিক্ষা দিয়াৰ স্পষ্ট নিৰ্দেশনা মিছনেৰীসকলে লাভ কৰিছিল। আনপিনে, ইষ্ট ইণ্ডিয়া কোম্পানীৰ নীতি নিৰ্ধাৰকসকলৰ বিপৰীতে আমেৰিকান মিছনেৰীসকলৰ অসমীয়া ভাষাৰ স্বতন্ত্ৰতা বুজিবলৈ সৰহপৰ লগা নাছিল। তদুপৰি আমেৰিকান মিছনেৰীসকলে উইলিয়াম কেৰীৰ হাতত অসমীয়া ভাষা ছপাশালত উঠা ইতিমধ্যে দেখিছিল। গতিকে তেওঁলোকে অবিভক্ত শিৱসাগৰ জিলাৰ ভাষাটোকে ছপাশালৰ বাবে সাজু কৰাৰ যো-জা কৰিলে। অসমীয়া ভাষা লিখিবৰ বাবে হৰফ কলিকতাৰ পৰা অনোৱা হ'ল, জেনকিন্স চাহাবেও অসমীয়া হৰফৰ এটা থূল আমেৰিকান মিছনেৰীসকলক দান কৰিছিল। এনেকৈয়ে ১৮৪০ চনৰ পাছত অসমীয়া ভাষা ছপাশালত উঠিল আৰু ১৮৪৬ চনৰ পাছত 'অৰুনোদই' ৰ মাজেৰে অসমীয়া ভাষাই এটা নতুন আয়তন লাভ কৰিলে।

অসমীয়া ভাষাই লাভ কৰা নতুন আয়তনটো বিভিন্ন দিশৰ পৰা বিচাৰ কৰিব পৰা বিধৰ। প্ৰাক্-শংকৰী যুগৰ পৰাই অসমীয়া ভাষাটোৰ বিকাশৰ গতি-প্ৰকৃতি ৰক্ষিত হৈছিল তুলাপাত, ভূৰ্জপাত আৰু বিশেষকৈ সাঁচিপাতত। সাঁচিপাতসমূহ প্ৰস্তুত কৰা, সাঁচি ৰখা আৰু নকল কৰাৰ বাবে সপ্তদশ-অষ্টাদশ শতিকাত সত্ৰ আৰু আহোম ৰজাঘৰে বিশেষ মানুহ নিয়োগ কৰিছিল। কিন্তু স্বাভাৱিকভাৱে সাঁচিপতীয়া পুথিৰ সংখ্যা কম হোৱা বাবে এই জ্ঞান এচাম মানুহৰ মাজতহে আবদ্ধ আছিল। কিন্তু ছপাশালে তথ্য আৰু জ্ঞানৰ অভূতপূৰ্ব প্ৰচাৰ আৰু প্ৰসাৰ ঘটালে। হাতেৰে এখন পুথি নকল কৰোতে কেইবামাহৰো প্ৰয়োজন হৈছিল, ছপাশালত এদিনতে কেইবাখনো পুথি ছপা কৰিব পৰা হ'ল। পুৰণি জ্ঞান আহৰণ পদ্ধতিত শ্ৰৱণভিত্তিক আছিল, অৰ্থাৎ এগৰাকীয়ে পঢ়ি যায় আৰু আনসকলে শুনে। ছপাশালে এই পৰম্পৰাৰ পৰা আঁতৰি আহি জ্ঞান আহৰণ পদ্ধতিক পঠনভিত্তিক কৰি তুলিলে। স্বাভাৱিকভাৱে তথ্য আৰু জ্ঞানৰ লগে লগে ভাষাটোৰো

অভূতপূৰ্ব প্ৰসাৰ সম্ভৱ হ'ল। সাঁচিপতীয়া ভাষাটোত পূৰ্বসূৰী সাহিত্যিক ভাষাৰূপৰ ধাৰাবাহিকতা স্পষ্ট আছিল। অৱশ্যে প্ৰাক্-ঔপনিৱেশিক সাহিত্যিক ভাষাটোতো ভিন্নতা আছিল। নৱবৈষ্ণৱ ধৰ্মীয় সাহিত্যই প্ৰতিনিধিত্ব কৰা ভাষাটোতকৈ পাঁচালী সাহিত্যই প্ৰতিনিধিত্ব কৰা ভাষাটো জনগণৰ বেছি ওচৰ চপা আছিল বুলি একেষাৰেই ক'ব পাৰি। বিশেষকৈ শংকৰদেৱ-মাধৱদেৱৰ মৃত্যুৰ পাছৰ যুগৰ ধৰ্মীয় সাহিত্য সংস্কৃত ভাষাৰ প্ৰভাৱেৰে পৰিপুষ্ট। ইয়াৰ বিপৰীতে সমসাময়িক বুৰঞ্জী আৰু চৰিত পুথিৰ ভাষাত কিন্তু সংস্কৃত ভাষাৰ বিশেষ প্ৰভাৱ পৰা দেখা নাযায়। কিন্তু পিছৰ দুয়োধৰণৰ সাহিত্যই বিশেষ দুই শ্ৰেণীৰ লোকৰ মাজতে সীমাবদ্ধ থকাৰ বাবে এই ভাষাৰূপে সাধাৰণ লোকৰ মাজলৈ যাব পৰা নাছিল। ছপা পুথিৰ ক্ষেত্ৰত প্ৰসাৰৰ কোনো সীমাবদ্ধতা নাছিল গতিকে ছপা পুথিৰ মাজেৰে অসমীয়া ভাষাৰ এক নতুন ৰূপ অসমীয়া সমাজে লাভ কৰিলে। এই নতুন ৰূপটো বুৰঞ্জীৰ গদ্যৰ ভাষাৰ উত্তৰসূৰীয়ে আছিল যদিও বৰ্ণবিন্যাসৰ দিশৰ পৰা, বাক্যতাত্ত্বিক দিশৰ পৰা আৰু শব্দতাত্ত্বিক দিশৰ পৰা ই অভিনৱ আছিল।

প্ৰাক্-ঔপনিৱেশিককালীন সাহিত্যৰ ভাষা বৰ্ণবিন্যাসৰ দিশৰ পৰা অনিয়মিত। হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা, দন্ত্য-মূৰ্দ্ধন্যৰ পাৰ্থক্যহীনতা, এটা ব্যঞ্জনধ্বনিৰ সলনি আন এটাৰ ব্যৱহাৰ প্ৰাচীন বা মধ্যযুগীয় অসমীয়া ভাষাৰ এক প্ৰধান বৈশিষ্ট্য। সাধাৰণতে এটা ভাষাৰ পৰা আন এটা ভাষালৈ শব্দাৱলী আহিলে উচ্চাৰণৰ দিশৰ পৰাই হওক বা ৰূপৰ দিশৰ পৰাই হওক সি মূল ভাষাৰ সলনি নতুন ভাষাৰ দ্বাৰাহে নিয়ন্ত্ৰিত হয় (নেওগ, পৃ. ১১৮)। প্ৰাচীন বা মধ্যযুগীয় অসমীয়া ভাষাৰ তৎসম বা অৰ্দ্ধতৎসম শব্দবোৰৰ ক্ষেত্ৰতো একেখিনি কথাকে ক'ব পাৰি। ত্ৰয়োদশ শতিকাৰ কবিসকলৰ পৰা আৰম্ভ কৰি অষ্টাদশ শতিকাৰ বুৰঞ্জী লেখকসকললৈ সৰহভাগৰে উচ্চাৰণভিত্তিক বৰ্ণ-ৰীতি গ্ৰহণ কৰাৰ প্ৰৱণতা স্পষ্ট। লেখকসকলৰ লগতে পুথি নকলকাৰসকলে উচ্চাৰণৰ পিনে লক্ষ্য কৰাৰ বাবেই মূলতঃ অনিয়মিত বৰ্ণবিন্যাস প্ৰাক-ঔপনিৱেশিককালীন অসমীয়া ভাষাৰ লক্ষণ বিশেষ হৈ পৰিছিল।

শ্ৰীৰামপুৰ মিছনৰ পৰা ছপা হৈ ওলোৱা অসমীয়া 'নিউ টেষ্টামেণ্ট' আৰু 'ওল্ড টেষ্টামেণ্ট'ৰ আখৰ-জোঁটনি নিৰ্ণয় কৰাৰ বেলিকা ড° কেৰিয়ে বাংলা ভাষাৰ ধৰ্মপুস্তকক আধাৰ ৰূপে লৈছিল। সেইবাবে অসমীয়া ধৰ্মপুস্তকৰ শব্দাৱলী আৰু বৰ্ণবিন্যাসত সংস্কৃতীয়া প্ৰভাৱ বাৰুকৈয়ে পৰিছিল। একে কথাই ৰবিন্সনৰ ব্যাকৰণেও আখৰ-জোঁটনিৰ প্ৰসংগত সমৰ্থন কৰিছিল। বিপৰীতে ১৮৩৯ চনত জাদুৰাম ডেকা বৰুৱাই এখন বঙলা-অসমীয়া অভিধান প্ৰস্তুত কৰি জেনকিন্সক উপহাৰ দিয়ে। জেনকিন্সে সেই অভিধানখন শিৱসাগৰত থকা বেপিস্ট মিছনেৰীসকলক দান কৰে। ব্ৰাউন আৰু ব্ৰন্সন দুয়ো জাদুৰামক অধ্যয়নশীন অসমীয়া বুলি গণ্য কৰিছিল। জাদুৰাম ডেকা বৰুৱাই উচ্চাৰণভিত্তিক, সৰলীকৃত বৰ্ণবিন্যাস পদ্ধতিক সমৰ্থন কৰিছিল। উদাহৰণস্বৰূপে- 'শ', 'ষ', 'স'ৰ ঠাইত কেৱল 'স', 'চ' আৰু 'ছ'ৰ ঠাইত কেৱল 'ছ', হস্ৰস্বৰ আৰু দীৰ্ঘস্বৰৰ পাৰ্থক্যহীনতা, যুক্তাক্ষৰৰ সৰলীকৰণ।

মিছনেৰীসকলে অসমীয়া ভাষাক ছপাশালৰ বাবে সাজু কৰাৰ আগতে তেওঁলোকৰ আগত আখৰ জোঁটনি বা বৰ্ণবিন্যাসৰ দুটা বিকল্প পথ আছিল। প্ৰথমটো প্ৰাচীন আৰু মধ্য অসমীয়া সাহিত্যক প্ৰতিনিধিত্বকাৰী জাদুৰাম ডেকা বৰুৱাৰ উচ্চাৰণভিত্তিক বৰ্ণবিন্যাস পদ্ধতি আৰু দ্বিতীয়টো কেৰী আৰু ৰবিন্সন সমৰ্থিত সংস্কৃতানুগ বৰ্ণবিন্যাস পদ্ধতি। ৰবিন্সনে অসমীয়া ভাষাৰ স্বতন্ত্ৰতাক স্বীকাৰ কৰা নাছিল। আনপিনে আমেৰিকান মিছনেৰীসকলে অসমীয়া ভাষাৰ কথ্যৰূপটোক বাংলা ভাষাতকৈ সম্পূৰ্ণ বিপৰীত ভাষা বুলি দৃঢ়তাৰে মানিছিল আৰু সেই দিশতে কাম কৰিছিল। সেইবাবেও মিছনেৰীসকলে জাদুৰাম ডেকা বৰুৱাৰ উচ্চাৰণভিত্তিক বৰ্ণবিন্যাস পদ্ধতিক সমৰ্থন কৰাটো স্বাভাৱিক। তদুপৰি মিছনেৰীসকলে নিজেও পুৰণি পুথি-পাঁজিৰ সংগ্ৰহত নামি পৰাৰ বাবে পুৰণি অসমীয়া বৰ্ণবিন্যাস পদ্ধতি সম্পৰ্কে এক নিজস্ব ধাৰণা আছিলেই। সেই ধাৰণাৰ সৈতে ডেকা বৰুৱাৰ ধাৰণা ওচৰ ছপা বাবেও মিছনেৰীসকলে ডেকা বৰুৱাৰ বৰ্ণবিন্যাস পদ্ধতিকে কিছু মান্যীকৰণ কৰি অসমীয়া ভাষা লিখাৰ বাবে যথোপযুক্ত বুলি বিবেচনা কৰিছিল আৰু ছপাশালৰ মাজেৰে অসমীয়া পুথিত তাক তুলি ধৰিছিল। 'অৰুনোদই'কে আদি কৰি মিছনৰ পৰা প্ৰকাশিত সকলো অসমীয়া পুথিতে এই বৰ্ণবিন্যাস পদ্ধতিকে অনুসৰণ কৰিছিল। ছপাশালৰ দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে, উচ্চাৰণভিত্তিক বৰ্ণবিন্যাস ৰীতি গ্ৰহণ কৰাৰ ফলত কিছুমান আখৰৰ গঢ় মিছনেৰীসকলৰ নহ'লেও চলিছিল। অৱশ্যে এটা দশকৰ ভিতৰতে অসমৰ শিক্ষিত সমাজে এই বৰ্ণবিন্যাস পদ্ধতিক অগ্ৰাহ্য কৰি সংস্কৃতানুগ বৰ্ণবিন্যাস ৰীতিৰ সপক্ষত অৱস্থান গ্ৰহণ কৰিছিল। ফলশ্ৰুতিত নিয়মিত পাঠকশ্ৰেণীৰ মতলৈ সমৰ্থন জনাই ১৮৬১ চনৰ জানুৱাৰী মাহৰ পৰা উইলিয়াম বাৰ্ডৰ সম্পাদনাত 'অৰুনোদই' ৰ বানানৰীতি 'অৰুণোদয়' হ'ল।

প্ৰাক্-ঔপনিৱেশিক অসমীয়া ভাষাৰ লিখনকাৰ্যৰ বেলিকা শব্দসমূহৰ মাজত কোনো ব্যৱধান ৰখা নহৈছিল। বিৰাম, পূৰ্ণ বিৰাম আৰু কেতিয়াবা ক'লন চিহ্নৰ বাহিৰে আন কোনো যতি চিহ্নৰ ব্যৱহাৰ দেখা নাযায়। ছপাশালৰ বাবে অসমীয়া ভাষাটোক সাজু কৰাৰ বেলিকা মিছনেৰীসকলে প্ৰতি শব্দৰ মাজত ব্যৱধান ৰখাৰ উপৰি প্ৰায়বোৰ বিদেশী যতি চিহ্নৰে ভাষাটোক সমৃদ্ধ কৰে।

শব্দৰ দিশৰ পৰা প্ৰাক্-ঔপনিৱেশিক অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ তৎসম, অৰ্ধতৎসম, তদ্ভৱ শব্দৰ উপৰি আৰৱী-ফাৰ্চীমূলীয়, তিব্বতবৰ্মী ভাষামূলীয়, অষ্ট্ৰিক ভাষামূলীয় উপাদানেৰে সমৃদ্ধ। মিছনেৰীসকলে ছপাশালৰ যোগেদি অসমীয়া সাহিত্যলৈ নতুন বিষয়বস্তুৰ আগমন ঘটায়। নতুন বিষয়, নতুন চৰিত্ৰ প্ৰকাশ কৰিবলৈ ইংৰাজী, ফৰাচী, পৰ্তুগীজ আদিৰ দৰে ইউৰোপীয় ভাষাৰ অনেক শব্দগত উপাদান অসমীয়া ভাষাত সোমাই পৰিল। কিছুমান শব্দ মিছনেৰীসকলে পোনপটীয়াকৈ সোমালে, যেনেঃ অফিচ, কলেজ, কাপ্তান, গবৰ্ণমেণ্ট, প্ৰাইজ, ৰুম, গবৰ্ণৰ, প্ৰেচিডেণ্ট। আন কিছুমান প্ৰতিশব্দকৰণ প্ৰক্ৰিয়াৰ মাজেৰে নতুনকৈ গঢ় দি ল'লে, উদাহৰণস্বৰূপেঃ শিলপানী (বৰফ), লতা-পনিয়ল (আঙুৰ), নগামাটি (কয়লা), ঘাম-কাল (গ্ৰীষ্ম), বেজ-শাল (হস্পিটেল), পাতল বায়ু (গেছ), পহু-ঘৰ (জু), প্ৰদিপ দল (লাইট-হাউচ)।

একেদৰে বাক্যগাঁঠনিৰ দিশতো ছপাশালৰ অসমীয়া ভাষাই ন-বৈশিষ্ট্য আহৰণ কৰিছিল। ছপাশালত প্ৰথম পৰ্যায়ত অসমীয়া ভাষাৰে গ্ৰন্থ প্ৰকাশ কৰা সৰহসংখ্যক লেখকৰে ইংৰাজী আছিল প্ৰথম ভাষা। যাৰ বাবে তেওঁলোকে অসমীয়া লিখোতে ইংৰাজী ভাষাৰ বাক্যৰীতিৰ বৈশিষ্ট্য অসমীয়াত ৰৈ গৈছিল। অসমীয়া ভাষাত এনে বাক্যগাঁঠনি পূৰ্বে দেখা পোৱা নগৈছিল। যেনে—

(ক) জদি দেখিব খোজা, তেন্তে মোৰ পুথি পঢ়ি চোআ।

(খ) জেতিয়া তুমি কোনো পাৰ্গত মানুহক দেখা তেতিয়া তুমি তেওঁনো কেনেকৈ কাল ব্যয় কৰিছে তাকে সুধিবা, পাচে তুমি অৱস্যে জানিবা জে তেওঁৰ জীৱন প্ৰায় স্ৰমতে গৈছে।

(গ) মই জাব নোআৰোঁ, কিয়নো লাঙ্গলত মোৰ হাত দিয়া হল।

(ঘ) জিজন পৰাক্ৰমি জয়যুক্ত মানুহে প্ৰথমে ভাৰতবৰ্সত আপোনাৰ ৰাজ্য থাপন কৰিলে, তেঁৱে গজনিৰ বাদস্যা মহম্মদ।

ছপাশালে এনে বৈশিষ্ট্যৰ সংযোজনেৰে মধ্যযুগীয় অসমীয়া ভাষাটোক এক নতুন ৰূপ প্ৰদান কৰিলে। একে সময়তে ছপাশালে ভাষাটোৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব ল'লে। পঢ়াশালিৰ পাঠ্য, ধৰ্মপ্ৰচাৰৰ পুস্তিকা আৰু বিশেষকৈ 'অৰুনোদই' মাজেৰে এই নতুন ৰূপৰ অসমীয়া ভাষাটো শিক্ষিত অসমীয়াৰ মাজলৈ গৈছিল। লগে লগে অসমীয়া ভাষাটো যে জ্ঞান-বিজ্ঞানৰ পৰা আৰম্ভ কৰি দেশ-বিদেশৰ বিভিন্ন খবৰ প্ৰকাশৰ বাবে সক্ষম সেয়া প্ৰতিষ্ঠিত হ'ল। অসমীয়া ভাষাটোৰ এই প্ৰকাশিকা শক্তি সম্পৰ্কে ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগতে অসমৰো মধ্যবিত্ত শ্ৰেণীটো সন্দিহান আছিল। ছপাশালে অসমীয়া ভাষাটোক নতুন শক্তি দিলে। বাংলা ভাষাত সাহিত্য চৰ্চা কৰাত অভ্যস্ত অসমীয়া মধ্যবিত্তীয় শ্ৰেণীটোৰ চকুত অসমীয়া ভাষাৰ মৰ্যাদাও প্ৰতিষ্ঠিত হোৱাৰ লগে লগে বাংলাৰ সলনি অসমীয়া ভাষাত সাহিত্যচৰ্চাৰ পিনে আগবাঢ়ি আহিল। উদাহৰণস্বৰূপে, হলিৰাম ঢেকিয়াল ফুকনে বাংলা ভাষাত 'আসাম বুৰঞ্জী' ৰচনা কৰে। কিন্তু তেওঁৰ উত্তৰপুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষাতে 'অৰুনোদই'ত নিয়মিত লেখা-মেলা কৰিছিল, অসমীয়া ভাষাতে 'অসমীয়া ল'ৰাৰ মিত্ৰ' প্ৰকাশ কৰিছিল। ভাষিক দৃষ্টিভংগীৰ এই পৰিৱৰ্তনৰ আৰত ছপাশালৰ ভূমিকাই আছিল আটাইতকৈ গুৰুত্বপূৰ্ণ। ছপা আখৰৰ বাংলা ভাষাৰ লগত পৰিচিত জনমানসক অসমীয়া ভাষাৰ চিৰচৰিত সাঁচিপতীয়া গঢ়ৰ পৰা আঁতৰাই আনি ছপা আখৰৰ অসমীয়া ভাষাৰ লগত পৰিচয় কৰোৱাটো ছপাশালৰ উপস্থিতিৰ বাবেহে সম্ভৱপৰ হৈছিল।

ইতিমধ্যে কৈ অহা হৈছে যে, অসমীয়া ভাষা চৰকাৰী ভাষাৰূপে বিবেচনা নোহোৱাৰ এক প্ৰধান কাৰক আছিল ভাষাটো ছপাশালৰ বাবে উপযুক্ত নোহোৱাটো। কিন্তু কম সময়ৰ ভিতৰতে মিছনেৰীসকলে ছপাশালৰ মাজেৰে ভাষাটোক বাংলা ভাষাৰ লগত মোকাবিলা কৰিবলৈ সমৰ্থবান কৰি তুলিলে। কেইবছৰমানৰ ভিতৰতে ছপা মাধ্যমৰ মাজেৰেই অসমীয়া ভাষাটো চৰকাৰী ভাষা কৰাৰ দাবী উঠিবলৈ ধৰিলে। আনন্দৰাম

ঢেকিয়াল ফুকনে মোফ্‌ট মিল্‌ছলৈ দিয়া প্ৰতিবেদনত প্ৰচলিত বাংলাৰ সলনি অসমীয়া ভাষাক বিদ্যালয়ৰ শিক্ষাদানৰ মাধ্যম কৰাৰ সপক্ষত যুক্তিসহকাৰে আলোচনা আগবঢ়াইছিল। জনমত সৃষ্টি কৰাৰ স্বাৰ্থতে এই অংশটোক 'A Few Remarks on the Assamese Language and on vernacular Education of Assam' নামেৰে প্ৰকাশ কৰিছিল শিৱসাগৰৰ মিছন প্ৰেছে। 'অৰুণোদই' এই প্ৰসংগত আগৰণুৱা আছিল। অৰুণোদইৰ পাততে নাথান ব্ৰাউনে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে কেইবাটাও প্ৰবন্ধ ছপা কৰিছিল। পৰৱৰ্তী সময়ত গুণাভিৰাম প্ৰমুখ্যে বিভিন্নজনে অসমীয়া ভাষাক চৰকাৰী ভাষা কৰাৰ সপক্ষত লিখা প্ৰবন্ধ, চিঠি আদিও অৰুনোদয়ে ছপা কৰিছিল। এনেদৰে ছপা মাধ্যমৰ মাজেৰে, অসমত বাংলা ভাষাক চৰকাৰী ভাষা কৰোতে যি অসমীয়া মধ্যবিত্তীয় শ্ৰেণী নিশ্চুপ হৈ আছিল, সেই অসমীয়া মধ্যবিত্তীয় শিক্ষিত শ্ৰেণীটো ঊনবিংশ শতিকাৰ দ্বিতীয়াংশত অসমীয়া ভাষাক প্ৰশাসনিক-বিদ্যায়তনিক আৰু ন্যায়িক ভাষা কৰাৰ প্ৰধান দাবীদাৰৰূপে আত্মপ্ৰকাশ কৰে।

অসমীয়া ভাষা প্ৰশাসনিক পৰিকাঠামোৰ পৰা আঁতৰ কৰাৰ আন এক প্ৰধান অজুহাত আছিল ইয়াৰ স্বতন্ত্ৰতা। আগতেও কৈ অহা হৈছে যে, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমত শাসনলৈ অহাৰ আগতে তেওঁলোকে অসমৰ ভাষা সম্পৰ্কত যিখিনি তথ্য সংগ্ৰহ কৰিছিল সেয়া আছিল ক্ৰটিপূৰ্ণ। অসমলৈ অহাৰ পাছতো প্ৰায় এটা দশক তেওঁলোকে ভাষাতাত্ত্বিক দৃষ্টিৰে অসমৰ স্থানীয় ভাষাৰ বিচাৰ কৰা নাছিল। Nathaneil Brassey Halhed-ৰ 'A Grammar of the Bengal Language'-ৰ আৰ্হিত উইলিয়াম ৰবিন্সনে ১৮৩৯ চনত 'A Grammar of the Assamese Language' প্ৰকাশ কৰালৈকে অসমত বাংলা ভাষা প্ৰশাসনিক ভাষা হৈছে। তদুপৰি ৰবিন্সনেও তেওঁৰ ব্যাকৰণত অসমীয়া ভাষাক স্বতন্ত্ৰ ভাষা বুলি কোৱাৰ সলনি বাংলা ভাষাৰ আঞ্চলিক ৰূপ বুলিহে স্বীকাৰ কৰিলে। ৰবিন্সনৰ বিপৰীতে আমেৰিকান মিছনেৰী নাথান ব্ৰাউন আৰু মাইলছ ব্ৰন্সন ভাষাতাত্ত্বিক আছিল। অসমৰ শদিয়ালৈ আহিয়েই খুব কম সময়ৰ ভিতৰতে অসমৰ স্থানীয় ভাষাটো যে বাংলাতকৈ পৃথক তেওঁলোকে বুজিব পাৰিছিল আৰু এই স্বতন্ত্ৰতা দেখুৱাই তেওঁ ১৮৪৮ চনত ছপা কৰে 'Grammatical Notes of the Assamese Language'। এয়ে আৰম্ভণি। তাৰ পাছত ইতিমধ্যে কৈ অহাৰ দৰে 'অৰুণোদই'ক কেন্দ্ৰ কৰি অসমীয়া ভাষাৰ স্বতন্ত্ৰতা দাঙি ধৰাৰ ধাৰাবাহিক প্ৰয়াস লক্ষ্য কৰিব পাৰি। ছপাশালে স্বাভাৱিকভাৱে এই কণ্ঠস্বৰসমূহক গতি দিছিল। তাৰোপৰি মাইল্‌ছ ব্ৰন্সনে কলিকতাৰ 'The Friend of India' কাকতৰ সম্পাদকলৈ চিঠি দিও অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে লিখিছিল- "The Two Languages in their inflections, modes, affixes, prefixes, spelling, and above all pronounciation are so different that Bengali is to an Assamese what Latin and French are to an English school boy." (নেওগ, পৃ .৯০)। ব্ৰন্সনৰ যুক্তিত পতিয়ন গৈ আনকি কাকতখনৰ সম্পাদকে সম্পাদকীয়ত লিখিছিল- "The Assamese is not a mere provincial speech, like the Yorkshire or Wiltshire

patois in England, or the Gascon or Briton patois in France, or the Chittagong and Sylhet patois in Bengal; it is a written and printed language." সম্পাদকীয়টোত কাকতখনৰ সম্পাদকে অসমীয়া ভাষা আন বহু আঞ্চলিক ভাষা (উপভাষা)-ৰ দৰে নহয় বুলি কৈছে কিয়নো ই এটা 'Printed Language'। ইয়াৰ পৰাই ছপা মাধ্যমে অসমীয়া ভাষাটোৰ স্বতন্ত্র প্রতিষ্ঠাত লোৱা শক্তিশালী ভূমিকাৰ কথা অনুধাৱন কৰিব পাৰি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

(১) ছপা মাধ্যমত অসমীয়া ভাষাৰ বিৱৰ্ত্তন কেতিয়াৰে পৰা আৰম্ভ হৈছিল? (৩৫টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

(২) অসমীয়া ভাষাই মৰ্যাদা ঘুৰাই অনাৰ দিশত ছপাশালৰ ভূমিকা কি আছিল? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৪.৫ সাৰাংশ (Summing Up)

ছপাশালৰ আৱিস্কাৰে যে তথ্য আৰু জ্ঞানৰ দ্রুত আৰু অভূতপূৰ্ব প্রচাৰ আৰু প্রসাৰ সাধন কৰিছিল, তাত কোনো সন্দেহ নাই। ভাৰতবৰ্ষত পৰ্তুগীজ শাসকসকলে প্রথম ছপাশাল প্রতিষ্ঠা কৰে। প্ৰথমাৱস্থাত ইউৰোপীয় ভাষাসমূহত আৰু পৰৱৰ্তী সময়ত ভাৰতৰ স্থানীয় আঞ্চলিক ভাষাসমূহত খ্ৰীষ্টধৰ্ম প্রচাৰৰ বাণীসমূহ ছপা কৰা হৈছিল। লাহে লাহে ধৰ্মীয় গণ্ডীৰ বাহিৰৰ বিষয়বস্তুসমূহো ছপাশালত স্থান পাবলৈ ধৰিলে। মূল মূল প্ৰশাসনীয় আৰু বাণিজ্যিক কেন্দ্ৰসমূহক বাদ দিও ভাৰতৰ চুকে-কোণে ঔপনিৱেশিক শক্তিসমূহৰ লগে লগে ছপাশাল ব্যৱস্থাৰ আৰম্ভণি হ'বলৈ ধৰিলে। অসমতো ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ দহ বছৰ ভিতৰতে ছপাশাল আহিল। আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলৰ উদ্যোগত অসমৰ সমসাময়িক চৰকাৰী ভাষা বাংলাৰ সলনি স্থানীয় অসমীয়া ভাষাই ছপাশালত স্থান পালে। এয়ে আছিল আৰম্ভণি। শিৱসাগৰৰ বেপ্তিষ্ট মিছনৰ দুটাকৈ ছপাশাল আৰু আউনীআটী সত্ৰৰ 'ধৰ্মপ্ৰকাশ' যন্ত্ৰ নামৰ ছপাশালৰ পৰা ক্ৰমে ক্ৰমে অনেক পুস্তিকা, গ্ৰন্থ, আলোচনী আদি প্ৰকাশ হ'বলৈ ধৰে। ধৰ্মীয় প্ৰচাৰৰ লগতে মিছনেৰী স্কুলসমূহৰ বাবে প্ৰয়োজনীয় অসমীয়া পাঠ্য এই ছপাশালসমূহৰ পৰা প্ৰথমে প্ৰকাশ হৈছিল। তদুপৰি প্ৰকাশ হৈছিল অসমীয়া ভাষাৰ ব্যাকৰণ-অভিধান। ছপাশালৰ মাজেৰে অসমীয়া ভাষাটোৱে মধ্যযুগীয় আৱেশৰ পৰা মুক্ত হৈ আধুনিক ৰূপ

পৰিগ্ৰহণ কৰিলে। কথিত অসমীয়া ভাষাটোৱে ছপাশালৰ মাজেৰে আত্মপ্ৰত্যয় লাভ কৰিলে। ভাষাটোৱে আগতে কেতিয়াও প্ৰকাশ নকৰা বিষয় আৰু ভাৱকো খুব অৰ্থপূৰ্ণভাৱে তুলি ধৰিবলৈ সক্ষম হ'ল। মিছনেৰীসকলে ইয়াৰ বাবে ভাষাটোত নতুন প্ৰতিশব্দ নিৰ্মাণ কৰিলে, যতি-চিহ্নৰ ব্যৱহাৰ আৰম্ভ কৰিলে, বাক্যৰীতিৰ পিনৰ পৰা ইংৰাজী ভাষাৰ প্ৰভাৱ স্পষ্ট হ'ল। সমান্তৰালভাৱে মিছনেৰীসকলে সাঁচিপাতৰ মাজেৰে ত্ৰয়োদশ শতিকাৰে পৰা বৰ্তি অহা সাহিত্যিক অসমীয়া ভাষাটোৰ অনিয়মিত, উচ্চাৰণাত্মক বানান-ৰীতিকে আধাৰৰূপে লৈ তাক কিছু সাধাৰণীকৰণ কৰি একেবাৰে সৰল আৰু উচ্চাৰণাত্মক বানান-ৰীতি এটা প্ৰতিষ্ঠা কৰিলে। এই বানান-ৰীতিও বাংলা ভাষাৰ পৰা অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ এক প্ৰধান আধাৰ আছিল। দুটামান দশকৰ পাছতে 'অৰুণোদই' ৰ পাততে এই বানান-ৰীতিৰ পৰিৱৰ্তন হৈ সংস্কৃতীয়া বানান-ৰীতিৰ পুনৰ প্ৰতিষ্ঠা হৈছিল। পৰৱৰ্তী কেইবাটাও দশকলৈ এই বানান-ৰীতিৰ কেইবাটাও সম্প্ৰদায় (School) অসমতে প্ৰৱৰ্ত্তিত আছিল। ঊনবিংশ শতিকাৰ শেষলৈহে 'জোনাকী' প্ৰভৃতি আলোচনীৰ মাজেৰেহে বৰ্ণবিন্যাস পদ্ধতি সুস্থিৰ হৈছিল। শতিকাটোৰ আৰম্ভণিতে যি অসমীয়া ভাষাক ছপাশালৰ বাবে অনুপযোগী বুলি ভবা হৈছিল, ভবা হৈছিল বাংলা ভাষাৰ আঞ্চলিক ৰূপ মাত্ৰ বুলি; শতিকাটোৰ দ্বিতীয়াৰ্দ্ধত ছপাশালৰ মাজেৰেই ভাষাটোৱে চৰকাৰী ভাষাৰূপে পুনৰ প্ৰতিষ্ঠাৰ দাবী উত্থাপিত কৰিছিল, ছপাশালৰ মাজেৰেই নিজৰ স্বতন্ত্ৰতা প্ৰকাশ কৰিব পৰা হৈছিল। ছপাশালৰ মাজেৰে অসমীয়া ভাষাই পূৰ্বে লাভ নকৰা সুৰ এটা লাভ কৰিলে। অসমীয়া ভাষাই দেশ-বিদেশৰ পৰা আৰম্ভ কৰি জ্ঞান-বিজ্ঞানৰ বিভিন্ন খবৰ দিব পৰা হ'ল। ছপাশালে ইউৰোপীয় সাহিত্যৰ বিভিন্ন শাখাক অসমীয়া ভাষাৰে তুলি ধৰিব পৰা কৰিলে। ঊনবিংশ শতিকাৰ পৰা আৰম্ভ হোৱা ছপা মাধ্যম আৰু অসমীয়া ভাষাৰ সম্পৰ্ক কম-বেছি পৰিমাণে পৰৱৰ্তী শতিকাসমূহলৈ অব্যাহত থাকিল আৰু ছপাশালে আন বহু ভাৰতীয় আঞ্চলিক ভাষাৰ দৰে অসমীয়া ভাষাতো আধুনিকতাৰ সূচনা কৰিলে। তদুপৰি ছপাশালে ভাষাটোক সমসাময়িক শিক্ষিত মধ্যবিত্তীয় শ্ৰেণীটোৰ দৃষ্টিত মৰ্যাদাশালী কৰি তুলিলে আৰু ইয়ে ভাষিক জাতীয়তাবাদৰ শক্তিশালী ভেটি নিৰ্মাণ কৰিলে।

## ৪.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১. কি সামাজিক, ৰাজনৈতিক আৰু ভাষিক পটভূমিত অসমত ছপাশাল ব্যৱস্থা আৰম্ভণি হৈছিল?

২. অসমীয়া ভাষাৰ উত্থান-পতনত ছপা মাধ্যমৰ ভূমিকা সম্পৰ্কে বহলাই আলোচনা কৰক।

৩. অসমীয়া ভাষাৰ আধুনিকীকৰণত ছপাশালে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল আলোচনা আগবঢ়াওক।

৪. ‘ছপাশালে অসমীয়া ভাষাটোক মধ্যবিত্তীয় আৱেশৰ পৰা ওলাই আনি নতুন বিষয় আৰু জ্ঞানৰ বাবে সাজু কৰি তুলিলে।’ - কথাষাৰৰ যথাযোগ্যতা বিচাৰ কৰক।

৫. ছপা মাধ্যমেৰে মিছনেৰীসকলে প্ৰৱৰ্তন কৰা অসমীয়া ভাষাটোৰ বৈশিষ্ট্য সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

## ৪.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


চলিহা, সুমন্ত (সম্পা.)। *যোগেন্দ্ৰনাথ ভূঞা ৰচনাৱলী*। প্ৰথম প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, ২০২০

নেওগ, মহেশ্বৰ (সম্পা.)। *অৰুনোদই*। চতুৰ্থ প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, ২০২১

বৰ্মন, শিৱনাথ আৰু প্ৰসেনজিৎ চৌধুৰী। *বাস্তৱ নে বিভ্ৰম*। সুজিত কান্তি ভট্টাচাৰ্য, ২০২১

Chakravarty, Banani. "Colonialism and Social history of a vernacular: Assamese Language and Folklore in the nineteenth century". *Gauhati University*, 2011.

Eisenstein, Elizabeth L. *The Printing Press as an Agent of Change. Communications and Cultural Transformations in Early-Modern Europe*. Cambridge University Press, 1979.

Kesavan, B. S. *History of Printing and Publishing in India. A Story of Cultural Re-Awakening*. National Book Trust, 1988.

Ong, Walter J., and John Hartley. *Orality and Literacy: The Technologizing of the Word*. Routledge, 2002.


* * *

## পঞ্চম বিভাগ
# অসমীয়া ভাষাৰ মান্যীকৰণ

**বিভাগৰ গঠন**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ ভাষাৰ মান্যীকৰণ ঃ প্রেক্ষাপট আৰু প্রাসংগিকতা
৫.৪ অসমীয়া ভাষাৰ মান্যীকৰণ প্রক্রিয়া
৫.৪.১ অৰুণোদয়কালীন অসমীয়া ভাষাৰ মান্যীকৰণ প্রক্রিয়া
৫.৪.২ অসমীয়া ভাষাৰ মান্যীকৰণ প্রক্রিয়ালৈ হেমচন্দ্ৰ-গুণাভিৰামৰ অৱদান
৫.৪.৩ অসমীয়া ভাষাৰ মান্যীকৰণ প্রক্রিয়ালৈ জোনাকীৰ অৱদান
৫.৪.৪ বিংশ শতিকাৰ প্ৰথমছোৱাৰ অসমীয়া ভাষাৰ মান্যীকৰণ প্রক্রিয়া
৫.৪.৫ অসমীয়া ভাষাৰ মান্যীকৰণ প্রক্রিয়ালৈ বাণীকান্ত কাকতিৰ অৱদান
৫.৫ সাৰাংশ (Summing Up)
৫.৬ আৰ্হি প্রশ্ন (Sample Questions)
৫.৭ প্রসংগ গ্রন্থ (References/Suggested Readings)

## ৫.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত আলোচনাৰ বিষয় আছিল 'ছপা মাধ্যম আৰু অমসমীয়া মাধ্যম'। এই বিভাগটিত অসমীয়া ভাষাৰ মান্যীকৰণৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

সকলোবোৰ ভাষাতে লিখিত পৰম্পৰাৰ পৰা ছপা মাধ্যমলৈ গতি কৰোতে কেতবোৰ পৰিৱৰ্তন সাধন হোৱাটো স্বাভাৱিক প্রক্রিয়া। ছপা মাধ্যমে আঞ্চলিক ভাষাসমূহক হাতেলিখা পুথিৰ পৰা ওলাই আনি ছপা আখৰৰ চোলা পিন্ধাই আধুনিক বিষয়সমূহৰ বাবে উপযোগী কৰি দিছিল। লগে লগে আধিপত্যশীল সামাজিক শ্ৰেণীৰ দৃষ্টিত আঞ্চলিক ভাষাসমূহৰ মান বৃদ্ধি হৈছিল। হাতেলিখা সমলসমূহে প্ৰতিনিধিত্ব কৰা আঞ্চলিক ভাষাসমূহত বিভিন্নতা ৰক্ষিত হৈছিল। একেটা ভাষাৰে কেইবাটাও প্ৰান্তীয়ৰূপ অনিয়মিতভাৱে হাতেলিখা সমলসমূহত সংৰক্ষিত হৈ আছিল। একেদৰে বানানৰীতি আছিল অনিয়মিত আৰু এটা ভাষাকে লিপিৰ ভিন ভিন গঢ়ৰে লিখাৰ প্ৰৱণতা আছিল খুব স্পষ্ট। এনে এক পৰিস্থিতিত ছপাশালৰ বাবে আঞ্চলিক ভাষাসমূহক সাজু কৰাটো আছিল এক প্ৰকাৰৰ প্ৰত্যাহ্বানস্বৰূপ। ইয়াৰ বাবে প্ৰাদেশিক ভাষাসমূহৰ চিনাক্তকৰণ আৰু নিৰ্বাচন আছিল অতিশয় প্ৰয়োজন। তদুপৰি এটা ভাষা নিকটৱৰ্তী ভাষাতকৈ সম্পূৰ্ণ পৃথক নে সেই ভাষাটোৰে এক প্ৰান্তীয় ৰূপ সেয়া নিৰ্ণয় কৰাটো ছপা যুগৰ আন এক প্ৰধান প্ৰত্যাহ্বান আছিল। প্ৰত্যেকটো ভাৰতীয় আঞ্চলিক ভাষাই এই পৰ্যায়সমূহ একাদিক্রমে অতিক্রম কৰিবলগা হৈছিল। অসমীয়া ভাষায়ো একে পৰিক্রমা ঊনবিংশ

শতিকাৰ প্ৰথমাৰ্দ্ধত অতিক্ৰম কৰাৰ কাহিনী আমি ইতিমধ্যে পাই আহিছোঁ। একেদৰে আমি জ্ঞাত যে, বাংলা ভাষাৰ পৰা স্বতন্ত্ৰ বুলি প্ৰতিষ্ঠিত হ'বলৈ অসমীয়া ভাষাক কেইবাটাও দশকৰ প্ৰয়োজন হৈছিল। কিন্তু এক স্বতন্ত্ৰ বা সুকীয়া ভাষাৰূপে প্ৰতিষ্ঠিত হোৱাৰ পাছতো অসমীয়া ভাষাটো সুস্থিৰ হোৱা নাছিল। তেতিয়াও বানান-ৰীতি নিৰ্দিষ্ট হোৱা নাছিল, তেতিয়াও ছপা মাধ্যমৰ অসমীয়া ভাষাটো অসমৰ চুকে-কোণে গ্ৰহণযোগ্য হৈ উঠা নাছিল। তেতিয়াও ছপা মাধ্যমৰ অসমীয়া ভাষাটো জাতিগত পৰিচয়ৰ সূচক হৈ উঠা নাছিল।

প্ৰকৃততে ঊনবিংশ শতিকাৰ শেষৰ পিনে লাহে লাহে ভাষাটো মান্যীকৰণৰ পিনে আগবাঢ়িছিল। প্ৰথম অৱস্থাত এই প্ৰক্ৰিয়াটো অসচেতনভাৱেই আগবাঢ়িছিল যদিও অতি কম সময়ৰ ভিতৰতে অসমীয়া ভাষাটো মান্যীকৰণৰ সচেতন প্ৰয়াস আৰম্ভ হয়। সমসাময়িক অসমীয়া সাহিত্যৰ আগশাৰীৰ সাহিত্যিক, আলোচনী আৰু জাতীয় অনুষ্ঠানসমূহে ভাষাৰ এই মান্যীকৰণ প্ৰক্ৰিয়াত অংশীদাৰ হৈছিল। ঊনবিংশ শতিকাৰ শেষৰ পৰা বিংশ শতিকালৈ চলা এই প্ৰক্ৰিয়াই অসমীয়া ভাষাটোৰ সৰ্বগ্ৰহণযোগ্য ৰূপ এটা নিৰ্মাণত কিদৰে অৰিহণা আগবঢ়াইছিল, সেয়ে এই বিভাগটোৰ আলোচ্য বিষয়।

## ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- ছপা মাধ্যমে ভাষাৰ মান্যীকৰণৰ পথ কিদৰে মুকলি কৰিছিল তাৰ আভাস লাভ কৰিব,
- ঊনবিংশ শতিকাত অসমীয়া ভাষাৰ মান্যীকৰণৰ বাবে কেনেধৰণৰ পদক্ষেপ লোৱা হৈছিল জানিব পাৰিব,
- বিংশ শতিকাই অসমীয়া ভাষাৰ মান্যীকৰণত কিদৰে অৰিহণা আগবঢ়াইছিল জানিব পাৰিব,
- অসমীয়া ভাষাৰ মান্যকীকৰণ কিদৰে সম্পূৰ্ণ হৈছিল, সেই সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

## ৫.৩ ভাষাৰ মান্যীকৰণ ঃ প্ৰেক্ষাপট আৰু প্ৰাসংগিকতা

পৃথিৱীৰ সকলোতে ছপাযন্ত্ৰৰ ব্যৱহাৰে ভাষাৰ মান্যীকৰণ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিছিল। সাধাৰণতে এটা ভাষিক পৰিমণ্ডলতে থকা ভাষিক ভিন্নতাসমূহৰ মাজৰ পৰা এটা ভাষা মান্য ৰূপ নিৰ্মাণ কৰাৰ সমগ্ৰ প্ৰক্ৰিয়াটো সুদীৰ্ঘকালত স্বাভাৱিকভাৱেই গঢ় লয়। ভাষাৰ মান্যীকৰণে কথিত ভাষাৰ সলনি লিখিত ভাষাৰ ওপৰতহে গুৰুত্ব দিয়ে বাবে যিবোৰ ভাষাই মৌখিক পৰম্পৰাৰ পৰা লিখিত পৰম্পৰালৈ গতি কৰিছিল, সেইবোৰ ভাষাত এই প্ৰক্ৰিয়াই স্বাভাৱিকভাৱে সক্ৰিয় হৈ উঠিছিল। প্ৰাচীন কালত মৌখিক পৰম্পৰাত প্ৰচলিত ভাষাসমূহৰ পৰা যিটো ভাষাই লিখিত মাধ্যমৰ বাবে নিৰ্বাচিত হৈছিল, সেই ভাষাৰূপটোৱে মান্য ভাষাৰ মৰ্যাদা লাভ কৰিছিল। খ্ৰীঃপূঃ ১৫ শতিকাৰ বৈদিক

সংস্কৃত ভাষা, খ্ৰীঃপূঃ পঞ্চম শতিকাৰ সংস্কৃত ভাষা, খ্ৰীঃপূঃ তৃতীয় শতিকাৰ পালি, খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পৰৱৰ্তী সময়ৰ প্ৰাকৃত ভাষা, খ্ৰীষ্টীয় অষ্টম শতিকাৰ পৰৱৰ্তী সময়ৰ অপভ্ৰংশ ভাষাই এইদৰেই মান্যভাষাৰ মৰ্যাদা লাভ কৰিছিল। এই ভাষাৰূপসমূহৰ বানান-ৰীতি, ব্যাকৰণ নিৰ্দিষ্ট আছিল আৰু একেসময়তে এটা ৰূপেই ব্যক্তি আৰু স্থান নিৰ্বিশেষে ব্যৱহাৰ হৈছিল। ইউৰোপৰ বিশেষকৈ ইংলেণ্ডত ১৭-১৮ শতিকামানৰ পৰাই উচ্চ সামাজিক শ্ৰেণীৰ কথিত ইংৰাজী ভাষাক আধাৰ হিচাপে লৈ ভাষাৰ মান্যীকৰণৰ কাম আৰম্ভ হৈছিল। ভাৰততো ছপাশালৰ সূচনা হোৱাৰ পৰা আঞ্চলিক ভাষাসমূহৰ মান্যীকৰণৰ কাম আৰম্ভ হয়। হিন্দুস্থানী, মালায়ালম, তামিল, মহাৰাষ্ট্ৰী, বাংলা, গুজৰাটীৰ দৰে ভাষাত স্বাভাৱিকতে প্ৰান্তীয় ভিন্নতা আছিল। কিন্তু ছপাশালৰ বাবে ভাষাসমূহক প্ৰস্তুত কৰি তুলিবৰ বেলিকা প্ৰান্তীয় ৰূপসমূহৰ মাজৰ পৰা এটা ৰূপেহে গুৰুত্ব পালে। বেছিভাগ সময়তে ছপাশালত স্থান পোৱা ৰূপটো আছিল সামাজিকভাৱে প্ৰতিপত্তিশালী শ্ৰেণীটোৰ ভাষা-ৰূপ অথবা প্ৰশাসনিক ৰাজধানীৰ আশে-পাশে প্ৰচলিত ভাষা-ৰূপ বা ভাষিক গোষ্ঠীটোৰ সংখ্যা গৰিষ্ঠৰ ভাষা-ৰূপ। এনেদৰে স্বকীয় মন্থৰ গতিত মান্যীকৰণৰ পিনে আগবঢ়া ভাৰতীয় ভাষাসমূহক ছপাশালে নতুন গতি দিলে।

আঞ্চলিক ভাষাসমূহৰ বাবে এই মান্যীকৰণৰ প্ৰয়োজন কিয় হৈছিল? আমি ইতিমধ্যে গম পাইছো যে, ছপাশালে যোগাযোগক অভূতপূৰ্ব ধৰণে আগুৱাই নিছিল। মৌখিক যোগাযোগৰ দৰে এইপ্ৰকাৰৰ যোগাযোগতো ভাষা-প্ৰণালীৰ আৱশ্যক। ছপাশালৰ মাজেৰে অসংখ্যজনৰ সৈতে যোগাযোগ সাধন কৰিবলৈ ভাৰতত লিখিত বা মৌখিক ভাষাৰ অভাৱ নাছিল। কিন্তু একেটা ভাষাকে ভিন ভিন ধৰণে অঞ্চল বিশেষে লিখা হৈছিল, কোৱা হৈছিল। লিপিত আছিল ভিন্নতা, বানান-ৰীতিত আছিল ভিন্নতা। এই ভিন্নতাসমূহৰ বাবেই মান্যীকৰণৰ প্ৰাথমিক প্ৰয়োজনীয়তা আহি পৰিছিল। বিভিন্ন ৰূপৰ পৰা এটা ভাষাৰূপৰ এই নিৰ্বাচন সৰলৰৈখিক বা উজু নাছিল। কিছুমান প্ৰদেশত স্বয়ংসম্পূৰ্ণ ভাষা আৰু উপভাষাৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰোতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে উজুটি খাইছিল। লাহে লাহে ভাষিক জাতীয়তাবাদ নিৰ্মাণৰ প্ৰসংগতো ভাষাৰ মান্যীকৰণৰ প্ৰাসংগিকতা আহি পৰিছিল। এটা জাতিৰ পৰিচয়ৰ সূচক হ'বলৈ নিৰ্দিষ্ট ভাষাৰূপটো সেই ভাষিক পৰিমণ্ডলৰ সকলো লোকৰ দ্বাৰা গৃহীত হ'ব লাগিব। সকলোৰে বাবে গ্ৰহণযোগ্য কৰিবলৈ আৰু সকলোৰে মনত ভাষাৰূপটোৰ প্ৰতি সন্মানবোধ আনিবলৈ ভাষাৰূপটোৰ মান্যীকৰণ হোৱাটো অতিশয় আৱশ্যক। তদুপৰি আঞ্চলিক ভাষাসমূহ শিক্ষাদানৰ মাধ্যমৰূপে গৃহীত হোৱাৰ পাছত একো একোটা ভাষিক পৰিমণ্ডলত এটা মাত্ৰ ভাষাৰূপক শিক্ষাদানৰ ভাষাৰূপে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাও আহি পৰিছিল। ইয়াৰ বাবে সৰহভাগ প্ৰদেশতে এটা ভাষাৰূপক মান্যৰূপ দিয়াৰ সচেতন প্ৰয়াস অষ্টাদশ-ঊনবিংশ শতিকাত সজোৰে আৰম্ভ হৈছিল। ভাৰতবৰ্ষৰ আন প্ৰান্তসমূহৰ দৰে অসমতো ইষ্ট-ইণ্ডিয়া কোম্পানীৰ শাসন আৰম্ভ হোৱাৰ পৰৱৰ্তী বছৰসমূহত শিক্ষাদানৰ মাধ্যম কৰাৰ প্ৰয়োজনত, ছপাশালৰ ভাষা নিৰ্মাণ কৰাৰ স্বাৰ্থত, ভাষিক জাতীয়তাবাদৰ খাতিৰত

আৰু অসমীয়া মধ্যবিত্ত শ্ৰেণীটোক স্থানীয় ভাষাটোৰ প্ৰতি মৰ্যাদাশীল কৰিবলৈ অসমীয়া ভাষাৰ মান্যীকৰণৰ সচেতন প্ৰয়াসৰ সূচনা হয়।

**অগ্ৰগতিৰ খতিয়ান**

আঞ্চলিক ভাষাসমূহৰ বাবে মান্যীকৰণৰ প্ৰয়োজনীয়তা কি?

.................................................................................................................

.................................................................................................................

.................................................................................................................

### ৫.৪ অসমীয়া ভাষাৰ মান্যীকৰণ প্ৰক্ৰিয়া

খ্ৰীষ্টীয় ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা অসমীয়া ভাষাই সাহিত্যিক নিদৰ্শন দাঙি ধৰি আহিছিল। পঞ্চদশ-ষোড়শ শতিকালৈ গীত-নাট-কাব্য-গদ্যৰ মাজেৰে অসমীয়া ভাষাটোৱে সাহিত্যিক ৰূপত হ'লেও বিস্তৃতি লাভ কৰিছিল। সপ্তদশ-অষ্টাদশ শতিকাত চৰিত পুথি, বুৰঞ্জী পুথি আৰু ব্যৱহাৰিক পুথিৰ বিষয়বস্তুক ভাষাৰ মাজেৰে তুলি ধৰা হৈছিল। এই সমগ্ৰ সাহিত্যৰাজি লিখিত ৰূপ দিয়া হৈছিল সাঁচিপাতত। এখন সাঁচিপাতৰ পৰাই আন এখন, সেইখনৰ পৰা আন দুখন এনেকৈয়ে প্ৰাক্-ঔপনিৱেশিক কালত অসমত সাঁচিপাতৰ মাজেৰে অসমীয়া ভাষাৰ চৰ্চা অব্যাহত আছিল। সাঁচিপাতৰ নকল কৰিবলৈ এচাম বিশেষ বৃত্তিজীৱী লোকৰ সৃষ্টি হৈছিল। লিপিকাৰৰ ধাৰাবাহিক প্ৰচেষ্টাৰ বাবে সপ্তদশ-অষ্টাদশ শতিকাত অসমত অসমীয়া লিপিৰে গড়গঞা, কাইথেলী আৰু বামুণীয়া শীৰ্ষক তিনিটা সুকীয়া শাখা বা সম্প্ৰদায়ৰ প্ৰচলন থকাৰ কথা জনা যায়।

একেদৰে সাহিত্য সৃষ্টিৰ কেন্দ্ৰৰো সময়ে সময়ে পৰিৱৰ্তন হৈ আছিল। প্ৰাক্-শংকৰী যুগত মূলতঃ নামনি আৰু মধ্য অসম আছিল সাহিত্যৰ কেন্দ্ৰস্থল। শংকৰদেৱৰ সময়ত নামনি অসম আৰু কোচবেহাৰ আছিল এনে কেন্দ্ৰস্থল। পৰৱৰ্তী সময়ত আহোম ৰাজধানী আৰু উজনি-নামনিৰ সত্ৰসমূহ আছিল সাহিত্য সৃষ্টিৰ সাৰুৱা ভূমি। ইয়াৰ বাবেই ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ সৃষ্ট সাহিত্যত স্থানীয় ঔপভাষিক প্ৰভাৱ আছিল স্পষ্ট।

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম প্ৰদেশ অধিকাৰ কৰাৰ সময়ত অসমীয়া ভাষা আৰু লিপি দুয়োটা দিশতে ভিন্নতাৰ অভাৱ নাছিল। শাসনত অধিষ্ঠিত হোৱাৰ পাছতো বহু বছৰলৈ ভাষা আৰু লিপি সম্পৰ্কত কোম্পানীয়ে বিশেষ সিদ্ধান্ত লোৱা নাছিল। পৰৱৰ্তী সময়ত স্থানীয় ভাষাৰ সলনি বাংলা ভাষাকহে প্ৰশাসনিক, ন্যায়িক আৰু শৈক্ষিক ভাষাৰ মৰ্যাদা দিয়াৰ লগে লগে অসমীয়া ভাষাৰ মান্যকীৰণৰ সম্ভাৱনাও সাময়িকভাৱে ম্লান পৰিল। কিন্তু আমেৰিকান মিছনেৰীসকলৰ আগমনৰ লগে লগে ভাষাৰ মান্যকীৰণৰ প্ৰশ্নটো পুনৰবাৰ সন্মুখলৈ আহিল। আমি ইতিমধ্যে গম পাইছো যে, আমেৰিকান খ্ৰীষ্টান

মিছনেৰীসকলে শদিয়ালৈ অহাৰ পিছতে অসমীয়া ভাষা বাংলা ভাষাৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰ ভাষা, সেয়া উপলব্ধি কৰিছিল। লগতে যোগাযোগৰ ভাষাৰূপে অসমীয়া ভাষাটোৰ গুৰুত্বও অনুধাৱন কৰিবলৈ তেওঁলোকক বেছি পৰ লগা নাছিল। সেয়েহে প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি ধৰ্মপ্ৰচাৰৰ বাবে অসমীয়া ভাষাটোকে নিৰ্বাচন কৰিছিল। এইখিনিতে মন কৰিবলগীয়া যে, নিৰ্বাচনেই হ'ল ভাষাৰ মান্যীকৰণ প্ৰক্ৰিয়াৰ প্ৰথম।

**৫.৪.১ অৰুণোদয়কালীন অসমীয়া ভাষাৰ মান্যীকৰণ প্ৰক্ৰিয়া**

মিছনেৰীসকলে এই প্ৰান্তলৈ আহি স্থানীয় ভাষাক ধৰ্মপ্ৰচাৰৰ বাবে নিৰ্বাচন কৰাৰ অন্তৰালৰ কাহিনী আপোনালোকে ইতিমধ্যে জানিব পাৰিছে। তেওঁলোকে যি অঞ্চলত বা যাৰ মাজত মিছনৰ কাম চলাইছিল সেই অঞ্চল বা লোকৰ মুখৰ ভাষাটোকেই তেওঁলোকে ধৰ্ম-শিক্ষাৰ প্ৰচাৰৰ আহিলাৰূপে ব্যৱহাৰ কৰিছিল। শদিয়াৰ পৰা জয়পুৰলৈ নামি অহাৰ পাছত ১৮৪০ চনৰ পৰাই মিছনেৰী বাৰ্কাৰে ভৈয়ামৰ শিৱসাগৰ বা যোৰহাটলৈ মিছন স্থানান্তৰ কৰাৰ প্ৰস্তাৱ দি আছিল। ১৮৪১ চনত পোনপ্ৰথমবাৰৰ বাবে মিছনেৰীসকলে নিধি লিৱাই ফাৰৱেলৰ জৰিয়তে নিজৰ মিছনেৰী উদ্দেশ্যত সফল হোৱাৰ পাছত মিছনেৰীসকলৰ মনভৈয়ামৰ শিৱসাগৰৰ পিনে ঢাল খালে। ১৮৪১ চনত মিছনেৰীসকল আহিল; ১৮৪৩ চনত জয়পুৰত থকা ছপাশালখনো শিৱসাগৰলৈ লৈ আহে। শিৱসাগৰত ছপাশাল প্ৰতিষ্ঠা হোৱাৰ পাছত মিছনেৰীসকলে ভৈয়ামৰ অসমীয়া ভাষাটোক মিছনৰ উদ্দেশ্য পূৰ্তিৰ বাবে নিৰ্বাচন কৰিলে। এখন এখনকৈ ১৮৪৬ চনলৈ মিছনেৰীসকলৰ উদ্যোগত চৈধ্যখন বিদ্যালয় পতা হ'ল।

মিছনেৰীসকলে পতা এই বিদ্যালয়সমূহত অসমীয়া মাধ্যমত জ্ঞান-বিজ্ঞানৰ ধাৰণা দিবলৈ অসমীয়া পাঠ্য-পুস্তক ছপা কৰাৰ প্ৰয়োজনে প্ৰথমে অনুভূত হৈছিল। মিছনেৰীসকলে বাংলা আখৰৰ হৰফৰ আৰ্হিতে অসমীয়া আখৰৰ হৰফ নিৰ্মাণ কৰিলে। বানান-ৰীতিৰ বেলিকা তেওঁলোকৰ সন্মুখত দুটা পথ মুকলি আছিল বুলি আমি ইতিমধ্যে গম পাইছোঁৱেই। প্ৰথমটো আছিল উইলিয়াম কেৰিৰ মাগদৰ্শনত আত্মাৰাম শৰ্মাৰ দ্বাৰা অনুদিত বাইবেলৰ মাজেৰে সন্মুখলৈ অহা অসমীয়া বানান-ৰীতি আৰু দ্বিতীয়টো আছিল বুৰঞ্জী আৰু চৰিতপুথিৰ মাজেৰে বৰ্তি অহা বানান-ৰীতি। প্ৰথমটো বানান-ৰীতি আছিল সংস্কৃতানুগ আৰু দ্বিতীয়টো আছিল উচ্চাৰণভিত্তিক আৰু অনিয়মিত বানান-ৰীতি। মিছনেৰীসকলে সংস্কৃতানুগ বানান-ৰীতিৰ বিপৰীতে বুৰঞ্জী আৰু চৰিতপুথিৰ মাজেৰে বৰ্তি অহা বানান-ৰীতিটোকে কিছু সংস্কাৰ কৰি নিয়মীয়া ৰূপ দিলে। কথা কওঁতে যিদৰে উচ্চাৰণ কৰা হয় সেইদৰে ভাষা লিখাৰ ক্ষেত্ৰত মিছনেৰীসকলে গুৰুত্ব দিলে।

পাঠ্যপুথিসমূহৰ লগতে ১৮৪৬ চনত মিছনেৰীসকলে 'অৰুনোদই' আলোচনী প্ৰকাশ কৰে। আলোচনীখনৰ উদ্দেশ্য আছিল পৃথিৱীৰ বা-বাতৰি, জ্ঞান-বিজ্ঞানৰ খবৰৰ লগতে মিছনৰ বা-বাতৰি আৰু খ্ৰীষ্টীয় ধৰ্মৰ মহিমা বিভিন্ন উপায়েৰে প্ৰকাশ কৰা। আলোচনীখনে নিৰ্বাচিত অসমীয়া ভাষাটোক ছপা আখৰৰ ৰূপেৰে শিক্ষিত সমাজৰ

আগত পৰিচয় কৰাই দিলে। অৰুনোদইৰ মাজেৰে সন্মুখলৈ অহা ছপা অসমীয়া ভাষাটো পূৰ্ববৰ্তী চৰিত পুথি বা বুৰঞ্জীৰ মাজত সহজলভ্য মধ্যযুগীয় অসমীয়া ভাষাটোৰ পৰা বহু আঁতৰি আহিছিল। আধুনিক ৰূপৰ, নতুন বৰ্ণবিন্যাস ৰীতিৰ এই ভাষাটোক জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত 'অৰুনোদই'-এ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। ভিন ভিন বিষয়বস্তুক তুলি ধৰিবলৈ সক্ষম হোৱাৰ লগে লগে ভাষাটোৰ প্ৰকাশিকা শক্তি সম্পৰ্কে সকলো নিশ্চিত হ'ল। ভাষাটোক ছপা ৰূপ দি তাৰ অন্তৰ্নিহিত শক্তিৰ সৈতে জনসমাজক পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰত অৰুনোদই এক প্ৰকাৰে সফল হ'ল। মান্যীকৰণৰ পথত ইয়ে অৰিহণা আগবঢ়ালে।

তদুপৰি ঔপনিৱেশিক শক্তিৰ লগতে মিছনেৰীসকলে আঞ্চলিক ভাষাসমূহৰ গাঁঠনিক অধ্যয়নত গুৰুত্ব প্ৰদান কৰিছিল। মিছনেৰীৰ কামত নিয়োজিত ব্যক্তিসকলৰ প্ৰায়ে ভাষাতাত্ত্বিক প্ৰশিক্ষণ আছিল। অসমলৈ অহা খ্ৰীষ্টান মিছনেৰীসকলৰ ভিতৰতো নাথান ব্ৰাউন, মাইল্‌ছ ব্ৰন্সন আছিল ভাষাতাত্ত্বিক পণ্ডিত। অসমীয়া ভাষাৰ গাঁঠনিক দিশৰ অধ্যয়ন আৰু উপলব্ধিৰে নাথান ব্ৰাউনে অসমীয়া ভাষা সম্পৰ্কে ৰবিন্সনে আগবঢ়োৱা ধাৰণাক প্ৰত্যাহ্বান জনাইছিল। ৰবিন্সনৰ ব্যাকৰণ 'A Grammar of the Assamese Language'-এ আছিল অসমীয়া ভাষাত প্ৰথমখন ব্যাকৰণ। ১৮৩৯ চনত এইখন প্ৰকাশ হোৱাৰ ৯ বছৰ পাছতেই নাথান ব্ৰাউনে শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা ছপা কৰি উলিয়ায় 'Grammatical Notices of the Assamese Language'। ৰবিন্সনৰ ব্যাকৰণত থকা আসোঁৱাহসমূহ আঁতৰ কৰি ব্ৰাউনে নিজস্ব দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে যুক্তি দৰ্শায়।

একেদৰে ১৮৩৯ চনতে জাদুৰাম ডেকাৰাম বৰুৱাই 'Manuscript Bengali Dictionary with Assamese Defination' লিখে। অভিধানখনৰ পাণ্ডুলিপিটো তেওঁ জেনকিন্স চাহাবক প্ৰদান কৰিছিল। জেনকিন্স চাহাবে সেই হাতে লিখা পাণ্ডুলিপিটো মিছনেৰীসকলক দিছিল। পৰৱৰ্তীসময়ত সেইখনৰ কি হ'ল জনা নাযায়। ১৮৪০ চনত শ্ৰীমতী হেৰিয়েট বি.এ. কট্টাৰ নামৰ এগৰাকী মহিলাই লিখা 'Vocabulary and Phrases in English and Assamese' নামৰ শব্দাৱলী আৰু খণ্ডবাক্যকোষ এখন মিছনেৰীসকল জয়পুৰত থাকোতেই মিছন প্ৰেছৰ পৰা ছপা হয়। ২৫১ পৃষ্ঠাযুক্ত কিতাপখনত ২০০০ ইংৰাজী শব্দৰ ৬৫০০ অসমীয়া প্ৰতিশব্দ আছিল। আনন্দৰাম ঢেকিয়াল ফুকনেও অভিধান ৰচনাৰ চেষ্টা কৰিছিল বুলি জনা যায়। তেওঁৰ পৰিকল্পিত অভিধানৰ কিছু নমুনা ১৮৫৬ চনৰ অৰুণোদইৰ ডিচেম্বৰ সংখ্যাত প্ৰকাশ পাইছিল। কিন্তু কালক্ৰমত গৈ অভিধানখন প্ৰকাশ নাপালে। প্ৰকৃতাৰ্থত অসমীয়া ভাষাক আভিধানিক মৰ্যাদা প্ৰদান কৰে মাইল্‌ছ ব্ৰন্সনে তেওঁৰ 'A Dictionary in Assamese and English' নামৰ অচমিআ আৰু ইংৰাজি অভিধানৰ যোগেদিহে। নগাওঁত থাকোতেই ব্ৰন্সনে উক্ত অভিধানখন লিখি উলিয়াইছিল যদিও শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা ১৮৬৭ খ্ৰীষ্টাব্দতহে প্ৰকাশ হয়। মূলতঃ ঔপনিৱেশিক উদ্দেশ্য আগত ৰাখিয়ে ৰচিত হ'লেও এই ব্যাকৰণ আৰু অভিধানসমূহে অসমীয়া ভাষাক

এক ভাষাতাত্ত্বিক মৰ্যাদা প্ৰদান কৰাত সহায়ক হৈছিল। নিকটৱৰ্তী বাংলা ভাষাত এই ভাষাতাত্ত্বিক সমলসমূহ কেইবা দশক পূৰ্বে প্ৰস্তুত হৈছিল। ঊনবিংশ শতিকালৈ অসমত 'প্ৰয়োগ ৰত্নমালা ব্যাকৰণ' নামৰ সংস্কৃত ব্যাকৰণ ৰচনা হৈছিল, ৰচনা হৈছিল 'বৰ-অম্ৰ আৰু লতি-অম্ৰ' নামে আহোম-অসমীয়া ভাষাৰ অভিধানৰ। কিন্তু ছপা মাধ্যমৰ মাজেৰে নৱৰূপ লাভ কৰা অসমীয়া ভাষাটোক এক আনুষ্ঠানিক ভাষাতাত্ত্বিক মৰ্যাদা প্ৰদান কৰিব পৰা সমল অসমীয়া ভাষাত শতিকাটোৰ চতুৰ্থ দশকলৈ নাছিল। ব্ৰিটিছ বিষয়া আৰু মিছনেৰীসকলে এই অভাৱ পূৰণ কৰিলে। মিছনেৰীসকলে নিৰ্বাচন কৰা ভাষাটো ব্যাকৰণৰ মাজেৰে কিছুমান সাধাৰণীকৰণ নিয়মেৰে সূত্ৰবদ্ধ হ'ল। শব্দকোষ আৰু অভিধানৰ মাজেৰে ভাষাটোৱে এক সংগঠিত ৰূপ ল'লে। লগে লগে ছপা মাধ্যমৰ অসমীয়া ভাষাটোৱে মান্যীকৰণ প্ৰক্ৰিয়াৰ দ্বিতীয়টো ঢাপত উঠিল। কিয়নো এটা ভাষা নিৰ্বাচন কৰাৰ পাছত সেই ভাষাটোত ব্যাকৰণ, অভিধান, শব্দকোষ, পাঠ আদি ৰচনা কৰি তাক এক সুস্থিৰ ৰূপ দি বিদেশী লোকসকলৰ দ্বাৰা ভাষাটোক শিকিব পৰা ধৰণে প্ৰস্তুত কৰি তোলাই হ'ল মান্যীকৰণৰ দ্বিতীয় স্তৰ। ইংৰাজীত এই স্তৰটোক কোৱা হয় 'Codification'।

**৫.৪.২ অসমীয়া ভাষাৰ মান্যীকৰণ প্ৰক্ৰিয়ালৈ হেমচন্দ্ৰ-গুণাভিৰামৰ অৱদান**

মিছনেৰীসকলে অসমীয়া ভাষাত 'অৰুনোদই' প্ৰকাশ কৰাৰ পাছতে সমসাময়িক অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ একাংশ মিছনেৰীসকলে প্ৰকাশ কৰা আলোচনীখনৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সংযুক্ত হৈছিল। ইয়াৰে ভিতৰত প্ৰধান আছিল আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা। অসমীয়া ভাষাক শিক্ষাৰ মাধ্যমৰূপে প্ৰতিষ্ঠা কৰাৰ বাবে আৰু একেসময়তে মিছনেৰীসকলৰ বিদ্যালয়ত অসমীয়া মাধ্যমৰ পাঠ্য উপলব্ধ কৰাৰ বাবে আনন্দৰামে মিছনেৰীসকলৰ লগত মিলি একেলগে কাম কৰিছিল। বাক্যৰীতি আৰু বিষয়বস্তুৰ দিশৰ পৰা ফুকনে অৰুনোদইকালীন খ্ৰীষ্টান লেখকতকৈ কিছু অভিনৱত্ব দেখুৱাইছিল যদিও মিছনেৰীসকলৰ বৰ্ণবিন্যাস পদ্ধতি আৰু ব্যাকৰণৰ সৈতে তেওঁৰ কোনো সংঘাত নাছিল। ফুকনৰ বিপৰীতে কিন্তু গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণবিন্যাস পদ্ধতি আৰু ব্যাকৰণ সম্পৰ্কত সুকীয়া মত আছিল।

ইতিমধ্যে আপোনালোকে গম পাইছে যে, মিছনেৰীসকলে অসমীয়া ভাষাক ছপা কৰোতে যিটো বৰ্ণবিন্যাস পদ্ধতি গ্ৰহণ কৰিছিল সেয়া আছিল সম্পূৰ্ণ উচ্চাৰণ ভিত্তিক। গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা উভয়ে এই বৰ্ণবিন্যাস পদ্ধতিৰ একান্ত সমৰ্থক নাছিল। বিশেষকৈ হেমচন্দ্ৰ বৰুৱাই সংস্কৃত ভাষাৰ আধাৰতে অসমীয়া ভাষাৰ বৰ্ণবিন্যাস ৰীতি গঢ় দিয়াৰ পক্ষপাতী আছিল আৰু সেই উদ্দেশ্য আগত ৰাখিয়ে তেওঁ পূৰ্বৱৰ্তী ব্যাকৰণসমূহৰ বিপৰীতে ৰচনা কৰি উলিয়াইছিল 'অসমীয়া ভাষাৰ ব্যাকৰণ' (১৮৫৯ খ্ৰীষ্টাব্দ)। মিছনেৰীসকলৰ বিপৰীতে নতুনকৈ শিক্ষিত এই ডেকাচামে সংস্কৃত ভাষাৰ বৰ্ণবিন্যাস ৰীতিক আদৰ্শৰূপে গ্ৰহণ কৰিছিল। ঠিক ব্ৰন্সনে ক'বৰ দৰে- "They

punctiliousiy adhere to the same system of spelling in every other cognate of Sanskrit.” নতুনকৈ শিক্ষিত এই ডেকাচামে পোষকতা কৰা বৰ্ণবিন্যাস ৰীতিটো মূলতঃ উইলিয়াম কেৰীয়ে প্ৰতিষ্ঠা কৰা শ্ৰীৰামপুৰীয়া পাদুৰি পদ্ধতিহে বুলি মহেশ্বৰ নেওগে ইংগিতপূৰ্ণ মন্তব্য প্ৰদান কৰি গৈছে। উইলিয়াম কেৰী নিজেও সংস্কৃতৰ অধ্যাপক আছিল আৰু তেওঁৰ বাইবেলৰ অনুবাদৰ আঁচনিত সোমোৱা বাংলা, উড়িয়া, মৈথিলী, মাৰাঠী আদি সকলো ভাষাতে সংস্কৃতৰ বৰ্ণবিন্যাসৰ প্ৰভাৱেৰে প্ৰভাৱপুষ্ট কৰাৰ চেষ্টা কৰিছিল। অসমীয়া ভাষাও ইয়াৰ বিপৰীত নাছিল। এই সংস্কৃতীয়া বৰ্ণবিন্যাস ৰীতিৰ সমৰ্থক সম্পৰ্কত ১৮৫৪ খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহৰ ‘অৰুনোদই’ সংখ্যাৰ ‘Style and mode of spelling’ শীৰ্ষক সম্পাদকীয় প্ৰবন্ধত কোৱা হৈছিল যে, অৰুনোদইৰ কোনো পাঠকে ‘সংস্কিৃত আৰু বঙ্গালিৰে মিহলি কথা লিখিচে আৰু সংস্কিৃতৰ মাত লিখাৰ দৰে দিৰ্ঘ ঈকাৰ ঊকাৰ আদিৰে ভাসাৰ মাতো লিখিব দিচে’। সম্পাদকীয়টোত যি পাঠকৰ কথা কোৱা হৈছে তেওঁ খুব সম্ভৱ হেমচন্দ্ৰ বৰুৱাৰ মতাদৰ্শতে বিশ্বাসী আছিল।

হেমচন্দ্ৰ বৰুৱাই সোণাৰচাঁদ নামেৰে ‘অৰুনোদই’ৰ পাততে সাহিত্যিক জীৱনৰ পাতনি মেলিলেও এই অৰুনোদইৰ পাততে তেওঁ অসমীয়া ভাষাৰ তৎসম, তদ্ভৱ আৰু দেশী শব্দসমূহৰ ৰূপৰ ভাৰসাম্য ৰাখি সংস্কৃতানুগ বৰ্ণবিন্যাস পদ্ধতিৰ ওকালতি কৰি আহিছিল। বৰুৱাৰ এই ধাৰণাৰ প্ৰতি নাথান ব্ৰাউন, নিধি লিৱাই ফাৰৱেল আদিৰ পৰা কোনো সমৰ্থন পোৱা নাছিল। হেমচন্দ্ৰ বৰুৱাই তেওঁৰ আত্মজীৱনীত ‘অৰুনোদই’ কথা ক’বলৈ যাওঁতে কৈছে- “মই তাৰ বৰ্ণবিন্যাস সংশোধনৰ নিমিত্তে যত্ন কৰিবলৈ ধৰিলোঁ। মোৰ এই চেষ্টাত নিধি লেভি ফেয়াৰোৱেল নামেৰে এটা দেশী খৃষ্টিয়ানৰপৰা বৰ বাধা পাইছিলোঁ। সি তাৰ গুৰু ব্ৰাউন চাহাবৰ বৰ্ণবিন্যাসৰ প্ৰণালীৰ এক আঙ্গুলো লৰচৰ হোৱাক মহাপাপ যেন ভাবিছিল।” ইয়াৰ পৰা হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণবিন্যাস পদ্ধতিক যে মিছনেৰীসকলে প্ৰথমাৱস্থাত গ্ৰহণ কৰা নাছিল সেয়া সহজেই অনুমান কৰিব পাৰি। কিন্তু মিছনেৰীসকলে আৰু বিশেষকৈ ব্ৰন্সনে উপলব্ধি কৰিছিল যে, অসমৰ দেশীয় লোকসকলে অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠাৰ যুঁজত মিছনেৰীসকলক সহায় কৰিবলৈ আগবাঢ়ি অহাৰ পাছতো যদি বৰ্ণবিন্যাস সম্পৰ্কত একেটা ভাষাতে একাধিক ৰীতি থাকে, তেন্তে ভাষাটোক চৰকাৰী ভাষাৰূপে প্ৰতিষ্ঠা কৰাৰ সংগ্ৰামখন স্থবিৰ হোৱাৰ সম্ভাৱনাই অধিক। সেই সময়তে নিজৰ মতাদৰ্শক যুক্তিসহকাৰে তুলি ধৰিবলৈ হেমচন্দ্ৰ বৰুৱাই ‘অসমীয়া ভাষাৰ ব্যাকৰণ’ (১৮৫৯) ৰচনা কৰে। লাহে লাহে বৰুৱাৰ মতৰ গুৰুত্বও বৃদ্ধি হ’বলৈ ধৰে আৰু অৱশেষত ১৮৬১ৰ জানুৱাৰী মাহৰ পৰা উইলিয়াম বাৰ্ডৰ সম্পাদনাত ‘অৰুনোদই’ নামটো পৰিৱৰ্তন হৈ ‘অৰুণোদয়’ হয়। একেটা সংখ্যাৰে পৰা গোটেই কাকতখনত হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণবিন্যাস পদ্ধতি গ্ৰহণ কৰা হয়। অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰামখনত অসমীয়া পক্ষটো যে বহুধা বিভক্ত নহয়, তাৰ পৰিৱৰ্তে একগোটহে এই কথা প্ৰতিষ্ঠা কৰাৰ বাবে মিছনেৰী আৰু স্থানীয় শিক্ষিত আৰু প্ৰভাৱশালী লেখকচাম উভয়ৰে বৰ্ণবিন্যাস পদ্ধতি একে হোৱাটো দৰকাৰ আছিল। ব্ৰন্সনে আনকি ব্ৰাউনক বাইবেলৰ জতুৱা ভাওনিটো উচ্চাৰণাত্মক

ৰীতি পৰিহাৰ কৰি সংস্কৃতীয়া ৰীতি গ্ৰহণ কৰিবলৈ উপদেশ দিছিল। ইমানদিনে মিছনেৰীসকলে প্ৰতিষ্ঠা কৰা বিদ্যালয়সমূহত উচ্চাৰণাত্মক ৰীতি সম্পন্ন বৰ্ণবিন্যাসযুক্ত পাঠ্যৰ ব্যৱহাৰ হৈ আছিল। ১৮৭৩ চনত অসমীয়া ভাষা অসমৰ শিক্ষাৰ মাধ্যমৰূপে প্ৰতিষ্ঠা হোৱাৰ পাছত পাঠ্যপুথি প্ৰস্তুত কৰা কাৰ্যত সমসাময়িক লেখকচাম জড়িত হৈ পৰিছিল। হেমচন্দ্ৰ বৰুৱায়ো নিজৰ অসমীয়া ভাষাৰ ব্যাকৰণখন সংশোধন কৰি 'অসমীয়া ব্যাকৰণ' নামেৰে ১৮৭৩ চনত প্ৰকাশ কৰে। তাৰ পাছত ক্ৰমে 'আদিপাঠ', 'পাঠমালা', 'স্বাস্থ্যৰক্ষা বা গা ভালে ৰাখিবৰ উপায়' আদি পাঠ্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে লিখি উলিয়ায়। 'স্বাস্থ্যৰক্ষা বা গা ভালে ৰাখিবৰ উপায়' লিখি চৰকাৰৰ পৰা পুৰস্কাৰ পোৱাত আৰু এই পাঠ্যপুথিসমূহ বিদ্যালয়সমূহত চলিবলৈ ধৰাত তেওঁৰ বৰ্ণবিন্যাস পদ্ধতি ক্ৰমে সুস্থিৰ হ'ব ধৰিলে। ১৮৮৬ চনত প্ৰকাশিত তেওঁৰ 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' আৰু ১৮৯২ চনত প্ৰকাশিত 'পঢ়াশলীয়া অভিধান'খনে এই দিশটোত অধিক ক্ৰিয়া কৰে। তেওঁৰ 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' গ্ৰন্থখনৰে ১৮৯০ চনলৈ কুৰিটা সংস্কৰণ প্ৰকাশ হোৱালৈ চাই তৎকালীন সমাজত যে গ্ৰন্থখন জনপ্ৰিয় হৈছিল সহজে অনুমান কৰিব পাৰি। লগে লগে সংস্কৃতৰ আধাৰত বানান লিখাৰ পন্থাটোৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্ভৱ হ'ল।

গুণাভিৰাম বৰুৱাৰ মতো হেমচন্দ্ৰ বৰুৱাৰ দৰেই আছিল। তেৰোঁ মিছনেৰীসকলৰ উচ্চাৰণাত্মক বৰ্ণবিন্যাসৰ সমৰ্থক নাছিল কিন্তু হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণবিন্যাস পদ্ধতিকো তেওঁ আখৰে আখৰে মানি লোৱা নাছিল। পদ্মনাথ গোহাঞিহবৰুৱাৰ আত্মজীৱনী 'মোৰ সোঁৱৰণী'ত এই প্ৰসংগত কোৱা হৈছে- "...আমি সেইকালৰ অনুৰৰ্তী লেখক বিলাকে নিজ নিজ ৰুচি অনুসৰি সেই সাময়িক দুটা পন্থীয়া স্কুলত নাম লগাই লৈছিলোহঁক,- যি সকলে এতিয়া নাই লোৱা বুলি ক'ব খোজে, সিবিলাকেও তেতিয়া কাৰ্যতঃ অনাভুৱাকৈ নাম লগাই চলিছিল। সেই স্কুল দুটা আছিল, - এটা "হেমচন্দ্ৰ স্কুল" আৰু আনটো "গুণাভিৰাম স্কুল" ..... সিবিলাকৰ মাজত কোনো পিঠিয়া-পিঠি মতভেদ নাছিল, মাথোন এজন নিৰহনিপানী অসমীয়া লেখক, আনজন সংস্কৃতীয়া অসমীয়া লেখক; এজন উকা গদ্য লেখক, আনজন পদ্য-গদ্য লেখক, যেনে এজনে 'হৈছে' লিখে, আনজনে 'হইছে' লিখে ইত্যাদি।" (গোহাঞি বৰুৱা পৃ. ৩১)। গুণাভিৰাম বৰুৱাৰ বৰ্ণবিন্যাস-ৰীতি, মিছনেৰী আৰু হেমচন্দ্ৰ বৰুৱাৰ বৰ্ণবিন্যাস-ৰীতিৰ মাজত অৱস্থান কৰিছিল বুলি অনুমান কৰিব পাৰি। হেমচন্দ্ৰ বৰুৱাই 'আসাম নিউচ' (১৮৮২-৮৫) আৰু গুণাভিৰাম বৰুৱাই 'আসাম বন্ধু' (১৮৮৫-৮৬)-ৰ মাজেৰে নিজৰ নিজৰ বৰ্ণবিন্যাস ৰীতিক আগুৱাই নিছিল। পদ্মনাথ গোহাঞিবৰুৱাৰ দৰে পৰৱৰ্তী কালৰ আন আন লেখকসকলক যে এই দুয়োটা পন্থাই আলোড়িত কৰিছিল তাত কোনো সন্দেহ নাই।

এই সময়ছোৱাত অসমীয়া ভাষাৰ মান্যীকৰণৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছিল যদিও সম্পূৰ্ণ হোৱা নাছিল। এই সময়ছোৱাতে অসমীয়া ভাষাই অসমৰ চৰকাৰী ভাষাৰ মৰ্যাদা লাভ কৰিছিল। এই সময়ছোৱাতে অৰুনোদয়ৰ উপৰি 'আসাম বিলাসিনী', 'আসাম নিউচ', 'আসাম বন্ধু', 'মৌ' ৰ দৰে কাকত প্ৰকাশ পাইছিল। ভাষাটোত 'ৰাম-নৱমী'

আৰু ‘কানীয়াৰ কীৰ্তনৰ’ দৰে নাটক প্ৰকাশ হৈছিল। লগতে প্ৰকাশ হৈছিল বিদ্যালয়ৰ ছাত্ৰ উপযোগীকৈ ৰচনা কৰা পাঠ্য আৰু ব্যাকৰণ-অভিধান। মিছনেৰী বৰ্ণবিন্যাস পদ্ধতিৰ সলনি হেমচন্দ্ৰ-গুণাভিৰামৰ সমৰ্থিত বৰ্ণবিন্যাস-ৰীতিৰ প্ৰচলন হোৱাই এই সময়ছোৱাৰ ভাষাৰ মান্যীকৰণৰ অগ্ৰগতি।

**আত্মমূল্যায়নমূলক প্ৰশ্ন**

অৰুণোদই কালত অসমীয়া ভাষাৰ মান্যীকৰণ কিদৰে সম্পন্ন হৈছিল?

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

### ৫.৪.৩ অসমীয়া ভাষাৰ মান্যীকৰণ প্ৰক্ৰিয়ালৈ জোনাকীৰ অৱদান

হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাকে প্ৰমুখ্য কৰি সমসাময়িক সমাজ-সচেতন লোকসকলে ভাষাৰ মান্যীকৰণক কিছুদূৰ আগুৱাই দিয়াৰ পাছত কলিকতালৈ পঢ়িবলৈ যোৱা ছাত্ৰসকলৰ নেতৃত্বত ভাষাটোৰ মান্যীকৰণৰ তৃতীয়টো স্তৰ আৰম্ভ হয়। ১৮৭২ চনতে কলিকতাত উচ্চশিক্ষাৰ বাবে পঢ়িবলৈ যোৱা ছাত্ৰসকলে ‘অসমীয়া সাহিত্য চ’ৰা’ (১৮৭২) স্থাপন কৰিছিল যদিও কালক্ৰমত তাৰ প্ৰভাৱ কম হৈ অহাত পুনৰাই কলিকতাৰ অসমীয়া ছাত্ৰসকলে ১৮৮৮ চনত অসমীয়া ভাষা উন্নতি সাধিনী সভা চমুকৈ অঃ ভাঃ উঃ সাঃ সঃ নামেৰে এখন মঞ্চৰ পোষকতা কৰে। এই সভাৰ উদ্দেশ্যসমূহৰ ভিতৰত কেইটামান প্ৰধান আছিল- (ক) অশুদ্ধ ব্যাকৰণ আৰু বৰ্ণবিন্যাসৰ ঠাইত শুদ্ধ ব্যাকৰণ আৰু বৰ্ণবিন্যাস প্ৰচলন, (খ) সাহিত্য আৰু পাঠ্য-পুথিৰ অভাৱ দূৰীকৰণ আৰু (গ) সংস্কৃত বা আন ভাষাৰ পৰা ভাল ভাল পুথিৰ অনুবাদকৰণ ইত্যাদি। ইয়াৰ উপৰি পিছৰ বছৰৰ মাঘ মাহৰ পৰা তেওঁলোকে প্ৰকাশ কৰে অঃ ভাঃ উঃ সাঃ সঃ ৰ মুখপত্ৰ ‘জোনাকী’। কলিকতাৰ ডেকা শক্তিটোক প্ৰতিনিধিত্ব কৰিছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ বৰুৱা, সত্যনাথ বৰা, কনকলাল বৰুৱাৰ দৰে ব্যক্তিয়ে। জোনাকীৰ ভূমিকা সম্পৰ্কত সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে- “জোনাকীয়ে প্ৰাচ্য আৰু পাশ্চাত্য ভাৱধাৰাৰ মাজত সংযোগসেতু স্থাপন কৰিলে। ইউৰোপৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ ভাব (Contents) আৰু ৰূপৰ (Forms) আদৰ্শত অসমীয়া সাহিত্য স্ৰজন কৰিবলৈ এওঁলোক ব্ৰতী হ’ল। ইংৰাজী সাহিত্যৰ সংমিশ্ৰণৰ ফলত জোনাকীৰ প্ৰাৰম্ভিক কালছোৱাত ‘লিটিকাই’ প্ৰহসন, ‘পদুম কুঁৱৰী’ আৰু ‘লাহৰী’ উপন্যাস, ‘ভ্ৰমৰঙ্গ’ নামৰ অনুবাদ নাটক, ‘কৃপাবৰ বৰুৱা’ চৰিত্ৰ, পুথি সমালোচনা আৰু কবিতাৰ ন ন ৰূপ, ভাব আৰু ছন্দৰ উদ্ভৱ হয়।” (শৰ্মা পৃ. ২৭৯) জোনাকী আলোচনীয়ে বিষয়ৰ পিনৰ পৰা আংগিকৰ পিনৰ পৰা অসমীয়া ভাষালৈ সমৃদ্ধি আনিলে। গুণাভিৰাম বৰুৱাৰ ‘আসাম

বন্ধু'ৰে অসমীয়া আলোচনীৰ বাবে যি আৰ্হি নিদৰ্শনৰূপে আগবঢ়াইছিল, তাৰ বিস্তৃতি ঘটাই জোনাকীয়ে 'আসাম বন্ধু'ৰ সীমাবদ্ধতা অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল। কিয়নো জোনাকীত প্ৰকাশ হৈছিল- পদ্য, প্ৰবন্ধ, নাটক, জীৱনী, ছাত্ৰ-ৰচনা, পুথি সমালোচনা, আখ্যান, সাঁথৰ, ঐতিহাসিক আখ্যান, ভ্ৰমণ-কাহিনী, সাধু, লঘু ৰচনা, উপন্যাস, চুটিগল্প, বাদ-প্ৰতিবাদ, কথোপকথন, চিঠি-পত্ৰ, ব্যংগ-আখ্যান আদি। ইয়াৰ উপৰি কোনো কোনো সংখ্যাত চিৰকলীয়া পাঁজিৰ শিতান আৰু দেওবৰীয়া আখৰ উলিওৱাৰ নিয়ম আদিয়ো প্ৰকাশ হৈছিল। বিষয়ৰ পিনৰ পৰা এনেদৰে জোনাকীয়ে অসমীয়া ভাষাক অভূতপূৰ্ব অভিনৱত্ব প্ৰদান কৰে।

আনপিনে, বৰ্ণ-বিন্যাস ৰীতিৰ প্ৰসংগত ইতিমধ্যে উল্লেখ কৰি অহা হেমচন্দ্ৰ-গুণাভিৰামৰ স্কুল বা পন্থাৰ ভিতৰতো হেমচন্দ্ৰৰ স্কুলে জোনাকীৰ লেখকথূলক অধিক অনুপ্ৰাণিত কৰিছিল বুলি অনুমান কৰিব পাৰি। লক্ষ্মীনাথ বেজবৰুৱাই আত্মজীৱনীত উল্লেখ কৰা অনুসৰি "বাস্তৱিকতে আসাম নিউচ পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ ফালে ভালকৈ মন দিহে প্ৰথমতে মই অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকোঁ। 'আসাম-নিউচে' নিশ্চয় অসমীয়া ভাষাৰ যুগান্তৰ উপস্থিত কৰিলে।" (বেজবৰুৱা, পৃ. ৩৯)। ১৮৮৯ ৰ পৰা ১৮৯৮ লৈ কলিকতাৰ পৰা প্ৰকাশিত জোনাকীয়ে সেয়েহে বৰ্ণনাৰীতিৰ ক্ষেত্ৰত অসমীয়া ভাষাক হেমচন্দ্ৰ বৰুৱাই দেখুৱাই যোৱা বাটেৰে বহুদূৰ আগুৱাই দিলে। পৰৱৰ্তী সময়ৰ 'বাঁহী', 'ঊষা', 'মিলন', 'আবাহন' ৰ দৰে আলোচনীৰ মাজেৰে কুৰি শতিকাত বৰ্ণবিন্যাস-ৰীতি প্ৰায় নিৰ্দিষ্ট হৈ উঠিছিল। ইয়াৰ লগে লগে অসমীয়া ভাষাৰ মান্যীকৰণৰ তৃতীয়টো স্তৰৰ সূচনা হৈছিল। ভাষাৰ মান্যীকৰণৰ তৃতীয়টো স্তৰক বিস্তাৰিতকৰণ (Elaboration) বুলি ক'ব পাৰি। এই স্তৰত ভাষা এটাৰ মাজত থকা বিভিন্নতাসমূহ আঁতৰ কৰি তাক ভিন ভিন বিষয়, প্ৰসংগ আৰু বিশেষকৈ বৌদ্ধিক ক্ষেত্ৰত ব্যৱহাৰযোগ্য কৰি তোলা হয়। এটা মান্য ভাষাৰ প্ৰধান বৈশিষ্ট্যয়ে হ'ল 'Maximal variation in function, minimal variation in form' (Ramlan, p. 32)।

জোনাকী আলোচনীৰ মাজেৰে বংগীয় নৱজাগৰণৰ আৱেশো অসমৰ সমাজ-জীৱনলৈ আহিছিল। অৱশ্যে 'অৰুনোদই' আলোচনীয়ে অসমীয়া বৌদ্ধিক জীৱনৰ বুনিয়াদ তৈয়াৰ কৰি দিছিল। সেই ভেঁটিকে 'আসাম-নিউচ', 'আসাম বন্ধু', 'মৌ' ৰ দৰে কাকতে মজবুত কৰি দিছিল। একেদৰে হেমচন্দ্ৰ-গুণাভিৰামৰ সময়ৰ পৰাই বংগীয় চিন্তা-বুদ্ধি আৰু সংস্কাৰ-আচৰণৰ প্ৰভাৱ অসমৰ পৰা কলিকতালৈ পঢ়িবলৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত পৰিছিল। জোনাকী কাকতৰ অন্তৰালত থকা কলিকতীয়া ছাত্ৰসকলো ইয়াৰ ব্যতিক্ৰম নহয়। বংগীয় ভাষিক আৰু সাংস্কৃতিক জাতীয়তাবাদৰ বা তেওঁলোকৰ গাত বাৰুকৈয়ে লাগিছিল। অসমীয়া ভাষা-সাহিত্যৰ হৈ কাম কৰাৰ বেলিকা তেওঁলোকে প্ৰায়ে এই বংগীয় সাংস্কৃতিক জাতীয়তাবাদকে আধাৰস্বৰূপে লৈছিল। অঃ ভাঃ উঃ সাঃ সভাৰ উদ্দেশ্যসমূহলৈ চালেও অনুধাৱন কৰিব পাৰি যে, অসমৰ ঐতিহ্য অনুসন্ধান কৰাৰ উপৰি তেওঁলোকে বংগীয় ভাষা-সাহিত্যত যিবোৰ দিশৰ সূচনা ইতিমধ্যে

হৈছে, সেই দিশসমূহ অসমীয়া ভাষা-সাহিত্যতো আৰম্ভ কৰিবলৈ আগ্রহী হৈ পৰিছিল। এই আগ্রহে অসমীয়া ভাষাৰ সাহিত্যক বিষয় আৰু আংগিকৰ দিশৰ পৰা কেনেকৈ সমৃদ্ধ কৰিছিল আমি ইতিমধ্যে গম পাইছোঁ। অসমৰ কলিকতীয়া ছাত্রথূলে ভাষা-সাহিত্যলৈ নতুনত্ব অনাৰ দিশতহে যে কেৱল বংগীয় ভাষিক জাতীয়তাবাদক অনুসৰণ কৰিছিল এনে নহয়। উপভাষা আৰু মান্যভাষাৰ সীমাৰেখা নিৰ্ধাৰণৰ বেলিকাও অসমৰ বৌদ্ধিক নেতৃত্বই বংগীয় ভাষিক জাতীয়তাবাদৰ আৰ্হি গ্রহণ কৰিছিল। বাংলা ভাষাৰ কেইবাটাও আঞ্চলিক ভিন্নতা থকা ঊনবিংশ শতিকাৰ বংগত কলিকতাকেন্দ্রিক ভাষাটোকে ছপাশালৰ বাবে গ্রহণ কৰাৰ পাছত, সেই আঞ্চলিক ৰূপটোকে মান্যীকৰণৰ মাজেৰে সামাজিক মৰ্যাদা প্রদান কৰা হৈছিল। বাকী আঞ্চলিক ৰূপবোৰ কেৱল কথিত ৰূপতে ৰৈ গৈছিল। এই ৰূপবোৰে সহজে ছপাশালত স্থান নাপাইছিল, নাছিল সামাজিক আৰু সাহিত্যিক মৰ্যাদা। অসমৰ ভাষিক পটভূমিও বংগতকৈ বহুত বেছি বেলেগ নাছিল। শিৱসাগৰকেন্দ্রিক অসমীয়া ভাষাৰূপটোৱে ছপাশালত স্থান পোৱাৰ পাছত 'অৰুনোদই'ৰ পৰা আৰম্ভ কৰি 'মৌ'লৈকে আলোচনীসমূহৰ মাজেৰে অসমীয়া ভাষাৰ এই আঞ্চলিক ৰূপটোৰে চৰ্চা হৈ আহিছিল। তদুপৰি এই আঞ্চলিক ৰূপটো সমসাময়িক লেখকচামৰ সৰহ সংখ্যকৰে আছিল মাতৃভাষা বা প্রথমভাষা। ফলশ্রুতিত এই আঞ্চলিক ৰূপটোকে আধাৰস্বৰূপে লৈ অসমীয়া ভাষাৰ মান্যীকৰণৰ প্রক্রিয়াটো আগবাঢ়িছিল। আনপিনে, প্রাচীন আৰু মধ্যযুগীয় সাহিত্যিক পৰম্পৰা বহন কৰি অহা কামৰূপী আৰু গোৱালপৰীয়া আঞ্চলিক ৰূপ দুটা সৰহভাগ সময়তে আধুনিকীকৰণ আৰু মান্যীকৰণ প্রক্রিয়াৰ আওঁতাৰ বাহিৰতে ৰৈ গৈছিল। 'জোনাকী' কাকতৰ মাজেৰেও বংগীয় ভাষিক জাতীয়তাবাদৰ আধাৰত অসমীয়া ভাষাৰ এটা মাত্র ৰূপ (শিৱসাগৰীয়া আঞ্চলিক ৰূপ) লিখিতৰূপত প্রচলনৰ পোষকতা কৰা দেখা গ'ল। অৱশ্যে এইক্ষেত্রত জোনাকীৰ স্পষ্ট ভাষিক নীতি আছিল যেন মনে নধৰে কিয়নো চতুৰ্থ ভাগৰ অষ্টম সংখ্যাত প্রকাশিত 'কামৰূপীৰ পত্র' শীৰ্ষক চিঠিৰ মাজেৰে গুণাভিৰাম বৰুৱাই কামৰূপী ভাষাটোক লিখিত ৰূপত তুলি ধৰিছে এই ধৰণে- "বাপা ! আমাৰ দুখুৰ কথা দু আযাৰ মান কবা খোজোঁ। যদিহে কবা দেও কওঁ।....আমাৰ দুখুৰ কথা শুন্‌লি বাপা, তুহনা ক'ত প'তেবি। আমাৰ কামৰূপুত কলাজ্বৰে পাই মানুহক মাৰি খাস্তাং কৰ্বা ধৰ্ছি। মৰং লাগাদি সাৰাঁসোহাই মাহনু মৰ্ছি। আগৰ দৰে পথৰত খেতি নাই।..." (শইকীয়া পৃ. ৫১৮-৫১৯)। জোনাকী থূলৰে ত্রিমূৰ্ত্তিৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাই 'অসমীয়া ভাষা উজনিৰো অকলশৰীয়া ভাষা নহয়, ভাটীৰো অকলশৰীয়া ভাষা নহয়। যি গোটেই অসমৰ ভাষা..." (শইকীয়া পৃ. ৭৫) বুলি মন্তব্য প্রদান কৰিছিল। সেইগৰাকী বেজবৰুৱাই এটা মাত্র লিখিত ভাষাৰ পোষকতা কৰি আকৌ পৰস্পৰবিৰোধী মন্তব্য কৰিছে এনেদৰে- "ভাটীৰ অসমীয়াসকলে তেওঁলোকৰ নিজৰ ঘৰুৱা মাত-কথাত নিজৰ দেশৰ গঢ়-গতি যিমান মন যায় ৰাখক, তাত আমাৰ আপত্তি কৰিবলৈ বিশেষ কাৰণ নাই; বৰং তাৰ দ্বাৰাই তেওঁলোকৰ নিজৰ ঠাইলৈ মমতাহে প্রকাশ পাব। কিন্তু গোটেই অসমীয়াৰ ৰাজহুৱা সম্পত্তি অসমীয়া ভাষাৰ বেলিকা সেইবোৰ

তেওঁলোকে দূৰতে থৈ দিয়া উচিত আৰু তাৰ বিৰুদ্ধে সেইবোৰ থিয়কৈ দি বিৰোধ ভাবৰ সৃজন নকৰিবলৈ মাথোন মই তেওঁলোকৰ ওচৰত মিনতি কৰোঁ।" (শইকীয়া পৃ. ৭৬)। গতিকে এই সময়ছোৱাক বৰ্ণবিন্যাস ৰীতি নিৰ্দিষ্ট হ'ল যদিও এটা ভাষাৰূপক লিখিত ভাষা ৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টাই ঔপভাষিক ৰূপবোৰৰ মাজত দ্বন্দৰ পটভূমিৰ তৈয়াৰ কৰিলে। কুৰি শতিকাৰ আৰম্ভণিৰ দশককেইটাতো এই পৰিস্থিতি অক্ষুণ্ণ থাকিল।

**অগ্ৰগতিৰ খতিয়ান**

জোনাকী সমকালীন অসমীয়া জাতীয়তাবাদে অসমীয়া ভাষাৰ মান্যীকৰণক কিদৰে প্ৰভাৱান্বিত কৰিছিল?

......................................................................................................

......................................................................................................

......................................................................................................

### ৫.৪.৪ বিংশ শতিকাৰ প্ৰথমছোৱাৰ অসমীয়া ভাষাৰ মান্যীকৰণ প্ৰক্ৰিয়া

কলিকতাৰ পৰা জোনাকী ১৮৯৮ চনলৈ প্ৰকাশিত হৈ আছিল। কলিকতাৰ পৰা প্ৰকাশ বন্ধ হোৱাৰ পাছত গুৱাহাটীৰ পৰাও কিছুদিনলৈ জোনাকী প্ৰকাশ হৈ আছিল। ১৯০৭ চনত পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত 'উষা' আৰু ১৯০৯ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' প্ৰকাশ পালে। 'বাঁহী'ৰ পাততো বেজবৰুৱাৰ এটা মাত্ৰ লিখিত ভাষাৰ পোষকতা কৰাৰ প্ৰৱণতা স্পষ্ট। উদাহৰণস্বৰূপে- বাঁহীৰ তৃতীয় বছৰৰ অষ্টম সংখ্যাত নামনি অসমৰ তাৰানাথ চক্ৰৱৰ্তীৰ 'বেউলা' গ্ৰন্থৰ ভাষা সমালোচনা কৰি কৈছিল- "ওপৰক 'উপৰ', পৰাক 'পাৰা', সোমাই আছেক 'সুমাই আছে', উখল-মাখল 'উখাল-মুখল', হ'ব খোজাক 'হ'ব খুজে'..... ইত্যাদি বিকৃতাকাৰ শব্দক কিতাপৰ ভিতৰত ঠাই দিবলৈ যিমানে চেষ্টা কৰক, এইটো নিশ্চয় যে তেওঁ কোনো ভাল অসমীয়া লেখকক এই কাৰ্যত লগ নাপায়"। (শইকীয়া, পৃ. ১১৬)। বেজবৰুৱাই গ্ৰন্থ সমালোচনা প্ৰসংগত নামনি অসমৰ ভাষাৰ শব্দক 'বিকৃতাকাৰ' বুলি কোৱালৈ চাই 'শিৱসাগৰীয়া' ভাষাটোক যে লিখিত ভাষা কৰাৰ তেওঁ পূৰ্ণ সমৰ্থক আছিল সেয়া সহজেই অনুমান কৰিব পাৰি। এটা মাত্ৰ ভাষাৰূপৰ প্ৰচলন কৰাই আছিল কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধৰ ভাষিক বাক্‌ধাৰা। নলিনীবালা দেৱীৰ সন্ধিয়াৰ সুৰৰ ভাষা সম্পৰ্কে ক'বলৈ গৈয়ো বেজবৰুৱাই তেওঁৰ এই দৃষ্টিভংগীৰ বহিৰ্প্ৰকাশ কৰিছে এনেদৰে- "তেওঁৰ কিতাপখনত 'দেউল', 'খেৰা (খেয়া), 'থামি গ'ল' এনেকুৱা দুই-চাইতা কথাৰ সলনি নিভাঁজ অসমীয়া শব্দ থকাহেঁতেন আমি ভাল পালোহেঁতেন।" (শইকীয়া, পৃ. ১০৩)। এক জাতীয় ভাষা নিৰ্মাণৰ আগ্ৰহে বেজবৰুৱাৰ ভাষা-চিন্তাক প্ৰভাৱিত কৰিছিল বুলি নিশ্চিতভাৱে ক'ব পাৰি। এক জাতীয় ভাষাৰ নিৰ্মাণ প্ৰক্ৰিয়াই প্ৰকৃতাৰ্থত মান্যীকৰণ প্ৰক্ৰিয়া।

বাঁহীৰ প্ৰায় সমসাময়িকভাৱে ১৯০৬ চনত প্ৰকাশ পাইছিল 'উষা'। পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত প্ৰায় দহবছৰমান কাল আলোচনীখন সক্ৰিয় হৈ আছিল। সময়ৰ দিশৰ পৰা কম হ'লেও "অসমীয়া ভাষা লিখাৰ ঠাঁচ, বৰ্ণবিন্যাসৰ গঢ়, ৰচনা ৰীতি আৰু নতুন শব্দ সজাত...উষাৰ অৰিহণা সৰহ আৰু বাছকবনীয়া। গোহাঞিবৰুৱাই সজা শব্দৰ ভিতৰত 'আজিকোপতি', 'অনতিপলমে', 'অধনুৱা', 'সম্পাদকৰ শৰাই', 'চকুৱে চকুৱে কথা', 'দুৱলীয়া লাট', 'থূল' আদি কৰি ভালেমান নতুন শব্দ আমাৰ ভাষাৰ মাজত কোনেও গম ধৰিব নোৱৰাকৈ সোঁ- সোঁ কৰে চলি গৈছে। ( গোস্বামী পৃ. ৮৮-৮৯)। 'জোনাকী', 'উষা' আৰু বিশেষকৈ 'বাঁহী' আলোচনীৰ মাজেৰে যিটো জাতীয় ভাষা নিৰ্মাণ কৰাৰ প্ৰচেষ্টা আৰম্ভ হৈছিল, সেই ভাষাটোৰ পৰা দূৰত্ব অনুভৱ কৰা এচাম লেখকো সমসাময়িক অসমত আছিল। বাঁহী প্ৰভৃতি আলোচনীৰ দৃষ্টিভংগীৰ পৰা আঁতৰি আহি পণ্ডিত তাৰানাথ চক্ৰৱৰ্তী বিদ্যাবিনোদৰ সম্পাদনাত দৰঙৰ পৰা ১৯১০ চনত প্ৰকাশ পায় 'আসাম বান্ধৱ'। শৰৎ চন্দ্ৰ গোস্বামী, ডাঃ হৰিকৃষ্ণ দাস, ভৰত চন্দ্ৰ দাস, কালিৰাম মেধি এই আলোচনীখনৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৰ্কিত আছিল। 'জোনাকী'-'বাঁহী'ৰ পৰিৱৰ্তে 'আসাম-বান্ধৱ'ত নামনি অসমৰ ভাষাক গুৰুত্ব সহকাৰে স্থান দিয়া হৈছিল। এই প্ৰসংগত 'আসাম বান্ধৱ'ৰ মন্তব্য আছিল- "ইমান দিনে আমি আমাৰ ক্ষুদ্ৰ শক্তিৰে দেশৰ ভিতৰত জ্ঞান বিস্তাৰ কৰিবলৈ আৰু ভাষাৰ উন্নতিত সহায় কৰিবলৈ চেষ্টা কৰিছো। অসমীয়া ভাষা যে কোনো বিশেষ ঠাইৰ সম্পত্তি নহয় আৰু সেই ঠাইৰ মাত কথাৰ লগত নিমিলিলেও যে সি অসমীয়া ভাষা হ'ব পাৰে, বৰ্ত্তমান ছপা ব্যাকৰণেই যে অসমীয়া ভাষাৰ শেষ ব্যাকৰণ নহয়, নামনি অসমৰ ভাষাও যে আধুনিক অসমীয়া ভাষাৰ অন্তৰ্গত হোৱা উচিত আৰু তাকে কৰিলেহে আমাৰ ভাষা পৰিস্ফুট হ'ব তাকে দেখুৱাবলৈ আমি বান্ধৱত পুৰুষাৰ্থ কৰিছো।" (বৰুৱা, পৃ ৯২)। এটা নিৰ্দিষ্ট ভাষাৰূপক মান্যভাষা ৰূপে নিমাৰ্ণ কৰাৰ প্ৰক্ৰিয়াটোৰে ভাষাটোৰে আন আন আঞ্চলিক ৰূপসমূহ ব্যৱহাৰকৰ্তাৰ মনত কি ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল সেয়া 'আসাম-বান্ধৱ'ৰ বক্তব্যৰ পৰা স্পষ্টকৈ বুজা যায়। লগতে এই জাতীয় ভাষা নিৰ্মাণৰ প্ৰচেষ্টাই অসমীয়া ভাষাৰ স্বাভাৱিকতালৈ আহিব পৰা বিৰাম সম্পৰ্কেও 'আসাম বান্ধৱ' আছিল সৰৱ। উদাহৰণস্বৰূপে, আলোচনীখনৰ সপ্তম বছৰৰ দশম সংখ্যাত কালিৰাম মেধিয়ে 'আমাৰ সাহিত্য' নামৰ প্ৰবন্ধত লিখিছে- "আজিকালি উজনিৰ সাহিত্যিকসকলৰ লেখাৰ পৰা এনে অনুমান হয় যে যিমানে উজনিৰ ঘৰুৱা শব্দ সুমাই ভাষা অস্পষ্ট কৰিব পৰা যায়, যিমানে নামনিৰ কথা বৰ্জিত কৰিব পৰা যায়, তিমানে ভাল অসমীয়া হয়। তেওঁলোকৰ সাহিত্যত প্ৰাদেশিক আৰু গ্ৰাম্য কথা ইমান সোমাব লাগিছে যে নামনিৰ পক্ষে ই ক্ৰমাৎ অস্পষ্ট আৰু দুৰ্বোধ্য হৈ আহিছে।... যিসকলে হেমকোষৰ আৰু হেম বৰুৱাৰ ব্যাকৰণৰ বেছি দোহাই দিয়ে সেইসকলেই অসমীয়া ভাষাৰ বেছি লটি-ঘটি কৰিছে।" (গোস্বামী আৰু দাস, পৃ. ২১২)। কেৱল কালিৰাম মেধিয়ে নহয়, 'আসাম বান্ধৱ' থূলৰ প্ৰায়বোৰ লেখকেই আলোচনী খনত কামৰূপী ভাষাৰ উপাদানৰ বিস্তৰ প্ৰয়োগেৰে প্ৰবন্ধ-পাতি লিখিছিল। প্ৰকাশ বন্ধ

হোৱাৰ আগলৈকে 'আসাম বান্ধৱ'এ কামৰূপী ভাষাক লিখিত ভাষাৰ মৰ্যাদা দিয়াৰ বাবে একক প্ৰচেষ্টা চলাই গৈছিল। 'আসাম বান্ধৱ'ৰ পৰৱৰ্তী সময়ৰ 'চেতনা', 'মিলন', 'আৱাহন', 'জয়ন্তী' আদি আলোচনীয়ে কোনো বিশেষ ভাষিক বিতৰ্কত অংশগ্ৰহণ নকৰিলেও আলোচনীকেইখনে প্ৰধানতঃ ঊষা-বাঁহীৰ ভাষাটোকেই আগুৱাই নিছিল। কুৰি শতিকাৰ আৰম্ভণিতে (১৯১২) দেৱানন্দ ভৰালিৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি' প্ৰকাশ পায়। এই গ্ৰন্থখনতো তেওঁ অসমীয়া ভাষাৰ ব্যাকৰণিক নিদৰ্শন দিবলৈ গৈ উজনিৰ ভাষাৰূপটোক আধাৰ স্বৰূপে লৈছিল। তেওঁৰ গ্ৰন্থ (তেওঁৰ ভাষাত পুস্তিকা)খনৰ নামটোৰ পৰাই অনুমান কৰিব পাৰি যে, তেওঁ অসমীয়া ভাষাৰ মৌলিকত্ব প্ৰতিষ্ঠা কৰিবলৈহে সেইখন ৰচনা কৰিছিল। এই উদ্দেশ্যত সফল হ'বলৈ উজনিৰ ভাষাৰূপটোক আৰ্হি হিচাপে লোৱাটোত অস্বাভাৱিকতা একো নাই। উদাহৰণস্বৰূপে, তেওঁৰ এইখন গ্ৰন্থৰে ব্যাকৰণিক আলোচনাৰ এটা অংশলৈ মন কৰক- "অ, আ উচ্চাৰণৰ স্থান 'কণ্ঠ'। অসমীয়াতে 'অ'ৰ উচ্চাৰণ বঙালীৰ সমান বিবৃত নহয়, বৰং হিন্দীৰ দৰে সংবৃত (like 'o' in 'shot')। কিন্তু নামনি আসামত কিছু বিবৃত (like 'au' in 'shot')।" (ভৰালি, পৃ. ১৫১)। ভৰালিৰ গ্ৰন্থখন প্ৰকাশ হোৱাৰ ১৩ বছৰ পাছত প্ৰকাশ পায় সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ'। বৰাই ব্যাকৰণখনৰ পাতনিত যিটো আচল অসমীয়া জতুৱা ঠাঁচ বুলি কৈছিল সেয়াও জোনাকী-বাঁহীয়ে প্ৰতিষ্ঠিত কৰা ভাষাটোৰহে ঠাঁচ। "অসমীয়া ঠাঁচত বা সাঁচত বাক্য নাচালিলে সি যথাৰ্থ অসমীয়া নহয়। বঙ্গলা চোক উঠেছে, বা পেট নেবেছে এই দুই কথাৰ পৰিৱৰ্ত্তে অসমীয়াত চকু উঠিছে বা পেট নামিছে বুলিলে বাক্য দুটা অসমীয়া নহ'ব, সিহঁতক অসমীয়া ঠাঁচত ঢলা নহ'ল। আঁচল ঠাঁচত ঢালিলে সিঁহতক চকু নামিছে আৰু পেট বৈছে হ'ব।" (বৰা, পৃ. vi)। সমসাময়িক লেখক কালিৰাম মেধিয়ো তেওঁৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' গ্ৰন্থ (১৯৩৬)-ৰ যোগেদি অসমীয়া ভাষা-চিন্তালৈ অৰিহণা আগবঢ়ায়। কালিৰাম মেধিয়ে ১৯১১ চনত 'আসাম বান্ধৱ' কাকততেই 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' শীৰ্ষক এটা প্ৰবন্ধ প্ৰকাশ পাইছিল। এই প্ৰবন্ধটোৱে আছিল একে নামৰ পৰৱৰ্তী গ্ৰন্থখনৰ আধাৰ। ভৰালি আৰু বৰাৰ বিপৰীতে মেধিয়ে কিন্তু কেৱল যে মান্য ভাষাৰূপে সাজু কৰি থকা ভাষাৰূপটোকে গুৰুত্ব দিছিল এনে নহয়। গ্ৰন্থখনৰ পাতনিতে তেওঁ লিখিছে- "I have not confined my attention solely to the standard form of our speech but have noticed both the language and dialects in current use in the Brahmaputra valley" (Medhi, p. 97). ইয়াৰ পৰা স্পষ্ট যে, আন আঞ্চলিক ৰূপসমূহ (বিশেষকৈ নামনি অসমৰ) কালিৰাম মেধিৰ ভাষিক দৃষ্টিভংগীৰ ভিতৰুৱা আছিল।

সামগ্ৰিকভাৱে দেখা যায় যে, জোনাকী কাকতৰ মাজেৰে অঃভাঃউঃসাঃ সভাৰ লেখকগোষ্ঠীয়ে এক জাতীয় ভাষা নিৰ্মাণৰ সচেতন প্ৰয়াস আৰম্ভ কৰি অসমীয়া ভাষাৰ মান্যীকৰণৰ যি তৃতীয়টো স্তৰৰ সূচনা কৰিছিল, সি কুৰি শতিকাৰ প্ৰথম দশককেইটাতো সুস্থিৰ হোৱা নাছিল। ইয়াৰ বিপৰীতে এই সময়ছোৱাতে ঔপভাষিককেন্দ্ৰিক বিতৰ্কই

নতুনকৈ মূৰ দাঙি উঠিছিল। এই আভ্যন্তৰীণ দ্বন্দৰ বাবে জাতীয় ভাষাৰূপে নির্মীয়মান ৰূপটো সর্বগ্রহণযোগ্য হৈ উঠা নাছিল। আনপিনে অসমীয়া ভাষাৰ গঠন ব্যাখ্যাকাৰী কেইবাখনো উল্লেখযোগ্য গ্রন্থ, ব্যাকৰণ এই সময়ছোৱাত প্রকাশ হোৱাৰ পাছত মান্যীকৰণৰ দ্বিতীয় স্তৰ প্রায় সম্পূর্ণ হৈছিল।

**আত্মমূল্যায়নমূলক প্রশ্ন**

কুৰি শতিকাৰ ভাষাৰ মান্যীকৰণ প্রক্রিয়াক ঔপভাষিক বিতর্কই কিদৰে প্রভাৱান্বিত কৰিছিল?

.................................................................................................

.................................................................................................

.................................................................................................

**৫.৪.৫ অসমীয়া ভাষাৰ মান্যীকৰণ প্রক্রিয়ালৈ বাণীকান্ত কাকতিৰ অৱদান**

বাণীকান্ত কাকতিৰ গৱেষণা গ্রন্থ 'Assamese its Formation and Development' ১৯৪১ চনত প্রকাশ পায়। অসমীয়া ভাষাৰ বিদ্যায়তনিক অধ্যয়ন কৰা প্রথম ব্যক্তি তেঁৱেই আছিল। তেওঁৰ গৱেষণা গুৰু আছিল সুনীতি কুমাৰ চেটার্জী। চেটার্জীয়ে ইতিমধ্যে 'Origin and Development of Bengali Language' শীর্ষকৰে বাংলা ভাষাৰ উৎপত্তি আৰু বিকাশক বিদ্যায়তনিকভাৱে প্রতিষ্ঠা কৰিছিলে। বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গুৰুৰ পদাংক অনুসৰণ কৰি অসমীয়া ভাষাক বিদ্যায়তনিক মর্যাদা সম্পন্ন কৰে। বাণীকান্ত কাকতিৰ গৱেষণা গ্রন্থৰ অধ্যায় বিভাজনো চেটার্জীৰ ODBL গ্রন্থৰ সৈতে অবিকল আছিল। চেটার্জীৰ দৰেই বাণীকান্ত কাকতিয়ো অসমীয়া ভাষা মাগধী প্রাকৃতৰ পৰা বিকশিত হোৱাৰ ধাৰণাক সমর্থন কৰে। লগে লগে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি আৰু বংগসমাজত সন্মানীয় সুনীতি কুমাৰ চেটার্জীৰ তত্ত্বৱধানে 'অসমীয়া ভাষা বাংলা ভাষাৰ ঔপভাষিক' বুলি প্রচলিত বাগ্‌ধাৰাক চিৰদিনৰ বাবে নোহোৱা কৰাত সহায় কৰিলে।

বাণীকান্ত কাকতিয়ে সকলো অসমীয়া লেখককে ভাষাৰ বাবে বেজবৰুৱাৰ ৰচনা-পদ্ধতিৰ প্রতি সবিশেষ মন দিবলৈ আহ্বান কৰাৰ পৰাই তেওঁৰ মানসপটত যে লক্ষ্মীনাথ বেজবৰুৱাই উচ্চ-স্থান অধিকাৰ কৰিছিল সহজে অনুমান কৰিব পাৰি। স্বাভাৱিকভাৱে জোনাকীৰ দ্বাৰা প্রতিষ্ঠিত জাতীয়তাবাদ আৰু বিশেষকৈ ভাষিক জাতীয়তাবাদৰ ওপৰত কাকতিৰ গভীৰ আস্থা আছিল।

অসমীয়া ভাষাৰ স্বতন্ত্রতাক বিদ্যায়তনিক স্বীকৃতি দিয়াৰ উপৰি কাকতিয়ে তেওঁৰ গৱেষণা গ্রন্থৰ জৰিয়তে জোনাকী কাকতে সৃষ্টি কৰা একসমমান ভাষাৰ বাগ্‌ধাৰাকো বিদ্যায়তনিকভাৱে প্রতিষ্ঠা কৰিলে। কাকতিয়ে তেওঁৰ গৱেষণা গ্রন্থত কামৰূপ আৰু

গোৱালপাৰাৰ ভাষাক শিৱসাগৰীয়া ভাষাৰ দৰেই একো একোটা আঞ্চলিক ৰূপ বুলি দেখুৱালে। সমান্তৰালভাৱে ক'লে যদিওবা বিভিন্ন আৰ্থ-সামাজিক কাৰকৰ বাবে শিৱসাগৰীয়া ভাষিক ৰূপটো মান্যভাষাৰূপে প্ৰতিষ্ঠিত হৈছে, কিন্তু সামগ্ৰিকতাৰ দিশৰ পৰা নামনি অসমৰ ভাষাৰূপ অসমীয়া ভাষাৰে অংশ। 'বৌদ্ধগান ও দোহা' আৰু 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক স্থাপন কৰিবলৈ হ'লে কামৰূপী ভাষাৰূপক ভিত্তিৰূপে ল'বই লাগিব। একেই কথা প্ৰাচীন আৰু মধ্যযুগীয় অসমীয়া সাহিত্যৰ প্ৰসংগতো প্ৰযোজ্য। নামনি অসমৰ ভাষাক তেওঁৰ গৱেষণা গ্ৰন্থত এনেধৰণে মৰ্যাদাশীল কৰাত 'বাঁহী-আসাম বান্ধৱ' কাকতৰ মাজেৰে চলি অহা উজনি-নামনিৰ ভাষাকেন্দ্ৰিক বিতৰ্কসমূহ শাম কাটিলে। এক কথাত কাকতিৰ গৱেষণা গ্ৰন্থই এপিনে জাতীয় ভাষাৰূপটোক বিদ্যায়তনিকভাৱে প্ৰতিষ্ঠা কৰি সৰ্বগ্ৰহণযোগ্য হোৱাৰ বাট মুকলি কৰি দিলে, আনপিনে জাতীয় ভাষাৰূপটোৰ বাহিৰত ৰৈ যোৱা আঞ্চলিক ৰূপসমূহক 'অসমীয়া ভাষা'ৰ গণ্ডীৰ ভিতৰতে যথোপযুক্ত স্থান দিলে। সঁচা অৰ্থত এক সমমানৰ ভাষাৰূপৰ প্ৰচলন সম্ভৱপৰ হ'ল আৰু লগে লগে ভাষাৰূপটোৰ গ্ৰহণযোগ্যতাও বৃদ্ধি পালে। ইয়াৰ লগে লগে অসমীয়া ভাষাৰ মান্যীকৰণৰ চতুৰ্থ তথা শেষ স্তৰটোৰ সূচনা হ'ল। মান্যীকৰণৰ চতুৰ্থ স্তৰটো হ'ল 'ভাষাৰূপ একোটাৰ সাৰ্বিক গ্ৰহণযোগ্যতা'। "The 'acceptance' by the community of the norms of the variety selected over those of rival varieties, through the promotion, spread, establishment and enforement of norms." (Ramlan, p.32).

বাণীকান্ত কাকতিৰ দ্বাৰা প্ৰতিষ্ঠিত ঔপভাষিক বিভাজনকে পৰৱৰ্তী সময়ৰ ভাষাবিজ্ঞানীসকলে অনুসৰণ কৰিছে। জোনাকী কাকতৰ পাততে যি জাতীয় ভাষা নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল সেয়া স্বাধীনতাৰ আগে আগে সুস্থিৰ হয় আৰু স্বাধীনোত্তৰ কালত এপিনে কাকত-আলোচনী, আকাশবাণী-দূৰদৰ্শন আদিৰ যোগেদি, আনপিনে শিক্ষাৰ মাধ্যম স্বৰূপে প্ৰতিপত্তিশীল হৈ উঠে। এনেকৈয়ে সুদীৰ্ঘ কালজুৰি বিভিন্ন ঘাত-প্ৰতিঘাত, উত্থান-পতন অতিক্ৰমি অসমীয়া ভাষাৰ মান্যীকৰণৰ সামগ্ৰিক প্ৰক্ৰিয়াটো স্বাধীনোত্তৰ কালত সম্পূৰ্ণ হয়। এই ৰূপকে অসমীয়া সাহিত্য আৰু সংস্কৃতিয়ে আজিও কঢ়িয়াই আছে।

## ৫.৫ সাৰাংশ (Summing Up)

সাঁচিপাতৰ পৰা ছপা মাধ্যমলৈ যোৱাৰ সময়ত অসমীয়া ভাষা আৰু লিপি উভয়ৰে ভিন্নতাৰ অভাৱ নাছিল। মিছনেৰীসকলে ছপা মাধ্যমৰ যোগেদি লিপিটোক নিৰ্দিষ্ট কৰিলে। তদুপৰি উচ্চাৰণাত্মক বৰ্ণবিন্যাসৰীতিৰে আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলে শিৱসাগৰৰ আশে-পাশে প্ৰচলিত অসমীয়া ভাষাৰ প্ৰাদেশিক ৰূপটোক ছপা মাধ্যমত স্থান দিলে। লগে লগে মান্যীকৰণৰ প্ৰথমটো স্তৰ *নিৰ্বাচন* সম্পূৰ্ণ হ'ল। 'অৰুনোদই' কাকত প্ৰভৃতি মিছনেৰী প্ৰকাশিত পাঠ্যপুথিসমূহত উপলব্ধ উচ্চাৰণাত্মক

বৰ্ণবিন্যাস ৰীতিৰ সলনি হেমচন্দ্ৰ বৰুৱাই সংস্কৃতীয়া বৰ্ণবিন্যাস ৰীতিৰ পোষকতা কৰিলে। সময় যোৱাৰ লগে লগে 'অৰুণোদয়'কে ধৰি মিছনেৰীৰ দ্বাৰা প্ৰকাশিত সকলো অসমীয়া ভাষাৰ পুস্তিকা আৰু গ্ৰন্থতে এই সংস্কৃতীয়া বৰ্ণবিন্যাসৰীতিৰ প্ৰচলন হ'বলৈ ধৰিলে। মিছনেৰী আৰু ঔপনিৱেশিক শক্তিয়ে নিজৰ সুবিধাৰ বাবে স্থানীয় ভাষাত ব্যাকৰণ, অভিধান, শব্দকোষৰ দৰে ভাষা শিকাৰ আহিলাসমূহ ঊনবিংশ শতিকাৰ চতুৰ্থটো দশকৰ পৰাই লিখিবলৈ লৈছিল। কেইটামান দশকৰ পাছতে স্থানীয় লোকেও ব্যাকৰণ আৰু অভিধান চৰ্চাত মনোনিৱেশ কৰি ভাষাটো শিকাৰ বাবে প্ৰয়োজনীয় কিছু আহিলা নিৰ্মাণ কৰিবলৈ আগবাঢ়ি আহিছিল। পৰৱৰ্তী শতিকাটোত গোটেই ভাৰতবৰ্ষতে ভাষাবিজ্ঞান সম্পৰ্কীয় চিন্তা-চৰ্চা কৰাৰ ঢৌ উঠিছিল। গ্ৰীয়াৰ্ছনৰ 'Linguistic Survey of India' -ৰ পঞ্চম খণ্ড (১৯০৫), দেৱানন্দ ভৰালিৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি' (১৯১২), সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ' (১৯২৫), কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' (১৯৩৬), বাণীকান্ত কাকতিৰ 'Assamese Its Formation Development' (১৯৪১) দৰে গ্ৰন্থই অসমীয়া ভাষাৰ বাবে প্ৰয়োজনীয় ভাষিক ঐতিহ্য আৰু আৰ্হি প্ৰস্তুত কৰি দিছিল। ইয়ে আছিল মান্যীকৰণৰ দ্বিতীয়টো স্তৰ, যাক কোৱা হৈছে ভাষাৰূপ এটাৰ 'Codification'। হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ পাছত কলিকতালৈ পঢ়িবলৈ যোৱা ছাত্ৰৰ সংখ্যা আছিল স্বাভাৱিকতে সৰহ। এই কলিকতীয়া ছাত্ৰসকলে বংগীয় জাতীয়তাবাদৰ আধাৰত অঃভাঃউঃসাঃ সভাৰ জৰিয়তে অসমীয়া জাতীয়তাবাদৰ উন্মেষৰ চিন্তা-চৰ্চা কৰিছিল। এই সময়ছোৱাতে জোনাকী কাকতৰ মাজেৰে এক জাতীয়, সমমানৰ ভাষা নিৰ্মাণৰ প্ৰচেষ্টা আৰম্ভ হয়। 'অৰুণোদয়', 'আসাম-বন্ধু', 'আসাম-নিউচ' কাকতৰ মাজেৰে অসমীয়া ভাষাৰ যি আঞ্চলিক ৰূপ প্ৰচলিত হৈ আহিছিল, সেই ৰূপটোকে নিৰ্ভুলভাৱে ব্যৱহাৰ কৰি সাহিত্যিক শাখাৰ সৃষ্টি কৰাৰ ওপৰত জোনাকী থূলৰ লেখকসকলে গুৰুত্ব দিছিল। অসমীয়া সাহিত্যত ইতিপূৰ্বে নোহোৱা সাহিত্যিক ধাৰাসমূহ এই সময়ছোৱাতে অসমীয়া ভাষাত সূচনা হ'ল। লগে লগে অসমীয়া ভাষাৰ মান্যীকৰণৰ তৃতীয়টো স্তৰৰ সূচনা হ'ল। এটা জাতীয় ভাষা নিৰ্মাণৰ আগ্ৰহে কুৰি শতিকাৰ আৰম্ভণিতে পূৰ-পশ্চিমৰ আঞ্চলিক ৰূপ ব্যৱহাৰকাৰীসকলৰ মাজত বৌদ্ধিক দ্বন্দৰ সূচনা কৰিলে। বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থ 'Assamese Its Formation Development' (১৯৪১) প্ৰকাশ হোৱাৰ পাছত কেইবাদশক জুৰি চলা এই বৌদ্ধিক বিতৰ্কৰ অৱসান ঘটে। কাকতিয়ে ঔপভাষিক বিভাজনৰ মাজেৰে নামনি অসমৰ ভাষাৰ ঐতিহ্য নিজৰ গৱেষণা গ্ৰন্থত প্ৰতিষ্ঠা কৰাৰ পাছত তেওঁৰ উত্তৰসূৰীসকলেও কাকতিৰ ধাৰণাকে সমৰ্থন কৰে। লগে লগে অসমীয়া ভাষাৰ একমান ৰূপটোৰ গ্ৰহণযোগ্যতা বৃদ্ধি পায়। নিৰ্মীয়মান ভাষাৰূপটো অধিকাংশ লোকৰ দ্বাৰা গ্ৰহণযোগ্য হোৱাই মান্যীকৰণৰ চতুৰ্থটো বা অন্তিম স্তৰ। অসমীয়া ভাষাৰো এইদৰে স্বৰাজোত্তৰ কালত মান্যীকৰণ সম্পূৰ্ণ হয়।

## ৫.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ছপা মাধ্যমৰ সূচনাই অসমীয়া ভাষাৰ মান্যকীকৰণ প্ৰক্ৰিয়াক কিদৰে গতি প্ৰদান কৰিছিল?

২) ঊনবিংশ শতিকাত অসমীয়া ভাষাৰ মান্যকীকৰণত কি কি অগ্ৰগতি সম্পন্ন হৈছিল?

৩) বিংশ শতিকাই অসমীয়া ভাষাৰ মান্যকীকৰণ প্ৰক্ৰিয়াটোক কিদৰে আগুৱাই নিছিল?

৪) মান্যীকৰণৰ স্তৰসমূহৰ ভিত্তিত অসমীয়া ভাষাৰ মান্যকীকৰণ প্ৰক্ৰিয়াটোৰ আলোচনা আগবঢ়াওক।

৫) অসমীয়া ভাষাৰ মান্যীকৰণৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ ভূমিকা বিচাৰ কৰক।

৬) বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনে অসমীয়া ভাষাৰ মান্যীকৰণৰ বাবে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰক।

## ৫.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


গোহাঞিবৰুৱা, পদ্মনাথ । *মোৰ সোঁৱৰণী*। দ্বিতীয় প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, ১৯৭১

ডেকা, সঞ্জীৱ। *অসমীয়া ভাষাচৰ্চা ১৮৩৯-১৯৪১*। গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৬

দেৱ গোস্বামী, ৰঞ্জিৎ কুমাৰ (সম্পা.) । *অসমীয়া সাহিত্যৰ বুৰঞ্জী (পঞ্চম খণ্ড)*। প্ৰথম প্ৰকাশ, এবিলেক, ২০১৫

নেওগ, মহেশ্বৰ (সম্পা.)। *অৰুনোদই*। চতুৰ্থ প্ৰকাশ, অসম প্ৰকাশন পৰিষদ, ২০২১

নেওগ, মহেশ্বৰ । *অসমীয়া সাহিত্যৰ ৰূপৰেখা*। ষোড়শ সংস্কৰণ, চন্দ্ৰ প্ৰকাশ, ২০১৯

বৰা, সত্যনাথ। *বহল ব্যাকৰণ*। পঞ্চম প্ৰকাশ, অশোক বুক ষ্টল, ২০১২

শইকীয়া, নগেন (সম্পা.) । *বেজবৰুৱা ৰচনাৱলী*, পঞ্চম খণ্ড। বনলতা, ২০১০

শইকীয়া, নগেন (সম্পা.) । *জোনাকী*। প্ৰথম প্ৰকাশ, অসম সাহিত্য সভা, ২০০১

শৰ্মা, সত্যেন্দ্ৰনাথ । *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। নৱম সংস্কৰণ, প্ৰতিমা দেৱী, ২০০৪

Chakravarty, Banani. "Colonialism and Social history of a vernacular: Assamese Language and Folklore in the nineteenth century". *Gauhati University*, 2011.

Ramlan. "*Language Standardization in general point of view*". Budapest International Research and Critics Institute Journal, vol. I, 1 Feb. 2018, pp.27-33., www.birci-journal.com.


* * *